# সাহিত্য সৌৰভ

(উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ বাবে)

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ**

**বামুণীমৈদাম, গুৱাহাটী - ২১**

**SAHITYA SAURAV :** A textbook on Assamese (MIL) prescribed by the Assam Higher Secondary Education Council, for the first year Higher Secondary Course and published by M/s Jyoti Prakashan,on behalf of Assam Higher Secondary Education Council, Assam.
First published : 2010, Seventh Edition : 2017(New & revised edition)
Reprint : 2023 Price : Rs. 100.00 only.

**প্ৰথম প্ৰকাশ ঃ** ২০১০
**সপ্তম প্ৰকাশ ঃ** ২০১৭
**(পৰিবৰ্ধিত নতুন সংস্কৰণ)**
**অষ্টম প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০১৮
**নৱম প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০১৯
**দশম প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০২০
**একাদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০২১
**দ্বাদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০২২
**ত্ৰয়োদশ প্ৰকাশ (পুনৰ্মুদ্ৰণ) ঃ** ২০২৩

© অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

**বেটুপাতৰ শিল্পী ঃ** সঞ্জীৱ বৰা

**মূল্য ঃ** ১০০.০০ টকা

**মুদ্ৰণ ঃ** ত্ৰিনয়ন গ্ৰাফিক অফ্‌ছেট
বামুণীমৈদাম, গুৱাহাটী-২১

**সৰ্বস্বত্ব সংৰক্ষিত**

* প্ৰকাশকৰ অনুমতি অবিহনে এই প্ৰকাশনৰ যিকোনো অংশৰ ছপা কৰা কাৰ্য অথবা ইলেক্ট্ৰনিক মাধ্যম, যান্ত্ৰিক মাধ্যম, ফটো প্ৰতিলিপি, ৰেকৰ্ডিং নাইবা আন কোনো উপায়েৰে, পুনঃপদ্ধতিৰ সহায়ত ইয়াৰ সংগ্ৰহকৰণ অথবা সংবৰ্ধন কৰাটো নিষিদ্ধ।

* এই কিতাপখনৰ বিক্ৰী এই চুক্তি সাপেক্ষে কৰা হৈছে যে প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে এই কিতাপখন ইয়াৰ নিজা বেটু পাত, 'বাইণ্ডিঙ'ৰ বাহিৰে অন্য কোনো প্ৰকাৰে ব্যৱসায় কৰা, ধাৰে দিয়া, পুনৰ বিক্ৰী কৰা নাইবা ভাড়ালৈ দিব নোৱাৰিব।

* এই পুথিখনৰ উচিত মূল্য এই পৃষ্ঠাতে ছপা কৰিব লাগিব। ৰবৰৰ 'ষ্টাম্প', ষ্টিকাৰ মৰা বা অন্য কোনো প্ৰকাৰে অংকিত যিকোনো সংশোধিত মূল্যই অশুদ্ধ হ'ব আৰু বিবেচিত নহ'ব।

**অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ হৈ**
**জ্যোতি প্ৰকাশন**
পাণবজাৰ, গুৱাহাটী-৭৮১০০১

# পাঠ্যপুথি সম্পাদনা সমিতি

**মুখ্য সম্পাদক** ঃ ড° তৰণী ডেকা
মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**সহযোগী সম্পাদকসকল** ঃ ড° মহেশ্বৰ কলিতা, সহযোগী অধ্যাপক
অসমীয়া বিভাগ, কটন কলেজ, গুৱাহাটী

ড° প্ৰসন্ন কুমাৰ নাথ, সহযোগী অধ্যাপক
ছিপাঝাৰ মহাবিদ্যালয়, দৰং

ড° লক্ষী হাজৰিকা, সহযোগী অধ্যাপক,
অসমীয়া বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী

ড° অৰবিন্দ ৰাজখোৱা, সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়,
উত্তৰ লক্ষীমপুৰ

শ্ৰীশংকৰ কুমাৰ দাস
বিষয় শিক্ষক (অসমীয়া)
চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়, নলবাৰী

## ‘চমু ৰচনা আৰু ব্যাকৰণ’ খণ্ড

**মুখ্য সম্পাদক** ঃ ড° লীলাৱতী শইকীয়া বৰা,
অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী

**সহযোগী সম্পাদক** ঃ ড° লক্ষী হাজৰিকা, সহযোগী অধ্যাপক,
অসমীয়া বিভাগ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়,
গুৱাহাটী

## ভাৰতীয় সংবিধান

### প্ৰস্তাৱনা

আমি ভাৰতৰ জনগণে ভাৰতক এখন সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ লোকতান্ত্ৰিক গণৰাজ্যৰূপে গঠন কৰিবলৈ, তথা ইয়াৰ সকলো নাগৰিকৰ বাবে, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিষ্ঠা আৰু সুযোগৰ সমতা লাভ কৰিবলৈ আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তিৰ মৰ্যাদা তথা জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃত্ব ভাব বৃদ্ধি কৰিবলৈ নিষ্ঠা সহকাৰে সংকল্প কৰি— আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ষষ্ঠবিংশ দিৱসত এই সংবিধান গ্ৰহণ কৰিছোঁ, অধিনিয়মিত কৰিছোঁ আৰু নিজকে অৰ্পণ কৰিছোঁ।

# ভূমিকা

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— “পৰিৱৰ্তনশীল জগতত পৰিৱৰ্তনেই সত্য।”

সাম্প্ৰতিক যুগ হ’ল জ্ঞান-বিজ্ঞানৰ জয়-যাত্ৰাৰ যুগ। সময়ৰ লগে লগে জ্ঞান-বিজ্ঞানৰ বিভিন্ন দিশত পৰিৱৰ্তন সাধিত হৈ আহিছে। সেই পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত শিক্ষাৰ সকলো স্তৰৰে পাঠ্যক্ৰমৰ উত্তৰণ সাধনৰ প্ৰয়োজন। উচ্চতৰ মাধ্যমিক স্তৰটো হ’ল ছাত্ৰ-জীৱনৰ অতি গুৰুত্বপূৰ্ণ স্তৰ। অসমৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে বিভিন্ন ক্ষেত্ৰত অন্য ৰাজ্যৰ শিক্ষাৰ্থীৰ লগত সমানে ফেৰ মাৰি আগবাঢ়ি যাব পাৰে, তাৰে লক্ষ্য ৰাখি সংসদে ইয়াৰ অধীনৰ সকলো বিষয়ৰ পাঠ্যক্ৰম ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পাঠ্যক্ৰমৰ আৰ্হিত প্ৰস্তুত কৰিবলৈ সিদ্ধান্ত লৈছিল আৰু সেইমতে বিভিন্ন বিষয়ৰ পাঠ্যপুথিসমূহ ৰচনা কৰা হৈছিল। অসমীয়া বিষয়ৰ পাঠ্যক্ৰমো সেই দৃষ্টিভংগীৰে প্ৰস্তুত কৰি ‘সাহিত্য সৌৰভ’ গ্ৰন্থখনি প্ৰকাশ কৰা হৈছিল।

সম্প্ৰতি অসমীয়া বিষয়ৰ বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অনুসৰি গ্ৰন্থখনৰ কেইটিমান পাঠ সলনি কৰি আৰু ‘চমু ৰচনা আৰু ব্যাকৰণ’ বিষয়ক পাঠটি অন্তৰ্ভুক্ত কৰি গ্ৰন্থখনি নতুন ৰূপত প্ৰকাশ কৰা হৈছে। চকুত পৰা দুটামান সাধাৰণ ক্ৰটি আঁতৰাই পুথিখন পুনৰ প্ৰকাশ কৰা হ’ল।

সম্পাদনা সমিতিয়ে যত্ন কৰি পাঠ্যপুথিখনি প্ৰস্তুত কৰি দিয়া বাবে আমি সমিতিৰ সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। বিশেষজ্ঞ সমিতিৰ সদস্যসকলৰ লগতে এই কাৰ্যত জড়িত সকলোৰে শলাগ লৈছোঁ। গ্ৰন্থখনিৰ পৰৱৰ্তী পৰ্যায়ত উন্নতি সাধন কৰিবলৈ বিজ্ঞসকলৰ পৰা দিহা-পৰামৰ্শ আশা কৰিলোঁ।

আশা কৰিছোঁ, পাঠ্যপুথিখনিয়ে অসমীয়া বিষয়ৰ নিৰ্ধাৰিত শিক্ষাৰ উদ্দেশ্যাৱলী সফলতাৰে ৰূপায়ণ কৰিব পাৰিব। ইতি—

বামুণীমৈদাম, গুৱাহাটী-২১

সচিব
অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

## সূচীপত্ৰ

### গোট ১ ঃ গদ্য


| | | | |
|---|---|---|---|
| ১। | ধনৰ ব্যৱহাৰ | ঃ সত্যনাথ বৰা | ... ১ |
| ২। | অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ | ঃ পদ্মনাথ গোহাঞি বৰুৱা | ... ১৪ |
| ৩। | গৌৰৱ | ঃ কালিৰাম মেধি | ... ২৬ |
| ৪। | কিতাপৰ কথা | ঃ প্ৰফুল্ল দত্ত গোস্বামী | ... ৩৯ |
| ৫। | গিবন | ঃ হোমেন বৰগোহাঞি | ... ৪৮ |
| ৬। | কে'ম্ব্রিজৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানুষ্ঠান | ঃ ড° হীৰেন গোহাঁই | ... ৬১ |
| ৭। | অসমৰ পুৰণি খেল-ধেমালি | ঃ সুবোধ মল্ল বৰুৱা | ... ৭৪ |
| ৮। | এভাৰেষ্টৰ সপোন আৰু বিভীষিকা | ঃ প্ৰণয় বৰদলৈ | ... ৮৯ |


### গোট ২ ঃ চুটিগল্প


| | | | |
|---|---|---|---|
| ১। | বিয়াৰ প্ৰেজেণ্ট | ঃ চৈয়দ আব্দুল মালিক | ... ১০৫ |


### গোট ৩ ঃ কবিতা


| | | | |
|---|---|---|---|
| ১। | ৰাৱণক বিভীষণৰ সজ উপদেশ | ঃ মাধৱ কন্দলি | ... ১১৮ |
| ২। | বৰগীত ঃ জয় জয় যাদৱ জলনিধিজা | ঃ শংকৰদেৱ | ... ১২৪ |
| ৩। | ধনবৰ আৰু ৰতনী | ঃ লক্ষ্মীনাথ বেজবৰুৱা | ... ১৩২ |
| ৪। | বনকুঁৱৰী | ঃ চন্দ্ৰকুমাৰ আগৰৱালা | ... ১৩৯ |
| ৫। | লাচিত ফুকন | ঃ দেৱকান্ত বৰুৱা | ... ১৪৮ |
| ৬। | ৰাজপথ | ঃ ভৱানন্দ দত্ত | ... ১৫৭ |
| । | এখন চিঠি | ঃ হেম বৰুৱা | ... ১৬৩ |


### গোট ৫


**চমু ৰচনা আৰু ব্যাকৰণ** ... ১৭০


# SYLLABUS FOR HIGHER SECONDARY FIRST YEAR COURSE

## ASSAMESE (MIL)

**One Paper** **Time : Three hours** **Marks : 100**

**Unitwise Distribution of Marks & Periods :**

| Unit | Topics | Marks | Periods |
|---|---|---|---|
| Unit-I | Prose | 40 | 75 |
| Unit-II | Short Story | 7 | 05 |
| Unit-III | Poetry | 25 | 30 |
| Unit-IV | Drama | 18 | 20 |
| UNit-V | Composition & Grammar | 10 | 10 |
| | **Total :** | **100** | **140** |

পাঠ্যপুথি ঃ **সাহিত্য সৌৰভ** (উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক)

**Unitwise Distribution of Marks & Periods :**

**Unit-I: (গোট-১) নিৰ্বাচিত গদ্য (Marks-40) (Periods-75)**

১। ধনৰ ব্যৱহাৰ ঃ সত্যনাথ বৰা
২। অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ ঃ পদ্মনাথ গোহাঞি বৰুৱা
৩। গৌৰৱ ঃ কালিৰাম মেধি
৪। কিতাপৰ কথা ঃ প্ৰফুল্ল দত্ত গোস্বামী
৫। গিবন ঃ হোমেন বৰগোহাঞি
৬। কে'ম্ব্রিজৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষানুষ্ঠান ঃ ড° হীৰেন গোহাঁই
৭। অসমৰ পুৰণি খেল-ধেমালি ঃ সুবোধ মল্ল বৰুৱা
৮। এভাৰেষ্টৰ সপোন আৰু বিভীষিকা ঃ প্ৰণয় বৰদলৈ

**Unit-II : (গোট-২) চুটিগল্প (Marks-7) (Periods-05)**

| | | |
|---|---|---|
| ১। | বিয়াৰ প্ৰেজেণ্ট | ঃ চৈয়দ আব্দুল মালিক |

**Unit-III : (গোট-৩) নিৰ্বাচিত কবিতা (Marks-25) (Periods-30)**

| | | |
|---|---|---|
| ১। | ৰাৱণক বিভীষণৰ সজ উপদেশ | ঃ মাধৱ কন্দলি |
| ২। | বৰগীত ঃ জয় জয় যাদৱ জলনিধিজা | ঃ শংকৰদেৱ |
| ৩। | ধনবৰ আৰু ৰতনী | ঃ লক্ষ্মীনাথ বেজবৰুৱা |
| ৪। | বনকুঁৱৰী | ঃ চন্দ্ৰকুমাৰ আগৰৱালা |
| ৫। | লাচিত ফুকন | ঃ দেৱকান্ত বৰুৱা |
| ৬। | ৰাজপথ | ঃ ভৱানন্দ দত্ত |
| । | এখন চিঠি | ঃ হেম বৰুৱা |

**Unit-IV : (গোট-৪) নাটক (Marks-18) (Periods-20)**

| | | |
|---|---|---|
| ১। | কুশল কোঁৱৰ | ঃ উত্তম বৰুৱা |

**Unit-V : (গোট-৫) চমু ৰচনা আৰু ব্যাকৰণ (Marks-10) (Periods-10)**

# ধনৰ ব্যৱহাৰ

**সত্যনাথ বৰা**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

পুৰণি অসমীয়া গদ্য-সাহিত্যৰ এটি গৌৰৱোজ্জ্বল ইতিহাস আছে। একেদৰে আধুনিক অসমীয়া গদ্য-সাহিত্যয়ো জোনাকী যুগৰ পৰা বিভিন্ন গৰাকী লেখকৰ হাতত পৰিপুষ্টি লাভ কৰি বৰ্তমানৰ ৰূপ লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক জোনাকী যুগৰ গদ্য-ৰীতি, প্ৰকাশভংগী আদিৰ লগতে ধনৰ ব্যৱহাৰ কেনে হোৱা উচিত— এইবোৰ বিষয় সম্পৰ্কে জনাবলৈ ঘাইকৈ পাঠটো নিৰ্বাচন কৰা হৈছে। এগৰাকী উল্লেখযোগ্য গদ্য লেখক হিচাপে খ্যাতি অৰ্জন কৰা তথা অসমীয়া সাহিত্যত 'বেকন' হিচাপে পৰিচিত সত্যনাথ বৰাৰ চমু পৰিচয় আৰু গদ্য ৰচনাৰ নিদৰ্শন দাঙি ধৰাটোও এই পাঠ নিৰ্বাচনৰ আন এক উদ্দেশ্য। পাঠটি অধ্যয়নৰ দ্বাৰা যাতে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয়, সেই দিশটোৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰা হৈছে।

### লেখক পৰিচিতি ঃ

গুৱাহাটীৰ ভৰলুমুখত জন্ম লাভ কৰা সত্যনাথ বৰাই (১৮৬০-১৯২৫) গুৱাহাটীত হাইস্কুলৰ শিক্ষা শেষ কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়। কলিকতাত তেওঁ ১৮৮৯ চনত বি. এল. পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ আৰ্ল-ল কলেজ আৰু কটন কলেজত কিছুদিন অধ্যাপনা কৰে। পাছলৈ অধ্যাপনা বাদ দি গুৱাহাটীতে ওকালতি কৰিবলৈ লয়।



গ্ৰন্থকাৰ হিচাপে আত্মপ্ৰকাশ কৰা সত্যনাথ বৰাৰ প্ৰথমখন গ্ৰন্থ 'গীতাৱলী' প্ৰকাশ পাইছিল ১৮৮৮ চনত। এইখন আছিল এখন গীতৰ পুথি। তেওঁ ৰচনা কৰা 'বহল ব্যাকৰণ' এখনি উল্লেখযোগ্য ব্যাকৰণ। 'কেন্দ্ৰসভা', 'সাহিত্য বিচাৰ', 'সাৰথি', 'চিন্তাকলি' আদি বৰাৰ প্ৰবন্ধ আৰু সমালোচনামূলক পুথি। তেওঁ ৰচনা কৰা 'আকাশ ৰহস্য' অসমীয়া সাহিত্যত বিজ্ঞান বিষয়ক প্ৰথম গ্ৰন্থ। তেওঁ হাস্য-ৰসাত্মক কবিতা কিছুমানো ৰচনা কৰিছিল। সম্পাদক হিচাপেও তেওঁ ব্যুৎপত্তি লাভ কৰিছিল। ১৯০১ চনত গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা 'জোনাকী' আলোচনীখনো তেওঁ সম্পাদনা কৰিছিল।

### মূল পাঠ ঃ

ধনৰ সকাম আৰু উপাৰ্জনৰ বিষয়ে আগতে* আলোচনা কৰা হৈছে, কিন্তু তাৰ ব্যৱহাৰৰ বিষয়ে কোনো কথা কোৱা হোৱা নাই। ধন উচিত ৰূপে ব্যৱহাৰ কৰিব নাজানিলে তাৰে সুফল ফলাব নোৱাৰি। পৃথিৱীত এনেকুৱা বহুত মানুহ আছে যি ধনৱন্ত হৈও অষ্টম দৰিদ্ৰৰ নিকাৰ ভুঞ্জে। এইবিলাক মানুহক সাধাৰণ কথাত কৰাইচ, কট্‌কিনা বা কৃপণ বোলে। কৃপণক নিধনী বুলিলে অযুগুত নহয়। চকুৰে দৰ্শন আৰু ভৰিৰে বুলন কাম নকৰিলে তেনে মানুহৰ সেই দুই চভিয়া নাই বুলি ধৰিব পাৰি। সেইদৰে যি মানুহে ধন থাকোঁতে ধনৰ কাৰ্য নকৰে তাক নিধনী বুলিলে যুক্তিৰ দোষ নহয়। আচল মতে কৃপণৰ ধন, ধন নহয়, ল'ৰাই ওমলা খোলাকটি।

ধনৰ দুইৰকম ব্যৱহাৰ হ'ব পাৰে— প্ৰথম ধনেৰে সুখ-সম্পদৰ আহিলা-পাতি গোটাই ল'ব পাৰি। ভোজনৰ ভাল বস্তু, পিন্ধনৰ ভাল

---

* অৰ্থাৎ 'সাৰথি' পুথিত থকা 'কৰ্ম', 'শ্ৰম', 'ছেগ' আদি প্ৰবন্ধত।

কাপোৰ, বাসৰ ভাল ঘৰ, আৰু হাতী-ঘোঁৰা, গাড়ী-দোলা, বন্দী-বেটী আদি কৰি সাংসাৰিক সুখৰ আহিলাবোৰ ধন হ'লে গোটাই আনি উপভোগ কৰিব পাৰি। দ্বিতীয়, ধনেৰে আনৰ উপকাৰ সাধিব পাৰি; ভাত নোহোৱাৰ ভাত, কাপোৰ নোহোৱাৰ কাপোৰ ধনেৰে যতোৱা যায়, মানুহ বিপদত পৰিলে ধনেৰে উদ্ধাৰ কৰিব পাৰি, আৰু বিদ্যালয়, চিকিৎসালয় আদি থাপন কৰি সৰ্বসাধাৰণৰ উপকাৰ কৰিব পাৰি। কৃপণৰ ধন এই কাৰ্যবোৰৰ কোনোটোত নালাগে। ভোগৰ নিমিত্তে ধন, এই কথা কৃপণে নুবুজে। লাজ ঢকা আৰু প্ৰাণ প্ৰৱৰ্তোৱা, এই দুইত বাজে আন কামত ধন ভঙা কৃপণৰ ধৰ্ম নহয়। তাৰ বিবেচনাত উত্তম ভোজন খঁক, উত্তম পিন্ধন গপ, আৰু দান-দক্ষিণা ধনৰ অপব্যয় মাথোন। লোকৰ উপকাৰৰ অৰ্থে ধন খৰচ কৰিলে সি অত্যাচাৰ কৰা যেন বোধ কৰে। উৎসৱত ধন ভাঙিলে তাৰ বিবেচনাত উদ্ভণ্ডালি কৰা বা ওভতগোৰে নচা হয়। ল'ৰা-তিৰোতা কৃপণৰ মানত ধনতকৈ হীন। সি নিজে যেনে খৰচৰ ভয়ত ধন বান্ধি থৈ দুখ ভোগ কৰে তাৰ ল'ৰা-ছোৱালীকো সেইদৰে খাৱন-পিন্ধনত দুখ দিয়ে। নীতিবচন আছে যে কৃপণক উপাসা কৰাৰ নিচিনা আৰু দুখ নাই। যি কৃপণৰ ভাতলৈ আশা কৰে, তাৰ জীৱন কুকুৰৰ জীৱন।

কৃপণৰ বিবেচনাত ধনৰ মূল্য সৰহ, কামৰ মূল অলপ, গতিকে সি সৰহ কামত অলপ ধন যাচে বা মুঠে নিদিবলৈ ফাঁকটি কৰে। আন মানুহে ধন খৰচ কৰিলেও কৃপণে সহিব নোৱাৰে। কোনো মানুহে ডাঙৰ সকাম পাতি সৰহকৈ ধন ভাঙিবলৈ ওলালে, সি তাত বিধি-পথালি কৰে আৰু অনেক আসোঁৱাহ দেখুৱায়। এইবিলাক উপায়েৰে কামত বাধা দিব নোৱাৰিলে এটা মিছা কথা উলিয়াই তাৰ কুৎসা ৰটনা কৰে। এই শ্ৰেণী কৃপণৰ সজ-অসজ দুয়োবিধ বৃত্তিৰ বল কমি যায়, কিয়নো অলপ-অচৰপ ধন খৰচ নকৰিলে সজ-অসজ কোনো বৃত্তিকেই চৰিতাৰ্থ কৰিব নোৱাৰি।



দয়া বৃত্তি ফলাব লাগিলেও অলপ ধনো লাগে, আৰু অহংকাৰ বা লোভ ফলাব লাগিলেও অলপ ধন লাগে।

কৃপণ আৰু এক শ্ৰেণীৰ আছে। সিহঁতৰ সজ বৃত্তিবোৰৰ তেজ কমি গ'লেও অসজ বৃত্তিবোৰ প্ৰবল থাকে, আৰু সেই অসজ বৃত্তিবোৰ সিহঁতে আনৰ খৰচত সন্তুষ্ট কৰিবলৈ সদায় যত্ন কৰে। ভাল বস্তু খাবলৈ সিহঁতৰ বৰ অভিলাষ, কিন্তু নিজৰ ধন খৰচ কৰি ভাল বস্তু কেতিয়াও নাখায়। নিজৰ ঘৰত সিহঁতৰ সদায় শাক-ভাতৰ ব্যৱস্থা, কিন্তু লোকৰ ঘৰত উপাদেয় বস্তু নহ'লে ভোজন নকৰে। নিজৰ ঘৰত সদায় এখন আঞ্জা, লোকৰ ঘৰত পাঁচখন বিচাৰে, নিজৰ কামত খোজ কাঢ়ি এদিনৰ বাট যায়, লোকৰ কামত বাহন নহ'লে এখোজো নলৰে। মুঠ কথা, লোকৰ ওপৰত পালে সিহঁতে ভালৰো ভাল খায়, ভালৰো ভাল পিন্ধে, কিন্তু নিজ খৰচে চলিব লাগিলে মোটা চাউলৰ ভাত খায় আৰু ঢৰিয়া সূতাৰ কাপোৰ পিন্ধি দিন কটায়। খাৱন-পিন্ধন সম্বন্ধে এই শ্ৰেণীৰ কৃপণৰ মুখত সদায় ডাংকোপ মৰা কথা। সিহঁতে নিজৰ ঘৰৰ আচল অৱস্থা কেতিয়াও সদৰী হ'ব নিদিয়ে, কাৰণ তেনেহ'লে আনৰ ঘৰত ডাংকোপ মাৰিবলৈ বা দম্ভালি কৰিবলৈ বাট নৰয়। ঘৰত খাৰণিৰে ভাত খাই বাজত ঘিঁউৰ ব্যাখ্যা কৰা মানুহ পৃথিৱীত বহুত আছে। সিহঁতৰ বাজৰ ফাল বিতোপন, কিন্তু ভিতৰৰ ফাল কুন্ধচ। বাজত বৰ চুৰিয়াৰ ফেৰ, ভিতৰত ঢকুৱাৰ বেৰ— এই ফকৰাটো যদিও মানুহে অকল ভৰকাল দৰিদ্ৰত খটায়, ই কৃপণতো ভালকৈ খাটে। ফুল বছা চ'ৰাঘৰ, স্বৰগ দেখা বৰ ঘৰ, এনেকুৱা গৃহস্থালি বহুত কৃপণৰ দেখা যায়। ই কৃপণালিৰ ঢাকন। এই শ্ৰেণীৰ কৃপণে সামান্য বস্তুক ভৰকীয়া নাম দিয়ে, ভগা খাটক পালেং, ভগা কাঁহীক মাইহাং আৰু ফটা কঁথাক নিহালি বুলিহে ব্যাখ্যা কৰে।

কিহৰ পৰা মানুহৰ কৃপণালি জন্মে তাক ঠাৱৰকৈ কোৱা টান। কৃপণবিলাকৰ জীৱন-বৃত্তান্ত ভালকৈ গমি চালে দেখা যায় যে সিহঁতৰ

কিছুমানে ধন উভৈনদী কৰি পৃথিৱীত এটা খ্যাতি ৰাখিবৰ মনেৰে কৃপণালি কৰে আৰু কিছুমানে সন্তান-সন্ততিলৈ ধনৰ এটা অক্ষয় ভাণ্ডাৰ বান্ধি থ'বৰ মনেৰে কৃপণালি কৰে। এই দুয়ো শ্ৰেণীৰ কৃপণে কিমান ধন হ'লে সিহঁতৰ অভিপ্ৰায় সিদ্ধ হ'ব ক'ব নোৱাৰে, গতিকে সিহঁতৰ গোটেইটো জীৱন কৃপণালি কৰি ধন গোটাওঁতেই যায়। আৰু এক শ্ৰেণীৰ কৃপণ আছে, সিহঁতে কেৱল ধনৰ নিমিত্তেই ধন গোটায়, আন একো সিহঁতৰ অভিপ্ৰায় নাই; ধনৰ পৰিমাণ বাঢ়িলেই সিহঁতৰ আনন্দৰ পৰিমাণ বাঢ়ে। সিহঁতৰ নামত ধন সুখ ভোগৰ উপায় নহয়, স্বয়ং ধনেই সুখ। ধনৰ নামত সিহঁত উদ্বাউল হয়, ধনৰ আন ব্যৱহাৰ সিহঁতে নাজানে, ধন চকুৰে চাই থকাই সিহঁতৰ পৰম সুখ। ল'ৰা-ছোৱালী বা আন কোনো পৰিয়াল নোহোৱা মানুহৰ পক্ষে কৃপণালি কৰি ধন সাঁচিবৰ কোনো কাৰণ দেখা নাযায়, কিন্তু তেনেকুৱা মানুহৰ ভিতৰত কৃপণৰ সংখ্যা সৰহ। ৰজাৰ আক্ৰোহ আৰু বজাৰ আক্ৰোহ সমান, এটা বচন আছে। ৰজাই আক্ৰোহ কৰি ধন সাঁচে প্ৰজাৰ অৰ্থে খৰচ কৰিবলৈ, কিন্তু বজাই আক্ৰোহ কৰি ধন সাঁচে কেৱল চাই থাকিবলৈ। এইবিলাক কৃপণৰ বাদে আৰু এক শ্ৰেণীৰ কৃপণ আছে। ইহঁতে কোনো এটা সংকল্প কৰি থোৱা ডাঙৰ কামত খৰচ কৰিবলৈ কট্‌কিনালি কৰি ধন গোটায় আৰু কামৰ জোখাৰে ধন গোট খালে তেতিয়া তাক মুকলি হাতে খৰচ কৰে। আচল মতে ইহঁতক কৃপণ বুলিব নোৱাৰি। খৰচত হাত টান হ'লে মানুহক কট্‌কিনা বা কৃপণ বোলে। ইহঁতৰ হাত টান নহয়, কেৱল আগলৈ খৰচ কৰিবৰ মনেৰে সঞ্চয় কালত কট্‌কিনালি কৰে।

খৰচত হাত টান হ'লে যেনেকৈ কৃপণ নাম পায়, ওচ-মোচ নিবিচাৰি সৰহকৈ খৰচ কৰিলেও তেনেকৈ ধুঁৱাখুলীয়া নাম পায়। কৃপণ হোৱা যেনে নিন্দাৰ কথা, ধুঁৱাখুলীয়া হোৱাও তেনে নিন্দাৰ কথা। কৃপণেও ধনৰ উচিত ব্যৱহাৰ নাজানে, ধুঁৱাখুলীয়ায়ো ধনৰ উচিত ব্যৱহাৰ নাজানে।



এজন কেৱল সঞ্চয় কৰাত উত্ৰাৱল, আনজন ক্ষয়ংকৰ কৰাত উত্ৰাৱল। খৰচীৰ পক্ষে ধন এটা অসহনীয় বোজা, এটা বিষম আহুকাল, তাক খৰচ কৰি অন্ত নকৰে মানে তাৰ মনত সন্তোষ নাই। খৰচৰ কোনো সকাম নাথাকিলেও সি এটা সকাম গঢ়ি লয়। এনেবিধৰ মানুহ এদিন ধনী আৰু এদিন দৰিদ্ৰ হয়, এদিন নানা ভোগ-উপভোগ কৰে, এদিন লোণে-ভাতে পেট ভৰায়; এদিন লোকক বৰ ভোজ দিয়ে, এদিন লোকৰ দুৱাৰত নিজে আঁচল পাতে। খৰচী মানুহে ধন গোট কৰি কোনো ডাঙৰ কাম কৰা দূৰৈৰ কথা নিজে বিপদত তৰিবলৈও তাৰ সামৰ্থ্য নাইকিয়া হয়, সমস্ত জীৱনটো ধন ঘটি অন্তত সি পৰৰ ভাতলৈ আশা পালিবলগীয়া হয়। খৰচী মানুহে তাৰ অভাৱৰ উমান নাপায়, সেই দেখি সি সকামতকৈ সৰহ বস্তু আসাদন কৰে, অৰ্থাৎ এসেৰৰ সকামত দহ সেৰ কিনি একড়াৰ ঠাইত এপোণ খৰচ কৰে। ইহঁতে নিজে যেনে খৰচ কৰিবলৈ উৰুলীকৃত, আনকো সেইদৰে উদগাই উৰুলীকৃত কৰে। ইহঁতে ভৱিষ্যৎ নাভাবে, এশবাৰ ধনৰ নাটনিত পৰি কক্‌বকাই ফুৰিলেও শিকনি নলয়। ইহঁত আমঠ, ইহঁতৰ স্বভাৱ শুধৰণিৰ বাজ।

কৃপণালিৰ কাৰণ যেনে ঠাৱৰকৈ ক'ব নোৱাৰি, ধোঁৱাখুলীয়ালিৰো কাৰণ তেনে ঠাৱৰকৈ ক'ব নোৱাৰি। ভালকৈ গমি চালে ইয়াকে দেখা যায় যে কেৱল খিতাপ দেখুৱাবলৈহে মানুহ ধোঁৱাখুলীয়া হয়। কিন্তু জনা-বুজা মানুহে ধোঁৱাখুলীয়ালিক খিতাপ বুলি নধৰে, কেৱল চহা দুখীয়া তৰপৰ মানুহে তাক খিতাপ কৰা বোলে। অশিক্ষিত দুখীয়া মানুহে ধুমধামকৈ খৰচ কৰা দেখিলে বিস্ময় মানে আৰু যি তেনেকৈ খৰচ কৰে তাক বৰলোক বুলি বিবেচনা কৰে। চোৰেও চুৰ কৰা ধন খৰচ কৰি সিহঁতৰ চকুত চমক লগাব পাৰে। অশিক্ষিত সামান্য মানুহৰ মানত ধন খৰচ কৰা এটা মহতালিৰ কৰ্ম। সিহঁতে ধনীক ঈশ্বৰ যেন দেখে। ধনীৰ অত্যাচাৰক প্ৰতাপ বোলে, কুকামক ধেমালি বোলে আৰু ধনীৰ মাৰ-

কিলক আদৰ বুলি ভাবে। সিহঁতৰ ভাল-বেয়া বোধ নাই, মান-অপমানৰ জ্ঞান নাই। এনেকুৱা নিৰ্বোধ মানুহৰ প্ৰশংসা পাবলৈ যি নিজৰ হিতাহিত জ্ঞানক ঠেলি থৈ অযুগুত খৰচ কৰি দুখ মাতি আনে সি যে আও নিৰ্বোধ তাত এক ধনিষ্ঠাও সন্দেহ নাই।

ধন ঘটিবলৈ উজু, কিন্তু ৰাখিবলৈ টান, এই কথা লোক নিৰন্তৰে কয় আৰু কথা আষাৰত যে সাৰ নাই এনেও নহয়। জগতৰ সকলো মানুহে ধন আৰ্জে, কিন্তু দুই-চাৰিজনহে ধনৱন্ত হয়। বহুতে বিবেচনা কৰে যে যাৰ সৰহ আৰ্জন তাৰ পক্ষে ধনৱন্ত হোৱা টান কথা নহয়। কিন্তু পৃথিৱীৰ দৃষ্টান্তলৈ চালে এই কথাৰ মিছা ধৰা পৰে। সৰহ উপাৰ্জন কৰিও অন্তত ঋণৰ বোজা মূৰত লৈ প্ৰাণ এৰা মানুহ জগতত বহুত পোৱা যায়, আকৌ অলপীয়া আৰ্জনেৰে ধনৱন্ত হোৱা মানুহো বহুত আছে। এতেকে আৰ্জনৰ কম-বেছিত মানুহ চহকী বা দুখীয়া নহয়, ধনৰ সজ বা অসজ ব্যৱহাৰৰপৰাহে হয়।

আয় অনুসৰি খৰচ কৰাই অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ। আয়ৰ জোখেই খৰচৰ জোখ হোৱা উচিত। আয় অলপ, খৰচ সৰহ সেয়েই দৰিদ্ৰ হ'বৰ চিন। যি মানুহে ধনৰ নাটনি এৰাব খোজে সি তাৰ আয়ৰ চাৰি ভাগৰ এভাগ সাঁচি ৰখা উচিত; কিন্তু যি ধনৱন্ত হ'ব খোজে সি আয়ৰ পূৰা আধা সাঁচিব লাগে। এজন পণ্ডিতে কৈছে যে উৎপন্নৰ আধা সাঁচিলে মানুহ ধনী হ'ব পাৰে আৰু তেহাই সাঁচিলে নিধৰুৱা হৈ সুখেৰে খাই-লৈ থাকিব পাৰে, এই কথা সৰহ আৰ্জন আৰু অলপ আৰ্জন দুয়োতে খাটে।

সলাব বা কমাব নোৱাৰা কৰি খৰচৰ নিৰিখ বান্ধি লোৱা উচিত নহয়। আয় টুটি আহিলে সেই নিৰিখে খৰচো কমাই অনা উচিত, আনৰ নিন্দালৈ ভয় কৰি আয় কমি গ'লেও খৰচ অটুট ৰখা অযুগুত। খৰচ সম্বন্ধে কেতিয়াও চকুলাজ ৰখা উচিত নহয়। তোমাৰ ভিতৰুৱা অৱস্থা তুমি



মাথোন ভালকৈ জানা, আনে নাজানে। এতেকে নজনা মানুহৰ কথাত উতলা হৈ ভৰক ৰাখি থকা অনুচিত। দুখীয়া মানুহ ধনৱন্ত হ'লে, সি যেনে ভৰক দেখুৱাবলৈ লাজ নকৰে, সেইদৰে ধনৱন্ত মানুহেও দুখৰ দিনত ভৰক এৰিবলৈ লাজ কৰিব নালাগে। বহুত মানুহে সিহঁতৰ ভিতৰুৱা অৱস্থা ঢাকিবলৈ বাজৰ ভৰক সমানে ৰাখে, এই কথা অযুগুত। নিজৰ বেয়া অৱস্থা ৰিঙিয়াই কৈ ফুৰা উচিত নহ'লেও তাক জোৰা-টাপলি দি উপৰুৱা ঢাকনেৰে ঢাকি থোৱাও উচিত নহয়। ধনী মানুহ দুখত পৰিলে মানুহে তাক পুতৌ কৰে, কিন্তু অৱস্থা লুকাই ভৰক মাৰি ফুৰিলে, সি পুতৌ নাপায়। এতেকে অৱস্থাহীন হ'লে বাজৰ ভৰক বাজৰ চাক-চিকুণালি এৰি দি খৰচ কমোৱা উচিত। ইয়াকে কৰিব নোৱাৰি বহুত মানুহ অথাই বিপদত পৰে। খৰচ কমাবলৈ বুদ্ধি দিলে এইবিলাক মানুহে কয় যে আগৰ চলন সিহঁতৰ স্বভাৱত বহি গৈছে, তাক এৰিব নোৱাৰে। ইহঁতে দুৰৱস্থাত পৰিলেও খাবলৈ ভাল বস্তু আৰু পিন্ধিবলৈ ভাল কাপোৰ বিচাৰে, দৌল-দুৰ্গোৎসৱ আদি যি বাপতীয়া বাৰ্ষিক থাকে, তাকো আগৰ দৰে আড়ম্বৰেৰে চলায়। বৰ সবাহ, বৰভোজ, দৌল-দুৰ্গোৎসৱ আদি বাৰ্ষিকে কিমান মানুহক দুখত পেলাইছে তাৰ লেখ দিব নোৱাৰি। এইবিলাক মানুহে জনা উচিত যে উৎসৱ আড়ম্বৰ আঢ্যৱন্ত বস্তু, দৰিদ্ৰক সি কেতিয়াও নুশুজে।

আৰ্জনতকৈ সৰহ খৰচ কৰিলে মানুহৰ ঋণ হয়। ঋণক মানুহে পাপৰ লগত ৰিজায় আৰু কওঁতে ঋণ পাপ বুলি কয়, কাৰণ পপীয়া মানুহৰ দৰে ঋণী মানুহেও বহুত লাঞ্ছনা ভোগ কৰে। ঋণী মানুহে সমাজত গৰিহণা খায়, মান-মৰ্যাদা হেৰুৱায়, আৰু সিহঁতৰ মনৰ সুখ-শান্তি নাইকিয়া হয়। ঋণক ব্যাধিৰ লগত ৰিজায়, কাৰণ ব্যাধিৰ লগত ঋণৰ বহুত মিল আছে। ব্যাধিয়ে মানুহৰ তেজ-মাংস ক্ষয় কৰে, ঋণে অৱস্থা ক্ষয় কৰে অৰ্থাৎ অনুক্ৰমে অৱস্থাহীন কৰি নিয়ে। ব্যাধি এবাৰ হ'লে

গুচাবলৈ টান, ঋণো এবাৰ হ'লে গুচাবলৈ টান। ব্যাধি অনুক্ৰমে বাঢ়ি যায়, ঋণো অনুক্ৰমে বাঢ়ি যায়। ব্যাধি থাকিলে শৰীৰৰ উদ্‌গতি নহয়, ঋণ থাকিলে অৱস্থাৰ উদ্‌গতি নহয়। এনেকুৱা ঋণ-ব্যাধি পৰাপক্ষত চপাই ল'ব নালাগে।

ঋণে মানুহক খৰচীও কৰে, কাৰণ দুখৰ ধন খৰচ কৰোঁতে মনত যেনে চিন্তা হয় ঋণৰ ধন খৰচ কৰোঁতে তেনে চিন্তা নহয়। ধন আৰ্জনৰ বহুত দুখ আৰু সেই দুখ আৰ্জোতাৰ মনত সদায় থাকে, খৰচ কৰিবৰ সময়তো সেই দুখ মনত পৰে, গতিকে, দুখৰ ধনৰ অবাবত একড়া গ'লেও মন চেংচেঙায়। কিন্তু ঋণ কৰি গোটোৱা ধন তেনে নহয়, সেইদৰে ধন গোটাওঁতে একো কষ্ট নাই, এনেকুৱা ধন বাটত পোৱা ধনৰ নিচিনা; এতেকে তাৰ দাপোণ ছকড়া অথলত গ'লেও মনত চেঙা নালাগে। ধাৰ কৰি অনা ধন মানুহে ওৱাদানিকৈ খৰচ কৰে। এতেকে যি সদায় ধাৰত চলে সি অচিৰে ধোঁৱাখুলীয়া হয়।

ধাৰ কৰি ধন আনি হাতত লৈ খৰচ কৰা জহতহ, কিন্তু দোকানৰ উঠনা খোৱা বৰ ধ্বংসীয়া কথা। সি নামত যেনে উঠনা, কামতো তেনে উঠনা, অৰ্থাৎ সি কেৱল উঠিহে যায় নামিব নাজানে। এনেকুৱা ব্যৱস্থাই গৃহস্থালি খাস্তাং কৰে। হাতত লৈ ধন ভাঙিলে ভগনৰ পৰিমাণ চকুৰে দেখা যায় আৰু সৰহ ভগন হ'লে মন বেয়া লাগে। কিন্তু উঠনাৰ ভগন চকুৰে নেদেখি, সি কেৱল দোকানীৰ কাকততহে থাকে। সেইদেখি উঠনাত বহুত গ'লেও মন নেচেঙায়। বিশেষতঃ নগদ ধনেৰে কিনিব লাগিলে মানুহে সৰু অভাৱলৈ মন নকৰে, তেনেকুৱা বহুত অভাৱ আওকাণ কৰি সংসাৰ চলায়। কিন্তু উঠনাত চলা মানুহে এটা অভাৱো সহিব নোখোজে। এটা সামান্য বস্তুৰ নাটনি হ'লেই সিহঁত অস্থিৰ হয়, আৰু তৎক্ষণাৎ তাক কালিয়নে পূৰণ কৰে।

ধাৰ কৰি ধন গোটাবলৈ বৰ উজু, সেইদেখি অলপ কিহবাৰ নাটনি পৰিলেই মানুহে ধাৰলৈ মন মেলে। ই বৰ অযুগুত কথা। ধাৰ নিজেই এটা আপদ। সামান্য নাটনিত তালৈ হাত মেলা উচিত নহয়। ডাঙৰ



আপদত তৰিবলৈ কেতিয়াবা ধাৰ কৰিবৰ সকাম হয়। কিন্তু তেতিয়াও শুজিবৰ উপায় কৰিহে ধাৰ কৰা উচিত। শুজিবৰ উপায় নথকাতো ধাৰ কৰিলে মানুহক ছল কৰা হয়।

আয় কমাৰ লগে লগে খৰচ কমাই আনিলে ধাৰ কৰিবৰ সকাম নহয়, এই কথা সকলোৱে স্বীকাৰ কৰে, আৰু ভৰিষ্যৎ গুণা মানুহে সেই নিয়মত চলে। কিন্তু কিছুমান মানুহে খৰচ কমাবলৈ দিহা নাপায়, সিহঁতে নকমাবলগীয়া খৰচ কমায়, কমাবলগীয়া খৰচ নকমায়, ফলত চেষ্টা কৰিও মুঠে খৰচ কমাব নোৱাৰে। খৰচ কমাব লাগিলে এদিনীয়া ডাঙৰ খৰচত হাত নিদি প্ৰথমতে নিতৌ কৰা সৰু সৰু খৰচত হাত দিয়া উচিত। এদিন এটা ডাঙৰ খৰচ কৰিলে মানুহ দুখত নপৰে, কিন্তু সৰু সৰু খৰচ সৰহকৈ কৰিলে অনুক্ৰমে দুখীয়া হৈ যায়। খুচুৰীয়া খৰচৰ চোৰাং গতি, সি বেগতে চকুত নপৰে কিন্তু বছৰেকৰ খুচুৰীয়া খৰচ গোট কৰিলে ডাঙৰ খৰচতকৈ ডাঙৰ হয়। বেজিৰ জলঙা মনে, কুঠাৰৰ জলঙা নমনে— এই বচনটো সকলো ঠাইতে চলতি আছে। এটকাৰ পিছ এৰি একড়ালৈ হামৰাও কাঢ়িলে মানুহে এই পটন্তৰ দিয়ে। কিন্তু দৰাচল পক্ষত এদিনীয়া এটকা এৰি খুচুৰীয়া খৰচৰ একড়াতো বৰকৈ চকু ৰখা উচিত। খুচুৰীয়া খৰচ গুপ্ত শত্ৰুৰ নিচিনা, সি গম নোপোৱাকৈ মানুহৰ অনিষ্ট কৰে। খৰচ কমাব লাগিলে বাজৰ ভৰক একেবাৰে এৰি দিব লাগে। হাতী-ঘোঁৰা, বন্দী-বেটী দুৰৱস্থাত পৰা মানুহৰ পক্ষে নহয়। দুৰ্দিনত দান-দক্ষিণাও অযুগুত।

**কঠিন শব্দৰ অৰ্থ ঃ**

অষ্টম দৰিদ্ৰ — অতি দুখীয়া।
নিহালী — জাৰত গাত ল'ব পৰা লেপৰ দৰে আৱৰণ।
ধোঁৱাখুলীয়া — অতি খৰচী।
চভিয়া — ইন্দ্ৰিয়।
যতোৱা — প্ৰস্তুত কৰা, সাজু কৰা।
উপাসা — ভৰসা।

ভৰকীয়া — ফুটনি মৰা।
আক্ৰোহ — আক্ৰোশ, কোপ, কপট।
ভুঞ্জ — ভোগ কৰা।
ওৰাদানি — প্ৰচুৰ, যথেষ্ট, অধিক।
অভিলাষ — ইচ্ছা, হেঁপাহ।
কুন্ধচ — দেখিবলৈ বেয়া, অশুৱনি।
খাস্তাং — নষ্ট কৰা, বেয়া কৰা।
বজা — সন্তানহীন লোক, সন্তান জন্ম দিব পৰা ক্ষমতা নথকা লোক।
ওচ-মোচ — হিত-অহিত, ভাল-বেয়া।
আসাদন — কোনো সকাম উপলক্ষে বস্তু সংগ্ৰহ।
কড়া — এটা কড়িৰ সমান মূল্য।
আমঠ — নিজ ইচ্ছা মতে চলা।
আও — মন্দ, নীচ।
তেহাই — এক-তৃতীয়াংশ।
ভৰক — মিছা ডাবি, বৰ কথা।
উঠনা — ধাৰলৈ বা বাকীকৈ বস্তু কিনা।
কালিয়ন — ধাৰ বা বাকীকৈ বস্তু কিনা।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। কৃপণ লোকৰ দুই ধৰ্ম কি কি?
২। অৰ্থ ব্যৱহাৰৰ মূল মন্ত্ৰ কি?
৩। দৰিদ্ৰ হোৱাৰ চিন কেনেকুৱা?
৪। মানুহৰ ঋণ কেতিয়া হয়?
৫। কোন প্ৰকাৰৰ খৰচ গুপ্ত শত্ৰুৰ নিচিনা?



**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। ধনৰ দুই প্ৰকাৰৰ ব্যৱহাৰ কি কি?
২। কৃপণ লোকে আন মানুহে ধন খৰচ কৰিলে কিয় সহিব নোৱাৰে?
৩। লেখকৰ মতে কোন দুটা বৃত্তি ফলিওৱাৰ বাবে অলপ ধন লাগে?
৪। কি দুটা কাৰণত মানুহে কৃপণালি কৰে?
৫। কৃপণ আৰু ধোঁৱাখুলীয়াৰ মাজত থকা পাৰ্থক্য দুটা লিখা।

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। অশিক্ষিত মানুহে ধন খৰচ কৰাৰ কৌশল সম্পৰ্কে কেনে ধাৰণা কৰে লিখা।
২। অসজ বৃত্তিধাৰী কৃপণ লোকৰ জীৱন প্ৰণালী কেনেকুৱা হয় আলোচনা কৰা।
৩। মানুহে ঋণক পাপৰ লগত কিয় তুলনা কৰে লিখা।
৪। লেখকৰ দৃষ্টিত ধৰা পৰা কৃপণ লোকৰ সংজ্ঞা সম্বন্ধে আলোচনা কৰা।
৫। "ধন সুখ ভোগৰ উপায় নহয়, স্বয়ং ধনেই সুখ।"—ব্যাখ্যা কৰা।

**পাঠবোধ ঃ**

লেখক সত্যনাথ বৰাই ধনৰ ব্যৱহাৰ সম্বন্ধে বিভিন্ন উদাহৰণসহ পাঠটোত আলোচনা আগ বঢ়াইছে। ধন যিদৰে মানুহৰ সুখৰ আধাৰ একেদৰে এই ধন বা অৰ্থই দুখ বা অনৰ্থৰো যে মূল কাৰণ হ'ব পাৰে তাক পাঠটোত দেখুওৱা হৈছে। ধনৰ ব্যৱহাৰে কৃপণ লোক আৰু ধোঁৱাখুলীয়া লোকৰ স্বৰূপ বুজাত সহায় কৰে। যি মানুহে খৰচ কৰিবলৈ

টান পায়, তেওঁ কৃপণ নাম লয়, একেদৰে বিনা কাৰণত, অবাবদ খৰচ কৰিলেও ধোঁৱাখুলীয়া নাম পায়। এই দুয়োবিধ লোকে দৰাচলতে ধনৰ সঠিক ব্যৱহাৰ নাজানে। আয় অনুসৰি ব্যয় কৰাই ধন ব্যৱহাৰৰ মূল মন্ত্ৰ। আয়ৰ জোখেৰেহে খৰচ কৰা উচিত। অলপ আয় অধিক খৰচ হ'লে দৰিদ্ৰ হ'ব লাগিব। এনে অৱস্থাত মানুহে ঋণ ল'ব লগা হয়। ঋণক মানুহে পাপৰ লগত ৰিজায়। সেয়ে পাঠটিত কোৱা হৈছে— বেমাৰ-ব্যাধি থাকিলে যিদৰে শৰীৰৰ উদ্‌গতি নহয়, ঋণ থাকিলেও অৱস্থাৰ বিশেষ উদ্‌গতি নহয়। সেয়ে আয় কমি যোৱাৰ লগে লগে ব্যয় কমাই আনি ধাৰ ঋণৰ পৰা দূৰৈত থাকিব লাগে। ইয়াৰ বিপৰীত হ'লে অৰ্থাৎ ধনৰ ব্যৱহাৰ নাজানিলে মানুহ বিপদত পৰাটো খাটাং।

**ওপৰঞ্চি তথ্য ঃ**

'ধনৰ ব্যৱহাৰ' শীৰ্ষক পাঠটি সত্যনাথ বৰাৰ 'সাৰথি' নামৰ গ্ৰন্থখনৰ পৰা লোৱা হৈছে। সত্যনাথ বৰাই 'আসাম বন্ধু', 'জোনাকী', 'উষা' আদি আলোচনীত সাহিত্য চৰ্চা কৰিছিল। অসমীয়া সাহিত্যত, বেকন আৰু ছেমুৱেল স্মাইলছৰ প্ৰবন্ধৰ সৈতে সত্যনাথ বৰাৰ প্ৰবন্ধসমূহ তুলনা কৰা হয়। এওঁলোকৰ প্ৰবন্ধৰ মূল কথা হৈছে নীতিগৰ্ভ আৰু উপদেশমূলক মন্তব্য।

**শিক্ষকৰ প্ৰতি ঃ**

শিক্ষকে সত্যনাথ বৰাৰ নীতিগৰ্ভ আৰু উপদেশমূলক প্ৰবন্ধসমূহৰ স্বৰূপৰ সৈতে ছাত্ৰ-ছাত্ৰীক চিনাকি কৰি দিয়াৰ চেষ্টা কৰিব। লগতে অসমীয়া গদ্য-সাহিত্যৰ জন্মদাতা ভট্টদেৱৰ সময়ৰ পৰা অসমীয়া গদ্যৰ ধাৰা সম্পৰ্কে চমু আভাস দিব। ধন উপাৰ্জনৰ প্ৰয়োজন আৰু লগতে ব্যৱহাৰ যে মানুহে দৈনন্দিন জীৱনত শুদ্ধভাৱে কৰিব পাৰিব লাগে, তাকো পাঠ্যপুথিত থকা উদাহৰণৰ উপৰি অতিৰিক্ত উপযুক্ত উদাহৰণসহ আলোচনা কৰিব পাৰে।



# অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ

**পদ্মনাথ গোহাঞিবৰুৱা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

জোনাকী যুগৰ প্ৰখ্যাত লেখক পদ্মনাথ গোহাঞিবৰুৱাই তেওঁৰ বৈচিত্ৰ্যময় জীৱনৰ কথা 'মোৰ সোঁৱৰণী' নামৰ আত্মজীৱনীখনত লিপিবদ্ধ কৰিছে। এই গ্ৰন্থখনত লেখকৰ ব্যক্তিগত জীৱন-কাহিনীৰ উপৰি দেশৰ স্বাধীনতা সংগ্ৰামকালীন অসমৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ চিত্ৰও সাৱলীল গদ্যশৈলীৰে অংকিত হৈছে। গান্ধীজীৰ প্ৰথম অসম ভ্ৰমণ (১৯২১) সমসাময়িক অসমীয়া বিদ্বৎ সমাজৰ কাৰণে অতি আগ্ৰহৰ বিষয় আছিল। গোহাঞিবৰুৱাই সেই ভ্ৰমণ-কাহিনী সুন্দৰভাৱে তেওঁৰ আত্মজীৱনীত বৰ্ণনা কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক সেই কাহিনীৰ সোৱাদ দিয়াৰ উদ্দেশ্যে পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

লক্ষীমপুৰ জিলাৰ নকাৰী গাঁৱত জন্ম লাভ কৰা পদ্মনাথ গোহাঞিবৰুৱাই (১৮৭১-১৯৪৬) শিৱসাগৰ আৰু কহিমাত পঢ়াশলীয়া শিক্ষা শেষ কৰি উচ্চ শিক্ষা গ্ৰহণৰ উদ্দেশ্যে কলকাতালৈ যায় ১৮৯০ চনত। অৱশ্যে, বিভিন্ন অসুবিধাৰ কাৰণে ডিগ্ৰী লাভ কৰিব নোৱাৰিলে।

পাছত, 'দেখাত শুদা হাতে' অসমলৈ উভতি আহে যদিও 'নেদেখাকৈ কাষলতিৰ তলত.. মাতৃভাষা আৰু জাতীয় সাহিত্য-সম্ভাৰৰ কঠীয়া-টোপোলা এটি' লৈ আহে। কলকাতাত থাকোঁতেই গোহাঞিবৰুৱাই 'বিজুলী' নামৰ আলোচনীখন সম্পাদনা কৰিছিল। এই আলোচনীৰ পাততে তেওঁৰ 'ভানুমতী' আৰু 'লাহৰী' উপন্যাস ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। কলকাতাৰ পৰা উভতি আহি প্ৰথমে তেওঁ ঘৰতে থাকি সাহিত্যসেৱাত মনোনিৱেশ কৰে আৰু ছমাহ পাছত কহিমা চৰকাৰী ইংৰাজী স্কুলৰ প্ৰধান শিক্ষক হিচাপে যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। তাৰ পাছত তেওঁ তেজপুৰ নৰ্মাল স্কুলৰ হেডমাষ্টৰ, মংগলদৈৰ তহচিলদাৰ, কাউন্সিল সদস্য, অনাৰেৰী মেজিষ্ট্ৰেট আদি বিষয়-বাবত নিযুক্ত হৈছিল।

উচ্চ সাহিত্য-প্ৰতিভাৰ অধিকাৰী গোহাঞিবৰুৱাই কেবাখনো মানবিশিষ্ট গ্ৰন্থ ৰচনা কৰে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— নাটক ঃ 'গাঁওবুঢ়া', 'টেটোন তামুলী', 'জয়মতী', 'গদাধৰ', 'সাধনী' আৰু 'লাচিত বৰফুকন'। উপন্যাস ঃ 'ভানুমতী' আৰু 'লাহৰী'। তত্ত্বমূলক গ্ৰন্থ ঃ 'শ্ৰীকৃষ্ণ'। আত্মজীৱনী ঃ 'মোৰ সোঁৱৰণী'। 'বিজুলী'ৰ উপৰি তেওঁ 'আসাম বন্তি' আৰু 'ঊষা' নামৰ আলোচনী দুখনো সম্পাদনা কৰে। পদ্মনাথ গোহাঞিবৰুৱা হ'ল ১৯১৭ চনত স্থাপিত হোৱা অসম সাহিত্য সভাৰ প্ৰথম সভাপতি। ১৯১৭ চনত অনুষ্ঠিত হোৱা সভাৰ শিৱসাগৰ অধিৱেশনত তেওঁ সভাপতিত্ব কৰে।

গোহাঞিবৰুৱাৰ কৰ্মৰাজিত সন্তুষ্ট হৈ সেই সময়ৰ ভাৰত চৰকাৰে তেওঁক 'ৰায়চাহাব' খিতাপেৰে বিভূষিত কৰে। অৱশ্যে, ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মহাত্মা গান্ধীৰ প্ৰতিও তেওঁৰ শ্ৰদ্ধা আছিল। নিৰ্বাচিত পাঠটি পঢ়িলে এই কথা বুজিব পৰা যাব। পাঠটি লেখকৰ 'মোৰ সোঁৱৰণী' গ্ৰন্থৰ পৰা লোৱা হৈছে।



**মূল পাঠ ঃ**

মহাত্মা মোহনদাস কৰমচাঁদ গান্ধীজীৰ কীৰ্তি-কাহিনীৰ কথা ভালেমান দিনৰপৰা ঘুনুক-ঘানাককৈ শুনি আছিলোঁ। দক্ষিণ আফ্ৰিকাবাসী ভাৰত সন্তানৰ দুখ-নিৰ্যাতন মোচন আৰু অভাৱ-অভিযোগ নিৰাকৰণৰ অৰ্থে গান্ধীজীৰ অসাধাৰণ কাৰ্য-কলাপ আৰু কৃতিত্বৰ বিষয়ে পঢ়ি-শুনি তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা-ভক্তি মোৰ অন্তৰত উপচি পৰিছিল। কিন্তু, তেতিয়ালৈকে তেখেতৰ জন্মভূমি ভাৰতবৰ্ষত নিজ জাতীয় ভাৰতবাসীৰ অন্তৰত সেইবোৰ কাৰ্য-কলাপ আৰু কীৰ্তি-কাহিনী বিষয়ক অনুভূতি বহলকৈ বিৰিঙি উঠা দেখা নগৈছিল; মাথোন দূৰ-দূৰৈ বিদেশ আমেৰিকা যুক্তৰাষ্ট্ৰত গান্ধীজীৰ মহামানৱিক কাৰ্য-কলাপৰ বহুল আলোচনা আৰু সমালোচনা চলিছিল। বিশেষ, আমেৰিকাৰ খ্ৰীষ্টিয়ান মিছনেৰি সম্প্ৰদায়ে গান্ধীজীৰ মানৱজাতিৰ মঙ্গলাৰ্থে কৰা অলৌকিক আত্মোৎসৰ্গত বিস্ময় মানি তেখেতক অশেষ প্ৰশংসা কৰিছিল; এনে কি, সেই সম্প্ৰদায়ৰ পুৰোহিত পাদ্ৰীসকলে মহাত্মা গান্ধীজীক অৱতাৰী মহাত্মা যীশুখ্ৰীষ্টতকৈও ওপৰ খাপত আসন দিয়ালৈ লক্ষ্য কৰি স্তম্ভিত হৈছিলোঁহঁক। এনেতে মহাত্মা মোহনদাস কমৰচাঁদ গান্ধী জন্মভূমি ভাৰতবৰ্ষলৈ উলটি আহে। আহিয়েই তেখেতে পৰাধীন স্বজাতি ভাৰতবাসীৰ উদ্ধাৰৰ অৰ্থে বিবিধ বিষয়ক নৈতিক, দৈহিক, সামাজিক, ৰাজনৈতিক দেশহিতকৰ কাৰ্যত আত্মনিয়োগ কৰে। সেই আলমতে গান্ধীজীয়ে সেই কালৰ ভাৰত-গৱৰ্ণৰ জেনেৰেল লৰ্ড ৰীডিং চাহাবলৈ ভাৰতবাসীৰ হৈ এখন বৰ দীঘলীয়া পত্ৰ লিখে। সেই পত্ৰত, গৱৰ্ণৰ জেনেৰেলক 'Dear Sir' বুলি সম্বোধন কৰি, 'Your Excellency'ৰ ঠাইত উকাকৈ অকল 'Your' বুলি লিখা স্বাধীনচিতীয়া কথাবোৰ পঢ়ি বিস্ময় মানিব লগাত পৰিছিলোঁহঁক, বাস্তৱতে তেতিয়ালৈকে কোনোজনে ভাইচৰয় আৰু গৱৰ্ণৰ জেনেৰেলক সেইভাৱে উকাকৈ সম্বোধন কৰা

চিঠি-পত্ৰ কাৰ্যাদি মোৰ চকুত পৰা নাছিল। তেতিয়াৰপৰাই মহৎমনা স্বাধীনচিতীয়া মহামানৱ মহাত্মা মোহনদাস কৰমচাঁদ গান্ধীজীৰ দৰ্শন লাভৰ ধাউতি মোৰ মনত খৰধৰকৈ বাঢ়িবলৈ ধৰিলে আৰু মনে মনে সেই ধাউতি নিবৃত্তিৰ অৰ্থে চেগ চাবলৈ ধৰিলোঁ। এনেতে, মহাত্মা গান্ধীজী ভাৰত পৰ্যটনলৈ ওলোৱাৰ সম্ভেদ পাই, সেই চেগ ধৰিবলৈ সংকল্প কৰি উদগ্ৰীৱভাৱে বাট চাই ৰ'লোঁ। তাৰ পিছত শুনিলোঁ, বোলে, গান্ধীজীৰ সেই পৰ্যটন একে যাত্ৰাতে অসমলৈকো বিস্তৃত হ'ব; আহিয়েই পোন প্ৰথমে এদিন এৰাতিলৈ গুৱাহাটীত মিষ্টাৰ তৰুণৰাম ফুকন চাহাবৰ বঙলাত সদলে আলহী হ'ব। শুনি ৰং পালোঁ; আৰু মিঃ ফুকনলৈ লিখি, গান্ধীজীৰ অসম ভ্ৰমণৰ তালিকা এখন অনাই ল'লোঁ।

ইংৰাজী ১৯২১ চনৰ ২১ আগষ্ট তাৰিখ দেওবাৰে পুৱা ৮ বজাত গান্ধীজী তেজপুৰ ঘাটত নমাৰ কথা। সেই অনুসৰি, আমি তেজপুৰবাসীয়ে তিন দিনৰ আগৰেপৰা গান্ধীজীক আদৰিবৰ অৰ্থে জাহাজঘাটত সমবেত হ'বলৈ সষ্টম হ'লোঁহঁক; সেই উদ্দেশ্যে, গান্ধী আগমনৰ বাৰ্তা তেজপুৰ সদৰৰ সদৌ মৌজা, গাঁও আৰু লাগতিয়াল কেন্দ্ৰস্থানবোৰত সু-বহুলকৈ প্ৰচাৰ কৰিলোঁহঁক। নিৰ্ধাৰিত দিনা পুৱা ৬ বজাৰপৰা আৰম্ভ কৰি ৮ বজাৰ ভিতৰত তেজপুৰ জাহাজঘাটত সমবেত ৰাইজ নধৰা হ'ল, টাউনৰ আলিবাটত বিৰ-দি-বাট পাব নোৱৰাত পৰিল। কিন্তু এফেৰি আহুকালৰ বিষয়ে এই হ'ল যে সেইদিনা উপজি পুৱাৰেপৰা বতৰৰ বিপাক ঘটিল, মেঘে নেৰানেপেৰাকৈ ধাৰাসাৰে বৰষুণ দিবলৈ ধৰিলে। তথাপি, ৰাইজ অকণো হতাশ হোৱা নাছিল, বতৰৰ আহুকাললৈ আওকাণ কৰি তিতি-বুৰি জুৰুলি-জুপুৰি হৈ হাজাৰ-বিজাৰ ৰাইজে ঘাটৰপৰা একেথৰে উজনিমুৱা জাহাজ অহালৈ উদ্‌গ্ৰীৱভাৱে নিৰীক্ষণ কৰিবলৈ ধৰিলে। অলপ আচৰিত মানিবলগীয়া যে সেইদিনা জাহাজ অহাতো ভালেমান পলম ঘটিল। আমনি অনুভৱ কৰা নাছিল যদিও



একেথৰে চাই থকা ৰাইজে গা-মনৰ উচ্‌পিচনিত চকু পিৰিকিয়াবলৈ ধৰিলে। ইফালে মৌচেপা বৰষুণ ধাৰাসাৰে পৰিবই লাগিছে, কিন্তু সমবেত উৎকণ্ঠিতচিতীয়া ৰাইজে তালৈ কটাহি কৰা নাই, তিতা তিতিছেই আধা তিতাবিলাকে গাৰ তিতা কাপোৰ চেপি ল'বলৈ বুলি জাহাজৰ বোট, অফিচ আৰু কাষৰ ৰে'লৰ অফিচ, মালগাড়ী ইত্যাদিত আশ্ৰয় লৈছেগৈ; মই অগত্যা ঘাটৰ কাষত খালী হৈ ৰৈ থকা মটৰ গাড়ী এখনত সোমাই আশ্ৰয় ল'বলৈ বাধ্য হ'লোঁ। এনেতে ভালেমান দূৰৈত ৰিণিকি ৰিণিকি জাহাজৰ ধোঁৱা দেখা গ'ল, দেখি উদ্‌গ্ৰীৱ ৰাইজ উৰুলীকৃত হৈ উঠিল; আৰু চাওঁতে চাওঁতে ডেৰঘণ্টামানৰ মূৰত, ৯ বজাত গান্ধীভাৰী জাহাজঘাট চাপিলহি।

জাহাজঘাটৰ বন্ধা বোটত ভিৰাই এছটা চিৰি লগাওঁতেই মই সবাতকৈ আগেয়ে লৰালৰিকৈ জাহাজত উঠিলোঁগৈ; আৰু মিঃ তৰুণ ফুকনে আঙুলি নিৰ্দেশেৰে দেখুৱাই দিয়া মাত্ৰকে মই গান্ধীজীক নমস্কাৰ জনালোঁ। সাক্ষাৎ হোৱা মাত্ৰে, চকুৰ আগত গান্ধীজীৰ শাৰীৰিক অৱয়ব সম্পৰ্কীয় মোৰ কল্পিত আৰ্জাৰ পৰিৱৰ্তন ঘটিল; দেখিলোঁ, গান্ধীজী মই কল্পনা কৰাৰ নিচিনা এজন ওখ-ডাঙৰ শকত-আৱত পুৰুষ নহয়, তেখেত মোৰ দৰেই চুটি-চাপৰ এগৰাকী সৰুফুটীয়া মানুহ। ক্ষন্তেকমান মই তেখেতৰ আপাদমস্তক থৰ লাগি নিৰীক্ষণ কৰি থাকোঁতেই, মিঃ ফুকনে এইবুলি গান্ধীজীৰ ওচৰত মোক ভেঁটাই দিলে, "এখেত এজন তেজপুৰৰ আগৰণুৱা দেশহিতৈষী অসমীয়া নেতা,— ৰায়চাহাব পদ্মনাথ গোহাঞিবৰুৱা।" শুনিয়েই গান্ধীজীয়ে জিকাৰ খাই উঠি ইংৰাজীতে এইভাৱে ক'লে, "আচৰিত, ৰায়চাহাব খিতাপধাৰীয়ে গান্ধীক আদৰিবলৈ আহে।" মিঃ ফুকনে ততালিকে চমুকৈ বুজাই ক'লে যে, আচলতে মই ৰাইজৰহে 'ৰায়চাহাব', যাচি দিয়া চৰকাৰী ৰায়চাহাব খিতাপ পিন্ধিও মই সততে সৰ্বতোভাৱে ৰাইজৰ ফলীয়া হৈ কাৰ্যক্ষেত্ৰত

আগ বাঢ়ো। ফুকনৰ মুখে কৈফিয়ৎ শুনি সিমানতে সেই বিষয়ে এইবুলি সামৰণি মাৰি গান্ধীজীয়ে মোলৈ চাই কৈ থ'লে, "যি হওক, আশাকৰোঁ খিতাপৰ কিৰীটিয়ে পাক ঘূৰণি খুৱাই আপোনাক ৰাইজৰ প্ৰতিকূলমুখীয়া নকৰক যেন।" মই মূৰ দোঁৱাই সৈমান হ'লোঁ। তাৰ পিছত, গান্ধীজীয়ে সহযাত্ৰী মৌলানা মহম্মদ আলি চাহাবৰ ওচৰত মোক ভেঁটাই দিয়াত, দুয়ো মোৰে সৈতে 'স্বৰাজ' বিষয়ক দুই-চাৰিটা কথা পাতি থাকোঁতেই, মোৰ সাজ-পাৰৰ ওপৰত সিবিলাকৰ চকু পৰিল। মই সেইদিনা অসমীয়া পাটৰ চুৰিয়া অসমীয়া পাটৰ কূৰ্তাচোলা পিন্ধি গাত আশী নম্বৰী সূতাৰ ঘৰত বোৱা চেলেং চটিয়াই লৈ গৈছিলোঁ। সিবিলাক দুয়োগৰাকীয়ে মোৰ চোলা-চুৰিয়া শলাগি উঠি, গাৰ চেলেংখনৰ একাঁচল গান্ধীজীয়ে হাতত লৈ পিটিকি চাই মোক সুধিলে, সেই চেলেং কাপোৰৰ সূতা স্বদেশীনে? মই উত্তৰ দিলোঁ, বোলোঁ— "সূতা ঘৰত কটা নহয়, দোকানৰপৰা কিনি আনি ঘৰত বোৱা কাপোৰহে।" গান্ধীজীয়ে শুনি নিৰানন্দমুৱা হৈ মোৰ মুখলৈ চাই এইবুলি কৈ থ'লে, "এই চাদৰৰ সূতা বিদেশী— বিলাতী! আশাকৰোঁ, আপোনাৰ চোলা-চুৰিয়াৰ দৰে চাদৰো অনতিপলমে সম্পূৰ্ণে স্বদেশী হয় যেন।" সেইক্ষণতে তেজপুৰৰ সবাতো বৃদ্ধ টাউনবাসী বাবু মহেন্দ্ৰ নাথ দা উকীলে কাষ চাপি গৈ গান্ধী আৰু মৌলানা মহম্মদ আলি চাহাবক নমস্কাৰ জনালেগৈ। তেতিয়াও বৰষুণ এৰা নাই, একেৰাহে ধাৰাসাৰে ডবাপিটাকৈ পৰিয়েই আছে। এনেতে, গান্ধীজীয়ে মাত লগালে, "নামিবৰ নৌ হয়নে? বলা, পাৰলৈ উঠোহঁক।" মিঃ ফুকনে উত্তৰ দিলে, "আৰু ক্ষন্তেকমান অপেক্ষা কৰক, বৰষুণে অলপ শাম কাটক।" গান্ধীজীয়ে উচাট মাৰি অলপ উধাও হৈ ক'লে, "অ' সেই বাবেহে ইমান পৰ অপেক্ষা কৰা হৈছে নেকি?— মই ভাবিছিলোঁ বোলোঁ জাহাজ ভিৰোৱা কাম শেষ হোৱা নাই বাবেহে আমি নামিব পৰা নাই। বৰষুণৰ বাবে আমি কিয় অপেক্ষা কৰিম? মেঘৰ



কাম মেঘে কৰি আছে, আমাৰ কাম আমি কৰোঁগৈ।" এইবুলি একে চোঁচাই নামি আহি গান্ধীজী সদলে পাৰত উঠিল। তেতিক্ষণে সজাই থোৱা বাগীত মহাত্মা গান্ধী আৰু মৌলানা মহম্মদ আলি চাহাবক সমাদৰে তুলি লৈ, ঘোঁৰাৰ সলনি স্বেচ্ছাসেৱক দলৰ মানুহেৰে টনাই শোভাযাত্ৰা আৰম্ভ কৰি দিয়া হ'ল; আগে-পিছে শোভাযাত্ৰীয়ে লোকাৰণ্যকৈ আগুৱাবলৈ ধৰিলে। আচৰিত, শোভাযাত্ৰা দহ কদমমান আগুৱাওঁতেই বৰষুণে শাম কাটিবলৈ ধৰিলে, ডাৱৰমুখীয়া আপুৰুগীয়া ৰ'দ-কাঁচলিয়ে চাট্‌কৰে বতৰ মুকলি কৰি তুলিলে, আমি শোভাযাত্ৰীদলে টাউনৰ ঘাই আলিবাটৰ দুয়োকাষ ব্যাপী লানি পাতি নিৰূপিত আলহী বহা ঁহৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ 'পকীকুঠী'ৰ অভিমুখে, জাতীয় সঙ্গীতৰ তালে তালে পাৰ পেলাই উৰুলীকৃত হৈ আগুৱাবলৈ ধৰিলোঁহঁক। ধীৰ-গম্ভীৰ মৰাল-খোজেৰে গতি কৰি আঠঘণ্টামানৰ মূৰত শোভাযাত্ৰী দল 'আগৰৱালা পকী'ৰ জপনা মুখত (gate) উপনীত হোৱা মাত্ৰকে, তাৰপৰা আদৰণী সমিতিৰ গোপিনী সদস্যাসকলে জাউৰি জাউৰিকৈ মঙ্গল উৰুলি দি মহাত্মা গান্ধীজীক আদৰি নিলেহি; আৰু তাৰেপৰা মৌলানা মহম্মদ আলি চাহাবক বৃদ্ধ উকীল মহেন্দ্ৰ বাবুৰে তেখেতৰ ঘৰত আলহী শুশ্ৰূষালৈ আদৰি লৈ গ'ল। ইফালে আমি গান্ধীজীক সুসজ্জিত পকীঘৰৰ ভিতৰলৈ আগুৱাই নি, আলধৰা সমিতিক গতাই দিলোঁগৈহঁক।

ভিতৰত আলধৰা সমিতিয়ে যতনাই থোৱা ছাগলী গাখীৰেৰে সৈতে জা-জলপান কৰাই গান্ধীজীক আলপৈচান ধৰিছে, বাহিৰত বজাৰ ৰোড আৰু পকীঘৰৰ সুবহুল টোলত দৰ্শক ৰাইজ নধৰা হৈছে আৰু ক্ৰমাৎ বাঢ়িবই লাগিছে, সমুখৰ আলিবাটত চলাচললৈ সন্ধি নোহোৱাত পৰিছে; বুজালেও ৰাইজে আঁতৰি নাযায়, নেতাবৰ্গৰ বুজনি নামানে। শেহান্তৰত সেই বাব মোৰ মূৰত পৰিল; মই বিবিধ বিধানেৰে বুজাই-বৰাই চালোঁ,

কিন্তু মোৰ চেষ্টাও মিছা হ'ল, বৈ থকা নৈক বালি ভেটা দি ৰখাবলৈ চোৰাৰ নিচিনাহে পালোঁ; মহাত্মা গান্ধীজীৰ দৰ্শন নাপায় মানে ৰাইজ নাভাগে। গতিকে, অগত্যা এটা উপায় উলিয়াব লগাত পৰিলোঁ। ভাবি-চিন্তি ইয়াকে স্থিৰ কৰিলোঁহঁক যে, গান্ধীজীক পকীঘৰৰ চাদলৈ তুলি নি আসন দিয়া হওক, তেতিয়াহ'লে সমবেত ৰাইজে নিলগৰপৰা সমভাৱে দৰ্শন পাব। সেই অনুসৰি, মহাত্মা গান্ধী চাদৰ ওপৰলৈ উঠি উদং গাৰে কৃষ্ণভঙ্গীৰে থিয় দিলেগৈ; উদগ্ৰীৱ ৰাইজে হেঁপাহ পলুৱাই থৰ লাগি গান্ধী দৰ্শন উপভোগ কৰিবলৈ ধৰিলে। সেই সম্মোহিনী মূৰ্তিৰে পোৱাঘণ্টামান 'পকী'ৰ ওপৰত পৰমানন্দে দৰ্শকক দৰিশন দি, মহাত্মা গান্ধীজী আনন্দত আপ্লুত হৈ, অঙ্গিভঙ্গীৰে সৈতে প্ৰণাম-সম্ভাষণ জ্ঞাপন কৰি ৰাইজৰপৰা সাম্প্ৰতিকভাৱে বিদায় লৈ আকৌ তললৈ নামি আহিল। সমবেত দৰ্শক ৰাইজ অতৃপ্ত অন্তৰেৰে ধীৰে-শাঁতে দিহাদিহি ঘৰাঘৰি গ'ল।

আলহীক জিৰাবলৈ আহৰি দি আবেলি কেইঘণ্টামানৰ কাৰণে আমিও ঘৰাঘৰি হ'লোঁহঁক। তাৰ পিছত সন্ধিয়া সাত বজাৰপৰা 'পকী'ৰ সমুখত বহল ঘাঁহনি চোতালত দলিচা, সতৰঞ্চি, ত্ৰিপাল, নগাঢাৰি পাৰি মজলিচ বৈঠক পতা হ'ল। নিৰ্ধাৰিত কাৰ্যতালিকা অনুসৰি, টাউনৰ গণ্যমান্য লোকসকল, দূৰৈৰপৰা আহি অভ্যৰ্থনাত যোগ দিয়া ৰাইজৰ নেতা-শ্ৰেণী, ৰাইজৰ এভাগ আৰু টাউনবাসী সৰ্বসাধাৰণ মানুহ চাপি ধীৰে-শাঁতে যথাযোগ্য ঠাইত আসন ল'লেহি। এইখিনিতে উনুকিয়াই থ'বলগীয়া যে, মোতবাজে আন কোনো চৰ্কাৰী চাকৰীয়াল, পেন্সনীয়া আৰু গৱৰ্ণমেণ্ট খিতাপধাৰীয়ে সেই মজলিচত যোগ দিয়া নাছিল। ৭ মান বজাত গান্ধীজী জিৰণি কোঠাৰপৰা ওলাই আহি থিয় দিয়া মাত্ৰকে সমবেত সমজুৱাই একচাবে উঠি থিয় দি তেখেতক সন্মান জনালে। তাৰ পিছত, আগেয়ে দিহা লগাই থোৱা সৰু চালপীৰা এখনৰ ওপৰত



পিচ্ গাৰু দিয়া আসনত মহাত্মা গান্ধীজী আমাৰ অনুৰোধ অনুসৰি উপবিষ্ট হ'ল। তেখেতে আসন গ্ৰহণ কৰিয়েই হিন্দী-গুজৰাটী ভাষাত, তেখেতৰ ভাৰত ভ্ৰমণৰ উদ্দেশ্য ব্যাখ্যা কৰি সুগভীৰ সাৰুৱা বক্তৃতা দিবলৈ আৰম্ভ কৰিলে; সমবেত ৰাইজে একাণপতীয়া মনোযোগেৰে শুনি ৰাপ লগাই উপভোগ কৰিবলৈ ধৰিলে। সেই বক্তৃতাত গান্ধীজীয়ে 'স্বৰাজ' আৰু 'অসহযোগিতা' (non-co-operation) এই জটিল বিষয় দুটা বিশদকৈ বুজাই দিয়ে,— তেজপুৰত সেই দুই বিষয়ক সেয়ে পোন-প্ৰথম বক্তৃতা। সেই বক্তৃতা আঠ বজাৰপৰা দহ বজালৈকে পুৰা দুঘণ্টা একেৰাহে খণ্ডা নিছিগাকৈ দিয়া হৈছিল; আৰু শ্ৰোতাবৰ্গে নীৰৱে নিবিষ্টমনেৰে শুনিছিল। বক্তৃতাৰ অন্তত, পিছদিনাৰ কাৰ্যতালিকাৰ আভাস দি, গান্ধীজীয়ে বিনীতভাৱে উপস্থিত ৰাইজৰ ওচৰত বিদায় লৈ ভিতৰ সোমালগৈ; আমিও সকলোটি দিহাদিহি ঘৰমুৱা হ'লোঁহঁক।

**কঠিন শব্দৰ অৰ্থ ঃ**

মহামানৱিক — মহৎ মনুষ্যসুলভ, মানুহ সম্বন্ধীয় উচ্চ ধাৰণা।

বিৰ-দি-বাট-নোপোৱা— মানুহৰ জুমৰ মাজেদি বাট উলিয়াব নোৱৰা অৱস্থা হোৱা।

মৌচেপা — ধাৰাসাৰ।

আপাদমস্তক — ভৰিৰ পৰা মূৰলৈ।

গান্ধীভাৰী জাহাজ — গান্ধীজী অহা জাহাজখন।

বোট — Boat, নাও,

ভিৰাই — বেগাই।

তেতিক্ষণে — তেতিয়াই, ততালিকে।

কদম — খোজ।

আলধৰা — লগুৱা, আলপৈচান ধৰা ল'ৰা।
কৃষ্ণভঙ্গী — শ্ৰীকৃষ্ণই কৰা শৰীৰৰ ভাঁজ বা ভংগিমা।
পোৰাঘণ্টা — এঘণ্টাৰ চাৰিভাগৰ এভাগ অৰ্থাৎ ১৫ মিনিট।
সতৰঞ্চি — নানা বৰণীয়া কপাহী দলিচা।
মজ্‌লিচ্ — সভা, বৈঠক।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। 'অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ' শীৰ্ষক পাঠটি ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

২। মহাত্মা গান্ধীয়ে কেতিয়া প্ৰথমবাৰৰ বাবে অসম ভ্ৰমণ কৰিছিল?

৩। পদ্মনাথ গোহাঞিবৰুৱাৰ আত্মজীৱনীখনৰ নাম লিখা।

৪। 'আগৰৱালা পকী' ক'ত অৱস্থিত?

৫। গান্ধীজীৰ সন্মানাৰ্থে 'পকী'ৰ সন্মুখত আয়োজিত মজ্‌লিচত উপস্থিত থকা চৰকাৰী খিতাপধাৰী ব্যক্তিগৰাকীৰ নাম লিখা।

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা দুখন নাটকৰ নাম লিখা।

২। পদ্মনাথ গোহাঞিবৰুৱাই সম্পাদনা কৰা তিনিখন আলোচনীৰ নাম লিখা।

৩। পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা তিনিখন গ্ৰন্থৰ নাম লিখা।



৪। মহাত্মা গান্ধীয়ে ভাৰতৰ গৱৰ্ণৰ জেনেৰেলক কি বুলি সম্বোধন কৰি চিঠি লিখিছিল?

৫। 'অসমত মহাত্মা গান্ধীৰ পোন প্ৰথম পদাৰ্পণ' শীৰ্ষক পাঠটিত উল্লেখ থকা দুগৰাকী স্বাধীনতা যোদ্ধাৰ নাম লিখা।

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। পদ্মনাথ গোহাঞিবৰুৱাই মহাত্মা গান্ধীৰ কোনবোৰ কাৰ্যৰ কাৰণে গান্ধীজীক লগ পাবলৈ উদ্‌গ্ৰীৱ হৈ পৰিছিল?

২। গান্ধীজীৰ প্ৰথম অসম ভ্ৰমণ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

৩। গান্ধীজী আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ মাজৰ কথোপকথনখিনি তোমাৰ ভাষাত বুজাই লিখা।

৪। গান্ধীজীৰ অসম ভ্ৰমণৰ সময়ত ক'ত কোনে মজ্‌লিচ বৈঠকৰ আয়োজন কৰিছিল, বুজাই লিখা।

৫। "আচৰিত, ৰায়চাহাব খিতাপধাৰীয়ে গান্ধীক আদৰিবলৈ আহে।"— এই কথাষাৰ কোনে কি প্ৰসংগত কৈছিল বুজাই লিখা।

**পাঠবোধ ঃ**

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ অপ্ৰতিদ্বন্দ্বী নেতা মহাত্মা গান্ধীয়ে ১৯২১ চনৰ আগষ্ট মাহত প্ৰথমবাৰৰ বাবে অসম ভ্ৰমণ কৰে। ২১ তাৰিখে তেওঁ তেজপুৰত উপস্থিত হয়। গান্ধীজীৰ সাক্ষাৎ লাভ কৰিবলৈ উদ্‌গ্ৰীৱ হৈ থকা পদ্মনাথ গোহাঞিবৰুৱাই তেজপুৰীয়া ৰাইজৰ লগত ৰাতিপুৱাতে জাহাজঘাটত উপস্থিত হয়। তেতিয়া ধাৰাসাৰ বৰষুণ দি আছিল। সেই বৰষুণত তিতি-বুৰি মানুহবোৰে গান্ধীজীৰ দৰ্শন লাভৰ

বাবে অপেক্ষা কৰি আছিল। প্ৰায় ৯.৩০ বজাত নিৰ্দিষ্ট জাহাজখন ঘাট চাপিল। পদ্মনাথ গোহাঞিবৰুৱাই তৎক্ষণাৎ জাহাজত উঠি গান্ধীজীৰ ওচৰ চাপিল। গান্ধীজীৰ লগত অসম কংগ্ৰেছৰ নেতা তৰুণৰাম ফুকনো আহিছিল। তৰুণৰাম ফুকনে গান্ধীজীক গোহাঞিবৰুৱাৰ পৰিচয় দি "তেজপুৰৰ আগৰণুৱা দেশহিতৈষী অসমীয়া নেতা,— ৰায়চাহাব পদ্মনাথ গোহাঞিবৰুৱা" বুলি ক'লে যে চৰকাৰী খিতাপধাৰী হ'লেও গোহাঞিবৰুৱাই ৰাইজৰ হকে মাত মাতে। গান্ধীজীয়ে গোহাঞিবৰুৱাক ঘৰতে সূতা কাটি বৈ উলিওৱা খদ্দৰৰ কাপোৰ ব্যৱহাৰৰ বাবে পৰামৰ্শ দিয়ে। গান্ধীজীক তেজপুৰীয়া ৰাইজে শোভাযাত্ৰা কৰি আগৰৱালা পৰিয়ালৰ 'পকী'লৈ আগ বঢ়াই নিয়ে। পকীত তেওঁক জা-জলপানেৰে আপ্যায়ন কৰা হয়। কিছু সময় পাছত তেওঁ উপস্থিত ৰাইজক উদ্দেশ্য কৰি 'স্বৰাজ' আৰু 'অসহযোগ' সম্পৰ্কে এটি দীঘলীয়া ভাষণ প্ৰদান কৰে। গান্ধীজীৰ ভাষণ শুনাৰ পাছত গোহাঞিবৰুৱাই নিজ ঘৰলৈ বুলি খোজ লয়।

### ওপৰঞ্চি তথ্য ঃ

তৰুণৰাম ফুকন হ'ল সেই সময়ৰ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতা। তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আদি মুক্তিযোদ্ধা কেইজনমানৰ নেতৃত্বতে অসমত অসহযোগ আন্দোলনৰ সূচনা হয়। তেজপুৰৰ 'পকীকুঠী'ৰ গৰাকী হৰিবিলাস আগৰৱালা হ'ল জ্যোতিপ্ৰসাদ আগৰৱালাৰ ককাক।

### শিক্ষকৰ প্ৰতি ঃ

শিক্ষকে ছাত্ৰ-ছাত্ৰীক পদ্মনাথ গোহাঞিবৰুৱাৰ আত্মজীৱনী 'মোৰ সোঁৱৰণী' আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ' পঢ়িবলৈ পৰামৰ্শ দিব।



# গৌৰৱ

**কালিৰাম মেধি**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

'গৌৰৱ' প্ৰবন্ধটি কালিৰাম মেধিৰ এটি চিন্তা উদ্ৰেককাৰী প্ৰবন্ধ। প্ৰবন্ধটিত লেখকে মানুহৰ গৌৰৱৰ কাৰণ আৰু উৎপত্তি সম্পৰ্কে আলোচনা কৰি বিভিন্ন উদাহৰণেৰে তাৰ বিশ্লেষণ দাঙি ধৰিছে। ব্যক্তিগত জীৱনত মেধি ডাঙৰীয়াই বহুত মানুহৰ সংগ লাভ কৰিছিল। সেই মানুহবোৰে কোন সময়ত কেনেদৰে গৌৰৱ কৰিছিল আৰু তেওঁলোকৰ গৌৰৱৰ কাৰণ কি আছিল, তাক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি আলোচনা কৰিছে। ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰ গঠনত সহায়ক হ'ব পাৰে বুলি বিবেচনা কৰি পাঠটো নিৰ্বাচন কৰা হৈছে।

### লেখক পৰিচিতি ঃ

হাজোৰ ওচৰৰ ৰামদিয়া গাঁৱত কালিৰাম মেধিৰ (১৮৭৮-১৯৫৪) জন্ম হয়। গুৱাহাটীত স্কুলীয়া শিক্ষা সমাপ্ত কৰি কলিকতাৰ চিটি কলেজ আৰু প্ৰেছিডেন্সী কলেজত অধ্যয়ন কৰে। পিছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। কলিকতাৰ পৰা ওভতি আহিয়েই তেওঁ উপ-প্ৰতি সমাহৰ্তা হিচাপে চাকৰিত যোগদান কৰে। মেধিৰ কৰ্মদক্ষতা আৰু নিষ্ঠাৰ বাবে শেষত ই. এল. চি. পদলৈ উন্নীত হয়। চৰকাৰী চাকৰিৰ দায়িত্বত থাকিও তেওঁ আজৰি সময়ত সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। 'আসাম বান্ধৱ'

আলোচনী আৰু কামৰূপ অনুসন্ধান সমিতিৰ ইংৰাজী মুখপত্ৰত কেইবাটাও প্ৰবন্ধ লিখিছিল। পদাৰ্থবিজ্ঞানৰ ছাত্ৰ আছিল যদিও ভাষাবিদ আৰু ব্যাকৰণ প্ৰণেতা হিচাপেহে তেওঁ খ্যাতি লাভ কৰিছিল। মেধিৰ সাহিত্যিক জীৱনৰ ডাঙৰ কীৰ্তি হৈছে তেওঁৰ দ্বাৰা প্ৰণীত বৃহৎ আকাৰৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব'। তেওঁৰ দ্বাৰা সম্পাদিত গ্ৰন্থসমূহ হৈছে 'অংকাৱলী', 'প্ৰহ্লাদ চৰিত', 'মহাপুৰুষ শংকৰদেৱৰ বাণী'। 'মহাপুৰুষ শংকৰদেৱৰ বাণী' গ্ৰন্থই মেধিদেৱক বৈষ্ণৱ সাহিত্যৰ এজন গৱেষক পণ্ডিতৰূপে পৰিচয় কৰালে। ইংৰাজীতো তেখেতে বহু প্ৰবন্ধ লিখিছিল। তেওঁ ১৯১৯ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশনৰ সভাপতি আছিল।

**মূল পাঠ ঃ**

গৌৰৱ তুলনাৰ পৰা ওপজে। কোনো মানুহ কোনো কোনো অংশে আন এজনতকৈ হীন হ'লে দ্বিতীয়জনে প্ৰথমজনক মনে মনে অলপ ঘৃণা কৰে। দ্বিতীয়জনৰ সেইটোৱেই গৌৰৱৰ কাৰণ, মগনীয়াৰ খুদ-চাউলৰ মোনাও গৌৰৱৰ কাৰণ। ৰাণীৰ অলংকাৰ যেনে গৌৰৱৰ কাৰণ, বান্দীৰ বাঢ়নীটাৰো তেনে গৌৰৱৰ কাৰণ। সকলো মানুহে সকলো অৱস্থাতে গৌৰৱ কৰিবৰ কাৰণ বিচাৰি পায়।

গৌৰৱ তিনি ঠাইৰ পৰা উৎপন্ন হয়; সৌভাগ্য, শৰীৰ আৰু মন। সৌভাগ্যৰ পৰা জন্ম, ধন, আৰু মান আহে। নিধিৰাম বৰুৱাৰ পুতেক গৰুচোৰ হ'লেও ভূঞা-পোৱালি, ক'লামণি দাস বিদ্যাভূষণ হ'লেও সামান্য মানুহ। বৰুৱাৰ ঘৰৰ ল'ৰাই আগ মালা আৰু আগ ঠগি পোৱাৰ নিয়ম সামাজিক আইনত বন্ধা আছে। ক'লামণি হাজাৰ হওক সাধাৰণ মানুহৰ ল'ৰা, তেওঁ মালা আৰু ঠগি পাছে পাব। উপৰিপুৰুষসকলে এই নিয়ম কৰি থৈ গৈছে। ইয়াক উলংঘন কৰিব নোৱাৰি। উদাহৰণ লাগিলে মহাভাৰতৰ কৰ্ণক চোৱা। কৰ্ণৰ জন্ম পাণ্ডৱৰ নিচিনা নাছিল নে? তথাপি কৰ্ণক ঠাট্টা কৰিছিল। কিয়? ভাগ্য!



ইফালে তোমাৰ ধন থাকক, তুমি ধন ধাৰে দিব নালাগে, দান কৰিব নালাগে, সজ কামত খৰচ কৰিব নালাগে, একো কৰিব নালাগে, তোমাৰ ধনৰ গোন্ধেই সকলোকে তোমাৰ ওচৰত বিনীত, শিষ্টাচাৰী আৰু নম্ৰ কৰিব। তোমাৰ ল'ৰাই সংসাৰত উপজি কোনো কাম কৰিব নালাগে; বৰঞ্চ বেয়া কামত কেনেকৈ ধন ভাঙিব লাগে, সেই কথা কু-সংগীৰ পৰা জানি ল'ব পাৰে। তোমাৰ ল'ৰাই যিমান বেয়া কাম নকৰক তোমাৰ মানহানি নহয়। তোমাৰ টকা থাকে মানে বাহিৰৰ পৰা মান-সম্ভ্ৰম আপোনা-আপুনি আহি তোমাক লগ ধৰিব। পৃথিৱীত এনে মানুহ নাই, যি ধনীক ভয়, মান আৰু ভক্তি নকৰে। আজিকালি ধনেই আলাউদ্দিনৰ বন্তি। কথাতে কয় বোলে,

ধনেই ধৰ্মৰ মূল,
ধন নহ'লে যায় জাতি-কুল।

তুমি ভক্তিৰ ঠাইত বিদ্ৰূপ মাথোন পাবা। বিশ্বামিত্ৰৰ অনেক দুখৰ কাৰণো জন্ম। এতেকে জন্ম, ধন আৰু মান গৌৰৱৰ কাৰণ। কিন্তু এইবিলাক আমাৰ নিজ আৰ্জিত ফল নহয়। তাতনো আমি গৌৰৱ কৰোঁ কিয়?

দ্বিতীয়বিধ গৌৰৱৰ ঠাই শৰীৰ। শৰীৰৰ তিনিটি গুণৰ পৰা গৌৰৱ উপজিব পাৰে। এই তিনিটি গুণ — ৰূপ, স্বাস্থ্য আৰু বল। ৰূপে জ্ঞানীক অজ্ঞানী কৰে, যুদ্ধ-বিগ্ৰহ সৃষ্টি কৰে। জগতৰ বুৰঞ্জী পৰিৱৰ্তন কৰে আৰু নিৰ্বলীক বলী কৰে। মহাদেৱৰ নিচিনা প্ৰধান যোগীকো ভগৱানৰ বিশ্ব-বিমোহন ৰূপে বলিয়া কৰিছিল। ৰাম-ৰাৱণৰ যুদ্ধ আৰু গ্ৰীক-ট্ৰজান যুদ্ধৰ কাৰণ ৰূপ। ডাণ্টেৰ 'ডিভাইন কমেডি' ৰূপৰ পৰাই ওলাইছে। ৰূপৰ কিবা আচৰিত চুম্বক শক্তি আছে। হিৰোৰ লাৱণ্য শক্তিৰ প্ৰভাৱত লিয়েণ্ডাৰে হেলিস্পট সাগৰ সাঁতুৰি সাঁতুৰি পাৰ হ'বলৈ ভয় নকৰিছিল। সাপ যেনেকৈ যোগীৰ মন্ত্ৰত মুগ্ধ হয়, মানুহো তেনেকৈ ৰূপত মুগ্ধ

হয়। এই ৰূপৰ বলতে বহুতে বহুত ঠাইত মান আৰু ভক্তি পায়। মহাপুৰুষ শংকৰদেৱৰ ৰূপ আৰু শান্ত মূৰ্তিয়ে তেওঁৰ প্ৰতিদ্বন্দ্বীৰ পৰাও ভক্তি আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। ৰূপৰ প্ৰভাৱতে মহম্মদক বধ কৰিবলৈ উদ্যত শত্ৰুৰ হাতৰ তৰোৱাল খহি পৰিছিল।

ৰূপ ঈশ্বৰদত্ত। কামদেৱ, এণ্ডিমিয়ান, তিলোত্তমা আৰু হেলেনৰ ৰূপ-মাধুৰী নিজৰ আৰ্জিত নহয়। কিন্তু সেইবুলিয়ে ৰূপৰ ওপৰত আমাৰ হাত নাই এনে নহয়। হৰমোহন ৰূপ পাব নোৱাৰিলেও নিজ চেষ্টাৰ বলত কুৎসিত আকাৰ কিছু পৰিমাণে কমাব পাৰি। জাপানীবিলাকে তেওঁলোকৰ গঢ় ককেচিয়ানবিলাকৰ নিচিনা কৰিবলৈ চেষ্টা কৰিব লাগিছে। কিঞ্চিৎ কৃতকাৰ্যও হৈছে। সৌন্দৰ্য বঢ়োৱাত স্বাস্থ্যই বৰ সহায় কৰে। স্বাস্থ্য ভালে থাকিলে আৰু তেজ পৰিষ্কাৰ থাকিলে মুখৰ গঢ় বেয়া হ'লেও মানুহ দেখিবলৈ কুশ্ৰী নহয়। কিন্তু ৰুগীয়া মানুহৰ মুখ কাৰ্তিক, নাৰ্চিছাছৰ নিচিনা সুন্দৰ হ'লেও দেখিবলৈ কুৎসিত আৰু ঘিণ লগা হয়। স্বাস্থ্যই বহুত সুখৰ মূল। ধন-জন, মান-সম্ভ্ৰম আৰু বিষয়-ঐশ্বৰ্য সকলো স্বাস্থ্যৰ তল। ৰুগীয়া মানুহ ৰঘুৰ দৰে ভাগ্যৱান আৰু প্ৰতাপী হ'লেও সুখী হ'ব নোৱাৰে। স্বাস্থ্যৰ অভাৱ বা ৰোগক একৰকম নৰক বুলিব পাৰি। যমপুৰীৰ নৰক আৰু পৃথিবীৰ ৰোগ-যন্ত্ৰণা একে। বৰঞ্চ নৰিয়া নৰকতকৈও বেছি। কিয়নো, মৃত্যুৰ পিছত কি আহে আমি ভালকৈ নাজানো। কিন্তু ৰোগ হ'লে আমি কষ্ট পাওঁ, তাক আমি সকলোৱে জানো। এতেকে ৰূপ আৰু স্বাস্থ্য গৌৰৱৰ কাৰণ বুলিব পাৰি।

শৰীৰৰ আন এটি গৌৰৱৰ কাৰণ বল। ভীম আৰু হাৰ্কিউলিচৰ বল কোনে গৌৰৱৰ বিষয় নহয় বুলিব? বলে মানুহক সাহস, স্ফূৰ্তি আৰু আনন্দ দিয়ে। বল থাকিলে মানুহে আনৰ ওপৰত কেতিয়াবা প্ৰভুত্ব চলাব আৰু আনৰ পৰা ভয় আৰু ভক্তি আকৰ্ষণ কৰিব পাৰে। বল ঈশ্বৰদত্ত হ'লেও তাক নিজে চেষ্টা কৰি বহুত পৰিমাণে বঢ়াব পাৰি। ছেণ্ডো আৰু প্ৰফেছাৰ ৰামমূৰ্তিৰ বল অনেকাংশ নিজ চেষ্টাৰ ফল।



কিন্তু এই দুবিধ গৌৰৱৰ ঠাই বাস্তৱিক গৌৰৱৰ বিষয় নহয়। তৃতীয়বিধহে প্ৰকৃত গৌৰৱৰ কাৰণ। মানসিক বৃত্তিবিলাকৰ উৎকৰ্ষ সাধন নিজ চেষ্টাৰ ফল। তাৰ পৰা ওপজা গৌৰৱো অকৃত্ৰিম। এই গৌৰৱৰ কাৰণ স্বৰ্গীয় আৰু চিৰস্থায়ী। কুবেৰৰ ধন মহাদেৱৰ ভিক্ষাৰ জোলোঙাতকৈ কোনে নীচ বুলি নাভাবে? দুৰ্যোধনৰ ঐশ্বৰ্য বিদুৰৰ খুদ-চাউলৰ ওচৰত অতি তুচ্ছ ভাবিয়েই ভগৱান শ্ৰীকৃষ্ণে পৰিত্যাগ কৰিছিল। বেদব্যাস জন্মাত নীচ হ'লেও মানসিক বলত অমৰ। সাবিত্ৰী-সীতাৰ পতি-প্ৰেম আৰু জোৱান ডাৰ্কৰ স্বদেশানুৰাগে তেওঁলোকক চিৰকাললৈ আদৰ্শস্থানীয় কৰি ৰাখিছে। কুশ্ৰী ছক্ৰেটিছৰ জ্ঞান আৰু জলভৰত কালিদাসৰ কবিতাই তেওঁলোকক সংসাৰত সুন্দৰ কৰিছে।

বালিৰ বল এপাট শৰতে বিলোপ হৈছিল। ক্লিওপেট্ৰাৰ অতুল ৰূপৰাশি সাপৰ বিষত কুৎসিত আকাৰ ধাৰণ কৰিছিল। স্বাস্থ্য শৰীৰৰ সাম্যভাব মাথোন। মৃত্যু আৰু কালৰ হাতত সকলো লয় হয়। ধন-জন, ৰাজ্য-সম্পদো কালৰ হাতত লোপ পায়। নেপোলিয়ন বোনাপাৰ্টৰ ইমান জয়ৰ দশা কি হৈছিল? ধোঁৱাৰ দৰে সকলো কালত বিলীন হৈছিল আৰু শেষত তেওঁ ফ্ৰান্স দেশখন যেন আগতকৈ দুখীয়া, দুৰ্বল আৰু সৰু কৰি থৈ গৈছিল। হেনিবালৰ পৰাক্ৰমো সেইদৰে ক্ষয় হৈছিল। স্বৰ্ণপুৰী লংকাৰ দৰে ট্ৰয় নগৰৰ সম্পত্তি খন্তেকতে জুইত ছাই হৈছিল। তেন্তে গৌৰৱ কিহৰ? দিল্লীৰ সম্ৰাট যেনেকৈ উপজিছিল আৰু মৰিছিল, তেওঁৰ দাসো ঠিক তেনেকৈ উপজিছিল আৰু মৰিছিল। এজনৰ যেনে দুখ, তাপ আৰু ৰোগ আনৰো তেনে। তেন্তে গৌৰৱ কিয়? গৌৰৱৰ কাৰণ কি?

প্ৰকৃত গৌৰৱৰ কাৰণ জ্ঞান, আত্মসংযম আৰু আত্মদানৰ পৰা ওলায়। এই গুণবিলাকে মানুহক অমৰ কৰে। ছক্ৰেটিছৰ জ্ঞান, হৰিশ্চন্দ্ৰৰ ন্যায়, প্ৰহ্লাদৰ আত্মসংযম আৰু জয়মতীৰ আত্মদান ইতিহাসৰো গৌৰৱৰ

বিষয়। ছেক্সপীয়েৰ, কবীৰ, মাধৱদেৱ আদি মহাপুৰুষৰ পূৰ্ণাংগ জীৱনী পোৱা নাযায়। তথাপি তেওঁলোকৰ জীৱনী যিমান জানো, বিস্তৃত জীৱনী থকা মহা মহা সম্ৰাটৰো সিমান নাজানো।

বাতৰি কাকতত বহুত ধনী, মানী আৰু ডাঙৰ মানুহৰ কথা পঢ়িবলৈ পাওঁ। দুখীয়া, কবি, দাৰ্শনিক, পণ্ডিত, স্বাৰ্থত্যাগী আৰু পৰোপকাৰী মানুহৰ কথা শুনিবলৈ নাপাওঁ। কিন্তু শেষত কাৰ নাম ওলাব? ডাঙৰৰ নে দুখীয়াৰ? গৌতম বুদ্ধ দিন-ভিখাৰী আৰু শুদ্ধোধন ৰজা আছিল। এতিয়া যদি কোনোবাই শুদ্ধোধনৰ নাম জানে, তেন্তে সি কেৱল বুদ্ধদেৱৰ যহত। শুদ্ধোধন বুদ্ধৰ বাপেক নোহোৱা হ'লে আজিকালি কেইজন মানুহে শুদ্ধোধনৰ নাম জানিলে হয়?

কেতিয়াবা নাম নোহোৱা অৱস্থাও গৌৰৱৰ বিষয় হৈ পৰে। হোমাৰৰ জন্মস্থান অনিশ্চিত। এই নিমিত্তে স্মাৰ্ণা, ৰোডছ ক'ল, ক'ন, ছেলামিছ কাইয়'ছ আৰ্গছ আৰু এথেন্স দেশৰ মানুহে হোমাৰ তেওঁলোকৰ ঠাইত জন্মিছিল বুলি গৌৰৱ কৰে। এইদৰে অনন্ত কন্দলি আৰু ডাকক লৈ বঙালী-অসমীয়াই আৰু বিদ্যাপতিক লৈ মৈথিলী আৰু বঙালীয়ে টনাটনি লগাইছে, এনেকি অসমৰ ভিতৰতে ভিন্ ভিন্ জিলাৰ মানুহে মাধৱ কন্দলি, মাধৱদেৱ, অনন্ত কন্দলি আদি মহাত্মাসকলক ভিন্ ভিন্ ঠাইত পেলাইছে। আকৌ সাধাৰণ মানুহবিলাকেও তেওঁলোকৰ নিজ জাতৰ বা একে ব্যৱসায়ৰ কোনো মানুহক বিখ্যাত হোৱা দেখিলে তেওঁৰ নাম কৈ সেই জাতৰ গৌৰৱ কৰে। তেওঁলোকৰ ভিতৰৰ এজন যদি ডাঙৰ হ'ব পাৰে তেন্তে তেওঁলোকে নোৱৰাৰ কাৰণ কি?

দেশ বিজয় কৰা বীৰসকলক আমি গৌৰৱৰ পাত্ৰ বুলি ভাবোঁ। কিন্তু বিজেতাই প্ৰথম দিন দেশ জয় কৰে, দ্বিতীয় দিন ৰাখে, তৃতীয় দিন বিজিত দেশ তেওঁৰ হাতৰ পৰা যায়। বিজেতাই মানুহকে পৰাস্ত কৰে, মানুহৰ মনক পৰাস্ত কৰিব নোৱাৰে। জুলিয়াছ ছিজাৰে বাস্তৱিকতে দেশ জয় কৰা নাছিল, কিন্তু ভাৰ্জিলে কৰিছিল। আলেকজেণ্ডাৰে দেশ



লৈছিল হয়; কিন্তু প্লেটোৱেহে মানুহৰ মন জয় কৰিছিল। ইউৰোপত এতিয়া কাৰ জয়-পতাকা উৰিছে? নেপোলিয়ন বোনাপাৰ্টৰ নে মাৰ্টিন লুথাৰৰ? আকবৰৰ ৰাজ্য কেতিয়াবাই চাৰখাৰ হ'ল, কিন্তু গৌতম বুদ্ধৰ হোৱা নাই। চ্যুকাফাৰ ৰাজ্য আৰু নৰনাৰায়ণৰ ৰাজ্য কালে ধ্বংস কৰিলে হয়, কিন্তু শংকৰদেৱৰ ৰাজ্য ধ্বংস কৰিব পৰা নাই। তেওঁৰ ৰাজ্য টুটক ছাৰি বাঢ়িছেহে। নিউটন, ডাৰউইন আদি পণ্ডিতে তেওঁলোকৰ নিজ ভাব আনৰ মনত সুমুৱাই দি তেওঁলোকৰ নিচিনা সকলোকে চিন্তা কৰিবলৈ দিছে কেনেকৈ? আমাৰ মন জয় কৰি। তেন্তে, গৌৰৱ কাৰ?

**কঠিন শব্দৰ অৰ্থ ঃ**

বিদ্যাভূষণ — বিদ্যাৰ অলংকাৰ।
উপৰিপুৰুষ — পূৰ্বপুৰুষ
বিনীত — নম্ৰ, ভদ্ৰ, অহংকাৰহীন।
বন্তি — চাকি
বিদ্ৰূপ — ইতিকিং, উপহাস।
বিমোহন — মোহিত কৰা কাৰ্য, মনোমুগ্ধকৰ।
ঈশ্বৰদত্ত — ঈশ্বৰৰ দান।
কুশ্ৰী — দেখিবলৈ বেয়া, কুৎসিত।
যমপুৰীৰ নৰক— পুৰাণৰ বৰ্ণনা অনুসৰি যম ৰজাৰ ৰাজ্যত পাপীৰ দণ্ডৰ ঠাই।

**চমুটোকা ঃ**

আলাউদ্দিন ঃ আৰব্য উপাখ্যান বা সাধুকথাৰ আলাউদ্দিন নামৰ এটি চৰিত্ৰ। তেওঁৰ এটি আচৰিত ধৰণৰ চাকি আছিল। সেই চাকিত যি বিচৰা যায় তাকেই পোৱা গৈছিল।

ৰাম-ৰাৱণৰ যুদ্ধ ঃ ৰূপৱতী হোৱা কাৰণেই সীতাক ৰাৱণে হৰি নিছিল। তাৰ ফলতেই ৰাম-ৰাৱণৰ যুদ্ধ হৈছিল।

গ্ৰীক-ট্ৰজান যুদ্ধ ঃ বিশ্বসুন্দৰী হেলেনৰ কাৰণেই গ্ৰীক আৰু ট্ৰজানসকলৰ যুদ্ধ হৈছিল, যাৰ ফলত ট্ৰয় নগৰ ধ্বংস হৈছিল।

ডাণ্টে ঃ (১২৬৫-১৩১১) ইটালিৰ বিশ্ববিখ্যাত কবি। তেওঁ ৰূপহী প্ৰেমিকা বিয়েট্ৰিছক উপলক্ষ কৰি 'ডিভাইন কমেডি' নামৰ বিখ্যাত এখন কাব্যগ্ৰন্থ লিখিছিল।

কামদেৱ ঃ প্ৰাচীন ভাৰতৰ গ্ৰন্থত বৰ্ণিত প্ৰেমৰ দেৱতা। এওঁক অতি ৰূপৱান বুলি কোৱা হয়।

অণ্ডিমিয়ান ঃ এজন ভেৰা ৰখীয়া ৰূপহ ডেকা। তেওঁক সদায় পাবৰ কাৰণে চন্দ্ৰদেৱীয়ে পৰ্বতৰ নামনিত চিৰকাল শুৱাই থৈছিল।

হিৰো ঃ এগৰাকী অপূৰ্ব সুন্দৰী, যাক পাবলৈ লিয়েণ্ডাৰে সাঁতুৰি সাগৰ পাৰ হৈছিল।

তিলোত্তমা ঃ পুৰাণত বৰ্ণিত এজনী সুন্দৰী নাৰী। এওঁক লাভ কৰাৰ উদ্দেশ্যে সুন্দ আৰু উপসুন্দ নামে দুটা দৈত্যই (ভায়েক-ককায়েক) পৰস্পৰ যুদ্ধ কৰি মৃত্যুবৰণ কৰিছিল।

হাৰ্কিউলিছ ঃ গ্ৰীক পুৰাণত বৰ্ণিত মহাবলী বীৰ। এওঁ ১২ টা অসাধৰণ কাম কৰে।

ছেণ্ডো আৰু প্ৰফেছাৰ ৰামমূৰ্তি ঃ দুজন বিখ্যাত ব্যায়ামবীৰ।

ক্লিওপেট্ৰা ঃ প্ৰাচীন ইজিপ্তৰ এগৰাকী সুন্দৰী, সম্ৰাজ্ঞী।



নেপোলিয়ন ঃ নেপোলিয়ন বোনাপাৰ্ট ফ্ৰান্সৰ এজন বীৰ। এওঁৰ ১৭৬৯ চনত কৰ্ছিকা দ্বীপত জন্ম। তেওঁ পৰাক্ৰমেৰে সমগ্ৰ ইউৰোপ কঁপাই তুলিছিল। ১৮২১ চনত চেণ্টহেলিনা দ্বীপত মৃত্যু হয়।

ছক্ৰেটিছ ঃ গ্ৰীচ দেশৰ বিশ্ববিখ্যাত দাৰ্শনিক।

জলভৰত ঃ 'জড়-ভৰত' শব্দৰ পৰা ওলোৱা। মূৰ্খ অৰ্থত ব্যৱহৃত হৈছে।

জয়মতী ঃ আহোম ৰজা গদাধৰ সিংহৰ পত্নী। এওঁ স্বামীৰ জীৱন ৰক্ষাৰ্থে নিজৰ জীৱন আহুতি দিছিল।

হোমাৰ ঃ গ্ৰীচ দেশৰ কবি। 'ইলিয়াড' আৰু 'ওডিছী' নামৰ দুখন মহাকাব্যৰ ৰচক।

অনন্ত কন্দলি ঃ শংকৰদেৱৰ সমসাময়িক অসমীয়া বৈষ্ণৱ কবি।

ডাক ঃ ডাকৰ বচন অসম, বংগদেশ আদিত প্ৰচলিত আছে কাৰণে দুয়োখন ৰাজ্যৰ মানুহে নিজৰ ৰাজ্যত ডাক নামৰ এজন বিজ্ঞ লোক ওপজা বুলি দাবী কৰে। কিন্তু কিছুমান পণ্ডিতৰ মতে ডাক বুলি কোনো লোক নাছিল, 'ডাক' হৈছে জনসাধাৰণৰ প্ৰাজ্ঞ বচন।

বিদ্যাপতি ঃ ত্ৰয়োদশ শতিকাৰ এজন উত্তৰ ভাৰতৰ বিখ্যাত বৈষ্ণৱ কবি। এওঁ মৈথিলী ভাষাত ৰাধা-কৃষ্ণ সম্বন্ধীয় ভালেমান গীত লিখে।

জুলিয়াছ ছিজাৰ ঃ ৰোম দেশৰ বিশ্ববিখ্যাত বীৰ। জন্ম খ্ৰীষ্টপূৰ্ব ৮১ চনত। তেওঁ স্পেইন, ইংলণ্ডকে ধৰি ইউৰোপৰ ভালেমান দেশ জয় কৰিছিল। বন্ধু ব্ৰুটাছৰ হাতত তেওঁৰ মৃত্যু হয়।

ভাৰ্জিল ঃ এওঁ 'ইনীদ' নামৰ মহাকাব্যৰ ৰচয়িতা। জন্ম খ্ৰীঃ পূঃ ৭০ আৰু মৃত্যু খ্ৰীঃ পূঃ ১৯।

প্লেটো ঃ গ্ৰীক দাৰ্শনিক। এওঁ 'ৰিপাব্লিক' নামে এখন বিখ্যাত গ্ৰন্থ লিখে।

চ্যুকাফা ঃ প্ৰথম আহোম স্বৰ্গদেউ। এওঁ ১২২৯ চনত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰে।

নৰনাৰায়ণ ঃ কোচ ৰজা নৰনাৰায়ণ বিদ্যোৎসাহী আছিল। এওঁৰ ৰাজসভা শংকৰদেৱ, ৰামসৰস্বতী আদি কবি-পণ্ডিতসকলে নৱৰত্নৰ দৰে শুৱনি কৰিছিল।

নিউটন ঃ ইংলণ্ডৰ বিখ্যাত বিজ্ঞানী, মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰক।

ডাৰউইন ঃ ইংলণ্ডৰ বিখ্যাত বিজ্ঞানী (১৮০৯-১৮৮২)। এওঁ জীৱবিজ্ঞান সম্পৰ্কে বিভিন্ন তথ্য মানৱ সমাজক দি গৈছে। 'জীৱৰ ক্ৰম-বিকাশৰ তত্ত্ব'ৰ এওঁ মূল বিজ্ঞানী।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। কালিৰাম মেধিৰ অসমীয়া ব্যাকৰণ আৰু ভাষা সম্পৰ্কীয় গ্ৰন্থখনৰ নাম লিখা।

২। 'ডিভাইন কমেডি' কাৰ ৰচনা?

৩। নেপোলিয়ন বোনাপাৰ্ট কোন দেশৰ বীৰ আছিল?



৪। মৈথিলী আৰু বঙালীয়ে কোনগৰাকী পণ্ডিতক লৈ 'টনাটনি' কৰে?

৫। জাপানীবিলাকে নিজৰ দেহৰ গঢ় কাৰ নিচিনা কৰিবলৈ চেষ্টা কৰিছে?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। সৌভাগ্যৰপৰা গৌৰৱ কেনেকৈ ওপজে?

২। ৰূপৰ বলত পোৱা মান আৰু ভক্তি স্থায়ী হয়নে? বুজাই লিখা।

৩। বিশ্বামিত্ৰৰ দুখৰ কাৰণ কি আছিল বুলি পাঠটোত কোৱা হৈছে?

৪। শুদ্ধোধনৰ নাম মানুহে কিয় জানে?

৫। দেশ জয় কৰা বীৰসকলে প্ৰকৃততে দেশ ৰাখিব পাৰেনে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। "ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতি কুল"— কথাষাৰ বুজাই লিখা।

২। 'গৌৰৱ' প্ৰবন্ধটোত প্ৰকৃত গৌৰৱৰ কাৰণ কি বুলি কোৱা হৈছে?

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা — "বিজেতাই মানুহকহে পৰাস্ত কৰে, মানুহৰ মনক পৰাস্ত কৰিব নোৱাৰে।"

৪। জন্মগতভাৱে লাভ কৰা ধন আৰু মান স্থায়ী হয়নে? বুজাই লিখা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা—
"ৰূপৰ কিবা আচৰিত চুম্বক শক্তি আছে।"

**পাঠবোধ ঃ**

প্ৰবন্ধ লেখক কালিৰাম মেধিয়ে 'গৌৰৱ' প্ৰবন্ধটিৰ মাজেৰে গৌৰৱ ক'ৰ পৰা জন্মে, কেনে ধৰণৰ গৌৰৱে মানুহৰ জীৱন প্ৰভাৱিত কৰে তাৰ এটি আলোচনা দাঙি ধৰিছে।

সৌভাগ্য, শৰীৰ আৰু মন— এই তিনি ঠাইৰ পৰা গৌৰৱ ওপজে। সৌভাগ্যৰ বাবে উচ্চবংশৰ মৰ্যাদা, ধন-সম্পত্তি আৰু মান-মৰ্যাদা লাভ কৰে। এজন ধনী ব্যক্তি বা উচ্চবংশৰ লোকক বৰ্তমান সমাজত এক শ্ৰেণীৰ লোকে যথেষ্ট মান-সন্মান কৰে; সকলোৰে বাবে তেওঁ পূজনীয় নহয়।

ৰূপ, স্বাস্থ্য আৰু বল এই তিনিটা শাৰীৰিক গুণৰ লোকেও গৌৰৱ কৰিব পাৰে। কিন্তু ৰূপ, স্বাস্থ্য বা বলেৰে কঢ়িয়াই অনা গৌৰৱ চিৰস্থায়ী নহয়। কাৰণ শৰীৰৰ পতনৰ লগে লগে ৰূপ, স্বাস্থ্য আৰু বলৰো পতন ঘটে। মনহে প্ৰকৃততে গৌৰৱৰ বিষয়। মনৰ পৰা ওপজা গৌৰৱ অকৃত্ৰিম, যাৰ বাবে ই স্থায়ী আৰু স্বৰ্গীয়।

প্ৰকৃত গৌৰৱৰ কাৰণ জ্ঞান, আত্মসংযম আৰু আত্মদানৰ পৰা ওলায়। ছক্ৰেটিছৰ জ্ঞান, হৰিশ্চন্দ্ৰৰ ন্যায়, প্ৰহ্লাদৰ আত্মসংযম আৰু জয়মতীৰ আত্মদানৰ ইতিহাসো গৌৰৱৰ বিষয়। প্ৰজাই ৰাজ্যৰ সম্ৰাট বা ৰজাক যিমান ভালদৰে জানে, তাতকৈ বেছি ভালদৰে জানে একোজন মহাপুৰুষৰ জীৱনী।

গতিকে দেখা যায় যে সৌভাগ্য, শৰীৰ আৰু মনৰ ভিতৰত মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰতহে গৌৰৱ কৰিব পাৰি। সৌভাগ্য বা শৰীৰ গৌৰৱৰ কাৰণ হ'ব নোৱাৰে।

**ওপৰঞ্চি তথ্য ঃ**

কালিৰাম মেধিৰ 'গৌৰৱ'ৰ দৰে প্ৰবন্ধক সাধাৰণভাৱে জীৱনমুখী প্ৰবন্ধ বুলি কোৱা হয়। এনে প্ৰবন্ধই মানুহৰ জীৱন সম্পৰ্কে নতুনকৈ



ভাবিবলৈ অৱকাশ দিয়ে। অসমীয়া ভাষাত সত্যনাথ বৰা, কালিৰাম মেধি আদি লেখকে এনে প্ৰবন্ধৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

১। "ধনেই ধৰ্মৰ মূল,
ধন নহ'লে যায় জাতি-কুল"— কথাখিনিৰ সপক্ষে-বিপক্ষে যুক্তি দি বুজাব।

২। ভাব সম্প্ৰসাৰণ কৰি বুজাব ঃ

(ক) "মা কুৰু ধন, জন যৌৱন গৰ্বম্।"

(খ) "যি দেশৰ জাতীয় জীৱন যিমান সৌষ্ঠৱপূৰ্ণ সেই দেশৰ সাহিত্যও সিমান সৌষ্ঠৱপূৰ্ণ।" (লক্ষ্মীনাথ বেজবৰুৱা)

# কিতাপৰ কথা

**প্ৰফুল্লদত্ত গোস্বামী**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

গ্ৰন্থ অধ্যয়ন সাম্প্ৰতিক কালত জ্ঞান লাভৰ অন্যতম উপায়। কিতাপতেই যে যুগ-যুগান্তৰৰ, দেশ-বিদেশৰ, নানা তৰহৰ জ্ঞান-অভিজ্ঞতা থূপ খাই থাকে— সেয়া অতি সহজ-সৰলভাৱে পাঠটিত উন্মোচিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মনত কিতাপৰ প্ৰতি বা অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ বাবে পাঠটি অতি গুৰুত্বপূৰ্ণ। এই কথা বিবেচনা কৰি পাঠটি নিৰ্বাচন কৰা হৈছে।

### লেখক পৰিচিতি ঃ

দক্ষিণ কামৰূপৰ নাহিৰা সত্ৰত প্ৰফুল্লদত্ত গোস্বামীৰ (১৯১৪-১৯৯৪) জন্ম হয়। ১৯৪০ চনত কটন কলেজৰ পৰা তেওঁ ইংৰাজীত সন্মানসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম. এ. উপাধি লাভ কৰে। যোৰহাটৰ জে. বি. কলেজ আৰু কটন কলেজত অধ্যাপনা কৰাৰ পিছত তেওঁ ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে নিযুক্তি লাভ কৰে। লোক-সংস্কৃতি বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৫ চনত তেওঁ ডক্টৰেট উপাধি লাভ কৰে। ১৯৮১ চনত লোক-সংস্কৃতি গৱেষণা বিভাগৰ অধ্যাপক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে। 'কেঁচা পাতৰ কঁপনি' গোস্বামীৰ এখন বিখ্যাত উপন্যাস। তেওঁৰ আন উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল — 'শেষ ক'ত' (উপন্যাস), 'মনৰ পক্ষী



উভতি উৰে' (আত্মজীৱনী), 'এই যুগৰ সাহিত্য', 'সাহিত্য আৰু জীৱন', 'অসমীয়া জন সাহিত্য', 'ইউৰোপৰ মনীষা', 'মোৰ ৰাছিয়া ভ্ৰমণ', 'মাণিক চন্দ্ৰ বৰুৱা', 'নিতে নৰৰূপ তাৰ' আৰু 'বুৰঞ্জী আৰু সংস্কৃতি'। গোস্বামীয়ে ইংৰাজী ভাষাতো কেবাখনো মূল্যৱান গ্ৰন্থ ৰচনা কৰে।

### মূল পাঠ ঃ

বাইবেলত আছে বোলে কিতাপ ওলোৱাৰ শেষ নাই, কিন্তু সৰহকৈ পঢ়া-শুনা কৰিলে শৰীৰ ভাগৰিহে পৰে। বাইবেলত আকৌ পায় যে জ্ঞানৰ পৰিসৰ যিমানে বঢ়ায় সেইজনে বেদনাৰ পৰিমাণো বৃদ্ধি কৰে। জ্ঞান বাঢ়িলে মানুহৰ বোধশক্তি বাঢ়ে, চিন্তা বাঢ়ে, অনুভূতি চোকা হয়, তেওঁৰ সুখ-দুখৰ ভাবো সৰহ হয়। এই কাৰণেই সম্ভৱ জ্ঞানৱন্ত লোকৰ মনৰ বোজা গধুৰ। নাজানিলেই ভাল, অজ্ঞানতে সুখ— এনেকৈয়ো কেতিয়াবা কোৱা হয়। তথাপি আজিৰ জগত ছপাখানাৰ জগত, কিতাপ-আলোচনীৰ জগত। কিতাপ আওকাণ কৰি আমি জীয়াই থাকিব নোৱাৰোঁ।

অনাখৰী চহা লোকেও কিতাপৰ পৰা লাভ কৰিব পৰা জ্ঞানক অশ্ৰদ্ধা নেদেখুৱায়। গাঁৱলীয়া ৰাইজৰ মতামত বিচাৰি পায় জন-সাহিত্য চৰ্চা কৰিলে। চীনদেশত প্ৰচলিত যোজনাই কিতাপ সম্পৰ্কে আমাক কি জনায় তাৰ আভাস দিওঁ। এইখিনিতে উল্লেখ কৰিব পাৰি যে চীনদেশত পুৰণিকালৰে পৰা জ্ঞানৰ সমাদৰ, আৰু ছপাখানা আৰু কাগজ এই দেশৰ আৱিষ্কাৰ। এইকেইটি যোজনাই চীনদেশীয় লোকে কিতাপ সম্পৰ্কে কিয় কয় তাৰ আভাস দিয়ে —

কিতাপ মেলা মানেই লাভ।
বিদ্বান লোকে চোৰাং কাম নকৰে।
প্ৰথমবাৰ কিতাপ এখন হাতত লোৱা মানে নতুন

বন্ধু এজনেৰে চিনাকি হোৱা; দ্বিতীয়বাৰ সেইখন
হাতত লোৱা মানে পুৰণি বন্ধুক লগ পোৱা। যদিহে
কোনোবাই অতীত আৰু বৰ্তমান জানিব খোজে
তেনেহ'লে তেওঁ পাঁচগাড়ী কিতাপ পঢ়ি ল'ব লাগে।

আল্‌বানিয়াত প্ৰচলিত যোজনা এটিয়ে কয়— যি পঢ়িব আৰু লিখিব পাৰে তাৰ চকু চাৰিটা। এইদৰে কিতাপ আৰু জ্ঞানৰ সমাদৰ পুৰণি কালৰ পৰা চলি আহিছে।

কিতাপ লাগে জ্ঞানৰ কাৰণে, জ্ঞান দৈনন্দিন জীৱনত আৱশ্যকীয় যেন নালাগিলেও সংসাৰৰ জটিলতা বুজিবলৈ দৰকাৰ, মনৰ শান্তিৰ কাৰণে লাগতিয়াল। জ্ঞান-বিদ্যাৰে চহকী, জীৱনৰ চেপাত পোৱা তিতা-কেঁহাৰে চহকী বহুতো লোকে তেওঁলোকৰ অভিজ্ঞতাবোৰ কিতাপৰ লগত সাঁচি থৈ গৈছে। এইবিলাক কিতাপ মানৱ জাতিৰ উমৈহতীয়া সম্পত্তি; এইবিলাকে যুগ যুগ ধৰি এচামৰ পিছত এচামকৈ পাঠকৰ মন আকৰ্ষণ কৰি আছে। পুৰণি ধৰ্মপুথি, কিছুমান দৰ্শনৰ কিতাপ, আত্মজীৱনী আৰু কেতবোৰ উপন্যাস এই ধৰণৰ ৰচনা। এইবিলাকে পাঠকৰ অন্তৰাত্মাত সঁহাৰি তোলে।

আজিৰ যুগত সৰহ কিতাপ আন ধৰণৰ। বৰ্তমান সভ্যতাৰ বিভিন্ন আভাস এইবিলাকে দিবলৈ চেষ্টা কৰে। পাঠ্যপুথি, আৰু বোৱা-কটা, ৰন্ধা-বঢ়া আদি কেনেকৈ কৰিব লাগে তাৰ সংকেত দিয়া কিতাপৰপৰা সাধাৰণ উপন্যাস আৰু ভ্ৰমণ কাহিনীলৈ আজিৰ দিনত কিতাপৰ অলেখ পো-পোৱালি। এইবিলাকৰ সৰহভাগ সময়ৰ লগে লগে সাময়িক কাম সাধি লোপ পায়, তাৰে কিছুমান বাচে, পিছৰ যুগলৈ, মানৱ জাতিৰ সম্পত্তি হিচাপে।

কিতাপ ওলায়ে আছে, কিতাপ আমি লিখিয়ে আছোঁ। ইয়াৰ আটাইবিলাক পঢ়া সম্ভৱ নহয়, পঢ়িবৰ দৰকাৰো নহয়। এই কাৰণেই ইংৰাজ দাৰ্শনিক বেকনে দিহা দিছিল এইদৰে — "কিছুমান কিতাপৰ



সোৱাদ ল'ব লাগে, আন কিছুমান লাগে গিলিব, আৰু অলপ সংখ্যক লাগে চোবাব আৰু হজম কৰিব।" জৱাহৰলাল নেহৰুৰ নতুন কিতাপ এখন ওলাইছে, বাতৰি কাকতত তাৰ পৰিচয়ো দিয়া হৈছে, কেনে ধৰণৰ পাত লুটিয়াই চাওঁচোন। এয়ে হ'ল কিতাপখনৰ সোৱাদ লোৱা বা কিতাপখন চাকি চোৱা। আজি বতৰ ডাৱৰীয়া, কাম-কাজো বিশেষ নাই, চাওঁ বিছনাত পৰি ডিটেক্‌টিভ উপন্যাস এখনকে পঢ়োঁ। একে পঢ়াই কিতাপখন শেষ হ'ল, কি পঢ়িলোঁ পিছত কোনোবাই সুধিলেও ভালকৈ ক'ব নোৱাৰোঁ, এয়ে কিতাপ একোখন গিলি থোৱা। আবেলি গ'লা পাণবজাৰলৈ, দোকানত দেখিবলৈ পাই হেলেন কেলাৰৰ আত্মজীৱনীখন লৈ আহিলা। কিতাপখন পঢ়িবলৈ লৈ হয়তো এফালৰ পৰা যোৱা নাই, মাজে মাজে জঁপিয়াই গৈছা, কিন্তু হঠাতে চকুত পৰিল— "সাহিত্যই মোৰ নন্দন কানন। ইয়াত মোৰ ভোট নথকা নহয়। কোনো ইন্দ্ৰিয়ৰ হেঙাৰে মোক মোৰ কিতাপ-বন্ধুসকলৰপৰা আঁতৰাই নাৰাখে। এওঁলোকে মোৰ লগতে নিঃসংকোচে সহজভাৱে কথা পাতে।" হেলেন কেলাৰে কেঁচুৱাতে দৃষ্টিশক্তি আৰু শ্ৰৱণশক্তি হেৰুৱাইছে, তেওঁ কলা মানুহৰ কাৰণে বিশেষকৈ সজা কিতাপহে পঢ়িব পাৰে, অথচ এইগৰাকী মহিলায়ে সাহিত্যৰ প্ৰতি এনেধৰণৰ প্ৰীতি প্ৰকাশ কৰিছে। কি বিপৰীত কথা! তুমি খন্তেক ৰ'লা, মন্তব্যখিনিৰ মৰ্ম বুজিবলৈ চেষ্টা কৰিলা। এয়ে কিতাপ চোবাই পাগুলিয়াই হজম কৰা।

আগৰ দিনত বোলে গুৰুগৃহত থাকি ছাত্ৰই জ্ঞান লাভ কৰিছিল; সেই দিনত কিতাপ-পত্ৰৰ অভাৱ থকাত ছাত্ৰই গুৰুৰ মুখৰপৰা যি ওলায় তাৰ ওপৰতে নিৰ্ভৰ কৰিছিল। আজি যন্ত্ৰৰ যুগত গুৰুৰ স্থান সৰহখিনি কিতাপে কাঢ়ি লৈছে। এতিয়া কিতাপেই গুৰু। অৱশ্যে এই গুৰুৰ সন্মান ৰাখিবলৈ হ'লে নিজৰ বুজ-বিবেচনাৰো আপডাল কৰি লোৱা দৰকাৰ।

স্কুল-কলেজত নপঢ়িও ঘৰতে কিতাপৰ সহায়ত জ্ঞান আৰ্জন কৰিব পাৰি। জ্ঞানেই হেনো শক্তি। কথা-বতৰা জানিলে বিবেচনা বাঢ়ে, সাহ বাঢ়ে, বুদ্ধি মুকলি হয়। আমাৰ দেশত আজিকালি বহুতো লোকে লিখা-পঢ়া জানে, পণ্ডিত লোকো কেতবিলাক হৈছে। এশবছৰমান আগেয়ে দেশখনত বিদ্যাৰ অনুশীলন নাছিল, সেই কাৰণে মানুহৰ মন ভীৰুতা আৰু কু-সংস্কাৰে আৱৰি ৰাখিছিল। দেশবাসীৰ এই অজ্ঞান এন্ধাৰ লক্ষ্য কৰি আনন্দৰাম ঢেকিয়াল ফুকনে মন্তব্য কৰিছিল এইদৰে — "হে মোৰ অসমিয়া মিত্র সকল, বিদ্যা জেনেকৈ ইহকালত উপকাৰক আন একো তেনে নহই; কিন্তু যদি সভ্য আৰু সুখি হ'ব খোজা তেন্তে কৃসি আৰু সিল্প কৰমত ইংৰাজৰ দৰে পাৰ্গত হ'বলৈ পুৰুসাৰ্থ কৰা। তোমালোক নিচই অগিয়ান আৰু সেই বিদ্যাৰ ভু নোপোৱা আৰু জানিবলৈকো স্রম নকৰা।..." অৰ্থাৎ বিদ্যা আৰু জ্ঞানেই উন্নতিৰো মূল, কোনো বিষয়ে নাজানিলে জানো সেই বিষয়ত হাত দিব পাৰি?

যিমানেই বিদ্যাৰ অনুশীলন হয়, সিমানেই কিতাপৰ সমাদৰ বাঢ়ে; সিমানেই ৰাইজেও নিজৰ অভাৱ-অভিযোগ বুজি উঠে। ৰাইজ সজ্ঞান আৰু সজীৱ হ'লে ৰাষ্ট্ৰৰ শাসনত কেৰোণ নালাগে, শাসন ৰাইজৰ ওপৰত মহাভাৰ হৈ পৰাৰ ভয় নাথাকে। কিছুমান কিতাপৰ ৰাইজৰ ওপৰত অদ্ভুত প্ৰভাৱ। বিবেকানন্দ, ৰামমোহন ৰায়, গান্ধীজী আদি লোকৰ ৰচনাই আমাৰ জাতীয় জাগৰণ বহুতো বেগী কৰিছে; ইউৰোপত ৰুছো, মাৰ্ক্স আদি চিন্তাবীৰৰ ৰচনাই সমাজ পৰিৱৰ্তনত প্ৰেৰণা যোগাইছে। একো একোখন কিতাপে যি পোহৰ দিয়ে সেই পোহৰত ৰাইজে যেতিয়া নিজৰ পথ বিচাৰি পায়, তেতিয়া শাসনযন্ত্ৰ কঁপি উঠে, কিতাপ পুৰি পেলোৱা হয়, লেখকক শাস্তি দিয়া হয়, চলে বিবিধ অত্যাচাৰ; তথাপি সেই পোহৰৰ বিম্ব লোপ নাপায়, লুকাই নাথাকে, ৰাইজে নিজৰ গন্তব্য



স্থান পায়গৈ। সত্যৰ বিম্ব দাঙি ধৰা এনে কিতাপ ধ্বংস কৰিলে কি হয় সেই কথা লক্ষ্য কৰি স্বাধীনচিতীয়া মিল্‌টনে মন্তব্য কৰিছিল, "সজ কিতাপ এখন ধ্বংস কৰাতকৈ বৰং মানুহ এজনকে হত্যা কৰা; যি মানুহ এজনক হত্যা কৰে সি ভগবানৰ প্ৰতিৰূপ বিবেচনা সম্পন্ন প্ৰাণী এটিকে হত্যা কৰে; কিন্তু যি সজ কিতাপ এখন ধ্বংস কৰে সি বিবেচনাকে (বিচাৰণা, যুক্তি) হত্যা কৰে।"

**কঠিন শব্দৰ অৰ্থ ঃ**

অশ্ৰদ্ধা — শ্ৰদ্ধাহীন, অসন্মান, অভক্তি।
পাগুলিওৱা — জন্তুয়ে খাদ্য পেটৰ পৰা মুখলৈ উলিয়াই চোবোৱা কাৰ্য।
অন্তৰাত্মা — অন্তৰত থকা আত্মা, জীৱাত্মা।
শাসনযন্ত্ৰ — শাসক, শাসকীয়া ব্যৱস্থা।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। ছপাখানা আৰু কাগজ আৱিষ্কাৰ কোন দেশৰ আৱিষ্কাৰ?
২। গুৰুৰ স্থান আজিৰ যুগত কিহে কাঢ়ি লৈছে?
৩। ইংৰাজ দাৰ্শনিক বেকনে কিতাপ অধ্যয়নৰ বিষয়ে কি দিহা দিছিল?
৪। বিদ্যাৰ অনুশীলন নহ'লে কি হয়?
৫। কিতাপ আৰু কিতাপ অধ্যয়নৰ বিষয়ে বিদেশত প্ৰচলিত এটি যোজনা লিখা।

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। হেলেন কেলাৰৰ আত্মজীৱনীত থকা কি কথাই মানুহক কিতাপ অধ্যয়নৰ বাবে অনুপ্ৰাণিত কৰিছিল?

২। আনন্দৰাম ঢেকিয়াল ফুকনে বিদ্যা আৰু জ্ঞান সন্দৰ্ভত অসমীয়া মানুহক কোৱা কথাখিনি বিশ্লেষণ কৰা।

৩। দেশ আৰু জাতিক গ্ৰন্থ অধ্যয়নে কিদৰে উপকৃত কৰে, প্ৰবন্ধটিৰ আধাৰত বিচাৰ কৰা।

৪। সাহিত্যৰ প্ৰতি থকা প্ৰীতিয়ে জীৱনক কেনেদৰে উদ্ভাসিত কৰিব পাৰে, হেলেন কেলাৰৰ আত্মজীৱনীৰ আঁত ধৰি বিচাৰ কৰা।

৫। "…. কিন্তু যি সজ কিতাপ এখন ধ্বংস কৰে সি বিবেচনাকে হত্যা কৰে।"— কথাষাৰ ব্যাখ্যা কৰা।

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। "অনাখৰী চহা লোকেও কিতাপৰ পৰা লাভ কৰিব পৰা জ্ঞানক অশ্ৰদ্ধা নেদেখুৱায়।" পাঠটিৰ সহায়ত আলোচনা কৰা।

২। "কিছুমান কিতাপৰ সোৱাদ ল'ব লাগে, আন কিছুমান লাগে গিলিব, আৰু অলপ সংখ্যক লাগে চোবাব আৰু হজম কৰিব।" কথাখিনিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৩। "হে মোৰ অসমিয়া মিত্ৰ সকল, বিদ্যা জেনেকৈ ইহকালত উপকাৰক আন একো তেনে নহই;" —কথাষাৰৰ যুক্তি-যুক্ততা বিচাৰ কৰা।

৪। "কিছুমান কিতাপে ৰাইজৰ ওপৰত অদ্ভুত প্ৰভাৱ পেলায়।" পাঠটোৰ সহায়ত বুজাই লিখা।



৫। "আজি যন্ত্ৰৰ যুগত গুৰুৰ স্থান সৰহখিনি কিতাপে কাঢ়ি লৈছে। এতিয়া কিতাপেই গুৰু।" কথাখিনি পাঠটিৰ সহায়ত আলোচনা কৰা।

**পাঠবোধ ঃ**

জ্ঞানে মানুহক জীয়াই ৰাখিছে। জীৱনৰ, সংসাৰৰ জটিলতাক বুজিবলৈ মানুহক জ্ঞানৰ প্ৰয়োজন। জ্ঞান কিতাপৰ পাতত সঞ্চিত হৈ থাকে। যুগ যুগ ধৰি মানুহে লাভ কৰা অভিজ্ঞতা, জ্ঞান, সত্যানুসন্ধান সকলো কিতাপৰ পাতত থূপ খাই আছে। সেইবাবেই কিতাপ সকলোৰে শ্ৰদ্ধেয়।

পৃথিৱীত যিমানবোৰ ধৰ্মগ্ৰন্থ, দৰ্শনৰ কিতাপ, আত্মজীৱনী বা অন্যান্য বিষয়ৰ কিতাপ লিখা হৈছে— সকলোতে আছে অভিজ্ঞতা আৰু জীৱনমুখী চিন্তা, যি মানুহক ভবাই তোলে আৰু জীৱন-যাপনৰ সহজ, শুদ্ধ আৰু পৱিত্ৰ পথৰ নিৰ্দেশ দিয়ে। অতীজৰে পৰা আজিলৈকে কিতাপেই মানুহৰ সহৃদয়, শ্ৰেষ্ঠতম বন্ধু। কিতাপ সত্যৰ পোহৰ বিলোৱা কাহানিও নুনুমোৱা এক বন্তি। তাৰ পোহৰত ভাস্বত হৈ উঠে মানুহ, ভাস্বত হৈ থাকে জীৱন। কিতাপে মানুহৰ অন্তৰাত্মা পৱিত্ৰ কৰে। জ্ঞানৰ পৰিসৰ বঢ়ায়। জীৱন-যাপনৰ মান উন্নত কৰে। শাসন কাৰ্য নিয়াৰিকৈ আৰু সত্যৰ আলোকত চলি থকাৰ বাবে কিতাপেই পথৰ সন্ধান দিয়ে। কিতাপ এখন নষ্ট কৰাটো মানুহ হত্যা কৰাতকৈও নিকৃষ্ট কাম।

**ওপৰঞ্চি তথ্য ঃ**

পাঠটি হোমেন বৰগোহাঞিৰ সম্পাদিত 'শ্ৰেষ্ঠ অসমীয়া নিৰ্বাচিত প্ৰবন্ধ' শীৰ্ষক গ্ৰন্থৰ পৰা লোৱা হৈছে। লেখক গোস্বামী, লোক-সংস্কৃতিৰ গৱেষক আৰু অসমৰ বৌদ্ধিক জগতৰ এগৰাকী পুৰোধা ব্যক্তি।

**শিক্ষকৰ প্ৰতি ঃ**

কিতাপ আৰু অধ্যয়ন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বহলাই ক'ব আৰু লগতে এই সম্পৰ্কে অন্য দুই-এজন লেখকৰ কথাও ক'ব।

শিক্ষকে শ্ৰেণী কোঠাত বিভিন্ন বিষয়ৰ বিখ্যাত গ্ৰন্থসমূহ দেখুৱাব পাৰে। কিতাপ বা গ্ৰন্থ অধ্যয়নৰ জৰিয়তে জগত জিনা বিশিষ্ট ব্যক্তিসকলৰ আলোকচিত্ৰ, তেওঁলোকৰ সৃষ্টিৰাজি দেখুৱাব পাৰে। কুইজ, প্ৰশ্নোত্তৰ ইত্যাদিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰিবলৈ যত্নপৰ হ'ব পাৰে।



# গিবন

**হোমেন বৰগোহাঞি**

**পাঠটি নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

এই পাঠটিত বিশ্বৰ এগৰাকী শ্ৰেষ্ঠ ঐতিহাসিকৰ কৰ্ম আৰু সাধনাৰ পৰিচয় দিয়া হৈছে। মানুহৰ জীৱনৰ লেখ, জীৱনৰ দীৰ্ঘত্বৰ ওপৰত নিৰ্ভৰ নকৰে। নিৰ্ভৰ কৰে মানুহৰ কৰ্মৰ ওপৰত। দৰাচলতে কৰ্মইহে মানুহক অমৰত্ব প্ৰদান কৰে। মানুহক অমৰত্ব প্ৰদান কৰা কৰ্ম সাধাৰণ নহয়, অসাধাৰণ। ইয়াৰ বাবে প্ৰয়োজন আত্মবিশ্বাস, অধ্যৱসায় আৰু সাধনাৰ একাগ্ৰতা। এডৱাৰ্ড গিবন নামৰ ব্যক্তিগৰাকীয়ে কেনেকৈ আত্মবিশ্বাস, অধ্যৱসায় আৰু সাধনাৰ মাজেৰে বিশ্বৰ এজন অন্যতম শ্ৰেষ্ঠ ঐতিহাসিকৰূপে খ্যাতি লাভ কৰিলে, তাকে ইয়াত কোৱা হৈছে।

জীৱনত প্ৰকৃত সফলতা লাভৰ মূলমন্ত্ৰ যে অধ্যৱসায় আৰু আত্মবিশ্বাস— এই বিষয়ে এটা ধাৰণা দিয়াৰ উদ্দেশ্যে এই পাঠটি নিৰ্বাচন কৰা হৈছে। পাঠটি সংগ্ৰহ কৰা হৈছে লেখকৰ 'স্বৰ্গ আৰু নৰক' নামৰ গ্ৰন্থখনৰ পৰা।

**লেখক পৰিচিতি ঃ**

হোমেন বৰগোহাঞি (১৯৩২—) বৰ্তমান অসমৰ সাহিত্য আৰু সংবাদ জগতৰ এক বৰেণ্য প্ৰতিভা। অসমীয়া উপন্যাস, চুটিগল্প, কবিতা, ব্যক্তিনিষ্ঠ নিবন্ধৰ লগতে সংবাদ জগতত তেওঁৰ অৰিহণা লেখত ল'বলগীয়া। ছাত্ৰাৱস্থাৰ পৰাই সাহিত্য চৰ্চাত জড়িত হোমেন বৰগোহাঞি বৰ্তমান 'নিয়মীয়া বাৰ্তা' কাকতৰ প্ৰমুখ সম্পাদক। তেওঁৰ

দ্বাৰা ৰচিত উল্লেখযোগ্য পুথি কেইখনমান হ'ল— 'সুবালা', 'পিতাপুত্ৰ', 'হালধীয়া চৰায়ে বাওধান খায়', 'তিমিৰ তীৰ্থ', 'অস্তৰাগ' আদি উপন্যাস; উল্লেখযোগ্য চুটিগল্পৰ পুথি— 'বিভিন্ন কোৰাচ', 'বিভিন্ন নৰক'; আত্মজীৱনীমূলক ৰচনা— 'আত্মানুসন্ধান', 'ধুমুহা আৰু ৰামধেনু' আদি। ইয়াৰ উপৰিও তেওঁ কেবাখনো চিন্তামূলক প্ৰবন্ধ সংকলনৰ ৰচক। তেওঁ 'সাপ্তাহিক নীলাচল', 'নাগৰিক' আৰু 'অসমবাণী' বাতৰি কাকত সম্পাদনা কৰিছিল। ১৯৭৮ চনত 'পিতাপুত্ৰ' উপন্যাসৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে। বৰগোহাঞিয়ে অসম সাহিত্য সভাৰ সভাপতিৰূপে ২০০১-০২ বৰ্ষত কাৰ্যনিৰ্বাহ কৰিছিল।

**মূল পাঠ ঃ**

মাউণ্ট এভাৰেষ্ট পৃথিৱীৰ উচ্চতম গিৰিশৃংগ বুলি জানো, কিন্তু শৃংগটো বগুৰা দূৰৰ কথা— এশ ক্ৰোশ দূৰৰ পৰাও আজিলৈকে শৃংগটো দেখি পোৱা নাই। ঠিক সেইদৰে এডৱাৰ্ড গিবনক পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক বুলি জানো, কিন্তু বিক্ষিপ্ত দুই-এটা উদ্ধৃতিৰ বাহিৰে তেওঁৰ অবিনাশী কীৰ্তিস্তম্ভ 'ডি ডিক্লাইন এণ্ড ফল অব ডি ৰোমান এম্পায়াৰ' নামৰ মহাগ্ৰন্থৰ এটা পৃষ্ঠাও মই আজিলৈকে পঢ়ি পোৱা নাই। (মৰাৰ আগতে পঢ়িম বুলি আশা কৰিছোঁ।) গিবনৰ ৰচনাৰ লগত অকণো পৰিচিত নোহোৱাকৈ মইনো তেন্তে তেওঁৰ বিষয়ে কি লিখিবলৈ ওলাইছোঁ?

দাৰ্শনিক শ্বপেনহাৱাৰে কৈছিল যে পৃথিৱীত এতিয়ালৈকে যিমানবোৰ কিতাপ ৰচিত হৈছে সেইবোৰৰ ভিতৰত মাত্ৰ কেইখনমানহে পঢ়িবৰ যোগ্য। মই শ্বপেনহাৱাৰৰ লগত একমত নহওঁ। কিন্তু যদি ধৰিও লোৱা হয় যে মাত্ৰ কেইখনমান কিতাপহে পঢ়িবৰ যোগ্য, সেইকেইখন কিতাপ পঢ়িবলৈকো মাত্ৰ এটা জীৱনত সময় হয়নে?



এইখিনিতে লৰেঞ্চ ডাৰেলৰ কথা মনত পৰিছে। 'আলেকজেণ্ড্ৰিয়ান কোৱাৰ্টেট' নামৰ উপন্যাসমালাৰ লেখক ডাৰেল। এবাৰ তেওঁ কাৰোবাৰ অনুৰোধত পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ এশখন কিতাপৰ এখন তালিকা প্ৰস্তুত কৰিছিল। তেওঁৰ সেই তালিকাত মিল্টনৰ 'পেৰাডাইজ লষ্টে'ও ঠাই পাইছিল। কিন্তু ডাৰেলে স্বীকাৰ কৰিছে যে তেওঁ 'পেৰাডাইজ লষ্ট' কেতিয়াও পঢ়া নাই!

ময়ো হয়তো গিবনৰ 'ডিক্লাইন এণ্ড ফল' নপঢ়াকৈয়ে কিতাপখন 'এশখন সৰ্বশ্ৰেষ্ঠ কিতাপ'ৰ তালিকাত ঠাই দিব পাৰিলোঁহেঁতেন আৰু তাৰ কাৰণে মোক অকণো দোষে চুব নোৱাৰিলেহেঁতেন। কিন্তু 'এশখন সৰ্বশ্ৰেষ্ঠ কিতাপ'ৰ তালিকা প্ৰস্তুত কৰা মোৰ উদ্দেশ্য নহয় আৰু সেই কাম কৰিবলৈ মোক কোনেও কোৱাও নাই। একোজন মানুহে এনে এখন মহাগ্ৰন্থ কেনেকৈ অকলেই ৰচনা কৰিব পাৰে আৰু সেই অমানুষিক পৰিশ্ৰমৰ বিনিময়ত তেওঁ কি পায়— কেৱল সেই কথা জনাটোৱেই মোৰ উদ্দেশ্য।

প্ৰথমে গিবনৰ জীৱনৰ এটি চমু পৰিচয় দি লোৱাটো বোধহয় ভাল হ'ব। যিজন মানুহ পিছৰ জীৱনত পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ঐতিহাসিক বুলি পৰিচিত হৈছিল আৰু যাৰ অনুপম গদ্যশৈলীয়ে দুশ বছৰ ধৰি অগণিত পাঠকক মন্ত্ৰমুগ্ধ কৰি ৰাখিছে, সেই এডৱাৰ্ড গিবনে (১৭৩৭-১৭৯৪) ছাত্ৰাৱস্থাত কোনো অসাধাৰণ বুদ্ধিমত্তাৰ পৰিচয় দিব পৰা নাছিল। ক'বলৈ গ'লে ছাত্ৰ হিচাপে তেওঁ আছিল অতি সাধাৰণ বিধৰ ল'ৰা। পোন্ধৰ বছৰ বয়সত তেওঁ অক্সফোৰ্ডৰ মেগ্‌ডালেন কলেজত ভৰ্তি হয়। জগদ্বিখ্যাত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ তেতিয়া কিন্তু অতি শোচনীয় অৱস্থা। পঢ়া-শুনা বিশেষ নহয় বুলিয়েই ক'ব পাৰি। কিন্তু অধ্যাপকসকলৰ পৰা বিশেষ সহায় নাপালেও গিবনে নিজে প্ৰচুৰ কিতাপ পঢ়িছিল। ৰোমান সাম্ৰাজ্য যেনেকৈ একেদিনাই গঢ়ি উঠা

নাছিল, ঠিক তেনেকৈ ৰোমান সাম্ৰাজ্যৰ ইতিহাস ৰচনাও জানো সুদীৰ্ঘ প্ৰস্তুতিৰ অবিহনে সম্ভৱ? সি যি কি নহওক, গিবন অক্সফোৰ্ডত থাকোঁতেই এটা ঘটনা ঘটিল। তেওঁ প্ৰটেষ্টাণ্ট ধৰ্মমত ত্যাগ কৰি ৰোমান কেথলিক ধৰ্মমতত দীক্ষিত হ'বলৈ মন মেলিলে। তেওঁৰ মতি গতি দেখি তেওঁৰ অভিভাৱকসকল আতঙ্কিত হৈ তেওঁক কলেজৰপৰা নাম কটাই এৰুৱাই আনিলে আৰু জোৰকৈ ছুইজাৰলেণ্ডৰ লুছান চহৰলৈ পঠাই দিলে। নিশ্চয় সেইটোৱেই আছিল বিধাতাৰো অভিপ্ৰেত, কাৰণ এডৱাৰ্ড গিবনে তেওঁৰ যৌৱনৰ সৰ্বশ্ৰেষ্ঠ বছৰকেইটা লুছানত অতিবাহিত নকৰা হ'লে তেওঁ গিবন হ'লহেঁতেন নে নাই সেই বিষয়ে সন্দেহ আছে।

লুছান যদিও ভৌগোলিকভাৱে ছুইজাৰলেণ্ডৰ অন্তৰ্ভুক্ত কিন্তু চহৰখন আছিল সম্পূৰ্ণভাৱে ফৰাচী প্ৰভাৱাধীন। আৰু ফৰাচী প্ৰভাৱ মানেই তেতিয়া ৰুছো, ভল্‌তেয়ৰ আৰু বিশ্বকোষবাদীসকলৰ প্ৰভাৱ, কাৰণ গিবন গৈ লুছানত উপস্থিত হোৱাৰ সময়ত তেওঁলোক আটায়েই জীৱিত আছিল। সমগ্ৰ ইউৰোপীয় মানস তেতিয়া The Age of Reason-ৰ ভাব-তৰঙ্গৰ দ্বাৰা উদ্বেলিত। কোৱা বাহুল্য মাত্ৰ যে তৰুণ গিবনকো সেই ভাব-তৰঙ্গই গ্ৰাস কৰিলে— যাৰ ফলত ৰোমান কেথলিক হ'ব খোজা মানুহজন পৰিণত হ'ল এজন সংশয়বাদীত। The Age of Reason-ৰ দ্বাৰা গিবন এনেভাৱে প্ৰভাৱিত নোহোৱা হ'লে তেওঁৰ 'ডিক্লাইন এণ্ড ফলে'ও হয়তো সম্পূৰ্ণ অন্য ৰূপ ল'লেহেঁতেন।

গিবন লুছানত থকাৰ সময়ত আৰু এটা ঘটনা ঘটিছিল— যিটোৰ কাৰণে মই তেওঁৰ লগত এক প্ৰকাৰৰ ব্যক্তিগত সম্পৰ্কহে অনুভৱ কৰোঁ। লুছানত থাকোঁতেই গিবন প্ৰেমত পৰিল। তেওঁৰ জীৱনৰ প্ৰথম আৰু একমাত্ৰ প্ৰেম। তেওঁৰ প্ৰেমৰ পাত্ৰীৰ নাম আছিল ছুজান কাৰ্চদ্



নামৰ এগৰাকী ছুইছ গাভৰু। কিন্তু ঘটনাচক্ৰত সেই প্ৰেমে পৰিণতি লাভ কৰিবলৈ সুযোগ নাপালে; কিবা এটা হ'বলৈ পোৱাৰ আগতেই গিবনে দেউতাকৰ নিৰ্দেশত ল'ৰালৰিকৈ লুছান এৰিব লগা হ'ল। ছুজানে বিয়া কৰিলে মঁচিয়ে নেকাৰক। এই নেকাৰেই ষষ্ঠদশ লুইৰ বিত্তমন্ত্ৰী হিচাপে বিপ্লৱপূৰ্ব ফ্ৰান্সৰ ইতিহাসত এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লগা হৈছিল। নেকাৰ আৰু ছুজানৰ একমাত্ৰ কন্যা হ'ল মাডাম দ্য ষ্টেল— ইউৰোপৰ ইতিহাসৰ এটা ঘটনা-বহুল যুগৰ নায়িকাৰূপে খ্যাতা মাডাম দ্য ষ্টেল— যাৰ প্ৰেমিক আছিল বেঞ্জামিন কঁষ্টাট। বেঞ্জামিন কঁষ্টাটে মাডাম দ্য ষ্টেলৰ লগত তেওঁৰ সোতৰ বছৰীয়া সম্পৰ্কক অৱলম্বন কৰি লেখা Adolphe নামৰ আত্মজৈৱনিক উপন্যাসখনক আধুনিক সাহিত্যৰ এটি মাইলৰ খুঁটি বুলি কোৱা হয়। Adolphe-ৰ বিষয়ে এজন বিশিষ্ট সমালোচকে কৰা মন্তব্য স্মৰণ কৰিলেই আধুনিক সাহিত্যত কিতাপখনৰ গুৰুত্ব বুজিব পৰা যায়। উক্ত সমালোচকজনে কৈছে— 'Adolphe enriched the world with a new form of suffering. The interior void, the feeling of life ebbing into sand, which is at the heart of Adolphe, is something new in European literature.'

এই বেঞ্জামিন কঁষ্টাটৰ বিষয়ে মই যোৱা দহ বছৰ ধৰি নানা ৰকমৰ পঢ়া-শুনা কৰি আছোঁ আৰু তেওঁৰ বিষয়ে প্ৰবন্ধ এটা লিখিম বুলিও পাঙি আছোঁ ('লেখকৰ টোকাবহী'ৰ মুখবন্ধ দ্ৰষ্টব্য)। কিন্তু প্ৰবন্ধটো লেখা হৈ উঠা নাই কেইখনমান অতি দৰকাৰী কিতাপ-পত্ৰ মই এতিয়াও বিচাৰি নোপোৱাৰ কাৰণে।

কঁষ্টাটৰ কথা ইমানতে এৰি আকৌ গিবনৰ কথালৈ আহোঁ। সেই সময়ত অভিজাত আৰু শিক্ষিত শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ কাৰণে ইউৰোপ-ভ্ৰমণ আছিল শিক্ষাৰ এটা অপৰিহাৰ্য অংগ। গিবনেও তেওঁৰ শিক্ষা সম্পূৰ্ণ কৰি যথাসময়ত ইউৰোপ ভ্ৰমণৰ পাতনি মেলিলে।

তেওঁৰ জীৱনৰ প্ৰায় আঢ়ৈ বছৰ কাল এই ভ্ৰমণত অতিবাহিত হৈছিল। এনেকৈ ভ্ৰমণ কৰি কৰি ১৭৬৪ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত তেওঁ ৰোমত উপনীত হ'লগৈ। দিনটো আছিল ১৫ অক্টোবৰ। 'শাশ্বত নগৰী'ৰ ঐতিহাসিক স্মৃতিচিহ্নবোৰ চাই চাই পথক্লান্ত গিবনে সন্ধিয়া পৰত অলপ সময় জিৰণি ল'বৰ মনেৰে 'কেপিটল'ৰ খটখটি এছটাত বহি পৰিল। তেওঁ য'ত বহিছিল সেই উচ্চতাৰ পৰা সমগ্ৰ ৰোম নগৰীৰ এটি পেনৰামা দেখা যায়। অস্তমিত সূৰ্যৰ সোণালী পোহৰে প্লাৱিত কৰা ৰোম নগৰীৰ সেই দৃশ্যই গিবনৰ মনত নানা ভাবৰ হেন্দোলনি তুলিবলৈ ধৰিলে। শতাব্দীৰ পিছত শতাব্দীবোৰ তেওঁৰ ধ্যানমগ্ন দৃষ্টিৰ সমুখত উন্মোচিত হ'বলৈ ধৰিলে, যিবোৰ প্ৰাণচঞ্চল অবিস্মৰণীয় শতাব্দীত মানুহে সৃষ্টি কৰিছিল বিশ্ব ইতিহাসৰ সৰ্বপ্ৰথম বৃহৎ সাম্ৰাজ্য, এক অবিনাশী সভ্যতা আৰু এক নতুন বিশ্ব-ধৰ্ম। সেই মুহূৰ্ততে গিবনে ঠিক কৰিলে যে তেওঁ ৰোম নগৰীৰ এখন ইতিহাস লিখিব। ঠিক এনেভাৱেই অংকুৰিত হৈছিল 'ডি ডিক্লাইন এণ্ড ফল অব ডি ৰোমান এম্পায়াৰ' নামৰ মহাগ্ৰন্থৰ বীজ।

গিবনে প্ৰথমে ভাবিছিল যে তেওঁ কেৱল ৰোম নগৰীৰ ইতিহাস লিখিব। কিন্তু সুদীৰ্ঘ সোতৰ বছৰ ধৰি অমানুষিক পৰিশ্ৰম কৰি তেওঁ যেতিয়া ইতিহাস গ্ৰন্থখন লিখি শেষ কৰি উলিয়ালে, তেতিয়া দেখা গ'ল যে আচলতে পৰিণত হ'ল সমগ্ৰ ৰোমান সাম্ৰাজ্যৰ ইতিহাসত। সাতটা খণ্ডত সমাপ্ত এই বিপুলায়তন ইতিহাস গ্ৰন্থই সম্ৰাট এণ্টনিনেছৰ ৰাজত্বকালৰ পৰা আৰম্ভ কৰি তুৰ্কীসকলৰ দ্বাৰা কনষ্টাণ্টিনপলৰ অধিকাৰৰ সময়লৈকে সুদীৰ্ঘ চৌদ্ধটা শতাব্দী সামৰি লৈছে; গিবনৰ যাদুকৰী লেখনিৰ স্পৰ্শত জীৱন্ত হৈ উঠিছে অসংখ্য চৰিত্ৰ আৰু অজস্ৰ যুগান্তকাৰী ঘটনা। ৰোমান সাম্ৰাজ্যৰ অৱক্ষয়ৰ সূচনা, খ্ৰীষ্টিয়ানিটিৰ উত্থান, ইছলামৰ বিজয়-অভিযান, ইউৰোপত জাতীয় ৰাষ্ট্ৰগঠনৰ



আৰম্ভণি আদি পৃথিৱীৰ ইতিহাস তোলপাৰ লগোৱা অজস্ৰ যুগান্তকাৰী ঘটনা ঘটিছিল এই চৌদ্ধটা শতাব্দীত, আৰু গিবনে তেওঁৰ বিৰাট গ্ৰন্থত এই আটাইবোৰ ঘটনাৰ পুংখানুপুংখ বিৱৰণ দিছে; এই মহা নাটকৰ কুশীলবসকলৰ চৰিত্ৰ নিপুণ তুলিকাৰে অংকন কৰিছে; আৰু নিৰ্মোহ দৃষ্টিৰে এই বিৰাট ঘটনা-প্ৰবাহৰ ব্যাখ্যা কৰিছে। 'ডিক্লাইন এণ্ড ফল' প্ৰকাশ হোৱাৰ পিছত প্ৰায় দুটা শতাব্দী অতিক্ৰম হৈ গ'ল; এই দুটা শতাব্দীৰ ভিতৰত কিমান ইতিহাসগ্ৰন্থ লেখা হ'ল আৰু সেইবোৰ ধূলিত বিলীন হৈ গ'ল— কোনে তাৰ খবৰ ৰাখিছে? কিন্তু 'ডিক্লাইন এণ্ড ফল' এতিয়াও বিৰাজ কৰিছে এক অভ্ৰভেদী গ্ৰীক মন্দিৰৰ দৰে।

একোটা জাতিৰ কি ধৰণৰ চাৰিত্ৰিক বৈশিষ্ট্যই সৃষ্টি কৰে গিবনৰ নিচিনা মানুহক?

এইটো মোৰ প্ৰথম প্ৰশ্ন।

মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল ঃ গিবনৰ জীৱনৰ সোতৰটা বছৰৰ, জীৱনৰ সৰ্বশ্ৰেষ্ঠ বছৰবোৰৰ একমাত্ৰ ধ্যান-জ্ঞান আছিল 'ডিক্লাইন এণ্ড ফল'। কিতাপখন যেতিয়া লিখা হ'ল, তেতিয়া গিবনে কেনেকুৱা অনুভৱ কৰিছিল? বাকী জীৱনটো তেওঁ কি লৈ কটাইছিল?

১৭৮৭ চনৰ সাতাইশ জুনৰ দিনা গিবনে তেওঁৰ ফুলনিত বহি ৰাতি এঘাৰ আৰু বাৰ বজাৰ ভিতৰত 'ডিক্লাইন এণ্ড ফল'ৰ সৰ্বশেষ পৃষ্ঠাকেইটা লিখি শেষ কৰি উলিয়ালে। শেষ বাক্যটো লিখি শেষ কৰি তেওঁ কলমডাল থৈ বাগিচাত কিছু সময় খোজ কাঢ়িলে। 'তেতিয়া চাৰিওফালে জুৰ বতাহ বলি আছিল, আকাশখন খুব নিৰ্মল আছিল; ওচৰৰ হ্ৰদটোত জোনাকে তিৰবিৰাই আছিল। সমগ্ৰ পৃথিৱীখনক যেন এক বিৰাট সুপ্তিৰ প্ৰশান্তিয়ে আৱৰি ৰাখিছিল। এক বিপুল আনন্দই গিবনৰ মন ভৰাই তুলিলে— 'স্বাধীনতা ঘূৰাই পোৱাৰ আনন্দ.... লগতে

বোধ হয় যশস্যাৰ ভেটি প্ৰতিষ্ঠা কৰাৰ আনন্দ।’ কিন্তু পিছ মুহূৰ্ততে তেওঁৰ মনলৈ বিষাদৰ ছাঁ নামি আহিল। অতীতৰ বুকুৰেদি তেওঁ নিজে যি দীঘল বাট অতিক্ৰম কৰি আহিল, আৰু সুদূৰ ভৱিষ্যতৰ বুকুলৈ তেওঁৰ গ্ৰন্থখনে যি দীঘল বাট ভ্ৰমণ কৰিব লাগিব— তাৰ তুলনাত বৰ্তমানটো নিতান্তই অৰ্থশূন্য আৰু তেওঁৰ ব্যক্তিগত অস্তিত্ব অতিশয় ভঙ্গুৰ আৰু ক্ষণস্থায়ী বুলি তেওঁৰ অনুভৱ হ’ল। তেওঁ স্বাধীনতা পালে হয়, কিন্তু সুদীৰ্ঘ সোতৰ বছৰ ধৰি যি গ্ৰন্থখনৰ ৰচনা কাৰ্য আছিল তেওঁৰ নিত্য সঙ্গী, যিটো বস্তু আছিল তেওঁৰ নিজতকৈয়ো অধিক বাস্তৱ, সেই বহুদিনীয়া পুৰণি প্ৰিয় বন্ধুক তেওঁ অৱশেষত বিদায় দিব লগা হ’ল চিৰকাললৈ।” (পিটাৰ কুইনেল)।

যিসকল লেখকে সমগ্ৰ জীৱন ধৰি এখন মাত্ৰ মহৎ গ্ৰন্থ ৰচনাৰ সাধনাত ব্ৰতী হৈ থাকে, তেওঁলোকে সেই গ্ৰন্থ-ৰচনাৰ সমাপ্তিৰ পিছত এক বিশেষ ধৰণৰ শূন্যতা অনুভৱ কৰে। গিবনৰ নিচিনা অভিজ্ঞতা হৈছিল বছৱেলৰো— ‘লাইফ অব ডঃ জনছন’ লিখি শেষ কৰাৰ পাছত।

‘ডিক্লাইন এণ্ড ফল’ লিখি শেষ কৰাৰ পিছত গিবন আৰু মাত্ৰ পাঁচ বছৰ জীয়াই আছিল। মৃত্যুৰ প্ৰতি গিবনৰ বিন্দুমাত্ৰ ভয় নাছিল। গাৰুটোত মূৰটো থৈ চকু দুটা আধামুদা কৰি তেওঁ নিৰ্ভয় আৰু প্ৰশান্ত চিত্তে মৃত্যুৰ কাৰণে অপেক্ষা কৰিছিল। অৱশেষত মৃত্যু আহিল ১৭৯৪ চনৰ যোল্ল জানুৱাৰীৰ ৰাতি। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল মাত্ৰ ৫৬ বছৰ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | |
|---|---|
| অবিনাশী | — কেতিয়াও নষ্ট নোহোৱা, শাশ্বত। |
| অমানুষিক | — নিষ্ঠুৰ, পাশৱিক। |
| অভিপ্ৰেত | — মনেৰে ভবা বা ইচ্ছা কৰা, বুজাব খোজা। |
| আত্মজৈৱনিক | — আত্মজীৱনীমূলক। |
| হেন্দোলনি | — পানীৰ খলকনি, দোলন। |



**চমুটোকা ঃ**

**গিবন ঃ** সম্পূৰ্ণ নাম এডৱাৰ্ড গিবন (১৭৩৭-১৭৯৪)। জন্ম ইংলেণ্ডত। ছাত্ৰ অৱস্থাত অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিব নোৱাৰিলেও পৰৱৰ্তী কালত বিশ্বৰ এগৰাকী ঐতিহাসিক আৰু লেখকৰূপে খ্যাতি লাভ কৰা পৰিলক্ষিত হয়। তেওঁৰ অমৰ কীৰ্তি হ’ল ‘‘The History of the Decline and Fall of the Roman Empire’’। শক্তিশালী আৰু ব্যতিক্ৰমী গদ্যশৈলীৰ বাবেও তেওঁ বিখ্যাত।

**শ্বপেনহাৱাৰ ঃ** এগৰাকী বিখ্যাত জাৰ্মান দাৰ্শনিক (১৭৮৮-১৮৬০)। তেওঁৰ নন্দনতাত্ত্বিক, নৈতিক আৰু মনোবৈজ্ঞানিক লিখনিসমূহে ঊনবিংশ আৰু বিংশ শতিকাৰ চিন্তানায়ক আৰু শিল্পীসকলক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল। ‘The World as Will and Representation’ তেওঁৰ বিখ্যাত ৰচনা।

**লৰেঞ্চ ডাৰেল ঃ** লৰেঞ্চ জৰ্জ ডাৰেল (১৯১২-১৯৯০) এগৰাকী প্ৰসিদ্ধ বৃটিছ ঔপন্যাসিক, কবি, নাট্যকাৰ আৰু ভ্ৰমণ কাহিনী লেখক। ‘আলেকজেন্দ্ৰিয়ান কোৱাৰ্টেট’ তেওঁৰ বিখ্যাত উপন্যাস।

**মিল্টন আৰু পেৰাডাইজ লষ্ট ঃ** জন মিল্টন (১৬০৮-১৬৭৪) ইংৰাজী সাহিত্যৰ এগৰাকী প্ৰসিদ্ধ কবি। ‘পেৰাডাইজ লষ্ট’ তেওঁৰ অমৰ মহাকাব্য। অমিত্ৰাক্ষৰ ছন্দত এই মহাকাব্য ৰচিত। মিল্টনৰ গদ্যশৈলীও আকৰ্ষণীয়।

**অক্সফোৰ্ড বিশ্ববিদ্যালয় ঃ** একাদশ শতিকাতে স্থাপন হোৱা ইংলেণ্ডৰ এখন বিখ্যাত বিশ্ববিদ্যালয়। ইউৰোপৰ প্ৰাচীন প্ৰখ্যাত বিশ্ববিদ্যালয়সমূহৰ ভিতৰত এইখনেই সম্ভৱতঃ প্ৰথম। প্ৰাচীন কালৰেপৰা বৰ্তমানলৈ মানৱ সভ্যতাৰ বিকাশত এই বিশ্ববিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

**ৰুছো ঃ** ৰুছো (১৭১২-৭৮) এগৰাকী বিখ্যাত ফৰাছী দাৰ্শনিক আৰু চিন্তাবিদ। তেওঁৰ লেখাসমূহে ফৰাছী বিপ্লৱৰ যোদ্ধাসকলক 'সাম্য-মৈত্ৰী-ভ্ৰাতৃত্ব'ৰ বাণীৰে অগ্ৰসৰ হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল। মানুহে প্ৰকৃতিৰ বুকুলৈ উভতি যাব লাগে বুলি তেওঁ প্ৰকৃতিবাদৰ জয়গান গাইছিল। তেওঁৰ প্ৰখ্যাত গ্ৰন্থখনৰ নাম 'The Social Contract' আৰু আত্মজীৱনীৰ নাম 'Confessions'।

**ভল্‌তেয়াৰ ঃ** অষ্টাদশ শতিকাৰ ফ্ৰান্সৰ বিখ্যাত লেখক-দাৰ্শনিক। তেওঁ মূলতঃ ব্যংগাত্মক ৰচনাৰ বাবে প্ৰসিদ্ধ। সমকালীন ফ্ৰান্সৰ বিভিন্ন দিশৰ ওপৰত তেওঁ আলোকপাত কৰি লিখা ব্যংগাত্মক লেখাসমূহ ফৰাছী সাহিত্যৰ অমূল্য সম্পদ। 'কান্দিদ' তেওঁৰ দ্বাৰা ৰচিত ব্যংগাত্মক উপন্যাস। তেওঁ ফৰাছী বিপ্লৱৰ আদৰ্শৰ অন্যতম অনুপ্ৰেৰণাকাৰী।

**Age of Reason :** টমাছ পেইনৰ দ্বাৰা ৰচিত এখন বিখ্যাত গ্ৰন্থ। অষ্টাদশ শতিকাৰ এই গ্ৰন্থৰ মাজেৰে সমকালীন ইংলেণ্ডৰ ধৰ্মীয় আনুষ্ঠানিকতা আৰু বাইবেলৰ কৰ্তৃত্বক প্ৰত্যাহ্বান জনোৱা হৈছে।

**ৰোম ঃ** প্ৰাচীন ৰোমান সাম্ৰাজ্যৰ ৰাজধানী আৰু এখন ধুনীয়া নগৰ। ৰোমক কেন্দ্ৰ কৰি প্ৰাচীন ৰোমান সভ্যতাৰ উত্থান ঘটিছিল। এই নগৰক পাশ্চাত্য সভ্যতাৰ জন্মভূমি বুলি গণ্য কৰা হয়। বৰ্তমান ই ইটালিৰ ৰাজধানী।

## আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ১)

১। এডৱাৰ্ড গিবন কোন আছিল?

২। এডৱাৰ্ড গিবনে অধ্যয়ন কৰা কলেজখনৰ নাম লিখা।

৩। এডৱাৰ্ড গিবনে ৰচনা কৰা প্ৰখ্যাত গ্ৰন্থ এখনৰ নাম লিখা।

৪। শ্বপেনহাৱাৰ কোন আছিল?



৫। 'আলেকজেন্দ্ৰিয়ান কোৱাৰ্টেট' নামৰ উপন্যাসমালাৰ লেখক কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ মূল্যাক-২ অথবা ৩)।

১। জন মিল্টন কোন শতিকাৰ কবি আছিল? তেওঁ ৰচনা কৰা বিখ্যাত মহাকাব্যখনৰ নাম লিখা।

২। দাৰ্শনিক ৰুছোয়ে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

৩। গিবনৰ সম্পূৰ্ণ নামটো কি আছিল? তেওঁ কোন শতিকাৰ লেখক আছিল?

৪। 'Age of Reason' নামৰ গ্ৰন্থখন কোনে কেতিয়া ৰচনা কৰিছিল?

৫। যৌৱন কালত এডৱাৰ্ড গিবন কোনখন দেশৰ, কোনখন চহৰৰ বাসিন্দা আছিল?

(গ) **দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাক— ৪ অথবা ৫)

১। এডৱাৰ্ড গিবনৰ চমু পৰিচয় দিয়া।

২। এডৱাৰ্ড গিবনে ৰচনা কৰা ৰোমান সাম্ৰাজ্যৰ ইতিহাস বিষয়ক গ্ৰন্থখনৰ চমু পৰিচয় দাঙি ধৰা।

৩। এডৱাৰ্ড গিবনে ক'ত কিদৰে শিক্ষা গ্ৰহণ কৰিছিল, বুজাই লিখা।

৪। চমু টোকা লিখা ঃ (ক) শ্বপেনহাৱাৰ, (খ) ভল্‌তেয়াৰ।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

"যিসকল লেখকে সমগ্ৰ জীৱন ধৰি এখন মাত্ৰ মহৎ গ্ৰন্থ ৰচনাৰ সাধনাত ব্ৰতী হৈ থাকে, তেওঁলোকে সেই গ্ৰন্থ ৰচনাৰ সমাপ্তিৰ পিছত এক বিশেষ ধৰণৰ শূন্যতা অনুভৱ কৰে।"

**পাঠ বোধ ঃ**

পাঠটোৰ লেখক বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিদেৱে এডৱাৰ্ড গিবন নামৰ শ্ৰেষ্ঠ ইতিহাসবিদজনৰ জীৱনৰ মাজেৰে, জীৱনত অৰ্থপূৰ্ণ সৃষ্টি কৰিবলৈ হ'লে যে অধ্যৱসায়, পৰিশ্ৰম আৰু সাধনাৰ প্ৰয়োজন সেই কথাটো ক'ব বিচাৰিছে। গিবনে তেওঁৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্তি 'ডি ডিক্লাইন এণ্ড ফল অব ৰোমান এম্পায়াৰ' নামৰ সাতটা খণ্ডৰ বুৰঞ্জীখন ৰচনা কৰিবলৈ যাওঁতে কেনেধৰণৰ কষ্ট কৰিছিল তাৰ আভাস দিছে। এজন সাধাৰণ ছাত্ৰ হৈও জীৱনৰ পৰৱৰ্তী সময়ত যেতিয়া লুছান চহৰত থাকিবলৈ লয়, তেতিয়াৰপৰাই গিবনৰ জীৱনলৈ পৰিৱৰ্তন আহে। ৰোম চহৰ পৰিদৰ্শন কৰি তেওঁ ৰোমৰ বুৰঞ্জী লিখিব বুলি ভাবি ইমান তথ্য যোগাৰ কৰিলে যে সেইবোৰৰ সহায়ত চৌদ্ধটা শতিকা জুৰি বিৰাজমান ৰোমান সাম্ৰাজ্যৰ বিশাল ইতিহাস ৰচনা কৰিলে। নিজৰ পৰ্যবেক্ষণ শক্তি, অধ্যয়ন আৰু পৰিশ্ৰমৰ জৰিয়তে ৰচনা কৰা এই গ্ৰন্থ বিশ্বসাহিত্যৰ এখন মহৎ গ্ৰন্থৰূপে স্বীকৃত হৈছে। গ্ৰন্থখনত তেওঁ সম্ৰাট এণ্টনিঅ'ৰ ৰাজত্বকালৰ পৰা কনষ্টাণ্টিনপলৰ পতনলৈকে সুদীৰ্ঘ চৈধ্যশ বছৰীয়া কালছোৱাৰ ইতিহাস প্ৰণয়ন কৰিছে। খ্ৰীষ্টান ধৰ্মৰ উত্থান, ইছলামৰ বিজয় অভিযান, ইউৰোপৰ জাতীয় ৰাষ্ট্ৰ গঠনৰ সূচনা, ৰোমান সাম্ৰাজ্যৰ অৱক্ষয়ৰ সূচনা ইত্যাদি বিশ্বৰ যুগান্তকাৰী তথা ন ন সভ্যতাৰ সৃষ্টিকাৰী ঘটনাসমূহৰ জীৱন্ত বৰ্ণনা দাঙি ধৰিছে গ্ৰন্থখনত। এনে এখন গ্ৰন্থৰ লেখক গিবনৰ ব্যক্তিত্বই কিদৰে গঢ় লৈছিল তাৰো বৰ্ণনা আছে প্ৰবন্ধটোত। গিবনৰ দৰে পৰিশ্ৰমী লেখকৰ জীৱন কাল চুটি, কিন্তু তেওঁৰ মহৎ সৃষ্টিবোৰ অমৰ। সুদীৰ্ঘ সোতৰ বছৰ কঠিন শ্ৰম কৰি যেতিয়া তেওঁ গ্ৰন্থখন সমাপ্ত কৰিলে, তাৰ পিছত যেন তেওঁৰ মূৰৰ বোজা নাইকিয়া হ'ল। গতিকে মহৎ কৰ্মৰ বাবে লাগে পৰিশ্ৰম আৰু অধ্যৱসায়ৰ মানসিকতা। গিবনৰ দৰে কষ্ট কৰিব পৰা ব্যক্তি থাকিলেই একোটা মহৎ কাৰ্যই মানৱ সমাজক সমৃদ্ধ কৰিব পাৰে।



**ওপৰঞ্চি তথ্য ঃ**

এডৱাৰ্ড গিবন (Edward Gibbon) আছিল এগৰাকী বৃটিছ নাগৰিক। ইংলণ্ডৰ পুটনি (Putney) নামৰ ঠাইত তেওঁৰ জন্ম হৈছিল। তেওঁ এগৰাকী প্ৰখ্যাত বুৰঞ্জীবিদ আৰু সাংসদ। তেওঁ ১৭৮১ চনৰ পৰা ১৭৮৪ চনলৈ বৃটিছ সংসদৰ সদস্য হিচাপে দায়িত্ব পালন কৰিছিল।

**শিক্ষকৰ প্ৰতি ঃ**

(ক) এডৱাৰ্ড গিবনৰ জীৱন-বৃত্তান্ত ছাত্ৰ-ছাত্ৰীক বুজাই ক'ব।

(খ) গিবনৰ কৰ্মৰাজিৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিব।

# কে'ম্ব্রিজৰ শিক্ষাব্যৱস্থা আৰু শিক্ষানুষ্ঠান

**ড° হীৰেন গোহাঁই**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

সাম্প্ৰতিক কালৰ অসমৰ এগৰাকী আগশাৰীৰ পণ্ডিত-লেখক, বুদ্ধিজীৱী ড° হীৰেন গোহাঁয়ে ১৯৬৫ চনত গৱেষণাৰ উদ্দেশ্যে ইংলেণ্ডস্থিত কে'ম্ব্রিজ বিশ্ববিদ্যালয় (University of Cambridge) লৈ যায়। তীক্ষ্ণ মেধাৰ অধিকাৰী ড° গোহাঁই ইংৰাজী সাহিত্যৰ ছাত্ৰ। প্ৰায় চাৰি বছৰ জন মিল্টনৰ সাহিত্যকৰ্ম সম্পৰ্কে গৱেষণা কৰি তেওঁ সন্মানীয় পি এইচ. ডি. ডিগ্ৰী লাভ কৰি স্বদেশলৈ উভতি আহে। বিলাতত থকা কালত লাভ কৰা অভিজ্ঞতাৰ ভেটিত, পৰৱৰ্তী কালত তেওঁ ৰচনা কৰা 'সপোনৰ দিক্‌চৌ বনত' এখন মনোৰম গ্ৰন্থ। এই গ্ৰন্থখনত সংকলিত 'কে'ম্ব্রিজৰ শিক্ষাব্যৱস্থা আৰু শিক্ষানুষ্ঠান' শীৰ্ষক দীঘলীয়া প্ৰবন্ধটিৰ একাংশ পাঠ হিচাপে নিৰ্বাচন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক পাশ্চাত্যৰ আধুনিক শিক্ষা-ব্যৱস্থা আৰু শিক্ষানুষ্ঠান সম্পৰ্কে কিছু জ্ঞান দিয়াৰ উদ্দেশ্যে পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

স্বাধীনোত্তৰ অসমৰ সাহিত্য জগত আৰু সমাজত এগৰাকী অনন্য সাধাৰণ সমালোচক হিচাপে অগ্ৰণী ভূমিকা পালন কৰা চিন্তাবিদ, শিক্ষাবিদ, সাহিত্যিক, সম্পাদক ড° হীৰেন গোহাঁই (জন্ম ১৯৩৯) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক তথা প্ৰাক্তন কলাগুৰু। তেওঁৰ সৃষ্টিশীল কৰ্মৰ পৰিধি বহুত বহল। এতিয়ালৈকে প্ৰায় তিনি কুৰিখন গ্ৰন্থৰ উপৰিও বিভিন্ন কাকত-আলোচনী আৰু সংকলনত তেওঁৰ বহুতো প্ৰবন্ধ সিঁচৰতি হৈ আছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— সাহিত্য আৰু সমাজ-সমালোচলনামূলক গ্ৰন্থ 'সাহিত্যৰ সত্য', 'সমাজ আৰু সমালোচনা', 'সাহিত্য আৰু চেতনা', 'বিশ্বায়তন', 'বন্দৰৰ কাল', 'কালস্ৰোত আৰু কাণ্ডাৰী', 'কবিতাৰ বিচাৰ আৰু নতুন সমালোচনা', 'কীৰ্ত্তন পুথিৰ ৰস বিচাৰ' আৰু 'অসমৰ জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা'; আত্মকথামূলক গ্ৰন্থ— 'লস্ত লাগিজ', 'বতাহত ক'ৰ গধূলি গোপাল', 'হেঙুল আকাশ, ক'লা চাইকেল আৰু এজন আৰোহী', 'সপোনৰ দিক্‌চৌ বনত', 'ইমান তিতা সাগৰৰ পানী' আৰু 'উৰণীয়া হাঁহৰ মাত'। 'অসমৰ জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা' নামৰ গ্ৰন্থখনৰ বাবে তেওঁ সাহিত্য অকাদেমি বঁটা লাভ কৰে (১৯৮৯)। ছাত্ৰ হিচাপে হীৰেন গোহাঁই আছিল অতি মেধাৱী। তেওঁ গুৱাহাটীৰ কটন কলেজৰ পৰা সুখ্যাতিৰে আই. এ. পাছ কৰাৰ পাছত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা ইংৰাজী বিষয়ত সুনাম সহকাৰে বি. এ. পাছ কৰে। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ কিছুদিন নতুন দিল্লীৰ কিৰোৰি মল কলেজত শিক্ষকতা কৰে আৰু পাছত গৱেষণাৰ উদ্দেশ্যে বিলাতলৈ যায়। ইংলণ্ডৰ প্ৰখ্যাত কে'ম্ব্রিজ বিশ্ববিদ্যালয়ৰ পৰা তেওঁ সন্মানীয় পি এইচ. ডি. ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণা গ্ৰন্থখনৰ নাম হ'ল 'Tradition and Paradise Lost'।



**মূল পাঠ ঃ**

অক্সফোৰ্ড আৰু কে'ম্ব্রিজৰ দৰে বিশ্ববিদ্যালয় য়ুৰোপৰ এক স্বকীয় আৰু অনন্য পৰম্পৰাগত অনুষ্ঠান। পৰৱৰ্তী কালত ৰজাঘৰীয়া অথবা

চৰকাৰী অনুদানেৰে উচ্চশিক্ষাৰ বিস্তাৰৰ বাবে পতা অনুষ্ঠানতকৈ তাৰ গতি-গোত্ৰ বেলেগ।

প্ৰচলিত ধাৰণা এনেকুৱা যে মধ্যযুগৰ য়ুৰোপ কু-সংস্কাৰত ডুব গৈ আছিল, আৰু চৈধ্য-পোন্ধৰ শতিকাত ইটালিৰ পৰা বিয়পি পৰা নৱযুগে সেই অমানিশাৰ মোহনিদ্ৰাৰ পৰা য়ুৰোপক মুক্তি দিলে। অথচ য়ুৰোপৰ কেইবাখনো প্ৰসিদ্ধ প্ৰাচীন বিশ্ববিদ্যালয় (পাৰি বা পেৰিছ, হাইডে'লবাৰ্গ, অক্সফোৰ্ড, কে'ম্ব্ৰিজ্ (কিছু পলমকৈ), বলোনা, প্ৰাহা ইত্যাদি) মধ্যযুগতে দ্বাদশ বা ত্ৰয়োদশ শতিকাতে স্থাপিত হৈছিল। তাত অতি মেধাৱী আৰু অধ্যয়নপুষ্ট পণ্ডিতে বিদ্যা-চৰ্চা আৰু শিক্ষাদান কৰিছিল। শিক্ষাৰ মাধ্যম লাতিন হোৱা বাবে বিভিন্ন দেশৰ পণ্ডিতে সেইবোৰত অধ্যয়ন-অধ্যাপনা কৰি ঘূৰি ফুৰিছিল। জিজ্ঞাসু আৰু অধ্যয়নপিপাসু ছাত্ৰবিলাকেও তেওঁলোকৰ আগ্ৰহ আৰু ইচ্ছানুযায়ী সেইবোৰ বিশ্ববিদ্যালয়ত পঢ়া-শুনা কৰিছিল। টমাছ আকুৱাইনাছ, পিয়েৰ আবে'লাৰ, ৰজাৰ বেইক্‌ন্, এলবেৰ্টাছ মেগ্নাছ, উইলিয়াম অব অকে'ম, জন ডান্স স্কটাছ আদি বহু পণ্ডিতে বিদ্যা-চৰ্চাৰ নতুন দিগন্ত উন্মোচন কৰাৰ উপৰি সাধনাত চমকপ্ৰদ সিদ্ধিলাভ কৰিছিল। তৰ্কশাস্ত্ৰ, দৰ্শন, ব্যাকৰণ, লাতিন সাহিত্য, গণিত আদি বিষয়ৰ চৰ্চাত বিশেষ সূক্ষ্মতা আৰু অগাধ পাণ্ডিত্য প্ৰদৰ্শন কৰিছিল সেই মনীষীসকলে। কলন, ৰিম, নট্‌ৰ্‌ডাম প্ৰমুখ্যে গথিক স্থাপত্য আৰু ৰঙীণ কাঁচত অঁকা ছবিৰে সুশোভিত বিশাল, সুউচ্চ কেথিড্ৰেল বা প্ৰধান গিৰ্জাবোৰত সেই যুগৰ কলা আৰু প্ৰযুক্তিবিদ্যা পৰিস্ফুট হৈছিল। বিশ্ববিদ্যালয়বোৰো আছিল তেনেধৰণৰ সাংস্কৃতিক জাগৰণৰে নিদৰ্শন। প্ৰথমতে বিশ্ববিদ্যালয়বোৰক 'স্কুল' বোলা হৈছিল আৰু পণ্ডিতসকলক 'স্কলাৰ' বোলা হৈছিল। পৰৱৰ্তী কালত ইংলেণ্ডত 'কলেজ' শব্দটো বেছি জনপ্ৰিয় হয়। প্ৰাচীন 'ইউনিভাৰ্ছিটি' আছিল কেবাখনো কলেজৰ এটা থূল, য'ত প্ৰতিখন কলেজৰ স্বতন্ত্ৰতা বাচি থাকে। এইবোৰ স্বশাসিত



স্বতন্ত্ৰ প্ৰতিষ্ঠান। প্ৰতিখন কলেজে নিজেই বাছ-বিচাৰ কৰি সদস্য (Fellow) নিৰ্বাচন কৰে আৰু এনেকৈ যুগ যুগ ধৰি কলেজৰ স্বতন্ত্ৰ শাসন চলি থাকে। মেধাৰ ভিত্তিত ছাত্ৰ গ্ৰহণ কৰা হয়। ছাত্ৰবিলাকে কলেজত থকা সময়ত পোছাকৰ ওপৰত বাদুলীৰ দৰে আঁঠুলৈ পৰা গাউন পৰিধান কৰা সৌ সিদিনালৈকে বাধ্যতামূলক আছিল আৰু ফে'লোসকলে সৰু গাঁঠিলৈ পৰা গাউন বা হলৌচোলা পিন্ধা নিয়ম আছিল।

কলেজবোৰ পণ্ডিতসকলে নিজা উদ্যোগত প্ৰতিষ্ঠা কৰিছিল। তেওঁলোক চাৰ্চৰ বা খ্ৰীষ্টিয় ধৰ্মমণ্ডলীৰ অন্তৰ্ভুক্ত আছিল আৰু বিদ্যা-চৰ্চাৰ বাবে চাৰ্চৰ অন্যান্য কামৰ পৰা তেওঁলোকক ভালেখিনি অব্যাহতি দিয়া হৈছিল। চাৰ্চৰ দান-দক্ষিণাৰ উপৰি কোনো ধনী ব্যক্তি বা ব্যৱসায়ী সংঘ (Guild)ৰ পৰা অৰ্থ-সাহায্য পাইছিল আৰু পণ্ডিতসকলে বিশ্ববিদ্যালয় চলাবৰ বাবে প্ৰচুৰ ভূসম্পত্তি সংগ্ৰহ কৰিছিল। অৰ্থাৎ ধৰ্ম-চৰ্চাৰ বাবেই বিদ্যা-চৰ্চাৰ প্ৰয়োজন বুলি এসময়ত কেথলিক চাৰ্চে উপলব্ধি কৰিছিল। (তাহানিৰ ভাৰতীয় বিশ্ববিদ্যালয় বৌদ্ধ বিহাৰবোৰৰো প্ৰচুৰ ভূসম্পত্তি আছিল আৰু তাত ভূমিদাসৰ লেখীয়া কৃষকৰ উৎপাদনৰ পৰা চান কাঢ়ি বিহাৰ চলোৱা হৈছিল)। কলেজৰ ফে'লোসকলে এজন অধ্যক্ষ (Master) নিৰ্বাচন কৰিছিল আৰু যুটীয়াভাৱে নিয়াৰিকৈ কলেজৰ প্ৰশাসনৰ দায়িত্ব লৈছিল। মাষ্টাৰজন বাহিৰৰ খ্যাতনামা পণ্ডিতো হ'ব পাৰে। বিশ্ববিদ্যালয়ো আছিল বিভিন্ন কলেজৰ স্বেচ্ছামূলক যৌথ সংগঠন। মই পঢ়া সময়লৈকে বিশ্ববিদ্যালয়ৰ সুকীয়া অস্তিত্বৰ তেনে চকুত পৰা নিদৰ্শনেই নাছিল। উপাচাৰ্য কোন, তাক লৈ কোনেও মূৰ ঘমোৱা নাছিল। ৰাজশক্তি ক্ৰমে প্ৰবল আৰু কেন্দ্ৰীভূত হৈ উঠাৰ পিছতো বিশ্ববিদ্যালয়ে ৰজাঘৰৰ পৰা নিজা স্বতন্ত্ৰ অধিকাৰৰ বাবে চাৰ্টাৰ বা ৰাজপত্ৰ লাভ কৰিছিল, য'ত ৰজাই বিশ্ববিদ্যালয়ৰ অধিকাৰ আৰু আভ্যন্তৰীণ প্ৰশাসনত হস্তক্ষেপ নকৰাৰ প্ৰতিশ্ৰুতি দিছিল। কোৱা বাহুল্য যে এনেদৰে

নির্ভয়ে স্বাধীন চিন্তাৰ অনুশীলন আৰু অনুসৰণ কৰাৰ অৱকাশ পাইছিল পণ্ডিতসকলে। ক্লাছত ছাত্ৰৰ উপস্থিতি বাধ্যতামূলক নাছিল, কিন্তু প্ৰতিজন বিখ্যাত পণ্ডিতে মেধা আৰু পাণ্ডিত্যৰে অজস্ৰ ছাত্ৰক বিভিন্ন যুৰোপীয় দেশৰ পৰা আকৰ্ষণ কৰিব পাৰিছিল। ব্যৱস্থাটোৱে কিছু পৰিমাণে অসমৰ সত্ৰব্যৱস্থাৰ কথা মনত পেলায়। কিন্তু মূলতে যিয়েই নাথাকক, শেহান্তৰত সত্ৰৰ বিকাশ অনুৰূপ নহ'ল।

এইখিনিতে এটা কথা উনুকিওৱা ভাল হ'ব। পৰৱৰ্তী কালত যুৰোপীয় পণ্ডিতসকলে প্ৰাচ্য আৰু পাশ্চাত্যৰ সভ্যতাৰ মাজত কঠোৰ সীমা নির্ধাৰণ কৰিলেও যুৰোপৰ বিশ্ববিদ্যালয়বোৰত মেধা-চৰ্চাৰ অনুপ্ৰেৰণা আহিছিল কিন্তু আৰব জগতৰ আৰ্হি আৰু প্ৰেৰণাৰ পৰা। খ্ৰীষ্টানৰ পৱিত্ৰস্থান জে'ৰুছালেম উদ্ধাৰৰ বাবে এসময়ত কেথলিক ধৰ্মমণ্ডলীৰ প্ৰধান পোপৰ উদ্গনিত বহু দশক জুৰি যি ক্ৰুছে'ড বা ধৰ্মযুদ্ধ চলিছিল, তাৰ জৰিয়তে যুৰোপীয়সকলে আৰবসকলৰ সান্নিধ্যত এক উন্নত সভ্যতাৰ সংস্পৰ্শলৈ আহিছিল। আৰব পণ্ডিতসকলে আকৌ গ্ৰীক-ৰোমান সভ্যতাৰ পৰা মূলধন আহৰণ কৰি গণিত, তৰ্কশাস্ত্ৰ, ঈশ্বৰতত্ত্ব, দৰ্শন, চিকিৎসাবিদ্যা আদিত নতুন নতুন অৱদান দি মানৱীয় জ্ঞানৰ ভঁৰাল চহকী কৰিছিল। (আৰবী গ্ৰন্থত প্লেটোৰ নাম 'আফ্লাতুন্' আৰু আৰিস্ততলৰ নাম 'আৰিস্তু'! সেই আৰব পণ্ডিতসকলৰ মাজত ইবন্ ৰুশ্‌দ্ (যুৰোপীয় পণ্ডিতৰ মাজত আৱে'ৰ্‌ৰুছ— Averroes নামে প্ৰসিদ্ধ।) ইবন্ চিনা (Avicenna বা আৱিচেন্না) আদি অনেকে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল যুৰোপীয় বিশ্ববিদ্যালয়বোৰত। বিশেষকৈ যুৰোপীয় মনীষাৰ ওপৰত প্ৰায় এক শতাব্দী কাল আৱে'ৰ্‌ৰছে একচ্ছত্ৰী প্ৰভাৱ বিস্তাৰ কৰাৰ পিছত ছে'ণ্ট্ টমাছ আকোৱাইনাছে 'ছুম্মা থিয়'লজিকা' (Summa Theologica) নামৰ গ্ৰন্থৰে আৱে'ৰ্‌ৰুছৰ প্ৰখৰ যুক্তিজাল খণ্ডন কৰি পৰম্পৰাগত খ্ৰীষ্টীয় ধৰ্মবিশ্বাস পুনৰ আৰিস্ত'তেলীয় ভিত্তিত দৃঢ়ভাৱে



প্ৰতিষ্ঠা কৰিছিল। অৰ্থাৎ দেশ-বিদেশৰ মাজত জ্ঞান আৰু বিদ্যাৰ সহজ আৰু অব্যাহত যোগাযোগ আৰু বিনিময়েহে মানৱীয় জ্ঞান-বিজ্ঞানৰ উন্নতি সাধন কৰে। জ্ঞানক যেতিয়া কেৱল সম্পত্তিৰ ৰূপত চোৱা হয়, তেতিয়া আৰু সেইটো সম্ভৱ নহয়।

সি যি নহওক, পুনৰ বিষয়লৈ উভতি যোৱা হওক। কে'ম্ব্রিজ বিশ্ববিদ্যালয় কেম্ নদীৰ পাৰৰ একত্ৰিছখন কলেজৰ সমষ্টি। তাৰ ভিতৰত ত্ৰিনিটি, ক্ৰাইষ্ট চাৰ্চ, যীছাছ, কিংছ আদি কলেজৰ নাম বেছিকৈ শুনা গ'লেও মই পঢ়া গন্‌বিল্ এণ্ড কীইজ্ (Gonville And Caius) কলেজখন বিশ্ববিদ্যালয়ৰ চতুৰ্থ প্ৰাচীনতম (১৩৪৮ চনত প্ৰতিষ্ঠিত) আৰু তৃতীয় বৃহত্তম কলেজ। ড° কীইজ্ নামৰ এজন বৈদ্যই প্ৰতিষ্ঠা কৰিছিল। কে'ম্ব্রিজত নামভৰ্তি কৰিবলৈ হ'লে প্ৰথমতে কলেজত নামভৰ্তি কৰিব লাগিব। বেলেগে বিশ্ববিদ্যালয়ত যোগ দিয়াৰ সকাম নাই। অৱশ্যে পি এইচ্ ডি ডিগ্ৰীৰ বাবে গৱেষণা কৰাসকলে নিয়মানুযায়ী বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিব লাগিব।

কে'ম্ব্রিজত প্ৰথমৰে পৰা কঢ়া অনুশাসনৰ মাজতো ছাত্ৰৰ আত্মমৰ্যাদা আৰু অধিকাৰ-সচেতনতা পোষণ কৰা হয়। প্ৰতিজন ছাত্ৰ থকা কুঠৰীৰ সমুখত তেওঁৰ নাম নামফলকত লগাই দিয়া হয়। অৱশ্যে Mr. (মিষ্টাৰ) শব্দটো কেৱল প্ৰবক্তা তথা ফে'লোসকলৰ নামফলকতহে থাকে। কলেজৰ ক'ৰ্ট বা ভিতৰুৱা চোতালবোৰত থকা ঘাঁহনিৰ (লন) ওপৰেদি খোজকঢ়াৰ অধিকাৰো ছাত্ৰৰ নাথাকে। কিছুমান স্বাধীনতাপ্ৰিয় ছাত্ৰই মনৰ ক্ষোভ শাম কটাবলৈ সকলো নিহপালী দিয়াৰ সময়ত মনৰ সুখেৰে ঘাঁহনিত খোজ কাঢ়ে। তাতো পৰ্টাৰবিলাকৰ চকুত পৰাৰ ভয়।

পাঠদানৰ ব্যৱস্থাও সুকীয়া। কলেজৰ পৰা লে'কচাৰ শুনিবলৈ যাব লাগে বিশ্ববিদ্যালয়ৰ সুকীয়া কক্ষলৈ। প্ৰতিজন প্ৰবক্তাই এনেদৰে পাঠদান কৰে যাতে ছাত্ৰ-ছাত্ৰীক বিষয়ৰ লগত পৰিচয় কৰি দিয়াৰ উপৰি তেওঁ সেইবোৰ বক্তৃতাৰ ভিত্তিত শেষত এখন কিতাপ লিখিব পাৰে। অৰ্থাৎ

বক্তৃতাবোৰত যথেষ্ট মৌলিক বিশ্লেষণ, ব্যাখ্যা আৰু অভিমত থাকিব লাগিব। অৱশ্যে এতিয়াৰ প্ৰবল ব্যৱসায়ধৰ্মী প্ৰতিযোগিতা আৰু দুৰ্দান্ত নকলবাজিৰ দিনত সেই মৌলিকতাৰ সন্মান কেনেকৈ ৰক্ষা কৰা হয়, কেনেকৈ শ্ৰেণীকক্ষত কোৱা কথাবোৰ 'নকলবিদ'সকলৰ প্ৰখৰ দৃষ্টিৰ পৰা ৰক্ষা কৰা হয়, মই ক'ব নোৱাৰিম! পাঠদানত উপস্থিতি বাধ্যতামূলক নহয়। কিন্তু বেছিভাগ ছাত্ৰৰে আগ্ৰহ আৰু প্ৰবক্তাসকলৰ বিদ্যা তথা মেধাৰ আকৰ্ষণ মিলি শ্ৰেণীকক্ষ পৰিপূৰ্ণ কৰাত একো অসুবিধা নহয়। অৱশ্যে কোনো কোনো অত্যন্ত ধীমান আৰু অধ্যয়নপুষ্ট পণ্ডিতৰ বক্তৃতাও এনে নীৰস আৰু 'শুষ্কং কাষ্ঠং' জাতীয়, আৰু শ্ৰোতাৰ মনোযোগ আকৰ্ষণ কৰাত বিফল হয় যে উপস্থিতি নামমাত্ৰ হৈ পৰে। তেনে উদাহৰণ বেছি নহয়। কিন্তু উঠি অহা মেধাৱী ছাত্ৰয়ো কেতিয়াবা প্ৰকৃত মৌলিকতা বা অন্তৰ্দৃষ্টিৰ মূল্য দিব নোৱাৰে। এবাৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে উলিওৱা সাপ্তাহিক 'ৱাৰ্ছিতি' (Varsity)ত বিদগ্ধ অধ্যাপক এল চি নাইৎছক এনে এক ছাত্ৰই বক্তৃতা দিবৰ সময়ত বেমাৰী মুৰ্গী পোৱালিয়ে মাজে মাজে পাখি জোকৰাৰ দৰে গাউনৰ মাজেদি দীঘল হাতেৰে অংগী-ভংগী কৰি বিসদৃশ পৰিস্থিতিৰ সৃষ্টি কৰা বুলি অভিযোগ কৰিছিল। এনেবোৰ ক্লাছত ছাত্ৰৰ বাহিৰেও গৱেষক, উৎসুক বহিৰাগত, আনকি আন প্ৰবক্তা তথা অধ্যাপকো উপস্থিত থাকিছিল। মই নিজেও গৱেষক ছাত্ৰ হৈও মধুলোভী মৌমাখিৰ দৰে কিছুমান ক্লাছৰ সোৱাদ লৈছিলোঁ।

কেতিয়াবা বিশ্ববিদ্যালয়ৰ বাহিৰৰ পৰা নিমন্ত্ৰিত পণ্ডিত তথা অনৰেৰী (অস্থায়ী) ফে'লোৱেও এটা বা দুটা টাৰ্ম ক্লাছ লৈছিল। মোৰ মনত আছে আজিৰ বিখ্যাত মাৰ্কিন পণ্ডিত জৰ্জ্ ষ্টাইনাৰ তেতিয়া অপেক্ষাকৃত কম বয়সীয়া মানুহ, চল্লিছৰ ডেওনা চেৰাই গৈছিল মাত্ৰ। কে'স্ব্রিজত বক্তৃতা দিবলৈ নিমন্ত্ৰণ পাই তেওঁ অতি উৎসাহিত হৈছিল আৰু তেওঁৰ সেই উৎসাহ বক্তৃতাৰ ভাষা আৰু বক্তাৰ কণ্ঠত ফুটি ওলাইছিল।



**কঠিন শব্দৰ অৰ্থ ঃ**

লাতিন — Latin, ইউৰোপৰ এটা চহকী ভাষা।
কলন — Column, এখন চহৰৰ নাম।
ৰিম — Rheims, জাৰ্মানীৰ এখন চহৰ।
নট্ৰ্ডাম — Notre Dame, এটা গীৰ্জা।
গথিক স্থাপত্য — Gothic Architecture, এবিধ স্থাপত্য কলা শৈলী। মধ্যযুগৰ ইউৰোপত ইয়াৰ বিকাশ হৈছিল। গিৰ্জাবোৰৰ স্থাপত্যত এইবিধ শৈলী দেখা গৈছিল।
চাৰ্চ — Church, গিৰ্জা।
কুঠৰী — সৰু কোঠা।
নিহপালী — গভীৰ টোপনি।
পৰ্টাৰ — Porter, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত থকা এক শ্ৰেণীৰ কৰ্মচাৰী, নিৰাপত্তাৰক্ষী।
স্কলাৰ — Scholar, পাণ্ডিত্যৰ অধিকাৰী ছাত্ৰ বা শিক্ষক।
ধীমান — বুদ্ধিমান।
শুষ্কং কাষ্ঠং — শুকান বা নিৰস কাঠ।
ৱাৰ্ছিতি — Varsity, University শব্দৰ সংক্ষিপ্ত ৰূপ, কে'স্ব্রিজ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰা প্ৰাচীনতম সাপ্তাহিক পত্ৰিকা।
টাৰ্ম — Term, সীমিত কাল, কোনো কামৰ বাবে নিৰূপিত সময়।

**টোকা ঃ**

টমাছ আকুৱাইনাছ ঃ Saint Thomas Aquinas, মধ্যযুগৰ ইউৰোপীয় (ইটালীৰ) এগৰাকী প্ৰখ্যাত দাৰ্শনিক।

পিয়েৰ আবে'লাৰ ঃ মধ্যযুগৰ পাশ্চাত্যৰ এগৰাকী প্ৰখ্যাত দাৰ্শনিক, পণ্ডিত, কবি।

ৰজাৰ বেইক্‌ন্ ঃ ত্ৰয়োদশ শতিকাৰ ইংলণ্ডৰ এগৰাকী প্ৰখ্যাত দাৰ্শনিক।

এলবেৰ্টাছ মেগ্নাছ ঃ মধ্যযুগৰ পাশ্চাত্যৰ এগৰাকী দাৰ্শনিক, পণ্ডিত।

উইলিয়াম অব অকে'ম ঃ ত্ৰয়োদশ শতিকাৰ ইংলণ্ডৰ প্ৰখ্যাত দাৰ্শনিক।

জন ডান্স স্কটাছ ঃ ত্ৰয়োদশ শতিকাৰ স্কটলেণ্ডৰ এগৰাকী প্ৰখ্যাত দাৰ্শনিক।

## আৰ্হি প্ৰশ্ন

(ক) **অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ১)

১। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় কোনখন নদীৰ উপত্যকাত অৱস্থিত?

২। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ অধীনত কেইখন কলেজ আছে?

৩। ড° হীৰেন গোহাঁয়ে অধ্যয়ন কৰা কে'ম্ব্ৰিজৰ কলেজখনৰ নাম লিখা।

৪। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয় কোনে প্ৰতিষ্ঠা কৰিছিল?

৫। জৰ্জ্ ষ্টাইনাৰ কোন?

(খ) **চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ২ অথবা ৩)

১। ইউৰোপত মধ্যযুগত স্থাপন হোৱা চাৰিখন বিশ্ববিদ্যালয়ৰ নাম লিখা।

২। টমাছ আকুৱাইনাছ আৰু পিয়েৰ আবে'লাৰ কোন আছিল।

৩। গথিক স্থাপত্য বুলিলে কি বুজা?



৪। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ কলেজবোৰৰ অধ্যক্ষসকলক কিদৰে নিৰ্বাচন কৰা হৈছিল?

৫। আৰবী গ্ৰন্থত প্লেটো আৰু আৰিস্ততলক কি কি নামেৰে জনা যায়?

(গ) **দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক —৪ অথবা ৫)

১। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ কলেজবোৰ কোনে কিদৰে প্ৰতিষ্ঠা আৰু পৰিচালনা কৰে বুজাই লিখা।

২। 'য়ুৰোপৰ বিশ্ববিদ্যালয়বোৰত মেধা-চৰ্চাৰ অনুপ্ৰেৰণা আহিছিল কিন্তু আৰব জগতৰ আৰ্হি আৰু প্ৰেৰণাৰ পৰা।' —কথাষাৰ বুজাই লিখা।

৩। কে'ম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পাঠদান-কাৰ্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৪। ড° হীৰেন গোহাঁইৰ সাহিত্য প্ৰতিভা সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

"দেশ-বিদেশৰ মাজত জ্ঞান আৰু বিদ্যাৰ সহজ আৰু অব্যাহত যোগাযোগ আৰু বিনিময়েহে মানৱীয় জ্ঞান-বিজ্ঞানৰ উন্নতি সাধন কৰে। জ্ঞানক যেতিয়া কেৱল সম্পত্তিৰ ৰূপত চোৱা হয়, তেতিয়া আৰু সেইটো সম্ভৱ নহয়।"

**পাঠবোধ ঃ**

সমাজত প্ৰচলিত এটা ধাৰণা হ'ল যে মধ্যযুগৰ য়ুৰোপ নানা কুসংস্কাৰত ডুব গৈ আছিল। চৈধ্য-পোন্ধৰ শতিকাৰ ইটালিৰ পৰা বিয়পি পৰা নৱযুগে সেই কলংকৰ পৰা য়ুৰোপক মুক্তি দিলে। অৱশ্যে দ্বাদশ-ত্ৰয়োদশ শতিকাতে য়ুৰোপ মহাদেশত কেবাখনো প্ৰসিদ্ধ বিশ্ববিদ্যালয়,

যেনে- পেৰিছ, হাইডে’লবাৰ্গ, অক্সফোৰ্ড, কে’ম্ব্ৰিজ আদি বিশ্ববিদ্যালয় স্থাপন হৈছিল। এই বিশ্ববিদ্যালয়বোৰত অনেক মেধাৱী আৰু অধ্যয়নপুষ্ট পণ্ডিতে অধ্যয়ন আৰু অধ্যাপনা কৰিছিল। তেনে কেইগৰাকীমান পণ্ডিত হ’ল টমাছ আকুৱাইনাছ, পিয়েৰ আবে’লাৰ, ৰজাৰ বেইক্‌ন, এবের্টাছ মেগ্নাছ, উইলিয়াম অব অকে’ম আৰু জন ডান্স স্কটাছ। তেওঁলোকে য়ুৰোপৰ বিশ্ববিদ্যালয়বোৰত তৰ্কশাস্ত্ৰ, দৰ্শন, ব্যাকৰণ, লাতিন সাহিত্য, গণিত আদি বিষয়ৰ চৰ্চা আৰু অধ্যাপনা কৰিছিল। সেই সময়ৰ ইংলেণ্ডৰ গিৰ্জাবোৰৰ স্থাপত্যত পৰিস্ফুট হৈছিল গথিক (Gothic) স্থাপত্য শৈলী। বিশ্ববিদ্যালয়বোৰ আছিল তেনেধৰণৰ সাংস্কৃতিক জাগৰণৰ নিদৰ্শন। প্ৰথমতে বিশ্ববিদ্যালয়বোৰক ‘স্কুল’ আৰু পণ্ডিতসকলক ‘স্কলাৰ’ বোলা হৈছিল। পৰৱৰ্তী কালত ‘কলেজ’ শব্দটি জনপ্ৰিয় হয়। সেই বিশ্ববিদ্যালয়বোৰ আছিল কেবাখনো কলেজৰ একোটা থূল, য’ত প্ৰতিখন কলেজৰ স্বতন্ত্ৰতা ৰক্ষিত হৈছিল। প্ৰতিখন কলেজে নিজেই বাছ-বিচাৰ কৰি সদস্য (Fellow) নিৰ্বাচন কৰে। মেধাৰ ভিত্তিত ছাত্ৰক নামভৰ্তি কৰোৱা হয়।

কলেজবোৰ পণ্ডিতসকলে নিজা উদ্যোগত প্ৰতিষ্ঠা কৰিছিল। তেওঁলোক গিৰ্জা বা খৃষ্টীয় ধৰ্মমণ্ডলীৰ অন্তৰ্ভুক্ত আছিল। অৱশ্যে বিদ্যা চৰ্চাৰ বাবে তেওঁলোকক ধৰ্ম চৰ্চাৰ পৰা বহুখিনি ৰেহাই দিয়া হৈছিল। বিশ্ববিদ্যালয়বোৰে গিৰ্জাৰ পৰা পোৱা দান-বৰঙণিৰ উপৰিও ধনী ব্যক্তি আৰু ব্যৱসায়ী সংঘৰ পৰা অৰ্থ-সাহায্য লাভ কৰিছিল। পণ্ডিতসকলেও বিশ্ববিদ্যালয়ৰ বাবে প্ৰচুৰ মাটি-সম্পত্তি সংগ্ৰহ কৰিছিল। অৰ্থাৎ ধৰ্ম চৰ্চাৰ দৰে বিদ্যা চৰ্চাও প্ৰয়োজনীয় বুলি সেই সময়ৰ গিৰ্জাৰ পৰিচালকসকলে অনুভৱ কৰিছিল।

কলেজৰ সদস্যসকলে অধ্যক্ষ (Master) নিৰ্বাচন কৰিছিল আৰু অধ্যক্ষৰ লগ লাগি নিয়াৰিকৈ কলেজ পৰিচালনা কৰিছিল। অধ্যক্ষজন



বিদেশৰ পৰা অহা বিখ্যাত পণ্ডিতো হ’ব পাৰে। শাসক বা ৰজাই বিশ্ববিদ্যালয়ৰ ভিতৰুৱা বিষয়ত হস্তক্ষেপ নকৰিছিল। গতিকে পণ্ডিতসকলে নিৰ্ভয়ে জ্ঞান অন্বেষণ আৰু শিক্ষাদানত ব্যস্ত হৈ থাকিব পাৰিছিল। শ্ৰেণীত ছাত্ৰৰ উপস্থিতি বাধ্যতামূলক নাছিল। কিন্তু বিখ্যাত পণ্ডিতসকলৰ পাঠদান কাৰ্যই ছাত্ৰক শ্ৰেণী কোঠালৈ টানি নিছিল। উল্লেখযোগ্য যে বহু বছৰ ধৰি চলা ধৰ্মযুদ্ধৰ ফলত য়ুৰোপৰ সমাজে আৰবসকলৰ সান্নিধ্য লাভ কৰিছিল।

কে’ম্ব্ৰিজ বিশ্ববিদ্যালয় কেম্ নদীৰ পাৰত অৱস্থিত। ই একত্ৰিশখন কলেজৰ সমষ্টি। সিবোৰৰ ভিতৰত উল্লেখযোগ্য হ’ল ত্ৰিনিটি, ক্ৰাইষ্ট্ চাৰ্চ, যীছাছ, কিংছ আদি। ড° হীৰেন গোহাঁয়ে পঢ়া গন্‌বিল্ এণ্ড কীইজ্ কলেজো বিখ্যাত কলেজ। ১৩৪৮ চনত স্থাপিত এই কলেজ হ’ল কে’ম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ চতুৰ্থখন প্ৰাচীন কলেজ।

কে’ম্ব্ৰিজ বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ হ’লে প্ৰথমতে কলেজত নামভৰ্তি কৰিব লাগে। অৱশ্যে গৱেষক ছাত্ৰসকলে নিয়ম অনুযায়ী বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিব লাগিব। ছাত্ৰসকলক কঠোৰ অনুশাসনৰ মাজত ৰখা হয় যদিও তেওঁলোকৰ সন্মান আৰু অধিকাৰ ৰক্ষাৰ ওপৰতো গুৰুত্ব দিয়া হয়।

শিক্ষকৰ বক্তৃতা শুনিবলৈ ছাত্ৰসকল যাব লাগে বিশ্ববিদ্যালয়ে সুকীয়াকৈ ৰখা কোঠালীলৈ। শিক্ষকসকলৰ বক্তৃতাবোৰ যথেষ্ট তথ্য-পাতিসমৃদ্ধ। সেই বক্তৃতাবোৰ এনেদৰে প্ৰদান কৰা হয় যাতে পাছত সিবোৰৰ ভেটিত পণ্ডিত অধ্যাপকসকলে কিতাপ লিখিব পাৰে। কেতিয়াবা বিশ্ববিদ্যালয়ৰ বাহিৰৰ পণ্ডিতকো বক্তৃতা প্ৰদান কৰিবলৈ নিমন্ত্ৰণ কৰা হৈছিল।

**ওপৰঞ্চি তথ্য ঃ**

(ক) মাৰ্ক্সবাদী দৰ্শন আৰু আদৰ্শৰ দ্বাৰা প্ৰভাৱিত ড° হীৰেন গোহাঁই সাম্প্ৰতিক কালৰ অসমৰ এগৰাকী আগশাৰীৰ বুদ্ধিজীৱী।

(খ) এটি তথ্য মতে কেʼম্ব্ৰিজ বিশ্ববিদ্যালয় (Cambridge University) স্থাপন হৈছিল ১২০৯ চনত। বিশ্বৰ দ্বিতীয়খন প্ৰাচীন বিখ্যাত বিশ্ববিদ্যালয় ইংলণ্ডৰ অক্সফোৰ্ড বিশ্ববিদ্যালয় (University of Oxford) স্থাপিত হৈছিল ১০৯৬ চনত। বিশ্বৰ প্ৰাচীনতম প্ৰখ্যাত বিশ্ববিদ্যালয় হʼল ইটালিৰ বলগ্না বিশ্ববিদ্যালয় (University of Bologna), স্থাপিত ১০৮৮ চন। অৱশ্যে, অন্য এক তথ্য মতে মৰক্কোৰ কৰুঈন বিশ্ববিদ্যালয় (University of Karueein) ৮৫৯ চনতে স্থাপিত হৈছিল। তিনিখন প্ৰাচীন ভাৰতীয় বিশ্ববিদ্যালয় হʼল কলকাতা বিশ্ববিদ্যালয়, বোম্বাই বিশ্ববিদ্যালয় আৰু মাদ্ৰাজ বিশ্ববিদ্যালয়। এই তিনিখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল ১৮৫৭ চনত।

(গ) কেʼম্ব্ৰিজ বিশ্ববিদ্যালয় কোনো ব্যক্তি বিশেষে প্ৰতিষ্ঠা কৰা নাছিল; পণ্ডিত আৰু বিদ্যানুৰাগী লোক কিছুমানৰ প্ৰচেষ্টাত এই অনুষ্ঠানে গঢ় লৈছিল।

**শিক্ষকৰ প্ৰতি ঃ**

পাঠদান কৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীক ভাৰতবৰ্ষৰ প্ৰখ্যাত প্ৰাচীন নালন্দা বিশ্ববিদ্যালয়ৰ লগতে আধুনিক কালৰ প্ৰখ্যাত ভাৰতীয় বিশ্ববিদ্যালয় কেইখনমানৰ বিষয়ে কʼব।



# অসমৰ পুৰণি খেল-ধেমালি

সুবোধ মল্লবৰুৱা

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

সংসাৰ যাত্ৰাত আগুৱাই যাবলৈ হʼলে দেহ আৰু মনৰ সমানে উৎকৰ্ষ সাধন কৰিব লাগে। কাৰণ, সুস্থ শৰীৰ এটা জাতিৰ বাবে অমূল্য সম্পদ। শৰীৰ সুস্থ হʼলেহে এটা শক্তিশালী মন গঢ় লৈ উঠিব পাৰে। খেল-ধেমালিৰ মাজেৰে সুস্থ শৰীৰৰ লগতে সুস্থ মনো গঠন হয়। অসমৰ ইতিহাসৰ পাতনি মেলি চালে দেখিবলৈ পোৱা যায় যে আহোমৰ ৰাজ্য বিস্তাৰৰ লগে লগে অসমৰ ক্ৰীড়া ইতিহাসৰো আৰম্ভণি ঘটে। তাকেই পাঠটিত আলোচনা কৰা হৈছে। খেল-ধেমালিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ বাঢ়িব বুলি বিবেচনা কৰি পাঠটি নিৰ্বাচন কৰা হৈছে।

**লেখক পৰিচিতি ঃ**

সুবোধ মল্লবৰুৱাৰ ১৯৬৩ চনত জন্ম হয়। গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পৰা কলেজীয়া শিক্ষা সমাপ্ত কৰি বৰুৱাই ভাৰতৰ ক্ৰীড়া সাংবাদিকতাৰ জগতখনত প্ৰৱেশ কৰে। ১৯৮৭ চনৰ পৰা তেওঁ দৈনিক কাকত 'আজিৰ অসম' আৰু 'নতুন দৈনিক'ত উপ-সম্পাদক হিচাপে কাম কৰিছিল। বৰুৱাই ১৯৯১ চনত অসমৰ পুৰণি আৰু সম্ভ্ৰান্ত কাকত 'দৈনিক অসম'ত যোগ দিয়ে। বৰ্তমান এই কাকতত 'চিফ অৱ নিউজ ব্যুৰ' (Chief of News Bureau) হিচাপে কৰ্মৰত।

বৰুৱাৰ ক্ৰীড়া সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ প্ৰকাশ হৈছে। এই গ্ৰন্থৰাজিৰ ভিতৰত উল্লেখযোগ্য হ'ল— 'এথেন্সৰ পৰা শ্বিলঙলৈ', 'One More Six', 'বিখ্যাত ফুটবলাৰৰ ল'ৰালিকাল', 'জীৱন যৌৱন ক্ৰীড়াংগন' আৰু 'অসম ফুটবলৰ বৰ্ণিল যাত্ৰা'।

**মূল পাঠ ঃ**

সুস্থ শৰীৰ এটা জাতিৰ বাবে অমূল্য সম্পদ। সুস্থ শৰীৰৰ অধিকাৰী হ'লেহে এটা শক্তিশালী জাতি আৰু এটা শক্তিশালী মন গঢ় লৈ উঠিব পাৰে। এই মতবাদে মানৱ জীৱনৰ জন্মলগ্নৰ পৰাই গা কৰি উঠিছে। খেলৰ ইতিহাস আৰু মানৱ জীৱনৰ ইতিহাস এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এজন ব্যক্তিৰ জন্মৰ লগে লগেই তেওঁৰ মনত, কাম-কাজত প্ৰকাশ পায় ক্ৰীড়াৰ প্ৰতি অজানিত ভালপোৱা।

এতিয়া সমাজ জীৱনত তোলপাৰ লগোৱা ফুটবল, ক্ৰিকেট আদিক আদিকালত দেখিবলৈ পোৱা নগৈছিল ঠিকেই, কিন্তু ক্ৰীড়াৰ আদিম ৰূপে মানৱ জীৱনত তেতিয়াই ডেও দি গৈছিল। বিভিন্ন খেলসমূহ অন্য নামেৰে পৰিচিত আছিল। বিশ্বৰ সবাতোকৈ জনপ্ৰিয় খেল ফুটবলক চীনত তাহানি আখ্যা দিয়া হৈছিল ছু-চু (Tsu-chu)। ইয়াৰ পৰাই আমি অনুভৱ কৰিব পাৰোঁ ক্ৰীড়াৰ প্ৰতি মানুহৰ দুৰ্নিবাৰ আকৰ্ষণ অথবা দুৰ্বলতাৰ বতৰা। সেয়েহে ক্ৰীড়াৰ প্ৰতি বৰ অসমতো আদৰ আছিল। অসমৰ ইতিহাস গমি-পিতি চালে চ্যুকাফাই পাটকাই পৰ্বত পাৰ হৈ আহোম ৰাজ্য বিস্তাৰ কৰাৰ লগে লগে অসমৰ ক্ৰীড়া ইতিহাসৰ বৰ্ণময় আৰম্ভণি হোৱাৰ কথা ক'ব পাৰি। সেয়েহে অসমৰ ক্ৰীড়া ইতিহাসত আহোমৰ গৌৰৱপূৰ্ণ দিন আৰু আমাৰ অতিকৈ আদৰৰ বিহুৰ কথা সোণালী আখৰেৰে লিপিবদ্ধ থাকিব। বিহু আৰু আহোম যুগ অবিহনে অসমৰ ক্ৰীড়াই কাহানিও পূৰ্ণতা নাপায়।



অসমৰ ক্ৰীড়া জীৱনলৈ লক্ষ্য কৰিলে দেখা পোৱা যায় জাতিটোৰ জাতীয় জীৱনৰ সৈতে ক্ৰীড়াৰ ঐতিহাসিক সম্পৰ্কৰ কথা। সেয়েহে বিহু আৰু ক্ৰীড়াৰ মাজত সম্পৰ্ক যুগমীয়া। তাহানি যেতিয়া চীনত ছু-চু খেলা হৈছিল ঠিক তেতিয়া আৰু তাৰ আগেয়ে আমি অসমীয়া জাতিয়ে খেলিছিলোঁ কণী যুঁজ, কড়ি যুঁজ আদি। এই আটাইবোৰক আমি খেল বুলি ধৰি ল'ব পাৰোঁ। ক্ৰীড়া হ'ল এক আনন্দ, শাৰীৰিক আৰু মানসিক সক্ষমতাৰ চূড়ান্ত প্ৰকাশ। প্ৰবীণ সাহিত্যিক হেম বুঢ়াগোহাঞিৰ 'বিহু আকৌ আহিল' শীৰ্ষক গ্ৰন্থখনত কণী যুঁজ সম্পৰ্কত বিস্তৃত আলোচনা কৰিছে। আনহাতে, যতীন বৰুৱাৰ 'বিহু উৎসৱৰ খেলা-ধূলা'ত এই বিষয়ে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। 'বিহু আকৌ আহিল' শীৰ্ষক গ্ৰন্থখনত বিহুৰ আনন্দত মতলীয়া কণী যুঁজাৰুসকলে কিদৰে শিৱসাগৰৰ বকতা মৌজা, নেমুগুৰি, হাটবৰ আৰু লাহৰীবৰত মিলিত হৈ খেলিছিল তাৰ সুন্দৰ উপমা পোৱা যায়। নেমুগুৰিত কৃষিজীৱীসকলে ধান কাটি বিহুৰ আনন্দত মতলীয়া হৈ কণী যুঁজৰ বাবে একগোট হোৱাৰ বিষয়েও উল্লেখ আছে। আনহাতে, হাজোৰ কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কড়ি যুঁজ আদি বিহুৰ সময়ত অনুষ্ঠিত কৰাৰ বিষয়েও জানিব পৰা গৈছিল। প্ৰকৃতাৰ্থত বিহুৰ আলম লৈ বৰ অসমে এনেবোৰ খেলত অংশ লৈ মানসিক দৃঢ়তাৰ পৰিচয় দি আনন্দত মতলীয়া হৈ পৰিছিল।

বিহুৰ মাজেৰে অসমৰ ক্ৰীড়া অথবা খেলে শৈশৱত ভৰি দিলেও আহোম যুগত অসমৰ ক্ৰীড়াই গা কৰি উঠিছিল। আমি অসমত যদি ক্ৰীড়াৰ পৃষ্ঠপোষকতাৰ কথা কওঁ তেতিয়া হ'লে আহোম যুগক শ্ৰদ্ধা সহকাৰে সুঁৱৰিব লাগিব। আহোম স্বৰ্গদেউ অথবা ৰাজপৰিয়ালৰ পৰা খেলক যিদৰে পৃষ্ঠপোষকতা আগ বঢ়োৱা হৈছিল, সেয়া হয়তো আজিৰ চৰকাৰেও আগ বঢ়োৱা নাই। তাহানি এতিয়াৰ দৰে ক্ৰিকেট-ফুটবল আদি নাছিল। কিন্তু আছিল ম'হ যুঁজ, মাল যুঁজ, দৌৰা, তৰোৱাল খেল,

শেন মেলা, ঘোঁৰা দৌৰ, কাঁড় খেল ইত্যাদি। আমি ম'হ যুঁজক বৰ্তমান স্পেইনৰ বাফেলো যুঁজ, তৰোৱাল খেলক ফেন্সিং, ঘোঁৰা দৌৰক ইকুৱেষ্ট্ৰিয়ান, কাঁড় খেলক আৰ্চাৰী, মাল যুঁজক ৰেষ্টলিং বুলি ক'ব পৰোঁ। এনেবোৰ খেলক ৰাজপৰিয়ালে অথবা আহোম শাসনকৰ্তাসকলে পৃষ্ঠপোষকতা আগ বঢ়াইছিল বিভিন্ন মাধ্যমেৰে। ৰজাঘৰে এই ক্ষেত্ৰত মুকলি মনেৰে কাম কৰি গৈছিল। তেতিয়াই বিশেষ বিশেষ খেলৰ বাবে বিষয়া, প্ৰশিক্ষক পৰ্যন্ত নিযুক্তি দি ক্ৰীড়াৰ প্ৰতি জনগণৰ মন আকৰ্ষণৰ প্ৰয়াস কৰিছিল। সেই কালৰ অন্যান্য ৰাজ্যসমূহত এনে কাৰ্যৰ বা আঁচনিৰ অভাৱ পৰিলক্ষিত হয়। এই দিশবোৰ পৰ্যালোচনা কৰাৰ আগেয়ে আমি উল্লেখ কৰাটো উচিত হ'ব যে এছিয়াৰ প্ৰথম স্প'ৰ্টছ পেভিলিয়ন অথবা ক্ৰীড়া পেভিলিয়নৰ কথা। এই পেভিলিয়নটো অন্য একো নহয়— অসমৰ সবাৰে পৰিচিত শিৱসাগৰৰ ৰূপহী পথাৰৰ ৰংঘৰ। ৰংঘৰে গৰ্বৰে সোঁৱৰায় আহোম যুগৰ ক্ৰীড়া প্ৰেমৰ কথা।

ৰংঘৰৰ লেখীয়া পেভিলিয়ন নিৰ্মাণৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল স্বৰ্গদেউ ৰুদ্ৰসিংহই। কাঠৰ পাতেৰে এই পেভিলিয়ন নিৰ্মাণৰ বুনিয়াদ স্থাপন কৰিছিল। স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত ৰংঘৰক পূৰ্ণ ৰূপ দিয়ে। ৮৮ ফুট দৈৰ্ঘ্য আৰু ৩৬.৫ ফুট বহল পেভিলিয়নত একেলগে বহি আহোম ৰাজপৰিয়ালে উপভোগ কৰিছিল খেল আৰু বিহুৰ বিভিন্ন সমাৰোহৰ বহু উমাল মুহূৰ্ত। দুফুট মোটা ইটাৰে ইয়াৰ বেৰ নিৰ্মাণ কৰা হৈছিল। তেলাল মাছ, মাটি দাইল, কণী, চাউল আৰু অন্যান্য কিছুমান বস্তুৰ মিশ্ৰণক চিমেণ্ট হিচাপে ব্যৱহাৰ কৰা হৈছিল। এনেদৰেই নিৰ্মিত হৈছিল এছিয়াৰ প্ৰথমটো ক্ৰীড়া পেভিলিয়ন। এই পেভিলিয়ন নিৰ্মাণৰ পিছত কেইবাটাও বিধ্বংসী ভূমিকম্পই অসম জোকাৰি গৈছে; কিন্তু আঢ়ৈশ বছৰ অতিক্ৰমৰ পাছতো ই গুৰু-গম্ভীৰভাৱে গৌৰৱেৰে থিয় দি আছে। পৰৱৰ্তী কালত ৰংঘৰৰ কাষতে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই



আন এটা পেভিলিয়ন নিৰ্মাণ কৰিছিল। ইংৰাজে ইয়াণ্ডাবু সন্ধিৰ আধাৰত অসমক শাসনলৈ অনাৰ পাছত বথাম উপাধিৰ এজন শাসনকৰ্তাই অসমৰ গৌৰৱ ৰংঘৰক নিশ্চিহ্ন কৰাৰ পৰিকল্পনা ৰচিছিল। ব্ৰিটিছে ১৩০০ টকাত স্থানীয় এজন ব্যক্তিক ৰংঘৰটো বিক্ৰী কৰিছিল। তেতিয়াই ইয়াক ভাঙি দিয়াৰ প্ৰয়াস কৰা হৈছিল বুলি পৰাগধৰ চলিহাৰ Aspects of Assamese Culture নামৰ গ্ৰন্থত উল্লেখ কৰা হৈছে। তথাপি ৰংঘৰে আজিও ৰূপহীপথাৰত গৌৰৱৰ চানেকি হৈ আহোম যুগৰ গৌৰৱপূৰ্ণ ক্ৰীড়া পৃষ্ঠপোষকতাৰ কথা সোঁৱৰাই আছে।

ৰংঘৰত বহি আহোম ৰাজপৰিয়ালৰ লোকসকলে খেল উপভোগ কৰাতেই নিজৰ দায়িত্ব শেষ কৰা নাছিল বুলি পূৰ্বেই উল্লেখ কৰা হৈছে। তেওঁলোকে নিযুক্তি দিছিল বিষয়া-কৰ্মচাৰীক। শেন মেলাৰ বাবে শেনচোৱা বৰুৱা আৰু শেনচোৱা বৰাক নিযুক্তি দিছিল। একেদৰেই চৰাইক প্ৰশিক্ষণ দিবলৈও প্ৰশিক্ষকৰ ব্যৱস্থা কৰি দূৰদৰ্শিতাৰ প্ৰমাণ দিছিল। আজিৰ দিনত পূৰ্বোত্তৰৰ বৃহত্তম মহানগৰী গুৱাহাটী মুকলি ঠাই অথবা খেলপথাৰ সংৰক্ষণক লৈ সংকটৰ সন্মুখীন হৈছে। আহোম যুগত ইয়াৰ ওলোটা পৰিৱেশ বিৰাজ কৰিছিল। আহোম যুগত ক্ৰীড়াৰ বাবে বিষয়া নিযুক্তি, প্ৰশিক্ষণশালা গঢ়ি তোলাৰ বাহিৰেও মুকলি ঠাই সংৰক্ষণ কৰি এক যাউতিযুগীয়া দৃষ্টান্ত স্থাপন কৰিছিল। খেলক লৈ বিশ্বত আধুনিক ধ্যান-ধাৰণা সৃষ্টি হোৱাৰ আগেয়ে এনেদৰে খেলৰ বাবে খেলপথাৰ সংৰক্ষণ, খেলৰ নায়কসকলক প্ৰশিক্ষণ দিয়াৰ ধাৰণা সঁচাকৈয়ে চমৎকাৰ। অসমত এনেবোৰ উদাহৰণ থকা সত্ত্বেও আজিৰ অসমত এই দিশবোৰৰ ক্ষেত্ৰত আমি দুখীয়া হিচাপেই পৰিচিত হৈ আছোঁ।

আহোম যুগত ৰাজপৰিয়ালে আমোদ-প্ৰমোদৰ বাবে এনেবোৰ ব্যৱস্থা গ্ৰহণ কৰিলেও ইয়াৰ প্ৰভাৱ আছিল অপৰিসীম। ৰজাঘৰৰ তৰফৰ

পৰা এই খেলসমূহত শ্ৰেষ্ঠতা অৰ্জন কৰাজনক বঁটা অথবা চাকৰি আদিত পদোন্নতি দিয়াৰ ব্যৱস্থাও কৰিছিল।

আহোম যুগত মাল যুঁজ, ম'হ যুঁজ আদিয়ে দৰ্শকক আহ্লাদিত কৰিলেও শেন আৰু কণুৰাৰ খেলে সবাকে অধিক আমোদ দিছিল। এই শেন আৰু কণুৰাৰ খেলৰ বাবে স্থাপন কৰা হৈছিল চৰাইচোং। ছয়-সাতখন মুকলি খেলপথাৰক লৈ চিহ্নিত কৰা হৈছিল চৰাইচোঙক। শেন মেলাত অংশ লোৱা শেন চৰাইক প্ৰশিক্ষকসকলে দিয়া অভিনৱ প্ৰশিক্ষণ মন কৰিবলগীয়া আছিল। বিশেষকৈ খেলৰ মাজত শেন চৰাইটোৱে কণুৰাক বধ কৰি ঠোঁটেৰে কামুৰি আকাশলৈ গৈ অভিনৱ ছন্দেৰে খৰলুটি মাৰি তললৈ নামি অহাৰ দৃশ্য চাই থাকিবলগীয়া আছিল। ইয়াৰ দ্বাৰা তাহানিৰ প্ৰশিক্ষণ পদ্ধতি কিমান উচ্চমানৰ আছিল তাক জানিব পাৰি। ৰংঘৰক কেন্দ্ৰ কৰি অনুষ্ঠিত হৈছিল এইবিধ খেল।

নিশ্চয় সকলোৱে প্ৰশ্ন কৰিব শেন মেলাটো কেনেধৰণৰ খেল? শেন মেলাৰ বাবে স্বৰ্গদেউসকলে চৰাইচোং স্থাপন কৰিছিল। চৰাইচোং হ'ল ছয়-সাতখন পথাৰৰ মুকলি অঞ্চল। কণুৰা চৰাইৰ প্ৰিয় খাদ্য হ'ল মাছ। কণুৰা চৰাইক ধৰি খাবৈত ভৰাই নিয়মীয়াকৈ মাছ খাবলৈ দি চৰাইচোঙত এৰি দিয়া হৈছিল। খেল অনুষ্ঠিত হোৱাৰ কেইবাদিনো আগৰ পৰা কণুৰা চৰাই ধৰি আনি চৰাইচোঙত এৰি দিছিল। ইফালে শেনচোৰা বৰুৱা অথবা শেনচোৰা বৰাই শেন চৰাইক বিভিন্ন ধৰণে প্ৰশিক্ষণ দিছিল। এই শেন খেলৰ নিৰ্দিষ্ট দিনটোত ৰজা-প্ৰজা-বিষয়া চৰাইচোঙলৈ কণুৰা চৰাইক গৈ ভয় খুৱাই দিয়াত কণুৰাই নিজৰ প্ৰাণ বচাবলৈ আকাশলৈ উৰি গৈছিল। সেই মুহূৰ্ততে শেন মেলা আৰম্ভ হৈছিল। কণুৰাই আকাশৰ বহু ওপৰলৈ গৈ অস্পষ্ট হোৱাৰ সময়ত শেনচোৰা বৰুৱা অথবা শেনচোৰা বৰাই শেন মেলি দিয়ে। শেন চৰাইসমূহে পলকতে গৈ কণুৰা চৰাইৰ জাকত সোমাই যুঁজ কৰিবলৈ



ধৰে। এই যুঁজত শেন চৰাই কিমান সফল হয় সেয়া শেনচোৰা বৰুৱা অথবা শেনচোৰা বৰাৰ ওপৰত নিৰ্ভৰ কৰে। পাকৈত শেন চৰায়ে কেতিয়াবা কেইবাটাও কণুৱা চৰাই মাৰি পেলায়। কণুৰা চৰাই আকাশৰ পৰা ধপচকৈ মাটিত পৰিলে, সেই খেল চাই থকা ৰজা-প্ৰজাৰ আনন্দৰ সীমা নোহোৱা হৈছিল। এইদৰে কেতিয়াবা শেনটোৱে যুঁজি যুঁজি এটা মৰা কণুৰাক ঠোঁটেৰে কামুৰি আকাশলৈ গৈ অভিনৱ ছন্দেৰে তললৈ নামি আহে। এনে সময়তে দুজন শেনচোৰাই এখন কাপোৰ মেলি ধৰে আৰু শেন আৰু প্ৰাণহীন কণুৰাটো কাপোৰত পৰে। এই শেন মেলাত কৃতিত্ব দেখুওৱা শেনৰ গৰাকীক বঁটা দিয়াৰ ব্যৱস্থা কৰা হয়। মাঘ মাহৰ পৰা ব'হাগ মাহলৈ অনুষ্ঠিত এই শেন মেলাত যদি শেন চৰাইটোৱে কণুৰাৰ সৈতে যুঁজ নকৰি ক'ৰবালৈ পলাই যায় তেন্তে শেনৰ গৰাকীক বাঘ ঢকাৰে শাস্তি দিয়া হৈছিল।

তদুপৰি ম'হ যুঁজ, বাঘ-ভালুকৰ যুঁজ, হাতী যুঁজ আদি ৰংঘৰৰ সন্মুখত অনুষ্ঠিত হৈছিল। শেন মেলাৰ লেখীয়াকৈ হাতী যুঁজৰ বাবে ৰংঘৰৰ উত্তৰ পিনে হাতীশাল স্থাপন কৰা হৈছিল। এনেদৰে আমি জানিব পাৰোঁ আঁহতগুৰিৰ ম'হ যুঁজৰ কথা। ইয়াৰ দ্বাৰা এনেবোৰ খেল অসমৰ অন্যান্য ঠাইতো যে অনুষ্ঠিত হৈছিল তাক জানিব পাৰি।

আহোম যুগত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত। আহোম ৰাজ্যৰ বিভিন্ন অঞ্চলত পুখুৰী খান্দি জলক্ৰীড়াৰ প্ৰতি (সাঁতোৰ আদি) জনসাধাৰণক আকৃষ্ট কৰিছিল। অৱশ্যে তেওঁ পেভিলিয়নসদৃশ মঞ্চ নিৰ্মাণ কৰিও খেলৰ প্ৰতি থকা তেওঁৰ মোহ প্ৰকাশ কৰিছিল। তেওঁ ১৫-১৬ হাতৰ শালকাঠৰ খুঁটাৰে নিৰ্মাণ কৰিছিল এই মঞ্চ। আহোম যুগৰ কে'বাবিধো খেল এতিয়া লুপ্তপ্ৰায়। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে আহোম যুগত কোনো ৰজাৰ অভিষেক হ'লে অথবা ৰাজপৰিয়ালত পুত্ৰ আদিৰ জন্ম

হ'লে প্ৰায় এসপ্তাহ জুৰি বিভিন্ন খেলৰ আয়োজন কৰিছিল। ই বৰ্তমান ক্ৰীড়া সমাৰোহৰ লেখীয়া আছিল।

এতিয়া আহোঁ বিহুৰ সময়লৈ। বিহুৰ সময়ত নৈ, পুখুৰী আদিত নাওখেল অনুষ্ঠিত হৈছিল। একেদৰে কিছুমান পাহোৱাল ডেকা ল'ৰাই মালযুঁজত ভাগ লৈছিল। এই মালযুঁজ বৰ্তমানৰ ৰেষ্টলিং অথবা মল্লযুদ্ধৰ লেখীয়া আছিল। ইয়াৰ উপৰি মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অসংখ্য খেল জনসাধাৰণৰ মাজত প্ৰচলিত আছিল। এই খেলসমূহৰ অন্যতম হ'ল— হাউ খেল, ঢোপ খেল, টাংগুটি, ঘিলা খেলা, লুকা-ভাকু, বুন্দিয়া হাউ, কড়ি খেল ইত্যাদি। হাউগুদু খেলক বৰ্তমান কাবাডীৰ আদিৰূপ বুলিব পাৰোঁ। হাউগুদুক কৰ্ণাটকত ছেদুগুদু, কেৰালাত ৰণ্ডি কালি, পঞ্জাৱত জব্বৰ ঘানা হিচাপে জনা যায়। এই সময়ৰ আন এবিধ প্ৰিয় খেল হ'ল— ঢোপ। ইয়াৰ জন্ম ক'ত হৈছিল সেয়া কোনেও ক'ব নোৱাৰে। এইবিধ খেল যে আহোম যুগতো জনপ্ৰিয় আছিল তাৰ অলেখ উদাহৰণ পোৱা যায়। ব্ৰিটিছ ৰাজত্বৰ শেষছোৱাত তেজপুৰৰ পৰা আঠ কিলোমিটাৰ দূৰৰ মদপীৰ ঢেকেৰিপাৰ নামৰ বৃহৎ বাকৰি এখনত এইবিধ খেলৰ সমাৰোহ অনুষ্ঠিত হৈছিল। পাছত কোকৰাঝাৰৰ বিনোদ ব্ৰহ্ম নামৰ এগৰাকী খেলুৱৈয়ে এইবিধ খেল জনপ্ৰিয় কৰি তোলাৰ বাবে প্ৰয়াস কৰিলেও ই সফল নহ'ল। আমাৰ থলুৱা খেলবিলাক একত্ৰিত কৰি ইয়াক জনমানসত প্ৰতিষ্ঠিত কৰাৰ বাবে ১৯৮৯ চনত অৱশ্যে প্ৰচেষ্টা আৰম্ভ কৰিছিল ভাৰত চৰকাৰৰ তৰফৰ পৰা। ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ অথবা ছাইৰ তৰফৰ পৰা শিৱসাগৰৰ ঐতিহ্যমণ্ডিত ৰংঘৰৰ বাকৰিত ১৯৮৯ চনত ইণ্ডিজেনাছ গেমছ নাম দি ক্ৰীড়া সমাৰোহ আয়োজন কৰিছিল। উল্লেখযোগ্য যে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ তৰফৰ পৰা পূৰ্বোত্তৰত এনেদৰে থলুৱা খেলসমূহ পুনৰুদ্ধাৰৰ বাবে প্ৰচেষ্টা চলালেও সেই প্ৰচেষ্টা এবাৰতে থমকি ৰয়। ইণ্ডিজেনাছ গেমছৰ সৈতে সম্পৰ্ক ৰখা ঢোপ



খেলৰ সৈতে বৰপেটা অঞ্চলৰ ঐতিহ্যমণ্ডিত ঢেমনা অনা খেলৰ অনেক মিল পোৱা যায়। ঢেমনা অনা খেল সাধাৰণতে শীতকালত অনুষ্ঠিত হৈছিল। বৰপেটা অঞ্চলত ঢেমনা অনাৰ অৰ্থ হ'ল কোনো বিপত্নীকে কোনো বাঁৰী তিৰোতাক পত্নীৰূপে অনা। দুটা দলৰ মাজত অনুষ্ঠিত এইবিধ খেলত এটা দলত চাৰিজনৰ পৰা ১০ জন বা ততোধিক খেলুৱৈ থাকে। বয়সৰ তাৰতম্য লৈও খেলুৱৈৰ সংখ্যা কম-বেছি কৰা হয়। খেলৰ সঁজুলি হিচাপে এটা বল ব্যৱহাৰ কৰা হয়। আহল-বহল মুকলি ঠাইত এইবিধ খেল খেলা হৈছিল। এইবিধ খেল ক'ত কেতিয়া কোনে আৱিষ্কাৰ কৰিছিল, সেয়া কোনোৱে নাজানে। কিন্তু এটা কথা ঠিক, এই খেলত ব্যৱহাৰ কৰা বলটো দুয়োটা দলে দলিওৱাৰ পাছত যিটো দলে অধিক ঢেমনা আনিব, সেই দলটোৱেই বিজয়ী হ'ব। অৰ্থাৎ এটা মূৰৰ পৰা এটা দলে খুব জোৰেৰে ওপৰলৈ দলিয়ালে আনটো দলে ওপৰতে ধৰিব লাগিব। ইয়াৰ পাছত যিটো দলে প্ৰথমে বলটো ধৰে তেওঁ মধ্যবৃত্ত এটাত থিয় হৈ থাকে। আনহাতে, অন্য দলৰ বল শূন্যত ধৰা খেলুৱৈজনে বলটো মধ্যবৃত্তত থকা খেলুৱৈলৈ উদ্দেশ্য কৰি দলিয়ায়। এই বলটো যদি মধ্যবৃত্তত ৰৈ থকা খেলুৱৈজনৰ গাত লাগে তেন্তে তেওঁক ঢেমনা আখ্যা দি প্ৰতিপক্ষৰ দললৈ অনা হয়। এনেদৰেই ঢেমনা অনা খেলটো খেলা হয়। বৰপেটা অঞ্চলত এইবিধ খেল খুব জনপ্ৰিয় হ'লেও আৰু কিছুমান থলুৱা খেল জনসাধাৰণৰ মাজত প্ৰচলন আছিল। এইসমূহৰ ভিতৰত গন্ধ হাউ, লালী, ফুৰ্তি বা গোল্লা, হাফলা, ঘিলা, ৰছী টনা, কধৰা টনা, কুকুৰা যুঁজ, টাংগুটি, ভটাগুটি, মুঠি ভটা, বাঘবোল, মংগল পাঠা, হাতবল, বৈঠা বল, তিনিঠেঙীয়া দৌৰ, টেকেলি ভঙা, গছ কপটি, থাটি কপটি আদিৰ কথা বিশেষভাৱে উল্লেখযোগ্য। এইসমূহ খেলৰ ভিতৰত বৈঠা বল, হাতবলৰ সৈতে ক্ৰিকেট খেলৰ সাদৃশ্য আছে।

এই লোক-ক্ৰীড়াসমূহৰ জন্ম ক'ত বা কেনেকৈ আৰম্ভ হৈছিল তাৰ সঠিক উত্তৰ পোৱা নাযায়। অৱশ্যে এই লোক-ক্ৰীড়াসমূহৰ আলম

লৈ অঞ্চলসমূহত সৃষ্টি হৈছিল অনেক লোকগীত। এইসমূহ খেলৰ উপৰি অসমত জনপ্ৰিয় আছিল ম'হ যুঁজ। স্পেইনত বৰ্তমান সবাতোকৈ জনপ্ৰিয় খেল বাফেলো যুঁজ। ইয়াৰ লেখীয়াই আছিল ম'হ যুঁজ। ম'হ যুঁজ আহোমৰ যুগতে আৰম্ভ হৈছিল। কিন্তু ইয়াৰ বিস্তৃতি আছিল অনেক। ভয়াৱহ এইবিধ খেল এতিয়াও মৰিগাঁৱৰ আঁহতগুৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত আয়োজিত হয়। খেল চলি থকাৰ সময়ত জুম বান্ধি সকলোৱে এইবিধ খেল উপভোগ কৰে। আঁহতগুৰিত কেইদিনমানৰ ব্যৱধানত দুবাৰ এই ম'হ যুঁজ অনুষ্ঠিত হয়। প্ৰথমবাৰ মাঘৰ বিহুত আৰু দ্বিতীয়বাৰ ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱস উপলক্ষে এই খেল অনুষ্ঠিত হয়। আঁহতগুৰিৰ বাহিৰেও মিকিৰভেটা, চৰাইবাহী, বৰভগীয়া, বাৰপূজীয়া, গোনামাৰা, বৰামাৰা, দমাল, বৰশীবন্ধা, দুৱৰিথলি আদিত ম'হ যুঁজ অনুষ্ঠিত হয়। মাঘৰ বিহুৰ সময়ত ম'হ যুঁজ অনুষ্ঠিত হয় সেই ঠাইসমূহত। এই ম'হ যুঁজত কোনো নিৰ্দিষ্ট নীতি-নিয়ম দেখা পোৱা নাযায় যদিও প্ৰতিযোগিতাত বিজয়ী হোৱা ম'হৰ গৰাকীৰ বাবে এই কৃতিত্ব গৌৰৱ আৰু আত্মসন্মানৰ কথা বুলি ধৰা হয়। এইখিনিতে উল্লেখ কৰাটো উচিত হ'ব যে এই যুঁজৰ ভালেমান দিন আগৰ পৰা যুঁজাৰু ম'হক কামৰ বোজা কমাই ভালকৈ তত্ত্বাৱধান লোৱা হয়। খাদ্যৰ ওপৰতো যথেষ্ট গুৰুত্ব দিয়া হয় আৰু ম'হ প্ৰতিপালন কৰা ঠাই টুকুৰাত আন মানুহ যোৱাটো বন্ধ কৰি দিয়া হয়। শেষ নিশা ম'হক চৰাবলৈ নিয়া হয় যাতে বেলি উঠালৈ ম'হে পেট পূৰাই খাব পাৰে। পূৰ্বতে উল্লেখ কৰা হৈছে এইবিধ খেলৰ ভয়াৱহতাৰ কথা। কেতিয়াবা দুয়োটা ম'হে কেবাঘণ্টাও যুঁজ কৰে। এনে এক উদাহৰণ পোৱা যায় চৰাইবাহীত ৮২ চনৰ ম'হ যুঁজৰ সময়ত। হাজাৰ হাজাৰ জনসাধাৰণৰ উপস্থিতিত সেইদিনা দুটা ম'হে ১৪০ মিনিট একেৰাহে যুঁজ কৰিছিল। সেইদিনা ম'হ দুটাৰ শিঙৰ খুন্দাত এটা ম'হৰ বাঁও শিংটো গুৰিতেই ভাগি গৈছিল।



ইয়াৰ পাছতো ম'হটোৱে পৃষ্ঠভংগ দিয়া নাছিল। দুই মিনিট প্ৰবল পৰাক্ৰমেৰে যুঁজ কৰিছিল ম'হটোৱে। এটা সময়ত ম'হটোৱে নিজৰ দুৰ্দশাৰ কথা বুজিব পাৰি খেলপথাৰৰ পৰা তৰা-নৰা ছিঙি প্ৰাণৰক্ষাৰ বাবে পলাই গৈছিল। ম'হ যুঁজ অৱশ্যে এতিয়াও বিভিন্ন অঞ্চলত চলি আছে। এনেবোৰ দিশৰ সন্দৰ্ভত ড° বি. কে. বৰুৱাৰ A Cultural History of Assamত ভালদৰে বৰ্ণোৱা আছে। সেয়ে নহয়, ফুল কোঁৱৰ আৰু মণি কোঁৱৰৰ গীতসমূহত অসমৰ থলুৱা খেলসমূহৰ ভিতৰত অন্যতম জনপ্ৰিয় ঘিলা খেলৰ সুন্দৰ বৰ্ণনা আছে। ঘিলা খেলত দুই ইঞ্চি ব্যাসাৰ্ধৰ এটি চেপেটা গুটি ব্যৱহাৰ কৰা হয়। এই চেপেটা গুটিটোৱে সামান্য ব্যৱধানত একে শাৰীত পুতি থোৱা কেইটামান ঘিলালৈ দলিয়াব লাগে। এই ঘিলাবোৰে একে শাৰীত ৰখা ঘিলাত যদি খুন্দা খুৱাব পাৰে তেন্তে খেলুৱৈজনে ঘিলাটো লাভ কৰে। এনেদৰে যিজনে আটাইতকৈ বেছি ঘিলা জয় কৰে, তেওঁক সময়ত বিজয়ী বুলি ঘোষণা কৰা হয়। উল্লেখ্য যে ঘিলা খেলৰ বিষয়ে গুণাভিৰাম বৰুৱাৰ 'আগৰ দিন আৰু এতিয়াৰ দিন' শীৰ্ষক নিবন্ধত সুন্দৰভাৱে উল্লেখ আছে। আনহাতে, কথা গুৰুচৰিতত ভটাগুটি, বাঘবোল আদি খেলৰ বিৱৰণ পোৱা যায়। এনেদৰে অসমৰ গ্ৰাম্য জীৱনত অনেক থলুৱা খেলৰ আভাস পোৱা যায়। সমাজ জীৱনত 'ফুল ফুলতী' নামৰ আন এবিধ খেলো যথেষ্ট সমাদৃত হৈছিল। 'ফুল ফুলতী' খেল ছোৱালীৰ মাজতহে আবদ্ধ। এই খেলত সৰু সৰু বল বা গুটিৰে তিনিটা শাৰী সজোৱা হয়। প্ৰতিটো শাৰীত সমান সমান গুটি ৰাখিব লাগে আৰু প্ৰতিটো গুটিৰ ব্যৱধানো সমান হ'ব লাগিব। ইয়াৰ পাছত প্ৰতিজন অংশগ্ৰহণকাৰীয়ে গুটিৰ চাৰিওপিনে এটা বৃত্ত আঁকিব লাগিব। এনেদৰে বৃত্ত আকোঁতে কোনো প্ৰতিযোগীয়ে যদি গুটি স্পৰ্শ কৰে তেন্তে তেওঁক খেলৰ বাহিৰ হোৱা বুলি ধৰা হয়।

এনেদৰে বিভিন্ন স্থানত এনেবোৰ থলুৱা খেলৰ প্ৰচলনৰ আভাস পোৱা যায় যদিও এতিয়া এনেবোৰ খেল লুপ্তপ্ৰায়। অৱশ্যে দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত সুঁৱৰী উৎসৱত মালযুঁজ খেল এতিয়াও প্ৰচলিত আছে। এনে খেল চাবলৈ এতিয়াও জনসমাগম হয়। এতিয়া আধুনিক খেলসমূহৰ আগত এই খেলসমূহ জঁই পৰি ক্ৰমে নাইকিয়া হোৱাৰ লেখীয়া অৱস্থা এটাৰ সৃষ্টি হৈছে।

**কঠিন শব্দৰ অৰ্থ ঃ**

ক্ৰীড়া — খেলা।
অভিনৱ — নতুন।
পৃষ্ঠপোষক — হিতাকাঙ্ক্ষী, সহায়ৰ হাত আগ বঢ়াওতা।
বাঘঢকা — দুয়োহাত লগাই মৰা ডাঙৰ চাপৰ, পিঠিত গাৰ বলেৰে মৰা ঢকা।
আৰ্চাৰী — কাঁড় খেল।
যাউতিযুগীয়া— যুগমীয়া, চিৰস্থায়ী।

## প্ৰশ্ন আৰ্হি

**(ক) অতি চমু প্ৰশ্ন ঃ** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ১)

১। ‘বিহু আকৌ আহিল’ গ্ৰন্থখন কোনে ৰচনা কৰিছিল?
২। প্ৰথম আহোম ৰজাজনৰ নাম কি আছিল?
৩। ক্ৰীড়া কি?
৪। বিশ্বৰ সবাতোকৈ জনপ্ৰিয় ফুটবল খেলক চীনত তাহানি কি আখ্যা দিছিল।
৫। চীনত ছু-চু খেলৰ প্ৰচলন থকাৰ সময়ত অসমত কি কি খেলৰ প্ৰচলন আছিল?



**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। ঢোপ খেলৰ প্ৰচলন ক'ত, কেনেকৈ হৈছিল বৰ্ণনা কৰা।
২। বৰপেটা অঞ্চলত প্ৰচলিত থলুৱা খেলসমূহ কি কি?
৩। ৰংঘৰৰ বাকৰিত অনুষ্ঠিত হোৱা খেলসমূহৰ নাম লিখা।
৪। ইণ্ডিজেনাছ গেম্ছ কোনে, ক'ত, কেতিয়া অনুষ্ঠিত কৰিছিল?
৫। ‘ফুল-ফুলতী’ খেল কিদৰে খেলা হয়, পাঠৰ আধাৰত লিখা।

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ৪ অথবা ৫)

১। আহোম যুগত কোন ৰজাৰ দিনত ক্ৰীড়াই সৰ্বাধিক পৃষ্ঠপোষকতা পাইছিল? তেওঁৰ খেলৰ প্ৰতি থকা মোহ কেনেদৰে প্ৰকাশ পাইছিল, তাৰ এটি চমু বৰ্ণনা দিয়া।
২। অসমৰ কড়ি খেলৰ বিষয়ে এটি প্ৰবাদ আছে। তাৰ এটি চমু বিৱৰণ দিয়া।
৩। পুৰণি কালত বিহুৰ সময়ত কেনে ধৰণৰ খেল অনুষ্ঠিত হৈছিল?
৪। আহোম যুগৰ আটাইতকৈ জনপ্ৰিয় খেলবিধ কি? এই খেল সম্পৰ্কে চমুকৈ লিখা।
৫। ঢেমনা অনা খেল কোন অঞ্চলত প্ৰচলিত? খেলবিধ সম্পৰ্কে চমুকৈ লিখা।

**পাঠবোধ ঃ**

সুস্থ শৰীৰে সুস্থ মন গঠন কৰে। সুস্থ শৰীৰেই হৈছে একোটা জাতিৰ অমূল্য সম্পদ। সুস্থ শৰীৰৰ অধিকাৰীয়েহে এটা শক্তিশালী জাতিৰ পৰিচয় কঢ়িয়াই অনাৰ লগতে এটা শক্তিশালী মন গঢ়ি তুলিব পাৰে। ঠিক তেনেদৰে ক্ৰীড়াও এটা জাতিৰ গৌৰৱৰ ঘাই হেতু আৰু লগতে জাতিক সুস্থ-সবলৰূপে গঢ়ি তোলাৰ এটি সহজ মাধ্যম।

বৰ্তমান সমাজ জীৱনত খেল-ধেমালিয়ে অগ্ৰগতি লাভ কৰাৰ দৰে আদিম কালতো খেলক যথেষ্ট প্ৰাধান্য দিয়া হৈছিল। অসমৰ ক্ৰীড়া ক্ষেত্ৰলৈ লক্ষ্য কৰিলে দেখা যায় যে বিহু আৰু ক্ৰীড়াৰ মাজত সম্পৰ্ক যুগমীয়া। কৃষিজীৱী লোকসকলে ধান কাটি বিহুৰ আনন্দত মতলীয়া হৈ কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কড়ি যুঁজ আদি খেল অনুষ্ঠিত কৰিছিল। ক্ৰীড়া হ'ল এক আনন্দ, শাৰীৰিক আৰু মানসিক সক্ষমতাৰ চূড়ান্ত প্ৰকাশ। এই তিনিওটাৰ ওপৰত লক্ষ্য ৰাখি অসমীয়া জাতিয়ে বিভিন্ন খেল খেলিছিল।

বিহুৰ মাজেৰে অসমৰ ক্ৰীড়াই শৈশৱত ভৰি দিলেও আহোম যুগত অসমৰ ক্ৰীড়াই গা কৰি উঠিছিল। আহোম স্বৰ্গদেউ বা ৰাজপৰিয়ালৰ পৰা খেলক যিদৰে পৃষ্ঠপোষকতা আগ বঢ়োৱা হৈছিল, সেয়া বৰ্তমানৰ চৰকাৰেও হয়তো আগবঢ়োৱা নাই। আহোম যুগৰ ক্ৰীড়া-প্ৰেমৰ কথা সোঁৱৰায় শিৱসাগৰত প্ৰতিষ্ঠিত ৰংঘৰে। আহোম ৰাজপৰিয়ালে খেল উপভোগ কৰাটোকে উদ্দেশ্যৰূপে নলৈ জীৱ-জন্তু, চৰাই আদিক প্ৰশিক্ষণ দিয়াৰ বাবে বিভিন্ন প্ৰশিক্ষণপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীক নিয়োগ কৰিছিল। জীৱ-জন্তু, চৰাই-চিৰিকটিবোৰৰ মাজত কৃতিত্বৰ খেল প্ৰদৰ্শন কৰিব পাৰিলে বঁটা প্ৰদান কৰিছিল, অন্যথা শাস্তি বিহিছিল।

খেলবোৰৰ বেছিভাগ বিহুৰ সময়তে অনুষ্ঠিত হৈছিল। নাওখেল, মালযুঁজ বৰ্তমানৰ ৰেষ্টলিংস্বৰূপ। আনহাতে, ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ জনসাধাৰণৰ মাজত প্ৰচলিত খেলসমূহৰ অন্যতম হ'ল— হাউখেল, ঢোপখেল, টাংগুটি, ঘিলাখেল, লুকাভাকু, কড়ি খেল ইত্যাদি। বৰ্তমান থলুৱা খেলবোৰ লুপ্তপ্ৰায় যদিও দক্ষিণ কামৰূপৰ কোনো কোনো অঞ্চলত 'সুঁৱৰী' উৎসৱত মালযুঁজ এতিয়াও প্ৰচলিত আছে। গতিকে পাঠটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক পুৰণি থলুৱা খেলৰ প্ৰাধান্য অনুভৱ কৰি সেইবোৰৰ ওপৰত গুৰুত্ব দিবলৈ উপদেশ দিয়া হৈছে।



**ওপৰঞ্চি তথ্য ঃ**

(ক) ভাৰতবৰ্ষৰ চাৰিবিধ জনপ্ৰিয় খেল হ'ল ফুটবল, ভলীবল, হকী আৰু ক্ৰিকেট।

(খ) কাবাদী গ্ৰাম্য ভাৰতত বহুলভাৱে সমাদৃত পুৰণি খেল।

(গ) অলিম্পিক খেল-প্ৰতিযোগিতাত ভাৰতবৰ্ষই হকী খেলত এতিয়ালৈকে আঠটা সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

ছাত্ৰ-ছাত্ৰীক খেল সম্পৰ্কে সম্যক জ্ঞান দিবলৈ যাওঁতে খেল-ধেমালিৰ প্ৰয়োজনীয়তা আৰু প্ৰশিক্ষণ সম্পৰ্কে চমু আভাস দিব লাগিব। লগতে শিক্ষাৰ ক্ষেত্ৰত খেল-ধেমালিৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰচনা প্ৰস্তুত কৰিবলৈ দিব লাগিব।

# এভাৰেষ্টৰ সপোন আৰু বিভীষিকা

**প্ৰণয় বৰদলৈ**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

এই পাঠটোৰ বিষয়বস্তু হ'ল পৰ্বতাৰোহণকাৰী দলৰ এভাৰেষ্ট শৃঙ্গ আৰোহণৰ অভিযান। পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য হৈছে পাঠটোৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলক পৰ্বতাৰোহণৰ দৰে দুঃসাহসিক অভিযান সম্পৰ্কে অৱগত কৰা। এই ধৰণৰ দুঃসাহসিক অভিযান তথা অসাধ্য সাধন কৰিবলৈ হ'লে মনৰ একাগ্ৰতা তথা দৃঢ় মনোবলৰ প্ৰয়োজন। সাফল্যৰ শিখৰ আৰোহণ কৰিবলৈ হ'লে সফলতাৰ সপোন দেখিব লাগিব। সফলতাৰ পথ যে বৰ উজু নহয়, এই কথা পাঠটোৰ মাজেৰে বিবৃত হোৱা দেখা যায়।

### লেখক পৰিচিতি ঃ

প্ৰণয় বৰদলৈ অসমৰ দুঃসাহসিক ক্ৰীড়া জগতৰ এটি অগ্ৰণী নাম। পেছাত সাংবাদিক প্ৰণয় বৰদলৈৰ নিচা হ'ল দুঃসাহসিক অভিযান। হিমালয়ৰ সুউচ্চ যোগীন-১, যোগীন-৩, কাং, চ' চ' কাং-নেলডা আদি বিভিন্ন শিখৰত বিজয়ধ্বজা উৰুৱাই বৰদলৈয়ে ইতিমধ্যে বিভিন্ন দুঃসাহসিক ক্ৰীড়া অভিযান সফলতাৰে সম্পন্ন কৰিছে। হিমালয়ৰ প্ৰায় সকলো অংশলৈ ট্ৰেকিং অভিযান চলোৱা বৰদলৈয়ে ভাৰতৰ বিভিন্ন খৰস্ৰোতা নৈত ৰাফ্‌টিং অভিযানতো অংশ লৈছে। গুৱাহাটী-কন্যাকুমাৰী, গুৱাহাটী-লেহ-লাডাখ, গুৱাহাটী-কাঠমাণ্ডু-পোখৰা-



গুৱাহাটী, গুৱাহাটী-থিম্ফু-চামদ্ৰুপ জংখাৰ আদি মটৰ চাইকেল অভিযানো সফলতাৰে সম্পূৰ্ণ কৰিছে এই অভিযাত্ৰীজনে। চাইক্লিং, পেৰামট'ৰিং, পেৰা গ্ৰাইডিং, পেৰা জাম্পিং আদি দুঃসাহসিক ক্ৰীড়াত সিদ্ধহস্ত বৰদলৈয়ে ইতিমধ্যে 'হিমালয়ৰ শিখৰে মাতিছে', 'উত্তুংগ যোগীন' আদি গ্ৰন্থ ৰচনা কৰিছে। দুঃসাহসিক ক্ৰীড়া সংগঠন এক্সপ্ল'ৰাৰ্ছ (Explorers)ৰ বৰ্তমান কাৰ্যবাহী সভাপতিৰ দায়িত্বত আছে বৰদলৈ। তেওঁ 'জ্ঞানদ্বীপ' আলোচনীৰ উপ-সম্পাদকৰ পদত থকাৰ উপৰি 'আজিৰ অসম', 'আজিৰ বাতৰি', 'আমাৰ অসম', 'জনসাধাৰণ' আদি কাকত আৰু অসমীয়া নিউজ চেনেলৰ উপ-সম্পাদক তথা কাৰ্যবাহী সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল।

### মূল পাঠ ঃ

শুভ্ৰ বৰফৰ পাহাৰ দুখনৰ মাজত দলঙৰ দৰে লগাই লোৱা এলুমিনিয়ামৰ জখলাডালেৰে খুপি খুপি পাৰ হৈ আহিছোঁ। দুডাল জখলা সংলগ্ন কৰি দলঙৰ দৰে কৰি লোৱা হৈছে। সেই স্থানত দলঙৰ তলত প্ৰায় ২০ ফুট দ খাৰৈ। আমাৰ পিন্ধনত বতাহ আৰু বৰষুণৰ পানী প্ৰতিৰোধী জেকেট আৰু ট্ৰাওজাৰ। মাজ নিশাৰে পৰা অহৰহ হৈ আছিল তুষাৰপাত। মেঘাচ্ছন্ন আকাশৰ পৰা সৰি থকা শিমলু তুলাৰ দৰে কোমল বৰফবোৰে সেই সময়ত উষ্ণতা হিমাংক (০ ডিগ্ৰী ছেলছিয়াছ)ৰ তললৈ লৈ গৈছিল। চৌদিশে কেৱল শুকুলা বৰফৰ আচ্ছাদন। এক নয়নাভিৰাম দৃশ্য, কিন্তু পৰিৱেশ গোমা। কিন্তু হাড়লৈকে কণকণাই যোৱা শীতপ্ৰৱাহে বৰফাবৃত পাহাৰত আমাৰ অনুশীলন অতি কষ্টকৰ কৰি তুলিছিল। পুৱা শ্লিপিং বেগৰ পৰা ওলাওঁতে যথেষ্ট কষ্ট হৈছিল। টেণ্টৰ পৰা ওলাই পুৱাৰ জলপান খোৱাৰ পিছত সাজু হৈছিলোঁ পূৰ্বতে থিৰাং কৰি থোৱা

আইচ ক্ৰাফটৰ প্ৰশিক্ষণত অংশ লোৱাৰ বাবে। সমুদ্ৰপৃষ্ঠৰ পৰা প্ৰায় ১৮,০০০ ফুট উচ্চতাত পৃথিৱীৰ সৰ্বোচ্চ শিখৰ মাউণ্ট এভাৰেষ্টৰ বেছ কেম্প (পৃষ্ঠ শিবিৰ) এলেকাত জীৱন যাপন কৰাটো এনেয়ে কষ্টকৰ। বিশেষকৈ সেই উচ্চতাত অক্সিজেনৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা হয়। যিকোনো কাম কৰিলেই ভাগৰে হেঁচা মাৰি ধৰে। তাতে ওখোৰা-মোখোৰা পথত খোজ কঢ়াটো হৈ পৰে বিপদসংকুল। বহু স্থানত আকৌ প্ৰতিটো পদক্ষেপতেই শুনা যায় মৃত্যুৰ আকুল আহ্বান। এটা খোজৰ সামান্য বিচ্যুতি ঘটিলেই বিপদ অনিবাৰ্য। তাৰ মাজতে প্ৰকৃতি ৰুষ্ট হৈ পৰিলে পৰিৱেশ অতি প্ৰতিকূল হৈ পৰে। এনে পৰিৱেশৰ মাজতে অব্যাহত আছিল বৰফৰ পাহাৰত আমাৰ অনুশীলন। বেছ কেম্পৰ পৰা মাউণ্ট এভাৰেষ্টৰ শীৰ্ষলৈ আৰোহণৰ কালত পথত থকা ক্ৰেভাছ (বৰফৰ ফাঁট, যিটোৰ গভীৰতা ৫/১০ ফুটৰ পৰা সহস্ৰাধিক ফুট হ'ব পাৰে) অতিক্ৰম কৰিবলৈ তথা বৰফৰ প্ৰাচীৰ আদি বগাবলৈ প্ৰয়োজনীয় জমাৰিং, টিপ ট' ক্লাইম্বিং আদিৰ কৌশলবোৰ আয়ত্তলৈ অনা বাবেই সেই অনুশীলনৰ ব্যৱস্থা কৰা হৈছিল। পৰ্বতাৰোহণৰ বেছিক আৰু এডভান্স মাউণ্টেইনীয়াৰিঙৰ কৰ্ছত এইবোৰ কৌশল শিকিছিলোঁ। কিন্তু দীৰ্ঘদিন অনুশীলন নকৰাৰ বাবে সেই কৌশলসমূহ পাহৰাৰ উপক্ৰম হৈছিল। সেয়ে ২৫ এপ্ৰিলৰ দিনটো অনুশীলনৰ বাবে ধাৰ্য কৰা হৈছিল। পুৱা ৯ বজাত আমি গ্লেচিয়াৰলৈ প্ৰশিক্ষণৰ বাবে যাত্ৰা কৰিছিলোঁ।

আমাৰ দলটোৰ শ্বেৰ্পা চৰ্দাৰ লাক্‌পা ৰনড্ডুক শ্বেৰ্পা আছিল ১০ বাৰকৈ এভাৰেষ্ট আৰোহণ কৰাৰ অভিজ্ঞতাৰে পুষ্ট। তেওঁ লগতে বিশ্বৰ দ্বিতীয় সৰ্বোচ্চ K-2, ৩য় সৰ্বোচ্চ শিখৰ কাঞ্চনজংঘা, চ' য়ু, মানসলু আদি হিমালয়ৰ বহু সুউচ্চ শিখৰতো বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হৈছিল। আনহাতে আমাৰ দলত থকা আন ৮ জন শ্বেৰ্পাৰ ৭ জনৰেই মাউণ্ট এভাৰেষ্টত একাধিকবাৰ আৰোহণ কৰাৰ অভিজ্ঞতা আছিল। সেয়ে দলৰ শ্বেৰ্পা চৰ্দাৰ লাক্‌পাই তুষাৰপাতৰ মাজতে আমাৰ দলটোৰ আইচ ক্ৰাফট্ (ICE-CRAFT)ৰ প্ৰশিক্ষণ অব্যাহত ৰখাৰ বাবে লোৱা সিদ্ধান্তত আমি আপত্তি কৰিবলগীয়া একো নাছিল। আমাৰ বেছ কেম্পত থকা টেণ্টবোৰৰ সমীপত থকা খুম্বু আইচফলৰ নিম্নঅংশ এই অনুশীলনৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল। অৱশ্যে ঠাইডোখৰ প্ৰায় ১৭,৫০০ ফুট উচ্চতাত থকা বেছ কেম্পৰ পৰা ২০০ ফুটমান ওপৰত আৰু ৩০০ মিটাৰমান নিলগত আছিল।



ইতিমধ্যে আমাৰ এভাৰেষ্টৰ বেছ কেম্পত অতিবাহিত হৈছিল ২২ টা দিন। মাজনিশাৰ পৰা হৈ থকা তুষাৰপাত তথা হিমাংকৰ তললৈ যোৱা শীতপ্ৰৱাহৰ বাবে বেছ কেম্প অঞ্চলত থকা বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৪২ টা এভাৰেষ্ট অভিযানকাৰী দলৰ সৰহ সংখ্যকেই নিজকে টেণ্টৰ মাজত আবদ্ধ কৰি ৰাখিছিল। সেই সময়তে আমি ওলাই গ'লোঁ বৰফৰ প্ৰাচীৰ আৰোহণৰ কৌশল অনুশীলনৰে পুনৰ আয়ত্ত কৰাৰ বাবে। অবিৰাম তুষাৰপাতৰ মাজতে অসম এভাৰেষ্ট অভিযানৰ ৯ জনীয়া অভিযাত্ৰীৰ দলটোৰ আটাইকেইজনেই আমাৰ শ্বেৰ্পা সংগীসকলৰ লগত ওলাই গৈছিল অনুশীলনলৈ। সেয়া আছিল প্ৰখ্যাত খুম্বু হিমবাহ। বেছ কেম্পৰ পৰা এই হিমবাহৰ মাজেদি অত্যন্ত বিপদসংকুল পথেৰে আৰোহণ কৰিব লাগে ১নং শিবিৰলৈ। ইতিমধ্যে এই অঞ্চলতেই দুৰ্ঘটনাত মৃত্যু হৈছে ভালেসংখ্যক এভাৰেষ্ট অভিযাত্ৰীৰ। খুম্বু হিমবাহৰ সেই স্থানত বৰফৰ নদীখন ভাঙি খণ্ড-বিখণ্ড হৈ স্তূপীকৃত বৰফৰ বহু প্ৰাচীৰৰ সৃষ্টি কৰিছে যাক খুম্বু আইচ ফল (KHUMBU ICE FALL) নামেৰে জনা যায়।

তেতিয়া নেপালৰ স্থানীয় সময় অনুসৰি দুপৰীয়া প্ৰায় ১১.৫৫ বাজিছিল। আমাৰ অনুশীলন তেতিয়া অন্তিম পৰ্যায়ত। ঠিক সেই সময়তে হঠাৎ বৰফৰ পৃষ্ঠভাগৰ পৰা ওলোৱা গুমগুমণি শব্দৰ লগতে জোঁকাৰণি অনুভৱ কৰিছিলোঁ। কি হৈছে অনুমান কৰাৰ পূৰ্বেই আমি থিয় হৈ থকা পাহাৰখনত হঠাৎ প্ৰচণ্ড জোকাৰণিৰ সৃষ্টি হৈছিল। প্ৰথমতে ভাব হৈছিল আমি থিয় হৈ থকা বৰফৰ পৃষ্ঠভাগ ভাগি পৰিব আৰু আমি তললৈ সোমাই পৰিম। তেতিয়া আমি সকলোৱে বৃহৎ ভূমিকম্প অহা বুলি জানিব পাৰি সতৰ্ক হৈ পৰিলোঁ। প্ৰায় ২ মিনিট সময় ধৰি অব্যাহত আছিল সেই জোকাৰণি। ভূমিকম্পৰ জোঁকাৰণিৰ লগে লগে দলটোৰ আটাইকেইজন সদস্য আৰু শ্বেৰ্পা এঠাইত গোট খোৱাৰ চেষ্টা কৰিলোঁ। তেনেতে হঠাৎ কাষৰ পাহাৰৰ ওপৰৰ পৰা প্ৰচণ্ড শব্দৰ সৃষ্টি হোৱা শুনিবলৈ পাই আমি মূৰ তুলি চালোঁ। দেখিলোঁ ভূমিকম্পৰ জোকাৰণিত আমাৰ পিছফালে থকা নাপ্‌চে (NUPTSE) শিখৰৰ পৰা এভালেন্স নামি আহিছে। অকল নাপ্‌চেতেই নহয়, আমা দাবলাম, লোলা (AMA DABLAM, LOLA) আদি দাঁতিকাষৰৰ শিখৰবোৰত জমা হৈ ওলমি থকা বৰফখণ্ড সেই ভূমিকম্পৰ জোকাৰণিত তললৈ খহি পৰিছিল। এভালেন্স বা সম্প্ৰপাত হৈ বৰফ খহাৰ সেই অনন্য সুন্দৰ অথচ ভয়ংকৰ শব্দই আমাক উদ্বেলিত কৰি তুলিছিল। বেছ কেম্প এলেকাত হিমানী সম্প্ৰপাতৰ ৰূপত বৰফৰ বিশাল খণ্ড দ্ৰুত গতিত তললৈ খহি পৰাটো এক নৈমিত্তিক ঘটনা। কিন্তু ৮.২ প্ৰাবল্যৰ সেই ভূমিকম্পই বৰফৰ পাহাৰসমূহ জোকাৰি দিয়াৰ লগে লগে সম্পূৰ্ণ পৰিৱেশ সলনি হৈ গৈছিল। প্ৰকৃতিও যেন অধিক ৰুষ্ট হৈ পৰিছিল। আৰু সৃষ্টি কৰিছিল কেইবাটাও এভালেন্সৰ। সেইবোৰ



চাই থাকোঁতেই হঠাৎ শুনিলোঁ আটাইতকৈ ভয়ংকৰ বিস্ফোৰণৰ এক প্ৰচণ্ড গৰ্জন। পিছলৈ ঘূৰি চাই দেখোঁ বেছ কেম্পৰ পৰা প্ৰায় ২-৩ কিলোমিটাৰ মান নিলগত থকা পুমʼৰি (PUMORI) শিখৰৰ প্ৰায় শীৰ্ষৰ পৰা বাগৰি পৰিছে এক বিশাল বৰফখণ্ড। সেই বৰফখণ্ডই সৃষ্টি কৰিলে এক অতিশয় হিমানী সম্প্ৰপাত (AVALANCHE)। পুমʼৰি শিখৰক নেপালীসকলে সাগৰ মাথা (মাউণ্ট এভাৰেষ্টক নেপালীসকলে সাগৰ মাথা বুলি কয়)ৰ জীয়ৰী বুলি বিশ্বাস কৰে। পুমʼৰিৰ পৰা নামি অহা হিমানী সম্প্ৰপাতে আমি চাই থাকোঁতেই এক বিশালাকাৰ আয়তন ধাৰণ কৰি প্ৰলয়ৰ ৰূপ লʼলে। বৰফৰ সেই ভয়ংকৰ দৈত্যই দ্ৰুত গতিত ৭-৮ ছেকেণ্ড মানৰ ভিতৰতে আঘাত কৰিলেহি আমাৰ বেছ কেম্প। বেছ কেম্পত থকা আমাৰ টেণ্টসমূহ হিমানী সম্প্ৰপাতৰ প্ৰচণ্ড খুন্দাত কাগজৰ দৰে বহু দূৰলৈ উৰি যোৱা প্ৰত্যক্ষ কৰিলোঁ। সেই সময়ত আমাৰ কৰিবলগীয়া একো নাছিল বা আমি কৰিব পৰা একোৱেই নাছিল। সকলো আছিল আমাৰ সাধ্যৰ বাহিৰত। আৰু তাৰ প্ৰায় লগে লগেই সেই দৈত্য দ্ৰুতগতিত অগ্ৰসৰ হয় আমি থকা স্থানৰ ফালে। দুৰন্ত গতিত সেই দৈত্যই আমাক গ্ৰাস কৰিবলৈ বেছ কেম্পৰ পৰা আমাৰ ফালে ওপৰলৈ উঠি আহিল। মৃত্যু অৱধাৰিত বুলি ভাবি আমাৰ অভিযাত্ৰী আৰু শ্বেৰ্পাৰ দলটোৱে গোলাকাৰভাৱে কান্ধত কান্ধ মিলাই ইজনে সিজনক সাবটি ধৰি আঁঠুত সামান্য ভৰি ভাজ কৰি লৈ অলপ চাপৰি এভালেন্স পজিশ্যন বা হিমস্খলনৰ সাৱধানতা লওঁ। আমি এনে কৰাৰ কাৰণটো আছিল বৰফৰ সেই দৈত্যই যাতে আমাক গ্ৰাস কৰি উৰুৱাই নিব নোৱাৰে। আমি কিবা প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ পূৰ্বেই সোমাই পৰোঁ এভালেন্সৰ গ্ৰাসত। আৰু মূৰৰ ওপৰেদি পাৰ হৈ যোৱা সেই দৈত্যই আমাক হেঁচা মাৰি

ধৰে। এভালেন্সে কঢ়িয়াই অনা বৰফে আমাক সম্পূৰ্ণৰূপে পুতি পেলায়। বৰফত পোত যোৱাৰ ফলত আমাৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। আৰু আমি চৌদিশে অন্ধকাৰ দেখিলোঁ। লগে লগে আমি আটাইকেইজনে বৰফৰ মাজৰ পৰা মূৰ উলিয়াই পোনকৈ থিয় হওঁ। এনেদৰে কিছু সময় উশাহ লোৱাৰ পিছতহে আমাৰ গালৈ তত্ ঘূৰি আহে। তেনেকৈ ভয়-শংকাৰ মাজত কেইটামান মুহূৰ্ত পাৰ কৰাৰ পিছতহে আমি ইজনে সিজনলৈ চাওঁ। সকলোকে সুকলমে দেখা পাই আটায়ে স্বস্তিৰ নিশ্বাস পেলাওঁ। সৌভাগ্যক্ৰমে বেছ কেম্পৰ পৰা আমি থকা স্থান প্ৰায় এশ মিটাৰমান উচ্চতাত হোৱাৰ বাবে ওপৰলৈ ধাৱমান হোৱা এই হিমানী সম্প্ৰপাতৰ গতি হ্ৰাস হৈ আমাক অতিক্ৰম কৰাৰ পিছতেই সেই দৈত্যৰ শক্তি নোহোৱা হৈ পৰে। দৈত্যৰ গ্ৰাসৰ পৰা মুক্ত হৈ আমাৰ কাপোৰ-কানিবোৰৰ পৰা বৰফ জোকাৰি চৌপাশে লক্ষ্য কৰোঁ। বেছ কেম্পৰ ফালে চাই দেখোঁ আমাৰ টেণ্টবোৰৰ কোনো অস্তিত্ব নাই। আমি তাত পতা ১০টা টেণ্টৰ ৩-৪টা মানহে স্ব-স্থানত বৰ্তি আছে। বাকীবোৰ টেণ্ট ইতিমধ্যে প্ৰচণ্ড গতিত ধাৱমান হিমানী সম্প্ৰপাতে বহু দূৰলৈ উৰুৱাই নি পুতি পেলাইছে। পুম'ৰি শিখৰৰ শীৰ্ষভাগৰ পৰা খহি অহা এই বৰফৰ ধলে আমাৰ মূৰৰ ওপৰ পোৱালৈ প্ৰায় ১০ ছেকেণ্ডমান সময় লাগিছিল। ইয়াৰ পৰা অনুমান কৰিব পাৰি কিমান দুৰ্বাৰ গতি আছিল সেই বৰফৰ দৈত্যৰ। আমি লগত নিয়া পৰ্বতাৰোহণৰ সা-সামগ্ৰীসমূহ ইতিমধ্যে বৰফত পোত গৈছিল। সেইবোৰ বৰফৰ মাজৰ পৰা বিচাৰি উলিয়াই আমি ধাৱমান হ'লোঁ বেছ কেম্পৰ ফালে।

এক নতুন জীৱন লাভ কৰাৰ দৰে উপলব্ধি হ'ল। তাত থকা আমাৰ সা-সৰঞ্জামবোৰ উদ্ধাৰ কৰি লৰালৰিকৈ নামি আহিলোঁ বেছ কেম্প



অঞ্চললৈ। আহি দেখিলোঁ এক বিধ্বস্ত পৰিৱেশ। সেই অঞ্চলত শিবিৰ পতা দলসমূহৰ টেণ্ট তথা অন্য সামগ্ৰীসমূহ ভাগি চুৰ্ণীকৃত হৈ চৌপাশে সিঁচৰতি হৈ আছিল। বেছ কেম্পলৈ আহি এক দুঃখজনক পৰিস্থিতিৰ মুখামুখি হ'লোঁ। গম পালোঁ কেইবাজনো বিদেশী পৰ্বতাৰোহীৰ সৈতে শ্বেৰ্পাৰ মৃত্যু হৈছে। দুটা ভিন্ন অভিযানৰ দুগৰাকী বিদেশী পৰ্বতাৰোহীৰ মৃতদেহ সেই সময়ত পৰি আছে আমাৰ শিবিৰ এলেকাত। বেছ কেম্পত আমাৰ শিবিৰৰ পৰা কিছু নিলগত বাহৰ পতা দুটা ভিন্ন অভিযানৰ দুয়োগৰাকী চিকিৎসক আছিল। এগৰাকী আছিল চীনা মহিলা চিকিৎসক। তেওঁ স্নফলৰ বাবে টেণ্টৰ ভিতৰত শ্লিপিং বেগৰ উমৰ মাজত সোমাই কিতাপ পঢ়াত ব্যস্ত থাকোঁতেই দ্ৰুতবেগী হিমানী সম্প্ৰপাতে টেণ্টসহ তেওঁক উৰুৱাই নিয়ে। আমাৰ শিবিৰ এলেকাত সেই বৰফৰ দৈত্যই থেকেচি দিয়াত মহিলা চিকিৎসকগৰাকীৰ কৰুণ মৃত্যু হয়। অন্য এটা আন্তঃৰাষ্ট্ৰীয় অভিযানকাৰী দলৰ লগত চিকিৎসক হিচাপে অহা আমেৰিকান ব্যক্তি এজনৰো মৃতদেহ আমাৰ শিবিৰ এলেকাত উদ্ধাৰ হয়। পিছত জানিব পৰা মতে সেই শোকাৱহ ঘটনাত ১৯ গৰাকী পৰ্বতাৰোহীৰ ঘটনাস্থলীতে শোকাৱহ মৃত্যু হোৱাৰ লগতে আন এজনৰ পিছত চিকিৎসালয়ত মৃত্যু হয়। সেই ভয়াৱহ সংঘটনত আহত হয় ৫০ ৰো অধিক পৰ্বতাৰোহী। ইয়াৰে অধিকসংখ্যকেই অবিৰাম তুষাৰপাতৰ বাবে টেণ্টৰ ভিতৰত নিৰাপদ আশ্ৰয় লৈছিল। সেই মুহূৰ্তত নেদেখাজনৰ প্ৰতি কৃতজ্ঞতাৰে মন-প্ৰাণ ভৰি উঠিছিল। ভাবিছিলোঁ সেইদিনা আমি অনুশীলনলৈ নগৈ বেছ কেম্পত থকা হ'লে আমাৰ কি হ'লহেঁতেন? ৰাখে হৰি মাৰে কোনে— এই আপ্তবাক্যশাৰী আমাৰ দলৰ দুই বেছ কেম্প মেনেজাৰ শৈলেন আৰু অমৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ল। পুৰা আমাৰ ৯জনীয়া পৰ্বতাৰোহী দলটো আইচ ক্ৰাফটৰ

প্ৰশিক্ষণ ল'বলৈ যাওঁতে শৈলেন আৰু অমৰ আমাৰ লগত যোৱা নাছিল। প্ৰায় ১১ মান বজাত আমাক চাহ দিবলৈ যোৱাৰ সময়ত অমৰে লগ ধৰোঁতে শৈলেন বৰফ পৰি থকা বাবে টেণ্টৰ পৰা ওলাই যাব বিচৰা নাছিল। কিন্তু অমৰে একপ্ৰকাৰ জোৰ কৰি শৈলেনক উলিয়াই লৈ যায়। দুয়ো গৈ আমাৰ ওচৰ পোৱাৰ সময়তে ঘটিল সেই বৃহৎ অঘটন। শৈলেন টেণ্টত সোমাই থকা হ'লে কি হ'লহেঁতেন ভাবিয়েই শিয়ৰি উঠিলোঁ। দেখিলোঁ শৈলেনৰ টেণ্টটোও ছিটিকি ক'ৰবাত পৰি আছে। সেই সময়ত শৈলেনে বাৰে বাৰে ধন্যবাদ দিলে অমৰক। আমি এভাৰেষ্ট অভিযানৰ পূৰ্বে মঠ-মন্দিৰত কৰা প্ৰাৰ্থনাৰ বাবেও হয়তো নেদেখাজনৰ আশীৰ্বাদ লাভ কৰিলে দলটোৱে। প্ৰায় ৩ কিলোমিটাৰ দীঘল বেছ কেম্প এলেকাৰ মাজৰ অংশত আমাৰ লগতে বেছ কেম্প স্থাপন কৰা প্ৰায়কেইটা দলেই ক্ষতিগ্ৰস্ত হৈছিল। বেছ কেম্প আহি পায়ে আমাৰ দলৰ চিকিৎসক ডাঃ জগদীশ বসুমতাৰী নামি পৰিছিল আহতসকলক চিকিৎসা প্ৰদানত। ডাঃ জগদীশে চিকিৎসা দি থকা অৱস্থাতে এজন গুৰুতৰভাৱে আহত শ্বেৰ্পাই শেষ নিশ্বাস ত্যাগ কৰে।

বেছ কেম্প এলেকাত আক্ৰান্ত আন দলবোৰলৈ সহায়ৰ হাত আগ বঢ়োৱাৰ লগতে আমি নামি পৰিলোঁ বৰফে ছিটিকাই দূৰৈত পেলোৱা আমাৰ টেণ্টসমূহ উদ্ধাৰত। মই মোৰ নিজৰ টেণ্টটো উদ্ধাৰ কৰিছিলোঁ প্ৰায় ১০০ ফুট নিলগৰ বৰফৰ মাজৰ পৰা। আমাৰ টেণ্টবোৰৰ পৰা বহু বস্তু ওলাই পৰিছিল। ফাটি ছিন্নভিন্ন হোৱা টেণ্টবোৰৰ পৰা প্ৰচণ্ড শীত তথা তুষাৰপাতৰ মাজতে আমাৰ সামগ্ৰীসমূহ উদ্ধাৰ কৰি এঠাইত তিৰপাল পাৰি জমা কৰোঁ। আৰু ততাতৈয়াকৈ তললৈ নামিবলৈ সিদ্ধান্ত লওঁ।

সেই দিনাৰ আন এটা কথা মনত পৰিলে আজিও হাঁহি উঠে। ৩ এপ্ৰিলত ঘৰ এৰাৰ পিছৰে পৰাই জিভাই মাছৰ সোৱাদ পোৱা নাছিল।



সেয়ে দুদিনমানৰ প্ৰস্তুতিৰে বেছ কেম্প মেনেজাৰ অমৰ ডেকাই কাঠমাণ্ডুৰ পৰা হেলিকপ্টাৰেৰ মাছ অনাৰ ব্যৱস্থা কৰিছিল আমাৰ দলটোৰ বাবে। অমৰে থেকেৰাৰে মাছৰ টেঙা ৰান্ধিবৰ কাৰণে দলটোৰ লগত থকা ৰান্ধনিৰ জৰিয়তে বিশেষ ব্যৱস্থা কৰিছিল। জলপান খাই আশাৰে ওলাই গৈছিলোঁ দুপৰীয়া মাছৰ টেঙাৰে ভাত এসাঁজ ভালকৈ খাম। কিন্তু আমাৰ সেই আশাত পৰিল চেঁচা পানী। হিমানী সম্প্ৰপাতে আমি আশ্ৰয় লোৱা টেণ্টসমূহৰ লগতে পাকঘৰ থকা তম্বু আৰু ডাইনিং টেণ্টটো চাঁহি-মুহি উৰুৱাই নি ছিন্ন-ভিন্ন কৰি পেলায়। সেই বৰফৰ দৈত্যই আমাৰ অন্য খাদ্য-সামগ্ৰীসমূহৰ লগতে কাঠমাণ্ডুৰ পৰা অনা মাছৰ টেঙাৰ আঞ্জাও গ্ৰাস কৰে।

বেছ কেম্পত আশ্ৰয় আৰু খাদ্য-সামগ্ৰীৰ অভাৱত আমি লগে লগে ওভতনি যাত্ৰা কৰাৰ সিদ্ধান্ত লওঁ। সেই সময়ত বেছ কেম্পত শিবিৰ সামৰি সকলো দলেই উভতিবলৈ বাধ্য হৈছিল। আহতসকলকো দলবোৰৰ সতীৰ্থসকলে চাঙী কৰি বান্ধি দাংকোলাকৈ তললৈ নি থকা দেখিবলৈ পাইছিলোঁ। ভোক-পিয়াহত জৰ্জৰিত হৈ আমি আৰম্ভ কৰিছিলোঁ ওভতনি যাত্ৰা। এভাৰেষ্ট বেছ কেম্পলৈ লুকলা নামৰ ঠাইখনৰ পৰা প্ৰায় ১০ দিনৰ পথ ট্ৰেকিং কৰি আৰোহণ কৰিব লাগে যদিও ওভতনি যাত্ৰা ৫-৬ দিন মানৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰি। গোৰখশ্বেপ নামৰ এভাৰেষ্ট বেছ কেম্পত থকা অন্তিমখন পৰ্যটক নিবাসলৈ নামি আহিবলৈ বাধ্য হৈছিলোঁ দুখে-ভাগৰে জৰ্জৰিত হৈ। তেতিয়া সন্ধিয়া লাগি ভাগিছিল। তেতিয়াও বৰফ পৰা বন্ধ হোৱা নাছিল। দলৰ শ্বেৰ্পাকেইজন আগতেই নামি আহি গোৰখশ্বেপৰ সন্মুখত থকা বিশাল উপত্যকাটোত বৰফৰ ওপৰতে কেইটামান টেণ্ট তৰিছিল আমাৰ নিশাৰ

আশ্ৰয়ৰ বাবে। কিন্তু আমাৰ দলটো অত্যন্ত ভাগৰুৱা হৈ পৰাৰ বাবে লিডাৰ মানসে গোৰখশ্বেপৰ ল'জকেইটাত আমাৰ বাবে ৰুম বিচাৰিবলৈ নিৰ্দেশ দিলে শ্বেৰ্পাকেইজনক। তাৰে এটা ল'জত আমাৰ থকাৰ ব্যৱস্থা হ'ল। ৰুমত সোমাই স্বস্তিবোধ কৰিলোঁ। সেই পুৱাই আহাৰ গ্ৰহণ কৰি যাত্ৰা কৰিছিলোঁ। মানসিকভাৱে আমি সম্পূৰ্ণৰূপে বিধ্বস্ত। বেছ কেম্পত প্ৰকৃতিৰ সেই মুহূৰ্তৰ তাণ্ডৱে সম্পূৰ্ণ অনিশ্চয়তাৰ মাজত পেলাই দিলে আমাৰ বছৰজোৰা এভাৰেষ্ট অভিযানৰ প্ৰস্তুতি।

১৯৮২ চনত হিমালয়ত প্ৰথম ভৰি দিওঁতেই সপোন দেখিছিলোঁ এভাৰেষ্ট আৰোহণৰ। প্ৰয়াত পৰ্বতাৰোহী নেছিম (আখতাৰ) বাইটীৰ নেতৃত্বত নেপাল-হিমালয়ৰ হেলেম্বু অঞ্চললৈ এক ট্ৰেকিং অভিযানত অংশ লৈছিলোঁ। সেই অভিযানত যাওঁতেই এঠাইত দেখিছিলোঁ গিৰিৰাজ হিমালয়ৰ বহুবোৰ শুভ্ৰ-কিৰীট পৰিহিত শিখৰৰ মাজত ২৯,০৩৫ ফুট (৮,৮৫০ মিটাৰ) উচ্চতাৰ সাগৰমাথা অৰ্থাৎ মাউণ্ট এভাৰেষ্টক। তেতিয়াই মনত এক সপোন তথা হেঁপাহে থিতাপি লৈছিল— বিশ্বৰ সৰ্বোচ্চ চূড়াত থিয় হৈ তলৰ পৃথিৱীখন চাম! পৰৱৰ্তী সময়ত কাশ্মীৰ-কিষ্টৱাৰ হিমালয়ৰ পৰা পঞ্জাৱ-হিমাচল-কুমাউন-গাৰোৱাল-নেপাল-দাৰ্জিলিং-চিকিম হিমালয়লৈ প্ৰতি বছৰেই বহু অভিযানত অংশ লৈছিলোঁ। কিন্তু এভাৰেষ্ট জয়ৰ সেই সপোন পূৰ্ণ কৰাৰ সুযোগ পোৱা নাছিলোঁ। বয়সৰ লগে লগে সেই সপোন ক্ৰমাৎ স্তিমিত হৈ পৰিছিল। কিন্তু নেছিম বাইটীয়ে পুনৰ মনত জগাই তুলিলে এভাৰেষ্ট জয় কৰাৰ সপোন। বাইটীয়ে লগ পালেই কৈছিল— দেশৰ অন্য প্ৰান্তৰ পৰ্বতাৰোহীয়ে যেতিয়া পাৰিছে অসমৰ পৰ্বতাৰোহীয়ে এভাৰেষ্টৰ শীৰ্ষত থিয় হ'ব নোৱাৰিব কিয়? বাইটীয়ে আমাৰ এই সপোন



বাস্তৱায়িত কৰাৰ বাবে পদক্ষেপ লৈ প্ৰাক-এভাৰেষ্ট অভিযানৰ আয়োজন কৰিছিল। কিন্তু বাইটীৰ অকাল বিয়োগে সেই প্ৰচেষ্টাত যতি পেলালে। পিছত মোৰ হেঁপাহৰ লগতে বাইটীৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে ২০১৩ চনত মই এটা আন্তঃৰাষ্ট্ৰীয় পৰ্বতাৰোহী দলৰ সৈতে এভাৰেষ্টলৈ এক অভিযানত অংশ লৈছিলোঁ। কিন্তু প্ৰতিকূল বতৰৰ বাবে সেই অভিযান কালত মই প্ৰায় ২৫,০০০ ফুট উচ্চতাত থকা এভাৰেষ্টৰ ৩ নং শিবিৰৰ পৰা হতাশ মনোৰথে উভতি আহিবলৈ বাধ্য হৈছিলোঁ। সেই অভিযানৰ ব্যৰ্থতাই মনত আঘাত দিছিল যদিও থিৰাং কৰিছিলোঁ— এভাৰেষ্টলৈ পুনৰ যাম ফুলাম গামোচা উৰুৱাবলৈ। তাৰ পৰৱৰ্তী বছৰত অসমৰ তৰুণ শইকীয়া আৰু মণিষ ডেকাই উত্তৰ-পূৰ্বাঞ্চলৰ এটা পৰ্বতাৰোহী দলৰ সৈতে এভাৰেষ্টৰ শীৰ্ষত থিয় হৈ প্ৰথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী হোৱাৰ গৌৰৱ অৰ্জন কৰে। তাৰে আলম লৈ ২০১৫ চনত মানস বৰুৱাৰ নেতৃত্বত 'অসম এভাৰেষ্ট অভিযান' নাম দি আমি এভাৰেষ্টলৈ এক অভিযান চলাইছিলোঁ। ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত অসম পৰ্বতাৰোহণ সন্থাৰ উদ্যোগত আয়োজিত এই অভিযানত এক্সপ্ল'ৰাৰ্চ, শিখৰ, কাৰ্বি আংলং পৰ্বতাৰোহণ সন্থা আদি সংগঠনে সহযোগ কৰে। দলটোৰ আন সদস্যসকল আছিল উপেন চক্ৰৱৰ্তী, ডাঃ জগদীশ বসুমতাৰী, হেনৰী ডেভিড টেৰণ, বিপ্লৱ চহৰীয়া, নন্দ দুলাল দাস, খৰছিং ইংতি আৰু পৰাগ দাস। আনহাতে দলটোৰ বেছ কেম্প মেনেজাৰৰ দায়িত্ব বহন কৰিছিল অমৰ ডেকা আৰু শৈলেন দাসে। কিন্তু এইবাৰো এইদৰে প্ৰকৃতিৰ বিভীষিকাৰ বাবেই এভাৰেষ্ট জয় কৰাৰ সপোন আধাতে সামৰি উভতি আহিবলগীয়া হোৱাত মন ব্যথিত হৈ পৰিছিল। এভাৰেষ্টত বিজয়ধ্বজা উৰুৱাবলৈ সক্ষম হ'ম নে— এই প্ৰশ্নই মোৰ মনোজগত আলোড়িত কৰি থকাৰ সময়ত মনত সংকল্প লৈছিলোঁ এভাৰেষ্টলৈ আকৌ যাম দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত কৰাৰ বাবে।

**কঠিন শব্দৰ অৰ্থ ঃ**

শুভ্ৰ — বগা।
প্ৰতিৰোধ — বাধা, বিঘিনি।
তুষাৰ — বৰফ, হিম।
অনুশীলন — অভ্যাস, চৰ্চা।
হিমানী সম্প্ৰপাত — পৰ্বতৰ গাৰে শিলাস্তম্ভৰ সৈতে বৈ অহা বৰফৰাশি ।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। এভাৰেষ্ট আৰোহণ কৰাৰ সময়ত লেখক তথা তেওঁৰ সতীৰ্থই কি পৰিধান কৰিছিল?

২। পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট সমুদ্ৰ পৃষ্ঠৰ পৰা কিমান ফুট উচ্চতাত অৱস্থিত?

৩। অসম এভাৰেষ্ট অভিযানৰ ৯ জনীয়া অভিযাত্ৰী দলটিয়ে আৰোহণৰ কৌশল অনুশীলনৰ বাবে ওলাই যোৱা হিমবাহ ক্ষেত্ৰৰ নাম কি আছিল?

৪। নেপালীসকলৰ জনবিশ্বাস মতে সাগৰ মাথা বা মাউণ্ট এভাৰেষ্টৰ জীয়ৰী বুলি কাক জনা যায়?

৫। লেখক তথা তেওঁৰ সতীৰ্থবৃন্দই কাৰ নেতৃত্বত ২০১৫ চনত 'অসম এভাৰেষ্ট অভিযান' নাম দি এভাৰেষ্টলৈ অভিযান চলায়?



**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। হিমানী সম্প্ৰপাতৰ প্ৰলয়ংকৰী ৰূপক প্ৰতিহত কৰি 'অসম এভাৰেষ্ট অভিযান'ৰ দলটোৱে নিজকে মৃত্যুপথৰ পৰা উদ্ধাৰ কৰিবলৈ কেনেধৰণৰ কৌশল অৱলম্বন কৰিছিল?

২। দ্ৰুতবেগী হিমানী সম্প্ৰপাতৰ ওচৰত জীৱনে হাৰ মনা এভাৰেষ্টৰ ভিন্ন অভিযানৰ চিকিৎসক দুগৰাকী কোন কোন ৰাষ্ট্ৰৰ আছিল?

৩। 'KHUMBO ICE FALL' বুলিলে কি বুজা?

৪। কাৰ নেতৃত্বত কোন অঞ্চললৈ ট্ৰেকিং অভিযানত অংশ লওঁতে লেখকৰ মনত এভাৰেষ্ট আৰোহণৰ সপোন ৰোপিত হৈছিল?

৫। প্ৰথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী দুজন কোন কোন আছিল?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। লেখকৰ অনুশীলনৰ অন্তিম পৰ্যায়ত অহা ভূমিকম্পৰ জোকাৰণিত নামি অহা হিমানী সম্প্ৰপাতে অভিযানকাৰী দলক কি পৰিস্থিতিৰ মুখামুখি কৰাইছিল?

২। হিমানী সম্প্ৰপাতৰ পিছত অভিযানকাৰী দলটিয়ে নিজৰ কেম্পলৈ গৈ বৰফৰ দৈত্যৰ কেনে ধ্বংসলীলা দেখিছিল?

৩। এভাৰেষ্ট অভিযানৰ সংশয়ৰ দিন এটিত লেখকৰ মনত হাঁহিৰ খোৰাক জন্মোৱা ঘটনাটো কি আছিল?

৪। প্ৰয়াত পৰ্বতাৰোহী নেছিম আখতাৰ আৰু লেখকৰ মাজত হোৱা কথোপকথনৰ এটি চমুটোকা যুগুত কৰা।

৫। ‘অসম এভাৰেষ্ট অভিযান’ দলটিৰ ওভতনি যাত্ৰা কেনেকুৱা আছিল ব্যাখ্যা কৰা।

**পাঠবোধ ঃ**

লেখকে এভাৰেষ্ট জয়ৰ সপোন বুকুত বান্ধি একুৰিৰো বেছিদিন সংশয় আৰু বিভীষিকাৰ মাজেৰে হিমালয়ৰ বুকুতে কটায়। এনে পৰ্বত আৰোহণৰ আঁৰত ধৈৰ্য, আত্মবিশ্বাস, দৃঢ় মনোবল আৰু কঠোৰ পৰিশ্ৰমৰ যে প্ৰয়োজন তাকো ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰিব পাৰিব। এনে দুঃসাহসিক অভিযানত শাৰীৰিক শক্তিৰ লগতে মানসিক শক্তিৰো যে প্ৰয়োজন তাকো ইয়াত দেখুওৱা হৈছে। কিন্তু প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশত কিছু সময়ৰ বাবে এনে দুঃসাহসিক অভিযান স্থৱিৰ হ’লেও সপোন বাস্তৱায়িত কৰাৰ বাবে মনত সংকল্প বৰ্তাই ৰখা প্ৰয়োজন। সফলতাৰ বাবে এক ধৰণৰ সপোন দেখিবই লাগিব। সাময়িকভাৱে সপোন ভাগি গ’লেও নেৰানেপেৰা চেষ্টাইহে সপোনক বাস্তৱলৈ ৰূপান্তৰিত কৰাৰ পথ উজু কৰে।

**ওপৰঞ্চি তথ্য ঃ**

এগৰাকী সংবাদকৰ্মী হোৱাৰ উপৰি লেখক বৰদলৈ পৰ্বত আৰোহণ, চাইক্লিং, পেৰামটাৰিং, পেৰা জাম্পিং, ৰাফ্টিং আদিৰ দৰে দুঃসাহসিক কাৰ্যৰ সৈতে জড়িত হৈ সফলতা লাভ কৰিছে। উল্লেখযোগ্য যে, প্ৰথম অসমীয়া এভাৰেষ্ট আৰোহণকাৰী তৰুণ শইকীয়া আৰু মনিষ ডেকা পৰ্বত আৰোহণকাৰীসকলৰ বাবে অন্যতম প্ৰেৰণা স্বৰূপ। ২০১৬ চনত এভাৰেষ্ট জয় কৰা চাৰিগৰাকী অসমীয়া হ’ল— নৱ ফুকন, হেনৰি ডেভিদ টেৰণ, খৰছিং তেৰাং আৰু নন্দ দুলাল দাস।



**শিক্ষকৰ প্ৰতি ঃ**

পৰ্বত আৰোহণ অভিযান কিয় এক দুঃসাহসিক কাৰ্য সেই কথা ছাত্ৰ-ছাত্ৰীক বুজাই দিব। লগতে এভাৰেষ্ট শৃংগৰ ভৌগোলিক অৱস্থান, উচ্চতা তথা ইয়াৰ লগত প্ৰাসঙ্গিক তথ্য কিছু ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱা উচিত। হিমালয় তথা এভাৰেষ্ট আৰোহণকাৰী বিভিন্ন অভিযানকাৰী দল, সংস্থা সম্বন্ধে কিছু তথ্য দাঙি ধৰা উচিত। এই ধৰণৰ পাঠ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক শক্তি বৃদ্ধিত যে সহায়ক হয় সেই কথাও বুজাই দিব।

# বিয়াৰ প্ৰেজেণ্ট

**চৈয়দ আব্দুল মালিক**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

চুটিগল্প হ'ল মানৱ মনৰ আশা-আকাংক্ষা, হৰ্ষ-বিষাদ আদি বিবিধ অনুভূতিৰ সুসংহত শৈল্পিক প্ৰকাশ। লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটিগল্পই ইতিমধ্যে এশ বছৰ অতিক্ৰম কৰিছে। এই সুদীৰ্ঘ কালছোৱাত বহু গল্পকাৰে অসমীয়া চুটিগল্পৰ ধাৰাটো সমৃদ্ধ কৰাত অৱদান আগবঢ়াইছে। তাৰ ভিতৰত চৈয়দ আব্দুল মালিক অন্যতম। অসমীয়া গল্প-সাহিত্যত আজিলৈকে মালিকেই হ'ল সৰ্বাধিক গল্পৰ ৰচয়িতা। মানৱতাবোধ তেওঁৰ গল্পৰ অন্যতম বৈশিষ্ট্য। সহজ-সৰল ভাষাৰে ৰচনা কৰা সুখপাঠ্য আৰু মানৱতাবোধেৰে পুষ্ট গল্পৰ পৰিচয় দিবলৈকে এই গল্পটো নিৰ্বাচন কৰা হৈছে।

### গল্পকাৰ পৰিচিতি ঃ

চৈয়দ আব্দুল মালিক (১৯১৯-২০০০)ৰ জন্ম হয় গোলাঘাট জিলাৰ নাহৰণি গাঁৱত। বহুমুখী প্ৰতিভাৰ অধিকাৰী মালিক একাধাৰে ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, কবি, ব্যংগলেখক, গৱেষক, গীতিকাৰ, শিশু-সাহিত্যিক আৰু ৰাজনীতিক। তেওঁ দুইকুৰিখনতকৈও অধিক উপন্যাস ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত 'ৰথৰ চকৰি ঘূৰে', 'সূৰুযমুখীৰ স্বপ্ন', 'পহুমৰা হাবিৰ বাট', 'জেতুকা পাতৰ দৰে', 'ৰূপতীৰ্থৰ যাত্ৰী', 'ধন্য নৰ তনু ভাল', 'অঘৰী আত্মাৰ কাহিনী', 'ৰূপাবৰিৰ পলস' আদি প্ৰধান। 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসখনৰ



বাবে তেওঁ ১৯৭২ চনত সাহিত্য অকাদেমি বঁটা লাভ কৰে। 'পৰশমণি' তেওঁৰ প্ৰথম প্ৰকাশিত চুটিগল্প সংকলন। তাৰ পাছত 'এজনী নতুন ছোৱালী', 'ৰঙাগড়া', 'প্ৰাণাধিকা', 'মৰম মৰম লাগে' আদি চুটিগল্প সংকলন প্ৰকাশ পায়। 'মাজত মাথোঁ হিমালয়' তেওঁৰ দ্বাৰা ৰচিত ভ্ৰমণ-কাহিনী। এই গ্ৰন্থখনৰ বাবে ১৯৬৫ চনত 'চোভিয়েট দেশ নেহৰু বঁটা' লাভ কৰে। এইবোৰৰ উপৰি 'অসমীয়া জিকিৰ আৰু জাৰি', 'আজান ফকীৰ আৰু সুৰীয়া জিকিৰ', 'চুফী আৰু চুফীবাদ' আদি তেওঁৰ গৱেষণামূলক গ্ৰন্থ। চৈয়দ আব্দুল মালিকৰ উপন্যাস, গল্প আদিৰ মাজেৰে অসমীয়া সমাজ-সংস্কৃতিৰ প্ৰতিফলন ঘটাৰ উপৰি মানৱতাবোধ উজ্জ্বল ৰূপত পৰিস্ফুট হৈছে। আনহাতে, গৱেষণামূলক ৰচনাৰাজিৰ মাজত চিন্তাশীলতা, অনুসন্ধিৎসু আদিৰ প্ৰকাশ দেখা যায়।

### মূল পাঠ ঃ

আমি দুয়ো লগ লাগি হিচাপ কৰি চালোঁ ঃ

ঘৰৰ পৰা বাছ ষ্টেচনলৈ তিনি কিলোমিটাৰ। ৰিক্সা ভাড়া ৫ টকা। বাছ ভাড়া ১০ টকা। সিফালে বাছ ষ্টেচনৰ পৰা ৰিক্সা ভাড়া ৫ টকা।

যাওঁতে এজনৰ পৰিব ২০ টকা।

দুজনৰ পৰিব ৪০ টকা।

ঘূৰি আহোঁতে আকৌ ৪০ টকা।

মুঠ অহা-যোৱাত খৰচ পৰিব ৮০ টকা।

এটা প্ৰেজেণ্ট— বিয়াৰ উপহাৰ— কমেও ৫০ টকা।

তাৰ মানে আমি দুজন গৈ বিয়া খাই, বিয়াৰ প্ৰেজেণ্ট দি ঘূৰি আহিবলৈ লাগিব মুঠতে ১৩০ টকা। তাৰ মানে মুঠ খৰচ হ'ব ১৩০ টকা। হাতত টকা আছে দুশ। নহ'বগৈ। দুজন যোৱাটো নহ'ব। বাছ-ৰিক্সাৰ ভাড়াও কমাব নোৱাৰি। উপহাৰৰ খৰচো কমাব নোৱাৰি। তাতে মাহটো শেষ হ'বলৈ এতিয়াও দহ দিন আছে। একেবাৰে হাত খালী

কৰি পেলোৱাটো ভাল কথা নহ'ব। অন্য হেজাৰ টকীয়া, পাঁচ শ টকীয়া, নহ'লেও, শইকীয়াই দামী প্ৰেজেণ্ট দিব। আমিতো নাই বুলিও পঞ্চাছ-ষাঠি টকীয়া কিবা এটা দিব লাগিব। আৰু যদি কইনাৰ প্ৰেজেণ্টটোৰ লগতে বিয়া ঘৰলৈ বুলি এক কেজিমান চানাৰ মিঠাই নিয়া যায়, তাৰ কাৰণেও লাগিব, কমেও ৫০ টকা।

মুঠ— তাৰ মানে, ১৮০ টকা বা ১৯০ টকা বা কম-বেছি দুশ টকা। হাতত আছে মাত্ৰ দুশ টকা।

ইম্‌পচিব্‌ল! অসম্ভৱ! দুজনৰ যোৱাটো নহ'ব। ইপিনে বিয়াখনলৈ নগ'লেও নহয়। নগৰৰ বিখ্যাত মানুহ ৰিটায়াৰ্ড হাকিম আহমেদ চাহেবৰ নুমলীয়া জীয়েকৰ বিয়া। মোৰ পৰিবাৰ নাজিয়াৰ সম্পৰ্কীয় মোমায়েকৰ জীয়েক, অৰ্থাৎ ভনীয়েকৰ বিয়া। আহমেদ হাকিমৰ নিজ পৰিয়ালৰ শেষ বিয়া আৰু দিবলৈও নাই, আনিবলৈও নাই। তাতে আমি যেতিয়াই টাউনলৈ যাওঁ, তেতিয়াই আহমেদ হাকিমৰ ঘৰলৈ এপাক নেমাৰি নাথাকোঁ। গ'লেই চাহ-ভাত তেওঁলোকৰ ঘৰতে খাই আহোঁ। এতিয়া আমি বিয়াখনলৈ নগ'লে বৰ বেয়া কথা হ'ব। কোনোবা এটা যাবই লাগিব। নাজিয়াৰ আপোন মানুহ, তেৱেঁই যাওক। আজিকালি দিনত ঘৰবাৰী এৰি থৈ এদিনৰ কাৰণেও দূৰলৈ যোৱাটো ভাল কথা নহয়। হাতত টকা আছে দুশ। মই এনে কোনো যাদুমন্ত্ৰ নেজানো যাৰ ফলত মই দুশক তিনিশ বা চাৰিশ কৰিব পাৰোঁ।

বিয়ালৈ নগ'লে নহয়।

এটা ভাল প্ৰেজেণ্ট নিনিলে নহয়। আজিকালি ধনী মানুহে লাখৰ হিচাপত কথা কয়। তাতকৈ নামৰ সকলে হেজাৰৰ হিচাপত কথা কয়। আজিকালি শ'ৰ হিচাপত কথা কোৱাটো বহুতে লাজৰ কথা বুলিয়ে ভাবে। কাৰ আচল অৱস্থাৰ কোনে গম লয়, আমিয়েবা আমাৰ দুৰৱস্থাৰ



কথা অইনক জনাবলৈ যাম কিয়? সন্মানৰ কথা এটা আছেতো! মই চিভিল চাৰ্জন অফিচৰ কেৰাণীয়েই হওঁ, বা স্কুল মাষ্টৰেই হওঁ, বা—

বিয়ালৈ নগ'লে নহ'ব।

ভাল প্ৰেজেণ্ট এটা নিদিলে নহ'ব। বাছ ভাড়া-ৰিক্সা ভাড়া নভৰিলে নহয়। নাজিয়াই বা মই বিয়ালৈ বুলি নতুন কাপোৰ, জোতা, চেণ্ডেল কিনাটোৰ কথা নেভাবিলেও চলিব।

অৱশেষত এটা উপায় উলিওৱা গ'ল।

আমাৰ দুজন একেলগে বিয়ালৈ যোৱাটো নহ'ব। মই নগ'লেও বিশেষ ক্ষতি নাই। তেওঁ নগ'লে কিন্তু নচলিব। মোমায়েকৰ সৰু জীয়েকৰ বিয়া। তাতে সেই পৰিয়ালৰ শেষ বিয়া। কিছু চিন্তা কৰি নাজিয়াই ক'লে, "ময়েই যাওঁ, আপুনি নেলাগে যাব। টাউনলৈ যোৱা ৰাতিপুৱাৰ বাছখনতে যাম, আৰু পিছবেলা সোনকালে ঘূৰি আহিম।"

"অকলে গৈ ঘূৰি আহিবলৈ পাৰিবা নহয়? আগেতো কেইবাবাৰো তেওঁলোকৰ ঘৰলৈ গৈছা।" "মোৰ যোৱা-অহাৰ কাৰণে চিন্তা কৰিব নেলাগে। এৰা, আপুনিও লগত যোৱা হ'লে ভাল লাগিলহেঁতেন। তেওঁলোকেও ভাল পালেহেঁতেন।" নাজিয়াই ক'লে।

কথাটো ঠিকেই। কিন্তু হাতত টকা আছে দুশ। তাৰে একেলগে গৈ দুজনৰ বিয়া খোৱা নহ'ব। মই নগ'লেও চলিব নাজিয়াই যাওক।

অৱশেষত নাজিয়া অকলেই বিয়ালৈ যোৱাটো ঠিক হ'ল। প্ৰেজেণ্টটো পঞ্চাশ টকাৰ ভিতৰতে হ'লেই সন্মান ৰক্ষা পৰিব।

আকৌ হিচাপ কৰিলোঁ— ৰিক্সা আৰু বাছ, অহা আৰু যোৱা— মুঠ ভাড়া যাব ৪০ টকা, প্ৰেজেণ্ট ৫০ টকা।

হৈ যাব। হাতত থকা টকাকেইটাৰেই নাজিয়া গৈ মোমায়েকৰ জীয়েকৰ বিয়াৰ প্ৰেজেণ্ট দি, বিয়া খাই ঘূৰি আহিব পাৰিব। হাতত আৰু দুকুৰি টকা এনেয়ে লৈ যাব, হস্কিল-মস্কিল আছেতো। খৰচ নহ'লে ঘূৰাই লৈ আহিব। মই ছটকা ৰাখিম।

পিছদিনা ৰাতিপুৱা ছয় বজাতে ৰিক্সা এখনেৰে বাছ ষ্টেচনলৈ গ'লোঁ। ময়ো গ'লোঁ বাছত নাজিয়াক টিকেট কৰি তুলি থৈ আহিবৰ কাৰণে। সাত বজাৰ বাছত নাজিয়াক তুলি দিলোঁ। এটা ভাল প্ৰেজেণ্ট কইনাজনীৰ কাৰণে কিনি লৈ যাবলৈ ক'লোঁ। নগৰৰ কোনখন দোকানত বিয়াৰ উপহাৰৰ ভাল বস্তু সস্তাত পোৱা যায় নাজিয়াই জানে। মোৰ বিশেষ চিন্তা কৰিবলগীয়া নাই। "চিন্তা নকৰিব। মই দিনে-পোহৰে ঘূৰি আহিম। আপুনি ষ্টেচনলৈ আকৌ আহিব নেলাগে। মই নিজেই ৰিক্সা এখন লৈ ঘৰ ওলামগৈ।"

বাছ চলিল।

মোলৈ চাই চাই নাজিয়া আঁতৰি গ'ল। ময়ো ৰিক্সা এখন লৈ ঘৰলৈ ঘূৰি আহিলোঁ। পাঁচ টকা বেছি খৰচ হ'ল, হওক। আপোন মানুহৰ বিয়াত অলপ বেছি খৰচ হ'বই। নগ'লেওতো নচলে। টকা হাতত থকা হ'লে, নাজিয়াক অকলে নপঠিয়াওঁ, ময়ো গ'লোঁহেঁতেন। পিছে আমাৰ নিচিনা মানুহৰ কাৰণে লোকৰ ছোৱালীৰ বিয়াত এশ টকাই বহুত। ধাৰ-ধুৰ কৰি বিয়া খোৱাত কোনো বাহাদুৰি নাই। আৰু ধনী মানুহৰ ঘৰৰ বিয়া, মই নগ'লেও বেয়া নেপায়। নাজিয়াৰ পৰা চকুত লগা প্ৰেজেণ্ট এটা পালে মোৰ কথা মনত কোনোৱে নেপেলায়। দিনটো মই ঘৰত ইটো-সিটো কাম কৰি বিয়াখনৰ কথাকে ভাবি-চিন্তি কটালোঁ। আৰু নাজিয়া কেতিয়া ঘূৰি আহি পাবহি তাৰে চিন্তা মনত লাগি থাকিল। চিন্তা কৰিবলগীয়া নাই— নাজিয়া বিয়া খাই ঠিক সময়তে ঘূৰি ঘৰ ওলাবহি। শেষ বাছখন চাৰে আঠ বজাত পায়হি। ৰাতি ন বজাত নাজিয়া আহি ৰিক্সাৰপৰা নামিল। মোৰ চিন্তা দূৰ হ'ল। ৰাতি অলপ বেছি হোৱাৰ কাৰণে চিন্তা লাগিছিল। নাজিয়া ঘূৰি আহি ভালে ভালে ঘৰ পোৱাত ভাল লাগিল।



"আহিলা? ভালে ভালে পালাগৈ নহয়? কিবা অসুবিধা হৈছিল নেকি ক'ৰবাত?" নাজিয়াক কিছু ক্লান্ত যেন লাগিল। চমুকৈ ক'লে, "নাই ভালে ভালেই আহিলোঁ" কৈ নাজিয়া কাপোৰ-কানি সলাবৰ কাৰণে ভিতৰলৈ গ'ল।

ময়ো আগফালৰ দুৱাৰ বন্ধ কৰি ভিতৰলৈ সোমাই আহিলোঁ।

বাথৰুমৰপৰা ওলাই আহি নাজিয়াই সুধিলে, "দুপৰীয়া ভাত খালে নে নাই, চাহ কৰোঁ?"

"হ'ব, বহাঁচোন। চাহ-ভাত সকলো খাইছোঁ। তুমি ঠিকেই গৈ বিয়া পালাগৈ নহয়? বৰ ধুমধামৰ হৈছে চাগৈ নহয়? বহুত মানুহ হৈছে চাগৈ!"

"ডাঙৰ, ধনী মানুহৰ ঘৰৰ বিয়া, আৰু ধুম-ধাম নহ'বনে?"

"সেই ডাঙৰ ধনী মানুহজন জানো তোমাৰ মোমায়েৰ নহয়, পিছে বিয়ালৈ মই নোযোৱাৰ কাৰণে কোনোবাই কিবা কৈছিল নেকি বাৰু?"

"নক'ব কেলেই? সকলোৱে ভাবিছে আপুনি বৰ কৰাইচ কিৰ্পিণ। ধন খৰচ হয় বুলিহে আপুনি বিয়ালৈ নগ'ল, অকলে অকলে মোক বাছত তুলি বিয়ালৈ পঠাই দি ঘৰ সোমাই থাকিল।" কথাষাৰ কৈ নাজিয়াই সৰুকৈ হাঁহিলে।

মই নাজিয়াৰ মুখলৈ চালোঁ। আৰু ক'লোঁ, "সেই কাৰণেই হ'বলা মোলৈ বিয়াৰ চিন বুলি চিৰা-সান্দহ এমুঠি, পিঠা-লাড়ু এটাও দি নপঠিয়ালে? তোমাৰ ধনী মোমায়েৰৰ ঘৰো বৰ কিৰ্পিণ নহয়— জানিছা।"

ভাত খাবলৈ বহি নাজিয়াই ক'লে, "মোৰ বৰ ভোক লাগিছে। দিনটো একো খাবলৈ নহ'ল নহয়।"

মই সপ্ৰশ্ন চাৱনিৰে মূৰ তুলি আকৌ নাজিয়াৰ মুখলৈ চালোঁ।

"মোমায়েৰৰ ঘৰৰ বিয়াখন খাবলৈ গ'লা। কোনেও ভাত-চাহ একো নুখুৱালে নেকি?"

"ৰ'ব, কথা মাৰি নেথাকিব। আগেয়ে মই ভাতকেইটা খাই লওঁ। তাৰ পিছত সকলো বুজাই ক'ম।"

"বুজিছোঁ দিয়া আৰু মোক বুজাই ক'ব নালাগে। বিয়াঘৰত তুমি আদৰ-সাদৰ নেপালা। এৰা, অইনে চাগৈ শ শ টকীয়া দামী প্ৰেজেণ্ট নিছে। অ' তুমি পিছে কি প্ৰেজেণ্ট দিলা? কিমান টকীয়া কি নিলা?" একো উত্তৰ নিদি নাজিয়াই ভাত খোৱা শেষ কৰাত লাগিল। ময়ো আৰু প্ৰশ্ন নকৰিলোঁ।

ভাত খাই মুখ-হাত ধুই উঠি নাজিয়াই ক'লে, "ক'তো তামোলচালি একো নাইনে? ভাত খাই উঠি—"

"তুমিনো মোলৈ বুলি বিয়াৰ চিন তামোল এখনো আনিব নোৱাৰিলানে?" মই ক'লোঁ।

"আপুনি ইমান বিয়া বিয়া কৰি আছে কেলেই? কি বৰ নোহোৱা কথাটো হ'ল। নগৰৰ ধনী মানুহৰ ঘৰৰ বিয়া এইখনেই হৈছেনে?" কৈ নাজিয়া বিছনাত পৰিল।

মই চিগাৰেট এটা জ্বলাই চকীখনত বহি হুপিব ধৰিলোঁ, মোৰ ফালে চাই নাজিয়াই হুঁহাৰ নিচিনা কৰি ক'লে, "কথা এটা কওঁ— বেয়া পাব নেকি?"

"আগে কোৱাচোন, বেয়া পাওঁ, ভাল পাওঁ, সেইটো পিছত দেখা যাব—"

"মই বিয়ালৈ নগ'লোঁ। মানে, মোৰ বিয়ালৈ যোৱা নহ'ল, মানে—"

"মানে? বিয়ালৈ যাওঁ বুলি ঘৰৰ পৰা ওলাই গৈ বিয়ালৈ নগৈ, তুমি ক'লৈ গ'লা? তোমাৰ কথা মই একো বুজা নাই নাজিয়া—"

"ভয় খাব নেলাগে, মই বুজাই কৈছোঁ, শুনক। তাত গৈ মই বাছৰপৰা নামি, ৰিক্সা এখনৰ ফালে আগ বাঢ়িলোঁ, বিয়াঘৰলৈ যাবৰ কাৰণেই। সিফালৰপৰা মানুহ এজন মোৰ ফাললৈকে অহা যেন লাগিল। মই মুখলৈ চালোঁ। হয়, আমাৰ ইয়াৰে— সেই যে কনকেশ্বৰ ঠাকুৰ— তেৱেঁই—"



"কনকেশ্বৰ ঠাকুৰ আকৌ টাউন ওলালগৈ কেলেই?"

"ময়ো প্ৰথমে বাছ ষ্টেচনত দেখি তেওঁক চিনিবই পৰা নাছিলোঁ। তেৱেঁই আগ বাঢ়ি আহিল আৰু মোৰ মুখলৈ চাই সুধিলে, "আমাৰ তাৰে নোহোৱানে?"

"ইয়ালৈকে আহিছোঁ", মই ক'লোঁ। "আপুনি ইয়াত ক'ৰপৰা ওলালহি?"

"নক'বা আৰু! যত বিপদ হয়, আমাৰ দুখীয়াবোৰৰহে হয়। সৰু ছোৱালীজনীৰ অসুখ। কত বেজ জ্ঞানী লগালোঁ। তাত আৰু ভাল নহ'ল। ইয়ালৈ, চৰকাৰী হস্পিতাললৈ লৈ আহিলোঁ। পৰীক্ষা কৰি চাই ডাক্তৰে কৈছে, বহুত পলম হ'ল আৰু এদিনো পলম কৰিব নোৱাৰি, বিপদ আছে। অপাৰেচন কৰিব লাগিব। ছোৱালীজনীৰ গাত তেজ তেনেই নাই। তেজ দিয়াব লাগিব। তাতে এশ-ডেৰশমান টকাৰ তেজকে লাগিব বোলে। পিছে মোৰ হাতত সিমান টকা নাই। ইয়াতনো তেজ কিনিবলৈ মোক কোনে টকা দিব? সেইদেখি ছোৱালীজনী হস্পিতালতে থৈ মই গাঁৱলৈকে যাওঁ বুলি আহিছোঁ। পিছে গাঁৱতনো এশ-ডেৰশ টকা ক'ৰপৰা পাম, ভাবিবই পৰা নাই। বেচিব-বন্ধক দিবলৈও মোৰনো আছে কিটো?"

কথাখিনি কৈ কনকেশ্বৰ ঠাকুৰে মোৰ মুখলৈ চালে। মই ক'লোঁ, "আজিয়ে গৈ আজিয়ে ঘূৰিবগৈ পাৰিব জানো? আৰু বাছ ভাড়াতো কুৰি টকামান নেযাব জানো?"

"অহাই-যোৱাই চৌবিছ টকা যাব। আৰু তাতনো গৈ কাৰ ওচৰত টকা বিচাৰিমগৈ মই ভাবিয়ে পোৱা নাই। মোৰ বিপদত সহায় কৰিবলৈ কোনেনো হাতত ধন লৈ বহি আছে? পিছে তুমি কোন ফালে যাবলৈ আহিলা?"

মই ক'লোঁ, "আপোনাৰ ছোৱালীজনী এতিয়া ক'ত আছে?"

"হস্পিতালত। অকলে এৰি থৈ আহিবলৈ বেয়াই লাগিছিল। তাইৰ চিনাকিও তাত কেও কিছু নাই।"

মই ক'লোঁ, "ময়ো সেইফালে যাবলৈকে আহিছোঁ। তেজৰ কাৰণে কিমান টকা লাগিব?"

"ভালকৈ নেজানো, আশী-এশ টকামান লাগিব কিজানি—"

মই ক'লোঁ, "বাৰু, কওকচোন, মই আপোনাৰ ছোৱালীজনীক— কি নাম বুলিলে?"

"বিনীতা যে। তোমালোকৰ ঘৰলৈ কেতিয়াবা যায় নহয়, তায়েই—"

"এ, বিনীতাৰ ইমান অসুখ বুলি আমি দেখোন ক'বই নোৱাৰোঁ। গাঁৱৰ ঘৰলৈ আপুনি এতিয়া যাব নেলাগে। গ'লে আজি ঘূৰি আহি নেপাবহি। আমি হস্পিতাললৈকে যাওঁ আহক—"

তেওঁ মোৰ মুখলৈ চালে। মোৰ কথাযাৰ না কৰিব নোৱাৰিলে। ৰিক্সা এখন মাতি আমি দুয়ো উঠি হস্পিতাল পালোঁগৈ।

মোক দেখি বিনীতাই ভাল পালে। মই ক'লোঁ, "তুমি কোনো চিন্তা নকৰিবা। মোৰ হাতত অলপ টকা আছে। তোমাক লগা তেজৰ দাম তাৰেই দিব পৰা হ'ব। দেউতাৰ গাঁৱলৈ যাব নেলাগে।

মোৰ কথা শুনি কনকেশ্বৰ ঠাকুৰ আৰু বিনীতা দুয়োৰে চকু-মুখ উজ্জ্বল হৈ উঠিল। তেওঁলোকে মনত বল পালে। মই ক'লোঁ, "ডাক্তৰক সোধক, আজিয়ে যদি অপৰাচেন কৰে তেন্তে আজিয়ে তেজ দিব লাগিব নেকি? কিমান টকাৰ দৰকাৰ হ'ব তেজৰ কাৰণে। মই আবেলিলৈকে বিনীতাৰ ওচৰত থাকিম। আপুনি এই টকা এশ লওক, আৰু যি কৰিব লাগে কৰি আহক গৈ—"

কৈ মই বিশ টকা হাতত ৰাখি এশ টকীয়া নোটখন বিনীতাৰ পিতাক কনকেশ্বৰ ঠাকুৰক দিলোঁ। তেওঁ ডাক্তৰক লগ ধৰিবৰ কাৰণে ওলাই গ'ল—



"তেনেহ'লে তুমি বিয়ালৈ আৰু নগ'লাই? তেওঁলোকে বেয়া নেপাবনে চাগৈ?"

"মই বিয়াৰ কথা পাহৰিয়েই গ'লোঁ। আজিয়ে ডাক্তৰে বিনীতাৰ অপাৰেচন কৰিলে। ঠাকুৰে ডাক্তৰৰ দিহামতে তেজৰো যোগাৰ কৰিলে। মই পাঁচ বজালৈকে হস্পিতালত থাকিলোঁ, তাৰ পিছত গুচি আহিলোঁ —ঘৰলৈ। ডাক্তৰক লগ ধৰি আহিছোঁ, কৈছে এসপ্তাহমানতে বিনীতা হস্পিতালৰপৰা ৰিলীজ হৈ আহিব পাৰিব। বৰ ভাগৰ লাগিছে, মই শোওঁ দেই—" কৈ নাজিয়াই বিছনাত দীঘল দিলে।

"পিছে কনকেশ্বৰ ঠাকুৰৰ হাতত বা আৰু কিমান টকা আছে? বিনীতাক লৈ আহিবলৈ টকাই জুৰিব জানো?"

"কিবা উপায় কৰি আৰু টকা পঞ্চাছটামান দি থৈ আহিব লাগিব— ক'ৰবাৰপৰা যোগাৰ কৰিব পাৰেনে চাওকচোন।"

"কিবা এটা কৰিম। এতিয়া তুমি শুই থাকা, ভাগৰি-জুগৰি আহিছা— দিনটোতো তোমাৰ এইবোৰত ঘূৰিঘূৰি থাকোঁতেই গ'ল। বাৰু দিয়া ঠাকুৰৰ ছোৱালীজনী ভাল হৈ আহিলেই হয়।" মই ক'লোঁ আৰু শুবৰ কাৰণে বিছনালৈ গ'লোঁ।

নাজিয়াৰ মোমায়েকৰ জীয়েকৰ বিয়াখনৰ কথা তেতিয়া আৰু মোৰ মনত নাছিল।

তেতিয়া ৰাতিও যথেষ্ট হৈছিল। নাজিয়াৰ ফালে চাই দেখিলোঁ নাজিয়াৰ টোপনিয়েই আহিছে। তেওঁৰ চকুৰে-মুখে এটা প্ৰসন্ন হাঁহি বিৰিঙি থকা যেন লাগিল।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| প্ৰেজেণ্ট (Present) | — | উপহাৰ |
| বাছ ষ্টেচন | — | বাছ আস্থান |
| ৰিলীজ (Release) | — | ছুটী, অব্যাহতি, মুকলি |
| অপাৰেচন (Operation) | – | অস্ত্ৰোপচাৰ। |

# আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। চৈয়দ আব্দুল মালিকৰ প্ৰথম প্ৰকাশিত চুটিগল্পৰ পুথিখনৰ নাম কি?

২। কোনখন উপন্যাসৰ বাবে চৈয়দ আব্দুল মালিকে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

৩। চৈয়দ আব্দুল মালিকে ৰচনা কৰা এখন ভ্ৰমণ-কাহিনীৰ নাম লিখা।

৪। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনক কেন্দ্ৰ কৰি চৈয়দ আব্দুল মালিকে ৰচনা কৰা উপন্যাসখনৰ নাম কি?

৫। 'বিয়াৰ প্ৰেজেণ্ট' গল্পটোত থকা অসুখ হোৱা ছোৱালীজনীৰ নাম কি?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩ )

১। "তেৱেঁই আগ বাঢ়ি আহিল আৰু মোৰ মুখলৈ চাই সুধিলে— 'আমাৰ তাৰে নোহোৱানে'?" —কোনে, কাক কথাষাৰ সুধিছিল?

২। নাজিয়াই কাৰ বিয়া খাবলৈ গৈছিল?

৩। নাজিয়াই কিয় হস্পিতাললৈ যাবলগীয়া হ'ল?

৪। কনকেশ্বৰ ঠাকুৰে তেওঁৰ কন্যা বিনীতাৰ অপাৰেচন কৰাবলৈ ক'ৰপৰা পইচা পালে?

৫। "আমাৰ দুজন একেলগে বিয়ালৈ যোৱাটো উচিত নহ'ব"— 'আমাৰ দুজন' বুলি ইয়াত কাৰ কাৰ কথা কোৱা হৈছে?



**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। কি পৰিস্থিতিত কনকেশ্বৰ ঠাকুৰে নাজিয়াক লগ পাইছিল?

২। নাজিয়াই বিয়ালৈ কিয় অকলে গৈছিল?

৩। কি পৰিস্থিতিৰ বাবে নাজিয়াই বিয়ালৈ বুলি ওলাই বিয়ালৈ নগ'ল?

৪। বিনীতাৰ অপাৰেচন কেনেদৰে ততাতৈয়াকৈ হৈ গ'ল বৰ্ণনা কৰা।

৫। 'বিয়াৰ প্ৰেজেণ্ট' গল্পটোত মানৱতাবোধৰ প্ৰকাশ কিদৰে ঘটিছে আলোচনা কৰা।

**পাঠবোধ ঃ**

'বিয়াৰ প্ৰেজেণ্ট' গল্পটোত সমান্তৰালভাৱে দুটা পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে। এটা হ'ল নাজিয়াৰ পৰিয়ালৰ আৰ্থিক সীমাবদ্ধতাৰ বাবে প্ৰতিটো খোজতে অত্যধিক হিচাপ-নিকাচৰ মাজেৰে চলিবলগীয়া অৱস্থা। নাজিয়াৰ মোমায়েকৰ জীয়েকৰ বিয়ালৈ পতি-পত্নী দুয়োৰে যাবলৈ মন আছিল। চকুত লগা এটা উপহাৰ দিয়াৰো হেঁপাহ আছিল। কিন্তু আৰ্থিক অনাটনৰ বাবে অকল নাজিয়াইহে যাব পাৰিলে। কিয়নো— ৰিক্সা ভাড়া, বাছৰ ভাড়া আৰু বিয়াৰ উপহাৰৰ দাম হিচাপ কৰি দেখা গ'ল যে হাতত থকা দুশ টকাৰে দুজন মানুহ যোৱাটো কোনো কাৰণতে সম্ভৱ নহয়। অন্য এটা পৰিস্থিতি হ'ল কনকেশ্বৰ ঠাকুৰৰ ছোৱালী বিনীতাক কঠিন নৰিয়া হোৱা বাবে হস্পিতালত ভৰ্তি কৰিছে। ডাক্তৰে তাইক পাৰিলে আজিয়েই অপৰাচেন কৰিব লাগে বুলি কৈছে। দুৰ্বল ছোৱালীজনীক তেজো কেইবটলমান দিব লাগিব। উপায় নাপাই ঠাকুৰে গাঁৱলৈ টকা-পইচাৰ যোগাৰ কৰিবলৈ যাব বুলি ভাবি বাছ আস্থানলৈ আহোঁতে নাজিয়াক লগ পালে।

নাজিয়াই কনকেশ্বৰ ঠাকুৰৰ মুখত সকলো কথা শুনি বিয়ালৈ নগৈ হস্পিতাললৈ গ'ল। টকা এশ ঠাকুৰৰ হাতত দি অপাৰেচনৰ দিহা কৰিবলৈ দিলে। যথাসময়ত অপাৰেচন হৈ গ'ল। এক বিমল আনন্দত নাজিয়াৰ মন উপচি পৰিল। আনৰ দুখত দুখী হৈ সহায়ৰ হাত আগ বঢ়োৱাটোৱে হ'ল প্ৰকৃত মানৱতাবোধ। এই মানৱতাবোধেই হ'ল গল্পটোৰ মূল বাৰ্তা।

**ওপৰঞ্চি তথ্য ঃ**

অসমীয়া সাহিত্যত জীৱনভিত্তিক উপন্যাস ৰচনাৰ ক্ষেত্ৰত মালিকৰ অৱদান চিৰস্মৰণীয়। মহাপুৰুষ শংকৰদেৱৰ জীৱনক কেন্দ্ৰ কৰি তেওঁ 'ধন্য নৰ তনু ভাল' উপন্যাসখন ৰচনা কৰিছে। আকৌ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আধাৰিত 'ৰূপতীৰ্থৰ যাত্ৰী'ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ বিভিন্ন দিশ কলাসন্মত ৰূপত প্ৰকাশ কৰিছে।

গল্পকাৰ হিচাপে চৈয়দ আব্দুল মালিক অসমীয়া সাহিত্যৰ এক স্মৰণীয় নাম। মানুহৰ জীৱনৰ বিবিধ পৰিস্থিতিক নিপোটল আৰু সুসংহত ৰূপত তেওঁ গল্পসমূহত উপস্থাপন কৰিছে। ভাষাৰ প্ৰাঞ্জলতা, সুখপাঠ্যতা আৰু মানৱতাবোধ তেওঁৰ গল্পৰ বৈশিষ্ট্য।

'বিয়াৰ প্ৰেজেণ্ট' গল্পটো প্ৰথমতে 'অধিনায়ক' নামৰ আলোচনীত প্ৰকাশ পাইছিল। পাঠটো সংগ্ৰহ কৰা হৈছে 'এখন নিলিখা চিঠিৰ কথাখিনি' নামৰ সংকলনৰ পৰা।

**শিক্ষকৰ প্ৰতি ঃ**

সাহিত্যত মানৱতাবোধ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক বুজাই ক'ব পাৰে। সমাজ জীৱনত মানৱতাবোধৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিভিন্ন উদাহৰণৰ দ্বাৰা বুজাব পাৰে।



# ৰাৱণক বিভীষণৰ সজ উপদেশ

**মাধৱ কন্দলি**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

'ৰাৱণক বিভীষণৰ সজ উপদেশ' নামৰ পাঠটি মাধৱ কন্দলি বিৰচিত ৰামায়ণৰ পৰা লোৱা হৈছে। মাধৱ কন্দলিয়ে চতুৰ্দশ শতিকাতে বাল্মীকিৰ সংস্কৃত ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰে। ছাত্ৰ-ছাত্ৰীক অসমীয়া ৰামায়ণ পদৰ সোৱাদ দিয়াৰ উদ্দেশ্যে এই কবিতাংশ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।

**কবি পৰিচিতি ঃ**

মাধৱ কন্দলি প্ৰাক্‌শংকৰী যুগৰ শ্ৰেষ্ঠ কবি। তেওঁ চতুৰ্দশ শতিকাৰ বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতাত সংস্কৃত ৰামায়ণৰ পদ অসমীয়ালৈ ভাঙনি কৰে। আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত মাধৱ কন্দলিৰ ৰামায়ণখনেই প্ৰথম ৰচনা। মাধৱ কন্দলিয়ে 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো' বুলি কৈছে যদিও ইয়াৰ পাঁচটা কাণ্ডহে পোৱা যায়। পিছৰ কালত মাধৱদেৱ আৰু শংকৰদেৱে ক্ৰমে আদিকাণ্ড আৰু উত্তৰাকাণ্ড ৰচনা কৰি মাধৱ কন্দলিৰ ৰামায়ণ সম্পূৰ্ণ কৰি তোলে। পাঁচটা কাণ্ডৰ মাজেদিয়ে তেওঁৰ কবি প্ৰতিভা সুন্দৰকৈ প্ৰকাশ পাইছে। শংকৰদেৱে তেওঁৰ কবি প্ৰতিভালৈ লক্ষ্য ৰাখি তেওঁক 'অপ্ৰমাদী' অৰ্থাৎ ভ্ৰান্তিহীন কবি বুলি অভিহিত কৰিছে।

**মূল পাঠ ঃ**

ৰাৱণ বসিয়া আছে পাত্ৰ সমন্বিতে।
বিষ্ণুত ভকত গৈয়া মিলিল তহিতে॥ ১
গহীন গম্ভীৰ ধীৰ বীৰ বিভীষণ।
ৰামত ভকত আতিশয় শুদ্ধমন॥ ২
ৰাজনয় সমুচিত ধৰ্মক জানন্ত।
ৰাৱণক সম্বুধিয়া বাক্য বুলিলন্ত॥ ৩
লংকা পুৰি হনুমন্ত গৈল যেন মতে।
আপুনিয়ো দেখিলাহা পাত্ৰ সমন্বিতে॥ ৪
কাহাৰ শকতি আছে এক ডেৰ কৰি।
শতেক সহস্ৰ পথ সাগৰক তৰি॥ ৫
নিসংশয় মনে আসি পশিল নগৰ।
সৰ্বদেশ চাহিল ফুৰিল ঘৰে ঘৰ॥ ৬
সীতাকো দেখিলে মাৰিলেক সেনাগণ।
বন ভাংগি সিথানকো কৰিলে উৎছন্ন॥ ৭
ইন্দ্ৰজিতে যুঁজিল যুদ্ধৰ যত ধৰ্ম।
নাগপাশে বান্ধিলেক ইকি যোগ্য কৰ্ম॥ ৮
দণ্ড বিহিলোহো ভাই ৰাখিলেক বধ।
লাঞ্জৰ অগনি লংকা কৰিলে দগধ॥ ৯
উত্তম অধম যে মধ্যম কহে মন্ত্ৰ।
সত্ত্বৰ ত্ৰিবিধ কৰিবাক লাগে তন্ত্ৰ॥ ১০
একৈক সুমন্ত্ৰী মোৰ বুদ্ধিত অপাৰ।
আপুনি সকলে জানা কি কহিবো আৰ॥ ১১



একেশ্বৰে মন্ত্ৰী যেবে কৰয় নিশ্চয়।
উত্তম বুলিয়া তাক কহে শাস্ত্ৰ নয়॥ ১২
অনেক মন্ত্ৰীৰ যেবে হোৱে একমতি।
মধ্যম বুলিয় তাক মন্ত্ৰৰ শকতি॥ ১৩
পুৰুষৰ তেজ নাহি দৈবেসে বোলয়।
অধম বুলিয় তাক শাস্ত্ৰৰ আন্বয়॥ ১৪
ৰাঘৱ মুনিষ যেন জগত বিদিত।
কহিলো কাহিনী যেন আমাৰ উচিত॥ ১৫
তপৰন্ত ৰাম বৰ পুৰুষ অগাধ।
লংকা ছন্ন কৰিবন্ত নাহিকয় বাধ॥ ১৬
সুগ্ৰীৱক সখা কৰি ৰাম মহাবলে।
সমদলে সাগৰ তৰিব অবিকলে॥ ১৭
জানো মই সীতা লক্ষ্মী জনক জীয়াৰী।
আৰ জানো ৰাম মধুসূদন মূৰাৰি॥ ১৮
ৰামৰ হাতত জানো মোৰ যাইব জীৱ।
তথাপি নিদিবোঁ সীতা জনকৰ জীৱ॥ ১৯
শুনি পাত্ৰ মেলে উঠি বোলে ৰাৱণত।
দুঃস্বপ্নৰ কথা প্ৰভু গুচায়ো মনত॥ ২০
প্ৰমাদত লংকা পুৰি গৈল হনুমন্তে।
আমি জানিলাত গহ নভৈলেক হন্তে॥ ২১
আছিলোহো হন্তে আমি সচকিত মনে।
কিসক কৰয় পৰাভৱ অল্পজনে॥ ২২
অস্ত্ৰ বলে ভৰি পুৰি আছৈ সব লংকা।
মনুষ্য ৰামক প্ৰভু নকৰিবা শংকা॥ ২৩

শুনিয়োক সভাসদ ৰামৰ চৰিত্ৰ।
পৰম সুৰস ৰস কৰ্ণৰ অমৃত॥ ২৪
সংসাৰ ব্যাধিক কৰৈ ইসে উপশাম।
নিৰন্তৰে উচ্চ কৰি বোলা ৰাম ৰাম॥ ২৫

**কঠিন শব্দৰ অৰ্থ ঃ**

পাত্ৰ — মন্ত্ৰী।
বিষ্ণু ভকত — ঈশ্বৰৰ একান্ত সেৱক।
তহিতে — তাত।
ডেৰ — ডেও, জাঁপ, সামান্য জঁপিয়াই দীঘলকৈ দিয়া খোজ।
তৰি — পাৰ হৈ।
উৎছন্ন — নাশ।
নাগপাশ — পুৰণি কালত ৰণত শত্ৰুক বন্ধা সাপৰ নিচিনা জৰী।
লাঞ্জ — নেজ।
দগধ — পোৰা।
একৈক — এজন এজন।
বিদিত — জনা।
আন্বয় — অন্বয়, অৰ্থ, ব্যাখ্যা, মত।
অগাধ — বৰ গভীৰ।
অবিকল — হুবহু।
মধুসূদন — বিষ্ণুৰ এটা নাম, মধু দৈত্যক বধ কৰোঁতা।
মূৰাৰি — মূৰ নামৰ অসুৰৰ বৈৰী।
গহ — অহংকাৰ; কেৰেপ, গ্ৰাহ্য।



## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। মাধৱ কন্দলি কোন যুগৰ শ্ৰেষ্ঠ কবি?
২। সীতাক হৰণ কৰি নি ৰাৱণে ক'ত বন্দী কৰি ৰাখিছিল?
৩। 'অপ্ৰমাদী' শব্দৰ অৰ্থ কি?
৪। ইন্দ্ৰজিৎ কোন আছিল?
৫। ৰাৱণৰ পত্নীৰ নাম কি আছিল?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। 'নৈকেষী' কোন? তেওঁ বিভীষণক কিয় ৰাৱণৰ ৰাজসভালৈ পঠাইছিল?
২। 'নাগপাশ' কি? হনুমানক কোনে, কি কাৰণে নাগপাশেৰে বন্দী কৰি থৈছিল?
৩। হনুমানে কি দৰে লংকা নগৰীত জুই লগাইছিল?
৪। শংকৰদেৱ আৰু মাধৱদেৱে ৰামায়ণৰ কোন দুটা কাণ্ড ৰচনা কৰিছিল?
৫। উত্তম, মধ্যম আৰু অধম কোন মন্ত্ৰক কোৱা হয়? ৰাজকাৰ্য পৰিচালনা কৰোঁতে কোনবিধ মন্ত্ৰ ব্যৱহাৰ কৰা হয়?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। বিভীষণে ৰাজসভালৈ গৈ ৰাৱণক কি কি সজ উপদেশ দিছিল?
২। সীতাক উদ্ধাৰ কৰিবৰ বাবে ৰামে কাৰ সহায় লৈছিল আৰু কেনেকৈ সাগৰ পাৰ হৈ সীতাক উদ্ধাৰ কৰিছিল?
৩। কবিতাটিৰ মাজেৰে প্ৰকাশিত হোৱা বিভীষণৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

৪। মাধৱ কন্দলিৰ কাব্যিক প্ৰতিভা কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৫। বিভীষণৰ উপদেশ শুনাৰ পিছত ৰাজসভাত থকা পাত্ৰ মন্ত্ৰীসকলে ৰাৱণক কেনে ধৰণৰ উপদেশ দিছিল?

**পাঠবোধ ঃ**

'ৰাৱণক বিভীষণৰ সজ উপদেশ' কাব্যাংশ মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ সুন্দৰাকাণ্ডৰ অন্তৰ্গত। লংকাধিপতি ৰাৱণে সীতাক হৰণ কৰি নিয়াৰ পিছত, সীতাক বিচাৰি ফুৰা ৰামৰ লংকা অভিযানৰ কথা শুনি ৰাৱণৰ মাতৃ নৈকেষী চিন্তিত হৈ পৰিছিল। তেওঁ উপলব্ধি কৰিছিল যে ৰামৰ লংকা অভিযানে ৰাৱণৰ বিপদ অনাটো অনিবাৰ্য। তেওঁ ৰাৱণৰ ভয়ংকৰ বিপদৰ কথা বিভীষণৰ আগত ব্যক্ত কৰে আৰু সীতাক ৰামৰ হাতত গতাই দি ৰাৱণক সুপথলৈ ওভতাই আনিবলৈ ৰামভক্ত, ধীৰ, গম্ভীৰ বিভীষণক অনুৰোধ জনায়। মাতৃৰ অনুৰোধ ক্ৰমে বিভীষণে জ্যেষ্ঠ ভ্ৰাতৃ ৰাৱণক শুদ্ধ পথলৈ আনিবলৈ সজ উপদেশ প্ৰদান কৰিছে।

**ওপৰঞ্চি তথ্য ঃ**

প্ৰাক্-শংকৰী যুগৰ উল্লেখযোগ্য কবিসকল হ'ল ঃ মাধৱ কন্দলি, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ আৰু ৰুদ্ৰ কন্দলি। 'ৰাৱণক বিভীষণৰ সজ উপদেশ' শীৰ্ষক পাঠটিত পুৰণি আখৰ-জোঁটনিৰ ঠাইত আধুনিক আখৰ-জোঁটনি ব্যৱহাৰ কৰা হৈছে।

**শিক্ষকৰ প্ৰতি ঃ**

প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ চমু আভাস দিয়াৰ লগতে পৃষ্ঠপোষক ৰজাসকলৰ চমু পৰিচয় দাঙি ধৰিব। 'ৰামায়ণ'ৰ বিষয়ে সম্যক জ্ঞান দিব।

# বৰগীত

## (জয় জয় যাদৱ জলনিধিজা...)

**শ্ৰীমন্ত শংকৰদেৱ**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

সংগীত হ'ল এক বলিষ্ঠ গণমাধ্যম। সেইবাবে শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে শ্ৰীকৃষ্ণৰ মহিমাযুক্ত, বেদ-উপনিষদৰ মৰ্মাৰ্থপূৰ্ণ কিছুমান ভক্তিতত্ত্বমূলক গীত ব্ৰজাৱলী ভাষাত ৰচনা কৰিছিল। এই গীতবোৰ নিৰ্দিষ্ট ৰাগত বন্ধা। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱেও গুৰুজনাৰ আজ্ঞা শিৰোধাৰ্য কৰি এনে গীত কিছুমান ৰচনা কৰিছিল। গুৰু দুজনাৰ দ্বাৰা ৰচিত এই গীতসমূহক পাছলৈ 'বৰগীত' নামেৰে অভিহিত কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তীৰ্থ ভ্ৰমণ কৰি থকা সময়তে বদৰিকাশ্ৰমত 'মন মেৰি ৰাম চৰণহি লাগু'— শীৰ্ষক এটি বৰগীত ৰচনা কৰে। চৰিত পুথিত উল্লেখ থকা মতে সেইটোৱেই তেওঁৰ প্ৰথম বৰগীত। বিষয়বস্তুৰ মহত্ত্ব, সুৰৰ গাম্ভীৰ্য আৰু ভক্তিভাৱৰ আকুল প্ৰকাশেৰে বৰগীতসমূহ অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। এনে মহত্বপূৰ্ণ অসমীয়া সংগীতৰ বিষয়ে এটি আভাস যাতে ছাত্ৰ-ছাত্ৰীসকলে পাব পাৰে, সেই উদ্দেশ্যে এই পাঠটো নিৰ্বাচন কৰা হৈছে। বৰগীতটো হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত 'বৰগীত' নামৰ গ্ৰন্থখনৰ পৰা লোৱা হৈছে।

**কবি পৰিচিতি ঃ**

শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯-১৫৬৮) অসমৰ এগৰাকী যুগস্ৰষ্টা পুৰুষ। অসমত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলক একত্ৰিত কৰি এখন সমভাবাপন্ন অসমীয়া সমাজ গঠনৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। তাকে কৰিবলৈ যাওঁতে তেওঁ দুটা মাধ্যম গ্ৰহণ কৰিছিল। এটা হ'ল ধৰ্ম, আনটো সাহিত্য।

তেওঁ অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি সমাজৰপৰা অস্পৃশ্যতা দূৰ কৰিবলৈ প্ৰয়াস কৰিছিল। ধৰ্ম প্ৰচাৰৰ অনুষংগ হিচাপে তেওঁ সুললিত ভাষাৰে সকলো লোকৰে বোধগম্য হোৱাকৈ পদপুথি, গীত, নাট, কাব্য আদি ৰচনা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত সাহিত্যৰাজি হ'ল ঃ

কাব্য ঃ হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলি-ছলন, অমৃত-মন্থন, অজামিল উপাখ্যান আৰু কুৰুক্ষেত্ৰ।

নাট ঃ পত্নীপ্ৰসাদ, কালিয় দমন, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰাম-বিজয়।

গীত ঃ বৰগীত, ভটিমা, টোটয় আৰু চপয়।

নাম-প্ৰসংগ ঃ কীৰ্ত্তন ঘোষা আৰু গুণমালা।

ভক্তিতত্ত্ব প্ৰকাশক সংগ্ৰহ ঃ ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ (সংস্কৃত), নিমি নৱসিদ্ধ সংবাদ আৰু অনাদিপাতন।

অনুবাদমূলক ঃ ভাগৱত, উত্তৰাকাণ্ড ৰামায়ণ।

'কীৰ্ত্তন ঘোষা' মহাপুৰুষজনাৰ সাহিত্যিক জীৱনৰ উজ্জ্বল নিদৰ্শন। তেওঁৰ সাহিত্যৰাজি অসমীয়া সাহিত্যৰ ভেটিস্বৰূপ। অসমীয়া সাহিত্যত অংকীয়া নাট আৰু বৰগীত প্ৰৱৰ্তন প্ৰথমে তেৱেঁই কৰে। অসমীয়া সমাজ আৰু সাহিত্যক যাউতিযুগীয়া সম্পদেৰে সমৃদ্ধ কৰি ১১৯ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰে।



**মূল পাঠ ঃ**

ৰাগ ঃ **আশোৱাৰী**

ধ্ৰুং— জয় জয় যাদৱ জলনিধিজা ধৱ ধাতা,
শ্ৰুতমাত্ৰাখিলত্ৰাতা স্মৰণে কৰয় সিদ্ধি।
দীন দয়ানিধি ভকত মুকুতি পদদাতা।।

পদ— জগজনজীৱন অজন জনাৰ্দন দনুজদমন দুখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ নন্দনন্দন বনচাৰী।।

বিবিধ বিহাৰ বিশাৰদ শাৰদ ইন্দুনিন্দি পৰকাশী।
শেষ শয়ন শিৰ কেশী বিনাশন পীতবসন অবিনাশী।।

জগতবন্ধুবিধু মাধৱ মধুৰিপু মধুৰ মূৰুতি মুৰনাশী।
কেশৱ চৰণ সৰোৰুহ কিংকৰ শংকৰ অভিলাষী।।

**কঠিন শব্দৰ অৰ্থ ঃ**

জলনিধি — সাগৰ (জল—পানী, নিধি—আকৰ, ভাণ্ডাৰ; পানীৰ ভাণ্ডাৰ, এতেকে সাগৰ।)

জলনিধিজা— লক্ষ্মী (জলনিধি অৰ্থাৎ সাগৰত জন্ম যাৰ সিয়েই জলনিধিজা। দেৱাসুৰে লগ লাগি সাগৰ মন্থন কৰোঁতে লক্ষ্মীৰ উৎপত্তি হৈছিল। সেইবাবে লক্ষ্মী সাগৰৰ কন্যা।)

ধৱ — পতি, স্বামী (জলনিধিজা ধৱ মানে লক্ষ্মীৰ পতি অৰ্থাৎ শ্ৰীকৃষ্ণ)।

ধাতা — নাৰায়ণ।

শ্ৰুত — শুনা, শ্ৰৱণ কৰা; (অন্য অৰ্থত শ্ৰুত মানে বেদসমূহ)।

শ্ৰুতমাত্ৰ— শুনা বা শ্ৰৱণ কৰা মাত্ৰকে (অন্য অৰ্থত বেদ পৰ্যন্ত)।

অখিল — পৃথিৱী।
ত্ৰাতা — উদ্ধাৰ কৰোঁতা।
শ্ৰুতমাত্ৰাখিলত্ৰাতা — শুনা বা শ্ৰৱণ কৰা মাত্ৰকে পৃথিৱীৰ সকলোকে উদ্ধাৰ কৰোঁতা। আন অৰ্থত বেদক উদ্ধাৰ কৰোঁতা।
সিদ্ধি — কামনা পূৰ্ণ হোৱা।
মুকুতি — মুক্তি; বৈষ্ণৱ আদৰ্শত ভক্তৰ পৰম কাম্য হ'ল মুক্তি।
জগজনজীৱন — জগতৰ সকলোৰে জীৱন স্বৰূপ।
অজন — যাৰ জন্ম নাই; নিত্য সনাতন, চিৰন্তন।
জনাৰ্দন — যি মায়াৰ অতীত অৰ্থাৎ মায়াই যাক বশ কৰিব নোৱাৰে; শ্ৰীকৃষ্ণ।
দনুজ — ৰাক্ষস, দক্ষ ৰজাৰ কন্যা দনুক কাশ্যপ ঋষিয়ে বিয়া কৰাইছিল। দনুৰপৰা জন্ম হোৱা সন্তানক দনুজ বুলি কোৱা হয়।
মহদানন্দ — মহৎ + আনন্দ; পৰম আনন্দ।
কন্দ— মূল।
মহদানন্দকন্দ — মহৎ বা পৰম আনন্দৰ যি মূল কাৰণ, অৰ্থাৎ ভগৱান বিষ্ণু।
নন্দ নন্দন — নন্দৰ পুত্ৰ; শ্ৰীকৃষ্ণ।
বিবিধ বিহাৰ — নানাবিধ ক্ৰীড়া।
বিশাৰদ — নিপুণ।
শাৰদ — শৰৎ কালৰ।
ইন্দুনিন্দি — ইন্দু মানে চন্দ্ৰ; নিন্দি — নিন্দা কৰা, হীন অৰ্থাৎ য'ত চন্দ্ৰৰ সৌন্দৰ্যও কম দেখি।
শাৰদ ইন্দু নিন্দি — শৰত কালৰ চন্দ্ৰতকৈও অধিক সুন্দৰ।



পৰকাশী— প্ৰকাশিত হোৱা।
শেষ শয়ন — অনন্ত নাগৰ ফণাত শয়ন কৰোঁতা; শ্ৰীকৃষ্ণ।
শিৱ — মহাদেৱ, ইয়াত মংগলময় অৰ্থত ব্যৱহাৰ হৈছে।
কেশী বিনাশন — কেশী নামৰ ঘোঁৰাৰ আকৃতিৰ এটি অসুৰক শ্ৰীকৃষ্ণই বধ কৰিছিল বাবে শ্ৰীকৃষ্ণক কেশী বিনাশন বুলি কোৱা হয়।
জগতবন্ধুবিধু — জগত বন্ধু ভগৱান শ্ৰীকৃষ্ণ 'বিধু' অৰ্থাৎ চন্দ্ৰটোৰ দৰে। চন্দ্ৰই যেনেদৰে জগতৰ অন্ধকাৰ হৰণ কৰে তেনেদৰে ভগৱানে জগতৰ পাপ হৰণ কৰে।
মধুৰিপু — মধু নামৰ অসুৰৰ যিজন ৰিপু বা শত্ৰু তেৱেঁই মধুৰিপু; অৰ্থাৎ শ্ৰীকৃষ্ণ।
মুৰনাশী —মুৰ নামৰ অসুৰক নাশ কৰোঁতা; অৰ্থাৎ শ্ৰীকৃষ্ণ।
সৰোৰুহ — পদুম ফুল।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো?
২। শংকৰদেৱে সংস্কৃত ভাষাত ৰচনা কৰা পুথিখনৰ নাম কি?
৩। শংকৰদেৱে কেইখন নাট ৰচনা কৰিছিল?
৪। বৰগীতবোৰ কি ভাষাত ৰচিত?
৫। শংকৰদেৱৰ বৰগীতৰ প্ৰধান বক্তব্য কি?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। 'শ্ৰুতমাত্ৰাখিলত্ৰাতা' শব্দটোৰ অৰ্থ কি? ইয়াৰদ্বাৰা কাৰ কথা কোৱা হৈছে?

২। বৰগীতটিত উল্লেখ থকা দুজন অসুৰৰ নাম লিখা।

৩। বৰগীতটিত ভগৱান শ্ৰীকৃষ্ণক কিয় 'মহদানন্দ কন্দ' বুলি কোৱা হৈছে?

৪। শ্ৰীকৃষ্ণই কোন অৱতাৰত কেনেদৰে বেদসমূহ উদ্ধাৰ কৰিছিল?

৫। বৰগীতটিত শ্ৰৱণ আৰু স্মৰণৰ মহিমা কবিয়ে কেনেদৰে প্ৰকাশ কৰিছে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। শংকৰদেৱৰ 'জয় জয় যাদৱ জলনিধিজা' বৰগীতটিৰ মূলভাব লিখা।

২। বৰগীতটিৰ মাজেৰে ভগৱান শ্ৰীকৃষ্ণৰ পৰম মংগলময় ৰূপ কিদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৩। বৰগীতটিৰ শ্ৰীকৃষ্ণৰ অপৰূপ শাৰীৰিক অৱয়বৰ বৰ্ণনা কিদৰে কৰিছে বুজাই লিখা।

৪। বৰগীতটিৰ ভাৱ-ভাষাৰ সৌন্দৰ্য সম্পৰ্কে আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) জগজনজীৱন অজন জনাৰ্দন দনুজদমন দুখহাৰী।
মহদানন্দ কন্দ পৰমানন্দ নন্দনন্দন বনচাৰী।।

**পাঠবোধ ঃ**

ভগৱান শ্ৰীকৃষ্ণৰ জয় জয় ধ্বনিৰে বৰগীতটি আৰম্ভ হৈছে। বৰগীতটিৰ মাজেৰে ভগৱান শ্ৰীকৃষ্ণৰ নামৰ মহিমা, পৰম মংগলময় ৰূপ আৰু ভক্তিৰ গম্ভীৰ ধাৰা প্ৰকাশিত হৈছে। সাগৰকন্যা লক্ষ্মীৰ পতি ভগৱান শ্ৰীকৃষ্ণৰ নামৰ মহিমা অপাৰ। তেওঁৰ নাম শ্ৰৱণ কৰা মাত্ৰকে



জগতৰ সকলো বস্তুৱেই পৱিত্ৰ হয়, উদ্ধাৰ হয়। এইজন ভগৱানেই প্ৰলয় জলত বেদসমূহক উদ্ধাৰ কৰিছিল। শংকৰদেৱে 'কীৰ্ত্তন ঘোষা'ৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনাত লিখিছে ঃ

"মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত।
উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।

বেদসমূহে কৃষ্ণক স্তুতি কৰা কথাৰে 'বেদস্তুতি' বুলি অধ্যায় এটাও কীৰ্ত্তনত সংযোজিত হৈছে। বেদত্ৰাতা বা শ্ৰুতত্ৰাতা শ্ৰীকৃষ্ণৰ নাম কোনোবাই যদি স্মৰণ কৰে, তেন্তে তেওঁৰ কামনা সিদ্ধি হয়। দীন বা অভাগাৰ প্ৰতি তেওঁৰ কৰুণা অপাৰ। ভক্তৰ একান্ত কাম্য মুক্তিপদ তেওঁ ভক্তসকলক দান কৰে।

এই জগতৰ জীৱনস্বৰূপ শ্ৰীকৃষ্ণ চিৰন্তন, সত্য আৰু সনাতন। মংগলময় শিৱৰূপে তেৱেঁই বিৰাজমান। সেইবাবে কোৱা হয় সত্যম, শিৱম, সুন্দৰম। তেওঁ ৰাক্ষসসকলক বিনাশ কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিছিল। কেশী, মধু, মুৰ আদি অসুৰক বধি জগতৰ আন্ধাৰ হৰণ কৰিছিল বাবেই 'জগতবন্ধুবিধু' বুলি কোৱা হয়। তেওঁৰ অনুপম শাৰীৰিক ৰূপৰ বৰ্ণনাও কবিয়ে কৰিছে। পীতবসন পৰিধান কৰা শ্ৰীকৃষ্ণৰ শাৰীৰিক সৌন্দৰ্যই শৰৎকালৰ জোনৰ সৌন্দৰ্যকো চেৰ পেলায়। এনে 'মধুৰ মূৰুতি'ধাৰী ভগৱানৰ চৰণ-কমললৈ কবিয়ে সেৱা জনাইছে।

কবিতা বা গীতৰ লগত নিবিড়ভাৱে জড়িত হৈ থকা এটি বিষয় হৈছে কাব্যিক সৌন্দৰ্য। ভাব, ভাষা, ছন্দ, অলংকাৰ ব্যঞ্জনা আদিৰ মাজেৰে কাব্যিক সৌন্দৰ্য প্ৰকাশিত হয়। বৰগীতটিত 'জগতজনজীৱন অজন জনাৰ্দন দনুজ দমন দুখহাৰী' শাৰীটোত 'জ' আৰু 'দ' ব্যঞ্জন বৰ্ণ দুটা বাৰে বাৰে ব্যৱহাৰ কৰি কবিয়ে ধ্বনিমাধুৰ্যৰ সৃষ্টি কৰিছে। একেদৰে শৰতৰ জোনৰ লগত তুলনা কৰি শ্ৰীকৃষ্ণৰ সৌন্দৰ্য-মাধুৰী অধিক সুন্দৰ ৰূপত তুলি ধৰিছে। সাহিত্য-সৌন্দৰ্য বিচাৰত ই এটি উৎকৃষ্ট সৃষ্টি।

**ওপৰঞ্চি তথ্য ঃ** শ্ৰীমন্ত শংকৰদেৱে 'মন মেৰি ৰাম চৰণহি লাগু' বৰগীতটি ৰচনা কৰাৰ পাছত বিভিন্ন উপলক্ষত ভালেমান বৰগীত ৰচনা কৰিছিল। এইবোৰ এখন পুথিত লগ লগাই থৈছিল। কমলা গায়ন নামৰ এজন ভকতে গীতবোৰ আওৰাবলৈ নিছিল। পাছত জুইত পুৰি সেইবোৰ নষ্ট হয়। ভকতৰ মুখত প্ৰায় ডেৰকুৰিমান গীতহে ৰ'ল। শংকৰদেৱে এই ঘটনাটোত বৰ বেজাৰ পালে। সেইবাবে তেওঁ আৰু বৰগীত ৰচনা নকৰিলে। তেওঁ প্ৰিয় শিষ্য মাধৱদেৱকহে কিছু বৰগীত ৰচিবলৈ ক'লে। সেইবাবে মাধৱদেৱতকৈ শংকৰদেৱৰ বৰগীতৰ সংখ্যা কম। মানৱ জীৱন অতি দুৰ্লভ অথচ ক্ষণস্থায়ী। সংসাৰ অনিত্য। হৰিভক্তিয়েহে জীৱক উদ্ধাৰ কৰিব পাৰে। এয়েই শংকৰদেৱৰ বৰগীতৰ প্ৰধান বক্তব্য।

**শিক্ষকৰ প্ৰতি ঃ**

'জয় জয় যাদৱ জলনিধিজা...' বৰগীতটিত শ্ৰীকৃষ্ণৰ মহিমা প্ৰকাশক বহু কাহিনী জড়িত হৈ আছে। এই কাহিনীবোৰ ক'লে ছাত্ৰ-ছাত্ৰীসকলে বৰগীতটিৰ বক্তব্য বিষয় সুন্দৰভাৱে অনুধাৱন কৰিব পাৰিব।



# ধনবৰ আৰু ৰতনী

**লক্ষ্মীনাথ বেজবৰুৱা**

**পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা ধনবৰ আৰু ৰতনী এটা মালিতা বা আখ্যানমূলক গীত। ইংৰাজীত ইয়াক বেলাড (Ballad) বুলি কোৱা হয়। পুৰণি লোকগীতৰ আৰ্হিত বেজবৰুৱাই ৰচনা কৰা এই প্ৰেমমূলক মালিতাটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে যাতে মালিতা সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰে, সেই উদ্দেশ্যে কবিতাটো পাঠ হিচাপে সন্নিৱিষ্ট কৰা হৈছে। পাঠটো নিৰ্বাচন কৰাৰ আন এটা উদ্দেশ্য হৈছে, অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰথম স্তৰৰ কবি লক্ষ্মীনাথ বেজবৰুৱা আৰু তেওঁৰ কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰা।

**কবি পৰিচিতি ঃ**

অবিভক্ত নগাঁও জিলাৰ আঁহতগুৰিত লক্ষ্মীনাথ বেজবৰুৱাৰ (১৮৬৪-১৯৩৮) জন্ম হয়। দেউতাক দীননাথ বেজবৰুৱাই চাকৰিসূত্ৰে তেজপুৰ, বৰপেটা আদি ঠাইত থাকিবলগীয়া হোৱাত বেজবৰুৱাই সেইবোৰ ঠাইত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। ১৮৮৬ চনত শিৱসাগৰৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পাছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ বি. এ. পাছ কৰে। এম. এ. আৰু বি. এল. অধ্যয়ন কৰিছিল যদিও সমাপ্ত নহ'ল।

ভোলানাথ বৰুৱাৰ সৈতে বেজবৰুৱাই ব্যৱসায়ী জীৱনৰ পাতনি মেলে। পিছত ৱাৰ্ড নামৰ ইংৰাজ কোম্পানী এটাৰ লগত ব্যৱসায়ত নামে।

বেজবৰুৱাৰ কবিতা পুথি দুখন হ'ল 'কদমকলি' আৰু 'পদুমকলি'। বেজবৰুৱাই 'পদুমকুঁৱৰী' নামৰ উপন্যাস ৰচনা কৰাৰ লগতে 'সুৰভি', 'সাধুকথাৰ কুঁকি', 'জোনবিৰি', 'কেঁহোকলি' নামৰ চুটিগল্পৰ পুথি ৰচনা কৰে। 'বুঢ়ী আইৰ সাধু', 'জুনুকা', 'ককাদেউতা আৰু নাতি ল'ৰা' তেওঁৰ সাধুকথাৰ পুথি। তেওঁৰ হাস্যৰসাত্মক পুথিকেইখন হ'ল — 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি', 'বৰবৰুৱাৰ বুলনি'। 'মোৰ জীৱন সোঁৱৰণ' হ'ল তেওঁৰ আত্মজীৱনী। 'দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত', 'শ্ৰীশ্ৰীশংকৰদেৱ', 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' তেওঁ ৰচনা কৰা জীৱনী পুথি। 'The Religion of Love and Devotion', 'শ্ৰীকৃষ্ণকথা', 'কামত কৃতিত্ব লভিবৰ সংকেত', 'ভাগৱত কথা' তেওঁৰ আলোচনামূলক গ্ৰন্থ।

অসমীয়া সাহিত্যত চুটিগল্পৰ জনক হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ এক বিশেষ সন্মান আছে। অসম সাহিত্য সভাৰ ১৯২৪ চনৰ গুৱাহাটী অধিৱেশনৰ তেওঁ সভাপতি আছিল। বেজবৰুৱাই 'বাঁহী' আলোচনী সম্পাদনা কৰি অসমীয়া আলোচনীৰ ইতিহাসত এটি যুগৰ সৃষ্টি কৰিছিল।

**মূল পাঠ ঃ**

উজায়ে আহিলে ভাটিৰে ৰতনী,
বুকুৰে মাধুৰী লৈ,
ভটিয়াই গ'লে ঐ শাহটো সামৰি,
মোলৈ খোলাটো থৈ।



ক'ৰে ঐ ৰতনী! ক'ৰে ঐ শাখিনী!
কিনো কুটেশালে তই!
সকলো লুটিলি ধনাইকে বধিলি,
কেনেকৈ জী থাকোঁ মই?
পৰ্বতে পৰ্বতে বগাব পাৰোঁ মই,
লতা বগাবলৈ টান,
ৰতনী সোণাইকে বৰাব পাৰোঁ মই
মাকক বুজাবলৈ টান।
বগাকৈ বগলী উৰে কেনে কৰি
পাখিতে পাখি লগাই,
কাৰেনো উৰিব ধনবৰ দুখীয়া,
ৰতনী লগতে নাই!
ফেনেফোটোকাৰে বৰলুইত বৈছে,
বুকুত লৈ খাগৰিৰ জাঁজি,
বুকু উদং কৰি ৰতনী গ'লে মোৰ,
কাকে লৈ বৈ যাম মই আজি?
পুবৰে পছোৱা চাটি মাৰি গ'লে
ধানতে থৈ গ'লে থোক,
ধনাইৰে মনাইকে চাটি মাৰি ৰতনী,
মনতে দি গ'লে শোক।
গঙাতে উৰিল ঐ গঙাৰে চিলনী,
বালিতে উৰিল ঐ ঘোঁৰা,
সেন্দূৰী টিঙতে* বহি উটি গ'লে
ৰতনী ধনাইৰ পৰা।

* ৰতনী যোৱা নাওখনৰ টিংটো সেন্দূৰেৰে বোলোৱা আছিল।

চৰায়ে তুলিলে ঐ ছ'ৰা পোৱালি,
গছৰ ডাল শুৱনি কৰি।
ৰতনীক তুলিলে মাকে-বাপেকে,
ধনাইৰ কালশতৰু কৰি।
লুইতৰ শিহু ঐ! টুপাই বুৰ মাৰিলি,
আকৌচোন এটিবাৰ ওলা,
ধনশিৰিৰ ৰতনী টুপাই বুৰ মাৰি গ'ল
ভাঙি মোৰ কামিহাড়চলা
বালিতে চৰিছে দুটি বালিমাহী,
লগৰে লগৰী পাই,
পাৰতে কান্দিছে ধনবৰ দুখীয়া,
ৰতনী লগতে নাই!
ফুটুকাৰ তলতে যখিনী ছোৱালী
টুক্‌টুক্ চাপৰি বায়,
ধনাইৰে ছাঁতে ৰতনী নাই ঐ,
কোনে তাৰ মুখলৈ চায়?
নৈৰ পাৰতে কাৰে এৰাবাৰী,
চপৰাচপৰে খহে!
লুইতৰ পাৰতে কাৰে ধনবৰ
ৰতনীৰ বেজাৰত জহে?
যাগে ৰতনী! নাহিবি নাহিবি,
বিচাৰি নাহিবি মোক!



তোৰে ধনবৰ ভিকহুৰ ভিকহু,
পৃথিৱীত থৈ যাব শোক,
বোপাই মোৰ লুইত ঐ! সামৰি লোৱা মোক,
কোলাত থান এফেৰি দিয়া,
ৰতনী হেৰাল মোৰ, সকলো পৰিল ওৰ,
আৰু মোৰ একো নাইকিয়া।

**কঠিন শব্দৰ অৰ্থ ঃ**

ভাটি — উজনিৰ বিপৰীত, নৈৰ সোঁতৰ দিশ।
মাধুৰী — মধুৰ গুণ, সৌন্দৰ্য।
শাখিনী — কুলক্ষণী তিৰোতা।
কুটেশাল — কপটীয়া।
বৰাব — বশ কৰিব।
খাগৰি — এবিধ তৃণজাতীয় উদ্ভিদ।
জাঁজি — উটি অহা বস্তুৰ থূপ (খাগৰিৰ থূপ)।
কালশতৰু — ঘোৰ শত্ৰু।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা পুথি এখনৰ নাম লিখা।
২। লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম কি?
৩। অসমীয়া সাহিত্যত চুটিগল্পৰ জনক বুলি কাক কোৱা হয়?
৪। লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা চুটিগল্পৰ পুথি এখনৰ নাম লিখা।
৫। 'বাঁহী' আলোচনীখন কোনে সম্পাদনা কৰিছিল?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। মালিতা কি? ইংৰাজীত ইয়াক কি বুলি কোৱা হয়?

২। ধনবৰ আৰু ৰতনী কোন?

৩। "বোপাই মোৰ লুইত ঐ! সামৰি লোৱা মোক"— বুলি কোনে কিয় কৈছে?

৪। "ৰতনীক তুলিলে মাকে বাপেকে
ধনাইৰ কাল শতৰু কৰি"
— ৰতনীক কিয় ধনাইৰ কাল শতৰু বুলি কোৱা হৈছে?

৫। "পাৰতে কান্দিছে ধনবৰ দুখীয়া"— ধনবৰে কিয় কান্দিছে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'ধনবৰ আৰু ৰতনী' কবিতাটোৰ কাহিনীভাগ সংক্ষেপে বৰ্ণনা কৰা।

২। 'ধনবৰ আৰু ৰতনী' কবিতাটোত ধনবৰে কেনেদৰে বিলাপ কৰিছে?

৩। ৰতনীৰ প্ৰতি ধনবৰৰ প্ৰেমৰ প্ৰকাশ কিদৰে ঘটিছে বৰ্ণনা কৰা।

৪। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) গঙাতে উৰিল ঐ গঙাৰে চিলনী,
বালিতে উৰিল ঐ ঘোঁৰা,
সেন্দূৰী টিঙতে বহি উটি গ'লে
ৰতনী ধনাইৰে পৰা।

(খ) ফুটুকাৰ তলতে যখিনী ছোৱালী
টুক্‌টুক্ চাপৰি বায়
ধনাইৰে ছাঁতে ৰতনী নাই ঐ
কোনে তাৰ মুখলৈ চায়।



**পাঠবোধ ঃ**

'ধনবৰ আৰু ৰতনী' কবিতাটোৰ মাজেৰে অবিচল প্ৰেমৰ কাৰুণ্য সাংগীতিক ভাষাত প্ৰকাশ পাইছে। ধনবৰ আৰু ৰতনী এহাল প্ৰেমিক-প্ৰেমিকা। ধনবৰৰ ঘৰ দিখৌমুখত আৰু ৰতনীৰ ধনশিৰিমুখত। মাক-বাপেকৰে সৈতে ৰতনী আহি কিছুদিন ধনবৰহঁতৰ ঘৰত আছিল। সেই সময়তে দুয়োৰে মাজত প্ৰেমৰ উন্মেষ ঘটে। ধনবৰে ৰতনীক নিজৰ হৃদয়ত নিগাজিকৈ ঠাই দিলে। এদিন মাক-বাপেকৰে সৈতে ৰতনী ঘৰলৈ উভতি গ'ল। ৰতনীৰ অনুপস্থিতিত ধনবৰে ব্ৰহ্মপুত্ৰৰ পাৰত বহি কান্দি কান্দি বিলাপ কৰিবলৈ ধৰিলে। ৰতনী যোৱাৰ পাছত ধনবৰৰ বুকু উদং হৈ পৰিল। ৰতনী অবিহনে তেওঁ জীয়াই থাকিবলৈ অপাৰগ হ'ল। সেইবাবে ধনবৰ লুইতৰ বুকুতেই জাহ গ'ল। ধনবৰৰ আত্মজাহে পৃথিৱীত শোকৰ বিননি এৰি থৈ গ'ল।

**ওপৰঞ্চি তথ্য ঃ**

(ক) 'ধনবৰ আৰু ৰতনী' বেজবৰুৱাৰ 'কদমকলি' কাব্যপুথিৰ অন্তৰ্গত।

(খ) 'ধনবৰ আৰু ৰতনী' এটা আখ্যান-গীত বা মালিতা।

(গ) অসমীয়া মালিতাসমূহক তিনিটা ভাগত ভগাব পাৰি— বুৰঞ্জীমূলক, কিম্বদন্তি বা জনশ্ৰুতিমূলক আৰু কাল্পনিক। 'ধনবৰ আৰু ৰতনী' এটি কাল্পনিক মালিতা।

**শিক্ষকৰ প্ৰতি ঃ**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক মালিতা সম্পৰ্কে আন উদাহৰণেৰে সৈতে বুজাই দিব। ছাত্ৰ-ছাত্ৰীকো মালিতা ৰচনা কৰিবলৈ ক'ব পাৰে।

# বনকুঁৱৰী

**চন্দ্ৰকুমাৰ আগৰৱালা**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

ইংৰাজী ৰোমাণ্টিক কবিতাৰ দ্বাৰা প্ৰভাৱিত হৈ চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা আদি কবিসকলে অসমীয়া ভাষাত ৰোমাণ্টিক কবিতা ৰচনা কৰে। তেওঁলোকে প্ৰধানতঃ কবিতা লিখাৰ কৌশল ইংৰাজী কবিতাৰ পৰা গ্ৰহণ কৰিছিল; কবিতাৰ বিষয় বা সমল সংগ্ৰহ কৰিছিল প্ৰধানকৈ নিজৰ দেশ-সমাজৰপৰা। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' এটি সুন্দৰ ৰোমাণ্টিক কবিতা। অসমৰ সহজ-সৰল গাঁৱলীয়া সমাজে বিশ্বাস কৰে যে বনকুঁৱৰী, জলকুঁৱৰী, গৃহকুঁৱৰী বা গৃহলক্ষ্মী আদি অশৰীৰী দেৱী ক্ৰমে বননি, জলাশয়, মানুহৰ ঘৰ আদিত বসবাস কৰে। এই দেৱীসকলে মানুহক বিপদৰ পৰা ৰক্ষা কৰে বুলিও মানুহে বিশ্বাস কৰে। এনে ধৰণৰ জন-বিশ্বাসক ভেটি কৰি আৰু নিজস্ব কল্পনাৰ ৰহণ সানি কবিয়ে বনকুঁৱৰী কবিতাটি ৰচনা কৰিছে। 'জোনাকী' আলোচনীৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা এই কবিতাটিক প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা বুলি কোৱা হয়। গতিকে ইয়াৰ ঐতিহাসিক মূল্যও আছে। প্ৰথম স্তৰৰ অসমীয়া ৰোমাণ্টিক কবিতাৰ স্বৰূপ কেনে আছিল, তাৰ এটি আভাস দিয়াৰ উদ্দেশ্যে কবিতাটি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।



### কবি পৰিচিতি ঃ

জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম চন্দ্ৰকুমাৰ আগৰৱালা অসমীয়া কাব্য জগতত 'প্ৰতিমাৰ খনিকৰ'ৰূপে খ্যাত। চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম হয় শোণিতপুৰ জিলাৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজান গাঁৱত ১৮৬৭ খ্ৰীষ্টাব্দত। তেওঁৰ পিতৃৰ নাম আছিল হৰিবিলাস আগৰৱালা। কলিকতালৈ উচ্চ শিক্ষা লাভৰ বাবে যোৱা চন্দ্ৰকুমাৰ আগৰৱালাই তৃতীয় বাৰ্ষিক শ্ৰেণীতে পঢ়া সামৰি চাহ আৰু ছপাশালৰ ব্যৱসায়ত লাগে। পৈতৃক সম্পত্তি তামোলবাৰী চাহ বাগিচাৰ চাহ উৎপাদনত প্ৰকাশ পোৱা তেওঁৰ কৰ্মনিষ্ঠাৰ বাবে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে— চিকাগোত হোৱা চাহ সন্মিলনত।

১৮৮৯ খ্ৰীষ্টাব্দত কলিকতাৰ পৰা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ লগ লাগি 'জোনাকী' আলোচনী সম্পাদনা কৰি প্ৰকাশ কৰে। চন্দ্ৰকুমাৰ আগৰৱালা আছিল 'জোনাকী'ৰ প্ৰথম সম্পাদক। 'জোনাকী'ত প্ৰকাশ পোৱা আগৰৱালাদেৱৰ 'বনকুঁৱৰী' নামৰ কবিতাটোৰেই অসমীয়া ৰোমাণ্টিক কবিতাৰ শুভ আৰম্ভণি হয়। ইয়াৰ উপৰি 'অসমীয়া', 'সাদিনীয়া অসমীয়া', 'তিনিদিনীয়া অসমীয়া' বাতৰি কাকত প্ৰকাশ আৰু পৰিচালনা কৰি চন্দ্ৰকুমাৰ আগৰৱালাই অসমীয়া সংবাদ জগতলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে। তেওঁৰ কবিতা পুথি দুখন 'প্ৰতিমা' আৰু 'বীণবৰাগী'। 'বনকুঁৱৰী' কবিতাটো 'প্ৰতিমা' কবিতা পুথিৰ অন্তৰ্গত। 'প্ৰতিমা' সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল— "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ।" ১৯৩৮ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ দেহাৱসান ঘটে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰধান বিষয়বস্তু হৈছে প্ৰকৃতি, প্ৰেম আৰু সৌন্দৰ্য।

**মূল পাঠ ঃ**

নিজম দুপৰীয়া সুহুৰিটি মাৰি
মাতিলে নো কোনে কাক?
বিজন বনত কোন ক'ত আছে?
হালিছে গছৰ আগ।

গহীন গছত বতাহৰ ছাটি—
পাত কঁপে থৰ থৰ।
হাবিৰ মাজৰপৰা কোনে নো বা
মাতি উঠে 'মৰ মৰ?'

নিচুক লতিকা গছক সাবটি—
প্রতি অঙ্গে চুমাচুমি।
পাতৰ আঁৰত থাকি কপৌটিয়ে
কিবা কৰে জুমাজুমি!

মৰমৰ গীত জুৰিলে লাজুকি—
মাত ফুটেই বা নাই।
বিৰিখে হাঁহিছে হালিছে জালিছে
নইৰ মুখলৈ চাই।

কিবা কথা কয় নৈয়ে কুলু কুলু
ইয়োটো ধেমালি যিহে!
কোনে চায় নিতৌ বনৰ ধেমালি?
মাতিলে নো সিটি কিহে?

গছৰ আগত ময়না পখিটী
মাতি সি নিচুক হ'ল।
শুনো শুনো শুনিবলৈ বাট চাওঁ,
মনতে হেঁপাহ ৰ'ল।



সিজুপি বকুল,— এই এৰাবাৰী
কোন কাহানি বা গ'ল!
চিন এই ভেটি তামোল লেটেকু—
হ'ল বহু দিন হ'ল।

বাঁহৰ ছয়াঁত গজালি গজিছে
কোন নো ইয়াত ফুৰে?
জুৰ জুৰ কৰি বতাহ বলিছে
বাঁহৰ মাজে মাজে ঘূৰে।

পাতে পাতে কিবা ফুচ্‌ফুচাইছে
মাৰিছে মিচিকি হাঁহি।
কলাঘুমটীয়া সুখৰ এলাহ
বতাহে সুৰসুৰায়হি।

গাত গা লগাই কপৌ দুটিয়ে
মুখতে মুখ দি আছে।
অকণি বুকুত ইটিক সুমাই
সিটিয়ে মৰম যাচে।

অকণি ছোৱালী— যক্ষিণী কন্যা
এফেৰি ফুলৰে পাহি
জানৰ কাষত পানী খুৱাইছে
হৰিণা পোৱালি লাহি।

চমকি চায় ৰই থাকে থৰে—
কুমাৰীৰ মুখলৈ চাই,
'কিনো নো চাইছ!' বুলি ছোৱালীয়ে
গালতে হাঁহি চৰায়।

দুখোজতে লৰি পালেগৈ ঘূৰি
যক্ষিণী কুমাৰী মাজ,
আঁহতৰ তলে নাচিছে দুজনী
পিন্ধি বনফুল সাজ।

মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্।
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ।

খিল্ খিল্ হাঁহি গ'ল দিহাদিহি
চিঙ্গে ফুল কতোজনী।
কপৌৰ বাহলৈ উৰি গ'ল কোনো,
দিলে গৈ চুমা একণি।

খোপাত পিন্ধিছে বনৰ পখিলা,
আটাই আপোন ধন।
বন ফুলৰ মৌ পিছে কোনোৰে বা,
শান্ত হ মানুহ মন।

কি দেখিছ সৌ শ্যামল পাটীত
ছঁয়াত বা কিনো চাম।
নীল চুলি মেলাইছে কোনে নো বা—
মুখনি উজল শ্যাম।

মৰকত মণি জিলিকে শিৰত—
দেৱী হ'ব বনকুঁৱৰী।
মুকুতাৰে অঁৰা লগতে ইজনা
জলৰ দেৱী নীয়ৰী।



চুলি বান্ধি দিছে কুঁৱৰীৰ মেলি,
খোপাত আঁৰিছে মালা,
আগতে অলেখ বনফুল ৰাশি
ৰূপেৰে গোন্ধেৰে ভৰা।

জুৰজুৰ কৰি আনিলে বতাহে
উৰাই কেতেকী পাহি,
মল্‌মলাই গ'ল দিশ বিদিশ
মাতিলে বতাহে হাঁহি—

"মৰম ভিখাৰী, বিচাৰিছোঁ দেৱী
প্ৰাণৰ অমিয়া মাধুৰী।"
মিচিকনি মাৰি হাঁহি দান দিলে
দুয়ো প্ৰকৃতি কুঁৱৰী।

অথিৰ বায়ুৰ শিয়ঁৰিল নোম,
উছলাইছে গৈ জান
কাৰণ-নেদেখা আনন্দৰ ঢৌৰে
বুৰালে প্ৰাণীৰ প্ৰাণ।

**কঠিন শব্দৰ অৰ্থ ঃ**

| | | |
|---|---|---|
| নিজম | — | নিস্তব্ধ। |
| বিজন | — | জনহীন। |
| লতিকা | — | সৰু লতা। |
| কলাঘুমটীয়া | — | চিল্‌মিল্‌কৈ অহা টোপনিৰ অৱস্থা। |
| যক্ষিণী | — | এক শ্ৰেণীৰ প্ৰেত। |
| দেৱযোনি | — | উপদেৱতা; ভূত-প্ৰেত আদি। |

শ্যামল — সেউজীয়া।

জলৰ দেৱী নীয়ৰী — কবিয়ে নিয়ৰ (নীয়ৰ)ক জলৰ দেৱী বুলি কল্পনা কৰিছে।

অমিয়া — অমৃতৰ দৰে।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি?

২। বেজবৰুৱাই 'প্ৰতিমা' সম্পৰ্কে কি মন্তব্য কৰিছিল?

৩। 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল?

৪। 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয়?

৫। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ প্ৰধান বিষয়বস্তু কি?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক—২ অথবা ৩)

১। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা পুথি দুখনৰ নাম লিখা।

২। 'জোনাকী' যুগৰ ত্ৰিমূৰ্তি বুলি ক'লে কাক কাক বুজোৱা যায়?

৩। 'বনকুঁৱৰী' কবিতাটিৰ লগত কেনেকুৱা জনবিশ্বাস জড়িত হৈ আছে?

৪। অসমীয়া ৰোমাণ্টিক কবিসকলে তেওঁলোকৰ কবিতাৰ সমল ক'ৰপৰা গ্ৰহণ কৰিছিল?

৫। হাবিৰ মাজত মৰমৰ ধ্বনি কোনে তুলিছিল?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'বনকুঁৱৰী' কবিতাটিৰ মূলভাব লিখা।

২। 'বনকুঁৱৰী' কবিতাটিত প্ৰকৃতিৰ ৰূপৰ বৰ্ণনা কিদৰে কৰিছে নিজৰ ভাষাত লিখা।



৩। 'বনকুঁৱৰী' কবিতাটিত কবিয়ে কিদৰে অতিপ্ৰাকৃত পৰিৱেশৰ সৃষ্টি কৰিছে বুজাই লিখা।

৪। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবি প্ৰতিভা সম্পৰ্কে আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) অথিৰ বায়ুৰ শিয়ঁৰিল নোম,
উছলাইছে গৈ জান
কাৰণ-নেদেখা আনন্দৰ ঢৌৰে
বুৰালে প্ৰাণীৰ প্ৰাণ।

(খ) মুকলি চুলিৰে নাম গায় ঘূৰি
চাপৰি টুক্ টুক্ টুক্।
ৰূপহীৰ মেল দেৱযোনি খেল
মানুহে নেদেখা মুখ।

**পাঠবোধ ঃ**

'বনকুঁৱৰী' কবিতাটোৰ কবিয়ে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ মাজত উমলি ফুৰা বনকুঁৱৰীৰ ৰূপ আৰু ধেমালি দেখি এক অনিৰ্বচনীয় আনন্দৰ সন্ধান লাভ কৰিছে।

এক গহীন নিজান দুপৰ বেলা কোনোবাই যেন সুহুৰি মাৰি কাৰোবাক আমন্ত্ৰণ জনাইছে। বতাহৰ বা লাগি গছৰ আগবোৰে হালি-জালি নাচিছে, পাতবোৰ থৰ্ থৰ্কৈ কঁপিছে আৰু শুকান পাতত মৰ্ মৰ্ ধ্বনি উঠিছে। লতাবোৰে মৰমতে যেন ইটোৱে সিটোক সাবটি ধৰিছে আৰু পাতৰ আঁৰৰ কপৌটিয়ে জুমি জুমি তাক চাবলৈ ধৰিছে। কুলু-কুলুকৈ বৈ যোৱা নদীখনলৈ চাই বিৰিখে হালি-জালি হাঁহিছে। তাৰ মাজতে আকৌ বকুল এজোপা, তামোল, লেটেকুৰে ভেটি এটাই এৰাবাৰী এখনৰ চিন দাঙি ধৰিছে। তাত বাঁহৰ মাজে মাজে যেন কোনোবা ঘূৰি ফুৰিছে, পাতে পাতে ফুচ্ফুচাই কিবা কথা পাতিছে, গাতে গা লগাই কপৌ দুটিয়ে

মনৰ মৰম যাচিছে। যখিণী কন্যা যেন কণমানি ছোৱালী এটিয়ে এটা হৰিণী পোৱালি আনি জানৰ পাৰত পানী খুৱাইছে। এপাকত আকৌ আন দুজনীৰে সৈতে মুকলি চুলিৰে টুক্ টুক্কৈ চাপৰি বজাই নাম ধৰিছে, ফুল ছিঙিছে, কপৌক সাবটি ধৰি চুমা যাচিছে, খোপাত বনৰ পখিলা গুঁজিছে। মুকুতাৰ মণি শিৰত জিলিকা সৌন্দৰ্যময়ী বনকুঁৱৰী, লগত জলৰ দেৱী নীয়ৰী। বতাহে মৰমৰ ভিক্ষাৰী হৈ প্ৰাণৰ অমিয়া মাধুৰী বিচৰাত দুয়ো প্ৰকৃতি কুঁৱৰীয়ে বতাহক মিচিকি হাঁহিৰে আনন্দিত কৰিছে। আনন্দৰ টৌৱে সমগ্ৰ প্ৰাণীৰ প্ৰাণ শিহঁৰিত কৰি তুলিলে।

কবিতাটোত প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্যৰ অনুভৱে কেনেকৈ প্ৰাণীজগতক অপাৰ্থিৱ, অনিৰ্বচনীয় আনন্দ দিব পাৰে, কবিয়ে তাকেই প্ৰকাশ কৰিব বিচাৰিছে। চাক্ষুষ দৃষ্টিৰে প্ৰত্যক্ষ কৰা প্ৰকৃতি জগতখনৰ মাজত যে আন এক অপাৰ্থিৱ সত্তা লুকাই থাকে, কবিয়ে যেন তাৰেই সন্ধান দিব বিচাৰিছে।

### ওপৰঞ্চি তথ্য ঃ

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী'ৰ দৰে ৰোমাণ্টিক কবিতাৰ প্ৰভাৱ ৰঘুনাথ চৌধাৰী আদি কবিৰ কবিতাতো পৰিলক্ষিত হয়।

### শিক্ষকৰ প্ৰতি ঃ

১। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ এটা সম্যক ধাৰণা ছাত্ৰ-ছাত্ৰীক দিব।
২। 'জোনাকী'ত আৰম্ভ হোৱা ৰোমাণ্টিক আন্দোলনৰ এটা ধাৰণা দিবলৈ চেষ্টা কৰিব।
৩। কবিতাটোত ব্যৱহাৰ হোৱা ছন্দ, অলংকাৰ সম্পৰ্কে আলোচনা কৰিব।
৪। ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব।



# লাচিত ফুকন

**দেৱকান্ত বৰুৱা**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষৰজনা শক্তিশালী কবি হিচাপে দেৱকান্ত বৰুৱাৰ এখনি সুকীয়া আসন আছে। অসমীয়া ৰোমাণ্টিক কবিতাক কবি দেৱকান্ত বৰুৱাই এক নতুন আয়তন দি গৈছে। প্ৰেমৰ কবিতাৰ বাহিৰেও স্বদেশৰ গুণ-গৰিমা, অতীত কীৰ্তি-কাহিনী সুঁৱৰি ৰচনা কৰা কবিৰ কেইটামান কবিতাও আছে। মন কৰিবলগীয়া কথা এয়ে যে, এই কবিতাসমূহত অতীতৰ সোঁৱৰণৰ লগতে সেই সময়ৰ সমাজ জীৱনৰ দুখলগা সামাজিক অৱস্থাৰ প্ৰতি এটি ব্যংগ ভাবৰো প্ৰকাশ ঘটিছে। কবি বৰুৱাদেৱৰ স্বদেশৰ প্ৰতি থকা অনুৰাগ 'লাচিত বৰফুকন' কবিতাটিৰ মাজেৰে প্ৰকাশিত হৈছে। ছাত্ৰ-ছাত্ৰীক স্বদেশপ্ৰেমমূলক কবিতাৰ সোৱাদ দিয়াৰ উদ্দেশ্যে 'লাচিত ফুকন' কবিতাটো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।

### কবি পৰিচিতি ঃ

আধুনিক অসমীয়া কবিতাৰ 'দুৱাৰ মুকলি কৰোঁতা' বুলি খ্যাত দেৱকান্ত বৰুৱাৰ (১৯১৪-৯৬) জন্ম হয় নগাঁৱত। 'সাগৰ দেখিছা' তেওঁৰ একমাত্ৰ কবিতা পুথি। এই পুথিখনৰ জৰিয়তে বৰুৱাই অসমীয়া কাব্যজগতত এক সুকীয়া আসন লাভ কৰি আছে। 'জোনাকী' আলোচনীৰ পাতত আৰম্ভ হোৱা অসমীয়া ৰোমাণ্টিক কাব্যধাৰাই দেৱকান্ত বৰুৱাৰ হাততে ভাবঘন বিস্তৃতি আৰু পৰিণতি লাভ কৰে বুলি কোৱা হয়।

অসমীয়া কবিতাত পোন প্ৰথমবাৰৰ বাবে দেৱকান্ত বৰুৱাই সাৰ্থকভাৱে দৈনন্দিন জীৱনৰ কথিত ভাষাৰ ৰূপ প্ৰয়োগ কৰে। তদুপৰি ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ নাটকীয় স্বগতোক্তিৰ শৈলী কবিতাত প্ৰয়োগ কৰি তেওঁ অসমীয়া কবিতাক নতুন পথৰ সন্ধান দিয়ে। ৰোমাণ্টিক যুগৰ শেষ আৰু আধুনিক কবিতাৰ দুৱাৰডলিৰ কবি বাবেই দেৱকান্ত বৰুৱাক ‘দোমোজাৰ কবি’ বুলিও কোৱা হয়। তেওঁৰ ‘আমি দুৱাৰ মুকলি কৰোঁ’ কবিতাতেই প্ৰথম আধুনিকতাৰ প্ৰতিধ্বনি শুনা যায়।

কবি হোৱাৰ উপৰি দেৱকান্ত বৰুৱা এজন সফল ৰাজনীতিবিদো। অসম বিধানসভা আৰু ভাৰতৰ লোকসভালৈ নিৰ্বাচিত হৈ তেওঁ মন্ত্ৰিত্বও লাভ কৰিছিল।

‘লাচিত ফুকন’ এটা বীৰত্বব্যঞ্জক দেশপ্ৰেমমূলক কবিতা।

**মূল পাঠ ঃ**

লাচিত ফুকন! লাচিত ফুকন! মোৰ স্বদেশৰ বীৰ!
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ।
দেশৰ কাৰণে, মুক্তিৰ হকে, অন্যায় ৰোধি বীৰ!
নৱ-শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ।
দেশৰ কাৰণে শুনিলা এদিন মৃত্যুৰ আৱাহন,
জাতিৰ বুকুত জগাই তুলিলা দুৰ্মদ যৌৱন।

পছোৱা বিনাই যায়,
তাৰ আঁৰে আঁৰে কৰুণ সুৰেৰে কোনে যেন কয়, “হায়
এয়ে সি বিৰাট গড়,
যি ঠাই এদিন বলিশাল হ’ল অপৰাধী মাতুলৰ।”
শুনিছোঁ বন্ধু! ইব্ৰাহিমৰ কাহিনী বীৰত্বৰ,
দেৱতাৰ হকে পুত্ৰবুকুত হানিছিল খঞ্জৰ।



সিদিনা আহিল দেৱদূত নামি দূৰ সৰগৰ পৰা,
পুত্ৰহন্তাৰ নামতে আজিও গৌৰৱময়ী ধৰা।
হে অসমৰ ত্যাগৰ মূৰ্তি! মাতুল-ঘাতক নবী!
তোমাৰ আৰতি কৰিলে সিদিনা অসম-ভাগ্য-ৰবি।

দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ তোমাক ফাঁকি,
তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী।
লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া,
মৰি-হজি ঢুকাল সকলো, চিনচাব নাইকিয়া।
‘অসমৰ এই কাম্যভূমিত’ চৰিছে গাধৰ পাল,
বোজা বই বই পৰিল কঁকাল পিঠিৰ ছিগিল ছাল।
তেওতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰে চৰে,
এমুঠি দানাৰ কাৰণে সকলো প্ৰভুৰ পিছত লৰে।
প্ৰভুৰ কাষত কামৰ মূল্য, চৰ, ভুকু, কিল পায়,
তাতো যে সবেও পায় আনন্দ, নিৰুপায়! নিৰুপায়!
হায় সময়ৰ সোঁত,
সিংহৰ হ’ল সন্তান গাধ, অদ্ভুত! অদ্ভুত!

আনফালে সউ আপোন অন্ধ নকল-নবীছ দল,
মুক্তি ৰণৰ মক্‌ফাইট কৰি ফাঁকিৰ আনিছে ঢল।

পিয়ানো বজাই পূজাৰ আৰতি, বেদীত মমৰ বাতি
জ্বলাই আনিব দেশৰ মুক্তি, পুৱাব দুখৰ ৰাতি!
দেশ-জননীয়ে বিনায় শোকত শুনি এই আৱাহন,
মুক্তি পলাল দেখিয়ে পূজাৰ অদ্ভুত আয়োজন।

স্বদেশ প্ৰেমৰ কোৱাল সোঁতত দেশ আজি টলমল,
স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহতল,
সকলোতে আজি স্বদেশী কবিৰ কবি-অন্তৰ জাগে,
দেশৰ মানুহ নেখাই মৰিছে সন্ধান কোনে ৰাখে?

বাহিৰত সউ ঘটে বিপ্লৱ; অশেষ যত্ন কৰি
আমি নিৰূপিলোঁ, কানিৰ মূল্য, কিমানত কেই ভৰি!
শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত
মৰ-আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত?
ত্ৰিশ দিন আৰু এঘাৰ দিনৰ গচকত হায় পৰি,
দুখুনী অসম জননীৰ দেহি কোঙা হ'ল হাত-ভৰি।
বক্তৃতা দি আকাশ কঁপাই, চিঞৰত টেঁটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।

বছৰি বছৰি স্মৃতি সভা পাতি বীৰপূজা কৰি বীৰ! তোমাৰ
হাবাথুৰি খাওঁ বিচাৰি চাকৰি আবগাৰী দাৰোগাৰ।
এয়ে সি অসম দেশ,
দুখৰ কাহিনী কিমান শুনিবা? নপৰিব তাৰ শেষ।
দেশৰ মানুহ! তুমিতো বুজিছা স্বদেশৰ এই গ্লানি,
তুমিতো দেখিছা মৰণৰ ছাঁ অসম আকাশ ছানি।

স্বদেশ পূজাৰ মন্দিৰ যাৰ কেৱল লোকেল ব'ৰ্ড,
জ্ঞান সাগৰৰ দুইপাৰ যাৰ চিভিল-পিনাল-ক'ড,
মন্ত্ৰিত্ব যাৰ শেষ কল্পনা, এছেমব্লী যাৰ আশা,
সিনো কি বুজিব হে বীৰ! তোমাৰ ৰণ-দুৰ্মদ ভাষা?



দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,
দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া,
আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান-বাণী,
আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগাপানী।

**কঠিন শব্দৰ অৰ্থ ঃ**

মাতুল — মামা, মোমাই।
জয়শ্ৰী — শত্ৰুক পৰাজয় কৰাৰ পৰা হোৱা সৌভাগ্য বা মান।
দুৰ্মদ — অতি পৰাক্ৰমী, দুৰ্দ্ধৰ্ষ।
খঞ্জৰ — তৰোৱাল।
নবী — ঈশ্বৰৰ বাণী বহন কৰি আনোতা, মহাপুৰুষ।
নকল-নবীছ — আৰ্হি চাই কাকত আদি লেখা কেৰাণী।
মক্‌ফাইট — ব্যংগ যুঁজ।
টলমল — ইফাল-সিফাল কৰা, অস্থিৰ দীপ্তি, জ্বলমল।
ভৰি — এতোলা পৰিমাণ (সোণ-ৰূপ আদিৰ জোখৰ ক্ষেত্ৰত ব্যৱহাৰ হয়)।
থিত — স্থিৰ, ধীৰ, স্থিতি, অৱস্থান।
কোঙা — হাত-ভৰি লৰাই ফুৰিব নোৱৰা।
আবগাৰী — আবকাৰী, মদ বা ৰাগিয়াল বস্তু সম্পৰ্কীয়।
গ্লানি — অপযশ, বদনাম, কলংক।
ছানি — বিয়পি পৰা।
লোকেল ব'ৰ্ড — চহৰৰ প্ৰশাসনৰ বাবে গঠন কৰা স্থানীয় প্ৰশাসনিক গোট।
চিভিল-পিনাল-ক'ড — দেৱানী দণ্ডবিধি আইন।

ইব্ৰাহিমৰ কাহিনী — ইব্ৰাহিম বা আব্ৰাহম হ'ল বাইবেল আৰু কোৰাণত উল্লেখ থকা এগৰাকী ঈশ্বৰৰ দূত বা নবী। ঈশ্বৰে সপোনত দিয়া নিৰ্দেশ মতে তেওঁ নিজ পুত্ৰ ইছমাইলক কোৰবাণি বা বলিদান দিছিল। অৱশ্যে, ঈশ্বৰে ইব্ৰাহিমৰ ত্যাগৰ পৰীক্ষাহে লৈছিল। গতিকে ইছমাইলৰ মৃত্যু হোৱা নাছিল। বলিদান থলীত এটি ভেৰাৰ মৃতদেহহে দেখা গৈছিল। মহাভাৰতৰ চৰিত্ৰ মহাবীৰ কৰ্ণৰো সদৃশ ত্যাগৰ কাহিনী এটা প্ৰচলিত আছে।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। দেৱকান্ত বৰুৱা অসমীয়া কাব্য জগতত কি কবি হিচাপে জনাজাত ?

২। দেৱকান্ত বৰুৱাৰ একমাত্ৰ কাব্যপুথিখনৰ নাম কি ?

৩। দেৱকান্ত বৰুৱাৰ কোনটো কবিতাত প্ৰথমে আধুনিকতাৰ প্ৰতিধ্বনি শুনা যায় ?

৪। 'দেশৰ বাতৰি শুনিবানে বীৰ'— ইয়াত বীৰ বুলি কাৰ কথা কোৱা হৈছে?

৫। 'নৰ শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ'— জয়শ্ৰী মানে কি ?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক—২ অথবা ৩)

১। দেৱকান্ত বৰুৱাৰ কবিতাত কোনগৰাকী ইংৰাজ কবিৰ কবিতাৰ প্ৰভাৱ দেখা যায়? সেই ইংৰাজ কবিগৰাকীৰ কাব্যিক শৈলীক কি শৈলী বুলি কোৱা হয় ?



২। ইব্ৰাহিম কোন আছিল ? তেওঁ কি বীৰত্ব প্ৰদৰ্শন কৰিছিল ?

৩। 'অসমৰ এই কাম্যভূমিত চৰিছে গাধৰ পাল'— ইয়াত গাধৰ পাল বুলি কবিয়ে কাক বুজাইছে?

৪। 'হে অসমৰ ত্যাগৰ মূৰ্তি ! মাতুল-ঘাতক-নবী'— ইয়াত কাক কিয় মাতুল ঘাতক নবী বুলি কৈছে?

৫। দেশ জননীৰ পূজাৰ কেনে আয়োজন দেখি 'মুক্তি পলাল' বুলি কবিয়ে কৈছে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'লাচিত ফুকন' কবিতাটিত কেনেধৰণৰ চিন্তা কৰ্মই সমাজ ব্যৱস্থা সোলোক-ঢোলোক কৰিছে বুলি কোৱা হৈছে?

২। 'লাচিত ফুকন' কবিতাটিত কবিয়ে কেনেধৰণৰ দেশপ্ৰেমক ভুৱা দেশপ্ৰেম বুলি কৈছে?

৩। 'লাচিত ফুকন' কবিতাটোত কবিয়ে 'দেশৰ বাতৰি শুনিবানে বীৰ' বুলি কৈ কি কি বাতৰি দিছে?

৪। 'লাচিত ফুকন' কবিতাটিৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম কিদৰে পৰিস্ফুট হৈছে আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) বক্তৃতা দি আকাশ কঁপাই, চিঞৰত টেঁটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।

**পাঠবোধ ঃ**

আহোম সেনাপতি বীৰ লাচিতৰ সাহস আৰু দেশপ্ৰেমৰ কাহিনী সৰ্বজনবিদিত। দেশৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ কাৰণে নিজৰ মোমায়েকৰ জীৱনকো বলিদান দিবলৈ কুণ্ঠাবোধ নকৰা লাচিতৰ নাম অসম বুৰঞ্জীত সোণালী আখৰেৰে লিখা আছে। কবিতাটোত কবিয়ে লাচিতৰ সেই

দুৰ্মদ বীৰত্বৰ কথা সুঁৱৰি, দেশৰ কাৰণে, দহৰ কাৰণে মৃত্যুৰ আৱাহন শুনি, জাতিৰ বুকুত দুৰ্মদ যৌৱন জগাই তোলাৰ কথা স্মৰণ কৰিছে। মোমাইকটা গড়ে আজিও সোঁৱৰায় লাচিতৰ ত্যাগ আৰু বীৰত্বৰ কাহিনী— ঠিক পুত্ৰৰ বুকুত দেৱতাৰ অৰ্থে খঞ্জৰ বহুওৱা ইব্ৰাহিমৰ বীৰত্বৰ কাহিনীৰ দৰে।

লাচিতৰ বীৰত্বৰ কাহিনী স্মৰণৰ প্ৰসংগত কবিয়ে সমসাময়িক অসমৰ অৱক্ষয়ৰ এখন ছবিও দাঙি ধৰিছে। লুইতৰ বিশাল পাৰত যে আজি অসমৰ জঁকাটোহে বাকী আছেগৈ আৰু বীৰ অসমীয়াৰ কোনো চিন-চাব নোহোৱা হৈ 'গাধৰ পাল'হে বাকী ৰৈছেগৈ— আক্ষেপেৰে, ক্ষোভেৰে সেই কথা প্ৰকাশ কৰিছে। নিজস্ব বৈশিষ্ট্য, স্বকীয়তা সকলো বাদ দি নকল-নবীছ হৈ দেশৰ মুক্তিৰ বাবে যি অদ্ভুত আয়োজন চলাইছে, সেই আয়োজন দেখি-শুনি দেশ জননীয়ে শোকতে বিনাবলৈহে ধৰিছে। ভুৱা স্বদেশ প্ৰেমৰ কোবাল সোঁতত দেশ টলমল হৈ পৰিছে। বাহিৰত দেখুৱাই বিপ্লৱ কৰিলেও ভিতৰি অন্ধ ৰীতি-নীতিৰ কবলত পৰি সমাজ ব্যৱস্থা কোঙা কৰি পেলাইছে। সকলো ব্যস্ত কেৱল কানিৰ মূল্য নিৰূপণ কৰাত, মৰ-আঁউসীত হাল বালে কেই ধেনু পৰাচিত হ'ব লাগে, মৃতকৰ কাজ-কৰ্ম-ব্ৰত ১১ দিনীয়া নে ৩০ দিনীয়া হ'ব— তেনে অৰ্থহীন কৰ্মৰ বিচাৰ কৰাত। কেৱল বক্তৃতাৰে আকাশ কঁপোৱা অসমীয়াই এতিয়া বাঁহৰ কামীত চুণ সানি লৈহে ৰণচালি ধৰে। বছৰি বছৰি বীৰপূজা পতা অসমীয়াই কেৱল মাত্ৰ নিজ স্বাৰ্থ পূৰণৰ বাবেহে আজি হাবাথুৰি খায়। স্বদেশ পূজা মানে যি কেৱল লোকেল ব'ৰ্ডৰ সদস্য হোৱাকে বুজে, মন্ত্ৰিত্বই যাৰ শেষ কল্পনা, এছেম্বলীয়েই যাৰ আশা— তেনে অসমীয়াই লাচিতৰ ৰণ-দুৰ্মদ ভাষা বুজিবলৈ জানো সক্ষম হ'ব? কিন্তু তাৰ মাজতো লাচিতৰ সাহ তেজত প্ৰবাহিত এচাম ডেকা এতিয়াও আছে— যি এবাৰ হুকুম পালেই স্বদেশ ৰক্ষাৰ বাবে লুইতৰ বগা পানী ৰঙা কৰি তুলিব পাৰে। প্ৰয়োজন মাথোঁ লাচিতৰ দৰে এজন সাহসী সেনাপতিৰ।



**ওপৰঞ্চি তথ্য ঃ**

অসমীয়া সাহিত্যত দেশপ্ৰেমমূলক কবিতাৰ এটি সমৃদ্ধ ধাৰা পৰিলক্ষিত হয়। ৰোমাণ্টিক স্তৰৰ কবিসকলে দেশৰ গৌৰৱময় অতীত অথবা কোনো বীৰ বা বীৰত্বব্যঞ্জক ঐতিহাসিক ঘটনাক লৈ দেশপ্ৰেমমূলক কবিতা ৰচনা কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমীয়া ভাষাত বহুতো দেশপ্ৰেমমূলক গীত আৰু কবিতাৰ সৃষ্টি হৈছিল।

**শিক্ষকৰ প্ৰতি ঃ**

১। লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনী অলপ বিস্তাৰিতভাৱে ক'ব।

২। ইব্ৰাহিমৰ কাহিনীটো ছাত্ৰ-ছাত্ৰীক বহলাই ক'ব।

৩। নাটকীয় স্বগতোক্তি সম্পৰ্কে আভাস দিব।

# ৰাজপথ

**ভৱানন্দ দত্ত**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

দ্বিতীয় মহাযুদ্ধৰ পৰৱৰ্তী সময়ৰে পৰা আধুনিক অসমীয়া কবিতাত পৰিৱৰ্তন লক্ষ্য কৰা যায়। কুৰি শতিকাৰ চল্লিছৰ দশকত অসমীয়া কবিতাই পুৰণি ভাববাদী ৰোমাণ্টিক ভাবধাৰাৰ পৰা আঁতৰি আহি নতুন চিন্তাধাৰাৰে বাস্তৱবাদী ভাবধাৰাৰ পাতনি মেলে। ত্ৰিশৰ দশকৰ শেষভাগত অসমীয়া সাহিত্যৰ নমস্য কবি ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত প্ৰকাশ পোৱা ‘জয়ন্তী’ চল্লিছৰ দশকৰ তৃতীয় বছৰত কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ যুটীয়া সম্পাদনাত নতুন ৰূপত প্ৰকাশ পায়। ৰোমাণ্টিক কবিৰ বাস্তৱ-বিমুখ ভাবাৱেগৰ বিপৰীতে সামাজিক চেতনাক কবিতাত অগ্ৰাধিকাৰ দিয়ে। কবি ভৱানন্দ দত্তৰ ‘ৰাজপথ’ কবিতাটিত তেনে চিন্তাৰ সাৰ্থক প্ৰতিফলন লক্ষ্য কৰিব পাৰি। নতুন ৰূপৰ, প্ৰগতিশীল ‘জয়ন্তী’ৰ প্ৰথম সংখ্যাত ‘নচিকেতা’ ছদ্মনামত এই কবিতাটি প্ৰকাশ পায়। পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য— আধুনিক বাস্তৱবাদী কবিতাৰ প্ৰথম স্তৰৰ চানেকীৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰি দিয়া।

### কবি পৰিচিতি ঃ

ভৱানন্দ দত্তৰ (১৯১৮-৫৯) যোৰহাটত জন্ম হয়। অবিভক্ত কামৰূপ জিলাৰ ৰতনপুৰ গাঁৱৰ চৌখুটি ছাত্ৰ-বৃত্তি স্কুল আৰু বজালী হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা, কটন মহাবিদ্যালয়ৰ পৰা আই. এ. আৰু দৰ্শন বিষয়ত



প্ৰথম শ্ৰেণীসহ বি. এ. পৰীক্ষাত তেওঁ উত্তীৰ্ণ হয়। ১৯৪৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত নলবাৰী কলেজত কৰ্মজীৱনৰ পাতনি মেলে। পৰৱৰ্তী সময়ত কটন মহাবিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। উল্লেখযোগ্য ৰচনাসমূহ — 'Philosophy and India', ‘ৰবীন্দ্ৰ প্ৰতিভা’, ‘দৃষ্টি আৰু দৰ্শন’, ‘অসমীয়া কবিতাৰ কাহিনী’, ‘অসমৰ জাতীয় সমস্যাৰ বিৱৰ্তন’।

### মূল পাঠ ঃ

ব্লেক আউটৰ অন্ধকাৰময় হে ৰাজপথ!
কত ট্ৰাম, বাছ, টেক্সি, ৰিক্সা চলে
তোমাৰ উদাৰ বুকুৰ ওপৰেদি
কত ব্যগ্ৰ ৰজনীৰ উদ্ভ্ৰান্ত প্ৰেমৰ
গোপন অভিসাৰ চলে
তোমাৰ প্ৰশান্ততাৰ সুবিধা লৈ।
কত অফিচ-ফেৰত হোটেল-বাকী কেৰাণী আদিৰ
শ্ৰান্তি গুচোৱা ৰূপ-বজাৰৰ
আমোদখিনিৰ সুবিধা দিয়া।
আন্ধাৰ ৰাতিৰ সুযোগ লৈ
সমাজৰ চকুত ধূলি দিয়া
জীৱিকা-সন্ধানী ভদ্ৰ-বনিতাৰ
চৰণাঘাত লভিছা কত!
বিচিত্ৰ তোমাৰ লীলা,
দুকাষে তোমাৰ দালানৰ শাৰী

পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ'ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ-সংগীত;
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ-কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।
আৰু তাৰ তলতেই ফুটপাথত
(ধন্য তোমাৰ দয়া!)
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী;
গৃহহীন যিসকল,
ভগ্নপ্ৰায় সমাজৰ দস্যুতাৰ ছাইন-পোষ্ট যেন
অৰ্থহীন অধিকাৰহীন
বঞ্চিতৰ বাচিবৰ বাঞ্ছা
তোমাৰ কোলাত পায় সিয়ে নিঃশ্ৰেয়স মোক্ষ।

**কঠিন শব্দৰ অৰ্থ ঃ**

ব্লেক আউট — নিষ্প্ৰদীপ।
উদ্ভ্ৰান্ত — ব্যাকুল।
শ্ৰান্তি — ভাগৰ।
মেহগনি — এবিধ মূল্যৱান কাঠ।
দস্যুতা — ডকাইতি।
ছাইন-পোষ্ট— পথৰ নাম আদি উল্লেখ থকা ফলক-স্তম্ভ।
নিঃশ্ৰেয়স — মংগলহীন।
মোক্ষ — মুক্তি।



## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। 'অসমীয়া কবিতাৰ কাহিনী' গ্ৰন্থখন কাৰ ৰচনা?
২। 'ব্লেক আউট' মানে কি?
৩। ৰাজপথত কোন সময়ত ভদ্ৰ-বনিতাৰ চৰণাঘাত পৰে?
৪। 'ৰাজপথ' কবিতাটি প্ৰথমে কোনখন আলোচনীত প্ৰকাশ পাইছিল?
৫। 'নচিকেতা' কাৰ ছদ্মনাম?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। 'ৰাজপথ' নামৰ কবিতাটিত কবিয়ে আধুনিক যুগৰ কোনখিনি সময়ৰ চিত্ৰ অংকন কৰিছে?
২। বিভিন্নজন ব্যক্তিয়ে কেনেদৰে ৰাজপথৰ উদাৰতাৰ সুযোগ লৈছে?
৩। ৰাজপথৰ দুকাষে থকা বৃহৎ অট্টালিকাবোৰৰ ছবি কবিতাটিত কেনেদৰে প্ৰকাশ পাইছে?
৪। ৰাজপথৰ কাষৰ ফুটপাথত কোন কেনেকৈ থাকে?
৫। ভৱানন্দ দত্তৰ 'ৰাজপথ' কবিতাটোত বাস্তৱতা কেনেদৰে ফুটি উঠিছে?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'ৰাজপথ' কবিতাটিৰ জৰিয়তে আধুনিক সভ্যতাই সৃষ্টি কৰা প্ৰেমৰ নগ্ন স্বৰূপ কেনেদৰে প্ৰকাশিত হৈছে — বুজাই লিখা।

২। সমাজ জীৱনৰ শ্ৰেণী-বৈষম্যৰ ছবিখন ‘ৰাজপথ’ কবিতাটিত কেনেদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

৩। ‘ৰাজপথ’ কবিতাটিৰ শেষভাগত ৰাজপথক কাৰ আশ্ৰয়স্থলী হিচাপে প্ৰকাশ কৰা হৈছে?

৪। ‘ৰাজপথ’ কবিতাটিত ‘বঞ্চিতৰ বাচিবৰ বাঞ্ছা’ মানে কি কথা কোৱা হৈছে বুজাই লিখা।

৪। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) আন্ধাৰ ৰাতিৰ সুযোগ লৈ
সমাজৰ চকুত ধূলি দিয়া
জীৱিকা-সন্ধানী ভদ্ৰ-বনিতাৰ
চৰণাঘাত লভিছা কত!

(খ) পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ’ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ-সংগীত,
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ-কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।

(গ) আৰু তাৰ তলতেই ফুটপাথত
(ধন্য তোমাৰ দয়া!)
শূন্য ভিক্ষা পাত্ৰ লৈ শুই পৰা
মৃতপ্ৰায় কংকালৰ শাৰী;

## পাঠবোধ ঃ

এটি ‘ৰাজপথ’ক কেন্দ্ৰ কৰি কবিয়ে আধুনিক সভ্যতাই সৃষ্টি কৰা অৱক্ষয়ৰ ৰূপ প্ৰকাশ কৰিছে। ৰাজপথৰ উদাৰ বুকুৰ ওপৰেদি জীৱনক গতি দিয়া ট্ৰাম, বাছ, টেক্সি, ৰিক্সাবোৰ চলি থাকে। তাৰ লগতে প্ৰশান্ত



ৰাজপথৰ সুবিধা লৈ নিশাৰ অন্ধকাৰত উদ্‌ভ্ৰান্ত প্ৰেমৰ গোপন অভিসাৰো চলে। এই ৰাজপথৰ কোনোবাখিনিত ওৰে দিনটো শ্ৰম কৰি অফিচৰ পৰা ভাগৰুৱা হৈ ঘৰলৈ উভতি অহা কেৰাণীসকলে বজাৰৰ আমোদ লয়। আনহাতে আন্ধাৰ ৰাতিৰ সুযোগ লৈ সমাজৰ চকুত ধূলি দি জীৱিকাৰ সন্ধানত ভদ্ৰ নাৰীয়ে বিচৰণ কৰে। এহাতে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাই সৃষ্টি কৰা অট্টালিকা আৰু বিলাসী জীৱন, আনহাতে তাৰ তলতেই ফুটপাথত ভিক্ষাৰ শূন্য পাত্ৰ লৈ শুই পৰা সৰ্বহাৰাৰ শাৰী। এই গৃহহীন, বঞ্চিতসকলৰ শেষ আশ্ৰয়, মুক্তিৰ পথ হ’ল ‘ৰাজপথ’।

## ওপৰঞ্চি তথ্য ঃ

বাস্তৱবাদী দৃষ্টিভংগীৰে সমাজৰ নিঃস্ব, অৱহেলিত, শোষিত, লাঞ্ছিতসকলৰ দুখ-দুৰ্দশাৰ কথা প্ৰকাশ পোৱা সাহিত্যিক চিন্তাধাৰাক ‘প্ৰগতিবাদী চিন্তাধাৰা’ বুলি কোৱা হয়। অসমীয়া সাহিত্যলৈ এই চিন্তাধাৰা ‘জয়ন্তী’য়ে বোৱাই আনে। এই চিন্তাধাৰাৰে আধুনিক অসমীয়া কবিতালৈ বৈপ্লৱিক ভাৱধাৰা প্ৰৱাহিত কৰাত প্ৰধানতঃ ধীৰেন্দ্ৰচন্দ্ৰ দত্ত, ভৱানন্দ দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি কবিসকলে লোৱা ভূমিকা লক্ষ্য কৰিবলগীয়া।

## শিক্ষকৰ প্ৰতি ঃ

ছাত্ৰ-ছাত্ৰীসকলক ‘জয়ন্তী’ৰ চিন্তাদৰ্শ, ধ্যান-ধাৰণা সম্পৰ্কে এটি চমু আভাস দি আধুনিক অসমীয়া কবিতালৈ কেনেদৰে পৰিৱৰ্তন আহিছিল— সেই সম্পৰ্কে ধাৰণা দিবলৈ যত্ন কৰিব। ভৱানন্দ দত্তৰ উপৰি ধীৰেন্দ্ৰচন্দ্ৰ দত্ত, অমূল্য বৰুৱাৰ কবিতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক চমু ধাৰণা দিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ’ব।

# এখন চিঠি

**হেম বৰুৱা**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

ঐতিহাসিক বিচাৰত আধুনিক অসমীয়া কবিতাৰ অন্যতম পথিকৃৎ কবি হেম বৰুৱা। আধুনিক অসমীয়া কবিতাক জনপ্ৰিয় কৰাত হেম বৰুৱাৰ অৰিহণা স্মৰণীয়। হেম বৰুৱাৰ ৰচনাৰীতি সহজ-সৰল, প্ৰকাশভংগী পোনপটীয়া। আধুনিক অসমীয়া কবিতাত হেম বৰুৱাৰ মূল্যৱান কবিতা 'মমতাৰ চিঠি'। অকালতে বৈধব্যৰ যন্ত্ৰণা পোৱা নাৰী মমতাৰ স্বামীলৈ লিখা চিঠিখনিত নাৰী অন্তৰৰ কাৰুণ্য সংযত ভাষাত প্ৰকাশ পাইছে। 'এখন চিঠি' নামৰ কবিতাটিত সৈনিক স্বামীয়ে পত্নীক এৰি থৈ আহিবলগীয়া হোৱা সময়ৰ স্মৃতি আৰু তাৰ লগতে অন্তৰত জাগ্ৰত স্বদেশপ্ৰেমৰ প্ৰকাশ ঘটিছে। চিঠিৰ মাধ্যমতো যে একোটা বিষয়ক সাৰ্থক কাব্যৰূপ দিব পাৰি— সেই কথা ছাত্ৰ-ছাত্ৰীয়ে এই কবিতাটি পঢ়িলে বুজিব পাৰিব। হেম বৰুৱাৰ কাব্য-ৰীতি আৰু স্পন্দিত গদ্য ছন্দ দুয়োটা দিশ উপলব্ধি কৰাত পাঠটিয়ে সহায় কৰিব।

### কবি পৰিচিতি ঃ

১৯১৫ চনত তেজপুৰত হেম বৰুৱাৰ জন্ম। যোৰহাট আৰু তেজপুৰত স্কুলীয়া শিক্ষা শেষ কৰি কটন মহাবিদ্যালয়ৰ পৰা বি. এ. আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সন্দিকৈ ছোৱালী কলেজ, যোৰহাটৰ জে. বি. কলেজ আৰু



গুৱাহাটীৰ বি. বৰুৱা কলেজত অধ্যাপক পদত নিযুক্ত হয়। তাৰ পাছত বি. বৰুৱা কলেজতে উপাধ্যক্ষ আৰু অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি তেওঁ অৱসৰ গ্ৰহণ কৰে। বিয়াল্লিছৰ গণ আন্দোলনত তেওঁ কাৰাবাস খাটিছিল। হেম বৰুৱা আছিল সুবক্তা আৰু কৃতী সাংসদ। তেওঁ 'পছোৱা' আলোচনী আৰু 'আসাম এক্সপ্ৰেছ' নামৰ দৈনিক ইংৰাজী কাকতৰ সম্পাদক আছিল। 'আৱাহন', 'জয়ন্তী', 'ৰামধেনু' আদি কাকত-আলোচনীৰ জৰিয়তে তেওঁৰ সাহিত্য চৰ্চাই বিকাশ লাভ কৰে। ভ্ৰমণ কাহিনী আৰু আন আন গদ্যসম্ভাৰেৰেও তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। হেম বৰুৱাৰ কাব্য পুথিকেইখন হ'ল — 'বালিছন্দা', 'মন-ময়ূৰী' আৰু 'হেম বৰুৱাৰ কবিতা'। অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত তেওঁ সভাপতিত্ব কৰিছিল। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়। 'এখন চিঠি' কবিতাটো 'মন-ময়ূৰী' কাব্যপুথিৰ অন্তৰ্গত।

### মূল পাঠ ঃ

মৰমৰ...<br>
মেঘাচ্ছন্ন পৰ্বতৰ এই মোহনাত<br>
নিবিড়ভাৱে মোৰ মনত পৰিছে,<br>
মমতা,<br>
বিদায় মৌন নিথৰ মুহূৰ্তত<br>
তোমাৰ চকু উপচি বাৰিষাৰ বান নামিছিল।

তাৰ উত্তৰত মই মাথোঁ নিৰুত্তৰ হৈ ৰ'লোঁ।<br>
সেইবোৰ অনাখৰী কথা আজিও অন্তৰত<br>
পৰ্বতীয়া বনপোৰা জুই হৈ আছে।

ইয়াত মাথোন হেজাৰ হেজাৰ ফুট ওখ
পৰ্বত আৰু পৰ্বত, যাৰ বাহুবন্ধনত
কল্পনা ছাই হৈ যায়।
এই পৰ্বতবোৰতে প্ৰতিধ্বনিত হৈ আছে
আমাৰ বুকুৰ তেজৰ চেকুৰাবোৰ,
অন্তৰৰ জুই-শিখা,
আৰু মৰমৰ মৰিশালিবোৰ।

এইখন এখন মহাকাব্য, পৰ্বতৰ মৌন ভাষাই
লেখি যোৱা তেজৰ বুৰঞ্জী।
দূৰণিত ৰৈ ৰৈ এয়া শুনিছোঁ কি?
শত্ৰুৰ কামানৰ গৰ্জন। দেখিছোঁ কি?
ধোঁৱা আৰু ধোঁৱা।

এটা কথা জানি থোৱা, শুনা ঃ
মৃত্যুৰে যদি অভিনন্দন জনায়,
সেই মৃত্যু পাৰিজাত ফুল
তাত দেৱতাৰ আশীৰ্বাদ আছে।
সৰ্বশেষত,
তোমাক একেষাৰ অনুৰোধ কৰোঁ ঃ
এই যে আমাৰ ল'ৰা দুটা, সিহঁতক কেতিয়াও
পিতৃৰ অভাৱ অনুভৱ কৰিবলৈ নিদিবা।

সিহঁতক মাথোন একেষাৰ কথাকে ক'বা ঃ
যি মৃত্যুৱে দহক জীৱন দিয়ে,
সেই মৃত্যু আত্মাৰ দৰেই অবিনশ্বৰ।



আজিলৈ সামৰোঁ দেই,
—দীঘলীয়াকৈ চিঠি লেখিবলৈ আজৰি নাই।
মৰম জানিবা। ইতি ঃ তোমাৰ...

আকৌ ঃ
এয়া আদেশ আহিছে। যাব লাগে।
শত্ৰু-সৈন্যই চেলা গিৰিপথ অতিক্ৰম কৰিছে।
চিঠিখন আজি ডাকত দিয়া নহ'ব।
আকৌ মৰম।...

**কঠিন শব্দৰ অৰ্থ ঃ**

মেঘাচ্ছন্ন — মেঘেৰে ঢকা।
মোহনা — নদীৰ মুখ।
নিবিড় — বৰ ঘন বা ডাঠ, একান্ত।
নিথৰ — নিশ্চল, নিস্তব্ধ।
অনাখৰী — প্ৰকাশ কৰিব নোৱৰা; আখৰেৰে নিলিখা; নিৰক্ষৰ।
বনপোৰা জুই — নিজে জ্বলি নিজেই নুমাই যোৱা হাবিৰ জুই।
অবিনশ্বৰ — অবিনাশী, অক্ষয়।
চেলা গিৰিপথ —অৰুণাচল প্ৰদেশত চীনা সীমান্তত থকা এটি গিৰিপথ।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। 'এখন চিঠি' কবিতাটো হেম বৰুৱাৰ কোনখন কবিতা পুথিৰ অন্তৰ্গত?

২। হেম বৰুৱাই সম্পাদনা কৰা অসমীয়া আলোচনীখনৰ নাম লিখা।

৩। চেলা গিৰিপথ ক'ত আছে?

৪। কবিয়ে কেনে মৃত্যু আত্মাৰ দৰে অবিনশ্বৰ বুলি কৈছে?

৫। 'এখন চিঠি' কবিতাটোত উল্লেখ কৰা সৈনিকজনৰ পত্নীৰ নাম কি?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ২ অথবা ৩)

১। 'এখন চিঠি' কবিতাত সৈনিকজন যুদ্ধলৈ যাবৰ সময়ত তেওঁৰ পত্নীয়ে কি কৰিছিল?

২। 'এখন চিঠি' কবিতাত সৈনিকজনে যুদ্ধক্ষেত্ৰৰ কেনে বিৰৰণ আগবঢ়াইছে?

৩। সৈনিকজনে মৃত্যুক কেনেদৰে গ্ৰহণ কৰিছে?

৪। নিজৰ সন্তান দুটাক কি কথাৰে বুজনি দিবলৈ সৈনিকজনে কৈছে?

৫। সৈনিকজনে চিঠিখন সেইদিনাই ডাকত দিব নোৱৰাৰ কাৰণ কি?

**(গ) দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'এখন চিঠি' কবিতাত পত্নীৰ প্ৰতি সৈনিকজনৰ কেনে মনোভাব প্ৰকাশ পাইছে?



২। সৈনিকৰ দেশপ্ৰেম 'এখন চিঠি' কবিতাত কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

৩। 'এখন চিঠি' কবিতাত যুদ্ধক্ষেত্ৰৰ ভয়াবহতা কেনেদৰে প্ৰকাশ পাইছে বুজাই লিখা।

৪। 'তোমাৰ চকু উপচি বাৰিষাৰ বান নামিছিল' কথাষাৰৰ মৰ্মাৰ্থ বুজাই লিখা।

৫। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা—

(ক) এইখন এখন মহাকাব্য, পৰ্বতৰ মৌন ভাষাই
লেখি যোৱা তেজৰ বুৰঞ্জী।

(খ) মৃত্যুৱে যদি অভিনন্দন জনায়
সেই মৃত্যু পাৰিজাত ফুল
তাত দেৱতাৰ আশীৰ্বাদ আছে।

### অতিৰিক্ত প্ৰশ্ন ঃ

(ক) ৰামধেনু যুগৰ কেইগৰাকীমান কবিৰ নাম লিখা।

(খ) হেম বৰুৱাৰ চিঠিৰ ভাষাৰে বিষয়বস্তুক প্ৰকাশ কৰা অন্য কবিতা এটিৰ নাম লিখা।

### পাঠবোধ ঃ

এগৰাকী সৈনিকে তেওঁৰ পত্নীলৈ এখন চিঠি লিখিছে। আদেশ পালে যিকোনো মুহূৰ্ততে যুদ্ধক্ষেত্ৰলৈ যাবলৈ তেওঁ সাজু। ওখ পৰ্বতমালাৰ মাজত থিয় হৈ তেওঁ পত্নীৰ পৰা বিদায় লৈ অহা মৌন ক্ষণৰ কথা চিঠিখনত সোঁৱৰণ কৰিছে। সাংসাৰিক স্নেহৰ মধুৰ প্ৰকাশ কবিতাটিত ব্যঞ্জিত হৈছে। কবিতাটিত সৈনিক জীৱনৰ যুদ্ধক্ষেত্ৰৰ পৰিস্থিতি আৰু দেশৰ প্ৰতি উৎসৰ্গিত জীৱনৰ মহত্ত্বও প্ৰতিভাত হৈছে।

সৈনিকৰ মৃত্যু স্বৰ্গীয় পাৰিজাত ফুলসদৃশ— য'ত দেৱতাৰ আশীৰ্বাদ থাকে। ভৱিষ্যৎ পুৰুষক সেই আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ কৰিবলৈও কবিতাটোৰ মাজেৰে প্ৰয়াস কৰা হৈছে। চিঠিখন লিখি থাকোঁতেই যুদ্ধক্ষেত্ৰত পুনৰ নামি পৰিবলৈ সৈনিকজনে আদেশ পাইছে; যাৰ বাবে চিঠিখন সিদিনা ডাকত দিব নোৱাৰিলে।

**ওপৰঞ্চি তথ্য ঃ**

'এখন চিঠি' কবিতাটোত থকা এটা প্ৰসঙ্গৰপৰা কবিতাটোৰ ঐতিহাসিক প্ৰেক্ষাপট সম্পৰ্কে ধাৰণা কৰিব পাৰি। সেয়া হ'ল— 'চেলা গিৰিপথ'। ১৯৬২ চনত সংঘটিত হোৱা চীন-ভাৰতৰ যুদ্ধত চেলা গিৰিপথ অতিক্ৰম কৰিয়েই চীনা সৈন্যই ভাৰতীয় সৈন্যক পৰাজিত কৰিছিল। ভাৰতীয় সৈন্যই সাহসেৰে যুঁজ দিও চীনা সৈন্যক পৰাভূত কৰিব নোৱাৰিলে। যুদ্ধত বহু ভাৰতীয় সেনা ছহিদ হ'ল। যুদ্ধত জিকি চীনা সৈন্য অৰুণাচল প্ৰদেশৰ টাৱাং জিলা অতিক্ৰম কৰি তেজপুৰ পৰ্যন্ত আগ বাঢ়িছিল, কিন্তু অজ্ঞাত কাৰণত তেওঁলোক উভতি গুচি যায়।

**শিক্ষকৰ প্ৰতি ঃ**

১। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পাঠদানৰ সময়ত 'মমতাৰ চিঠি' কবিতাটি পাঠ কৰি শুনাব। সেই কবিতাটিৰ লগত এই কবিতাটিৰ ভিন্ন প্ৰসংগ জড়িত হৈ আছে।

২। পাঠৰ অন্তৰ্গত আন আধুনিক কবিতাৰ ছন্দৰ লগত এই কবিতাটিৰ ছন্দৰ যে পাৰ্থক্য আছে তাৰো সাধাৰণ আভাস দিবলৈ যত্ন কৰিব।



# চমু ৰচনা আৰু ব্যাকৰণ

**(ক) ভাব সম্প্ৰসাৰণ ঃ**

মহৎ লোকৰ বাণী বা কোনো প্ৰসিদ্ধ লিখকৰ একোটা মহৎ উক্তিৰ অন্তৰ্নিহিত ভাবটোক সহজ-সৰল আৰু সাৱলীল ভাষাৰে স্পষ্টকৈ বহলাই আলোচনা কৰাকে ভাব-সম্প্ৰসাৰণ কৰা বোলে। কেতিয়াবা ফকৰা-যোজনা, প্ৰবাদ-পটন্তৰ আদিৰো ভাব-সম্প্ৰসাৰণ কৰা হয়। কবিতা বা গদ্য, যিকোনো মহৎ উক্তি বা কথাৰ ভাব-সম্প্ৰসাৰণ কৰিব পাৰি। তলত ভাব-সম্প্ৰসাৰণৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল ঃ

(১) "স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল-মন্দিৰৰ সিংহদুৱাৰ হৈছে মাতৃভাষা।"— লক্ষ্মীনাথ বেজবৰুৱা

এই কথাষাৰিৰ মাজেৰে নিজৰ দেশ আৰু জাতিৰ উন্নতি সাধন কৰিবলৈ যোৱাৰ মূলতে যে মাতৃভাষাৰ উন্নতি কৰা, সেই ভাব প্ৰকাশ কৰা হৈছে।

যিখন দেশৰ মাটি-পানী-বায়ুৰে পৰিপুষ্ট হৈ মানুহ জীৱনৰ বাটত আগ বাঢ়ি যাবলৈ সক্ষম হৈছে, সেইখনেই হৈছে তেওঁৰ স্বদেশ অৰ্থাৎ নিজৰ দেশ। আনহাতে যিটো জাতিৰ ঐতিহ্য, সভ্যতা-সংস্কৃতিৰ উমেৰে জীপাল হৈ নিজৰ জীৱন সাফল্যমণ্ডিত কৰি তুলিবলৈ সক্ষম হৈছে, সেইটোৱেই হৈছে তেওঁৰ স্বজাতি— নিজৰ জাতি। নিজৰ দেশ আৰু জাতিৰ উন্নতি আৰু কল্যাণৰ কাৰণে কাম কৰাটো প্ৰতিজন মানুহৰে কৰ্তব্য। কিন্তু স্বদেশ আৰু স্বজাতিৰ উন্নতি সাধন কৰিবলৈ হ'লে প্ৰথমে

সেই দেশ আৰু জাতিটোৰ মাতৃভাষাৰ উন্নতি আৰু সমৃদ্ধিৰ কাৰণে আত্মনিয়োগ কৰিব লাগিব। সিংহদুৱাৰ স্বৰূপ মাতৃভাষাৰ উন্নতি আৰু কল্যাণৰ জৰিয়তেহে নিজৰ দেশ আৰু জাতিৰ উন্নতিৰ মংগল-মন্দিৰত প্ৰৱেশ কৰিব পৰা যাব। কাৰণ মাতৃভাষাৰ উন্নতি আৰু বিকাশ হ'লেহে দেশ আৰু জাতিৰ সভ্যতা-সংস্কৃতিৰো উন্নতি আৰু বিকাশ হ'ব আৰু বিশ্বৰ দৰবাৰত নিজৰে দেশ আৰু জাতিৰ নাম উজলি উঠিব। গতিকে মাতৃভাষাত দক্ষতা আৰ্জি সেই ভাষাত বিজ্ঞান, সাহিত্য, অৰ্থনীতি, ৰাজনীতি, সংস্কৃতি আদি বিভিন্ন বিষয়ৰ মূল্যৱান গ্ৰন্থ লিখি ভাষাটোক উন্নতিৰ শিখৰলৈ আগ বঢ়াই নিব পাৰিলেহে নিজৰ দেশ আৰু জাতিও উন্নতি আৰু বিকাশৰ পথত আগ বাঢ়ি যাব পাৰিব। মুঠতে মাতৃভাষাৰ উন্নতিয়েই নিজৰ দেশ আৰু জাতিৰো উন্নতি।

(২) "অধ্যৱসায় মনত লুকাই থকা প্ৰতিজ্ঞাৰ ফল। মনত প্ৰতিজ্ঞা থাকিলে কামত অধ্যৱসায় জন্মে।" — সত্যনাথ বৰা

এই উক্তিৰ মাজেৰে মনত দৃঢ় প্ৰতিজ্ঞা থাকিলে যে কামত অধ্যৱসায় বা একাগ্ৰতা জন্মে, তাকে ক'ব খোজা হৈছে।

কোনো কাম এবাৰতে কৰিব নোৱাৰিলে নেৰানেপেৰাকৈ লাগি বাৰে বাৰে চেষ্টা কৰাটোৱেই হৈছে অধ্যৱসায়। কামত কৃতিত্ব লভিবলৈ অধ্যৱসায়ৰ প্ৰয়োজন। এই অধ্যৱসায় প্ৰতিজ্ঞা বা দৃঢ় মানসিক সিদ্ধান্তৰ পৰা জন্মে। কোনো কামত সফল হ'বলৈ বা নিজৰ লক্ষ্যত উপনীত হ'বলৈ মানুহে মনতে প্ৰতিজ্ঞা কৰি ল'ব লাগে। প্ৰতিজ্ঞাই মন দৃঢ় কৰে। মনত প্ৰতিজ্ঞা থাকিলে কোনো কাম এবাৰত নহ'লেও বাৰে বাৰে সেই কামত লাগি থাকিবলৈ মনত বল পোৱা যায়। অধ্যৱসায়ে সকলো কাম সহজ কৰি তোলে। গতিকে মানুহে মনতে প্ৰতিজ্ঞা কৰি অধ্যৱসায়েৰে কামত আগ বাঢ়ি যাব লাগে।



(৩) "তোমাৰ ই ধূলিবালি তোমাৰ আকাশ বায়ু
এই মোৰ স্বৰগৰ বাস,
তুমি মোৰ মৰতৰ পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰভাস।"

— নলিনীবালা দেৱী

জন্মভূমিৰ প্ৰতি থকা কবিৰ সীমাহীন প্ৰেম এই কবিতা ফাকিৰ মাজেৰে প্ৰকাশিত হৈছে।

কবিয়ে জন্মভূমিক ইমানেই ভাল পায় যে তেওঁ ইয়াৰ আকাশ-বতাহ আৰু প্ৰতিটো ধূলিকণাৰ মাজত পৱিত্ৰতা অনুভৱ কৰিছে। তেওঁ এখন সুকীয়া স্বৰ্গ লাভৰ কামনা নকৰি জন্মভূমিৰ আকাশ-বতাহ, ধূলি-বালিৰ মাজতে মিলি থাকিব খুজিছে। কবিৰ কাৰণে এই মৰতত অৰ্থাৎ পৃথিৱীত জন্মভূমিয়েই মহান পৱিত্ৰ স্থান, য'ত থাকি তেওঁ মুক্তিলাভ কৰাৰ কামনা কৰিছে। কবিয়ে জন্মভূমিৰ মাজতে প্ৰভাস তীৰ্থৰ পৱিত্ৰতা অনুভৱ কৰিছে। সেয়েহে কবিৰ কাৰণে জন্মভূমি পৱিত্ৰ প্ৰভাস তীৰ্থ। এই প্ৰভাস তীৰ্থস্বৰূপ জন্মভূমিৰ সেৱা কৰিয়েই প্ৰভাস তীৰ্থ দৰ্শন কৰাৰ বা সেই তীৰ্থত স্নান কৰি লাভ কৰা মহাপুণ্য অৰ্জন কৰিব পাৰে।

(৪) "শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।"

এই ফকৰাটিৰ জৰিয়তে শ্ৰম-বিমুখ লোকৰ যে উদ্‌গতি নাই, তাকে প্ৰকাশ কৰা হৈছে।

হাঁহ-কুকুৰা শিয়ালৰ খাদ্য। কিন্তু হাঁহ-কুকুৰা নিজে শিয়ালৰ কাষলৈ আগ বাঢ়ি নাযায়; বৰং নানা যত্ন আৰু ফন্দি কৰি শিয়ালহে হাঁহ ধৰিবলৈ যাব লাগিব। তাকে নকৰি শুই থাকিলে শিয়ালে কেতিয়াও হাঁহ ধৰিব, অৰ্থাৎ নিজৰ খাদ্য যোগাৰ কৰিব নোৱাৰে। মানুহৰ বেলিকাও একে কথা। জীৱনত সফলতা বা উন্নতি লাভ কৰিবলৈ হ'লে কষ্ট বা পৰিশ্ৰম

কৰিবই লাগিব। কেতিয়াবা অপৰ্যাপ্ত পৈতৃক সম্পত্তিও এলেহুৱা পুত্ৰৰ হাতত সমূলঞ্চে ধ্বংস হয়। গতিকে জীৱনত উন্নতি তথা প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে কষ্ট বা শ্ৰম অপৰিহাৰ্য। শ্ৰম হ'ল উন্নতিৰ মূল মন্ত্ৰ।

(৫) "আপোন ভালেই জগত ভাল।"

এই ফকৰাটিৰ মাজেৰে নিজে ভাল হ'লে যে জগতখনেই ভাল হয়, এনে ভাব প্ৰকাশ কৰা হৈছে।

একোখন সমাজত ভাল-বেয়া বিভিন্ন ৰকমৰ মানুহে বাস কৰে। তেওঁলোকৰ কাৰো প্ৰকৃতি কাৰো লগত নিমিলে। একেখন সমাজত দধীচিৰ দৰে ত্যাগী, যুধিষ্ঠিৰৰ দৰে ধাৰ্মিক, শকুনিৰ দৰে কপটীয়া আৰু দুৰ্যোধনৰ দৰে দাম্ভিক মানুহেও বাস কৰে। বিচক্ষণ লোকে এনে পৰস্পৰবিৰুদ্ধ প্ৰকৃতিৰ মানুহৰ মাজতো মিলাপ্ৰীতিৰে থাকি শান্তিত জীৱন কটাব পাৰে। কিন্তু সমাজত এনে এক শ্ৰেণীৰ মানুহ থাকে, যিসকলে কাৰো লগত মিলিজুলি থাকিব নোৱাৰে। তেনে লোকে সদায় আনৰ দোষ খুচৰি নিজৰ লগতে আনৰো শান্তি ভঙ্গ কৰে। এনে প্ৰকৃতিৰ মানুহৰ উদ্দেশ্যেই উক্ত ফকৰাটি ৰচিত হৈছে। দৰাচলতে মানুহ যিমানেই বেয়া নহওক, তাৰ মাজতো অলপ নহয় অলপ ভাল গুণ থাকে। দোষে-গুণেই মানুহ। প্ৰকৃত ভাল মানুহে দোষক আওকাণ কৰি গুণখিনিলৈহে চকু দিয়ে। ক'বলৈ গ'লে, এনে লোকে জগতৰ সকলোকে ভাল দেখে আৰু আনেও এনে লোকৰ প্ৰতি ভাল ব্যৱহাৰ কৰে। মুঠতে, নিজে ভাল হ'লে জগতখনকে আপোন কৰি ল'ব পাৰি।



## অনুশীলনী

ভাব-সম্প্ৰসাৰণ কৰা—

১। বিদ্যা মানৱ মনৰ দীপ্তি, তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে।

২। বাটৰ দূবৰিবন, গচকত পৰা;
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।

৩। ভাগি গ'ল বীণখনি, ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয়া জোকাৰ।

৪। যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

৫। যত্ন কৰিলে ৰত্ন পায়।

### (খ) একে বা সম উচ্চাৰণৰ ভিন্ন অৰ্থবোধক শব্দ ঃ

অসমীয়া ভাষাত একে বা সম উচ্চাৰণাত্মক অথচ ভিন্ন অৰ্থবোধক অজস্ৰ শব্দ আছে। মন কৰিবলগীয়া, এই শব্দবোৰৰ উচ্চাৰণহে একে কিন্তু ইবোৰৰ বানান বা আখৰ-জোঁটনি প্ৰায়ে সামান্য পৃথক। সেয়েহে তেনেবোৰ শব্দৰ অৰ্থৰ পাৰ্থক্য নিৰ্দেশ কৰিবলৈ সেই শব্দবোৰৰ আখৰ-জোঁটনিলৈ মন কৰিব লাগিব। একে উচ্চাৰণৰ ভিন্ন অৰ্থবোধক শব্দ কিছুমান হ'ল—

১. অণু — অতি সূক্ষ্ম, ক্ষুদ্ৰতম অংশ।
অনু — পিছত।

| | | | |
|---|---|---|---|
| ২. | আঁহ | — | গছৰ ছাল বা ফল আদিৰ ভিতৰত থকা মিহি সূতাৰ নিচিনা বস্তু। |
| | আহ | — | মতা কাৰ্য, কাষলৈ আহ। |
| ৩. | কঠা | — | মাটিৰ জোখ। |
| | কথা | — | শব্দ, বাক্য, ভাষা। |
| ৪. | কাঁহ | — | এবিধ ধাতু। |
| | কাহ | — | এবিধ ৰোগ (কাহ মৰা)। |
| ৫. | কোন | — | প্ৰশ্নবোধক সৰ্বনাম (কোন আহিছে?)। |
| | কোণ | — | ঘৰৰ চুক, দুডাল ৰেখা কটা-কটিকৈ লগ লাগি কৰা চুক)। |
| ৬. | গড় | — | দুৰ্গ, মাটি বা শিলেৰে বন্ধা ওখ ভেঁটা বা ঢাপ। |
| | গঁড় | — | এবিধ জন্তু, (এশিঙীয়া গঁড়)। |
| ৭. | গুলি | — | গুলি সূতা, মেৰিয়াই থোৱা কাপোৰ চিলোৱা মিহি সূতা। |
| | গুলী | — | বন্দুকৰ গুলী। |
| ৮. | চাল | — | ঘৰৰ চাল, ঘৰৰ ওপৰৰ ঢাকনি। |
| | ছাল | — | মানুহ, জীৱ-জন্তু আদিৰ গাৰ ছাল। |
| ৯. | চুটি | — | সংক্ষেপ। |
| | ছুটী | — | কামৰ পৰা বিৰাম (স্কুল ছুটী হ'ল)। |
| ১০. | টান | — | কঠিন। |
| | তান | — | গীতৰ সুৰ। |
| ১১. | ধনী | — | চহকী। |
| | ধ্বনি | — | শব্দ। |



| | | | |
|---|---|---|---|
| ১২. | নীৰ | — | পানী। |
| | নীড় | — | চৰাই বাহ। |
| ১৩. | পাণি | — | হাত। |
| | পানী | — | জল। |
| ১৪. | বাণ | — | শৰ, ধনুৰ শৰ। |
| | বান | — | বানপানী। |
| ১৫. | বাঁহ | — | বাঁহ গছ। |
| | বাহ | — | চৰাই বাহ। |
| ১৬. | শুঁৰ | — | হাতীৰ শুঁৰ। |
| | সুৰ | — | গানৰ সুৰ। |
| ১৭. | ষাঁড় | — | ষাঁড় গৰু। |
| | সাৰ | — | শস্যত দিয়া ঔষধ। |
| ১৮. | হাড় | — | অস্থি, মঙহৰ ভিতৰৰ টান ভাগ। |
| | হাৰ | — | ডিঙিত পিন্ধা অলংকাৰ। |
| ১৯. | হাত | — | মানুহৰ শৰীৰৰ এবিধ অংগ। |
| | হাট | — | বজাৰ। |

আন কিছুমান সমউচ্চাৰণৰ শব্দ হৈছে ঃ অটল-অতল, আচল-আঁচল, কাণ-কান, কুলি-কুলী, ডৰ-দৰ, ধুতি-ধূতী ইত্যাদি।

### (গ) অসমীয়া ভাষাত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ

চন্দ্ৰবিন্দু (ঁ) অসমীয়া বৰ্ণমালাৰ এটা অপৰিহাৰ্য ধ্বনি। ই স্বৰৰ অনুনাসিকতা বুজায়। অসমীয়া ভাষাৰ অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ,

ও আৰু ঔ —এই আটাইবোৰ স্বৰকে প্ৰয়োজন হ'লে অনুনাসিক ৰূপে উচ্চাৰণ কৰিব পাৰি। স্বৰৰ নাসিক্য উচ্চাৰণ হ'লে, সি প্ৰায়ে চন্দ্ৰবিন্দু হৈ ব্যঞ্জনটোত লাগি থকা স্বৰৰ ওপৰলৈ যায়। যেনে দাঁত (দ + আঁ + ত), কাঁহ (ক + আঁ + হ) আদি। চন্দ্ৰবিন্দু লগা স্বৰবোৰৰ উচ্চাৰণত হাঁওফাঁওৰ পৰা ওলোৱা বায়ুপ্ৰৱাহ আধা মুখেদি আৰু আধা নাকেদি ওলায়। চন্দ্ৰবিন্দুৱে শব্দৰ অৰ্থগত পাৰ্থক্যও নিৰ্দেশ কৰে। সেই হিচাপে চন্দ্ৰবিন্দু বিশিষ্ট ধ্বনি; যেনে 'চা' মানে চকুৰে চোৱা, কিন্তু 'ছাঁ' মানে 'গছৰ ছাঁ'। চন্দ্ৰবিন্দুৱে অৰ্থৰ পাৰ্থক্য ঘটোৱা সমউচ্চাৰিত শব্দ কিছুমান হৈছে ঃ শো—সোঁ, বাও—বাঁও, পাছ—পাঁচ আদি।

অসমীয়া ভাষাত ব্যৱহৃত চন্দ্ৰবিন্দুৰ উৎসলৈ (source) চালে দেখা যায় যে অধিকাংশ অসমীয়া তদ্ভৱ শব্দত ব্যৱহৃত চন্দ্ৰবিন্দু প্ৰকৃততে সংস্কৃত শব্দত থকা ং, ঙ, ঞ, ণ, ন আৰু ম নাসিক্য ধ্বনিৰ পৰিৱৰ্তিত ৰূপ। যেনে, **ৰংস—বাঁহ; অঙ্ক—আঁক; পঞ্চ—পাঁচ; কণ্টক—কাঁইট, কাঁটা; দন্ত—দাঁত; গ্ৰাম—গাঁও** আদি। উল্লিখিত ধৰণৰ ৰূপবোৰৰ বাহিৰে অসমীয়া ভাষাৰ নিম্নলিখিত ৰূপবোৰত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ অপৰিহাৰ্য ঃ

১। বৰ্তমান আৰু অতীতকালৰ প্ৰথম পুৰুষৰ সকলো ক্ৰিয়াপদত পুৰুষবাচক বা ক্ৰিয়াবিভক্তি 'ওঁ' অপৰিহাৰ্য। যেনে, (গীত) গাওঁ, পঢ়োঁ, কৰিছোঁ, খালোঁ, পঢ়িলোঁ, পঢ়িছিলোঁ আদি। সম্ভাব্য ভূতকালৰ 'হেঁতেন' পৰসৰ্গতো 'হেঁ' (হ + এঁ)ৰ ওপৰত চন্দ্ৰবিন্দু অপৰিহাৰ্য।

২। ক্ৰিয়াৰ অসমাপিকা ৰূপ গঠন কৰা '-ওঁতে' আৰু '-ওঁতা' প্ৰত্যয়তো চন্দ্ৰবিন্দুৰ ব্যৱহাৰ কৰিব লাগে। যেনে, কৰোঁতে, পঢ়োঁতে, যাওঁতে আদি আৰু কৰোঁতা, পঢ়োঁতা, যাওঁতা আদি।

৩। নামপদৰ বহুবচন বুজোৱা '-হঁত' আৰু ক্ৰিয়াপদৰ বহুবচন বুজোৱা '-হঁক' প্ৰত্যয়তো চন্দ্ৰবিন্দুৰ ব্যৱহাৰ অপৰিহাৰ্য। যেনে— মাহঁত, সিহঁত, তহঁত, আদি আৰু যোৱাহঁক, কৰিবিহঁক আদি।



৪। স্বৰ্গীয় বা মৃত বুজাবলৈ মৃত্যু হোৱা ব্যক্তিৰ নামৰ আগত চন্দ্ৰবিন্দু ব্যৱহাৰ কৰা হয়। যেনে, ँচন্দ্ৰপ্ৰসাদ শইকীয়া।

৫। মূল সংস্কৃতত নথকা সত্ত্বেও কিছুমান তদ্ভৱ শব্দত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ অৱশ্যেই কৰিব লাগে। যেনে— সঁচা (সত্য), আঁহত (অশ্বত্থ), আঁঠু (অস্থিবৎ) আদি। স্বতঃস্ফূৰ্ত অৰ্থাৎ আপোনা-আপুনি হোৱা নাসিক্যিভৱনৰ (nasalisation) কাৰণেই এনেবোৰ শব্দত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ হৈছে।

ইয়াৰ বাহিৰেও অসমীয়া ভাষাৰ স্বকীয় উচ্চাৰণ-বৈশিষ্ট্যৰ কাৰণে বিভিন্ন শব্দত যেনে ভোঁ ভোঁ, পেঁচ, দাঁতি, খোঁচ আদি শব্দত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ কৰাটো অসমীয়া ভাষাৰ এক বিশেষ বৈশিষ্ট্য।

অসমীয়া ভাষাৰ কিছুমান শব্দত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ নহয়। তেনে দুটামান নিদৰ্শন হৈছে ঃ

১। আদেশ, অনুৰোধ বুজোৱা অনুজ্ঞাৰ তৃতীয় পুৰুষৰ ক্ৰিয়াবিভক্তি '-ওক' আৰু '-অক'ত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ নহয়। যেনে— খাওক, যাওক, বহক, আহক আদি।

২। ক'লেও, পঢ়িলেও, যদিও, হওক, নহওক, নেওগ আদি শব্দৰ 'ও'-ৰ ওপৰত চন্দ্ৰবিন্দুৰ ব্যৱহাৰ নহয়।

৩। ভূঞা, গঞা, আদি শব্দত নাসিক্য 'ঞ' থকাৰ কাৰণে তাৰ ওপৰত চন্দ্ৰবিন্দু যোগ নহয়। সেইদৰে ঙ, ণ, ন আৰু ম নাসিক্য ধ্বনিৰ ওপৰতো চন্দ্ৰবিন্দু দিব নালাগে। কাৰণ সেই ধ্বনিকেইটাই অকলে নাসিক্য ধ্বনি বহন কৰে।

### (ঘ) অ'-কাৰৰ ব্যৱহাৰ

**অ'** স্বৰৰ কথা ক'বলৈ গ'লেই আমি **অ** স্বৰৰ কথা ক'ব লাগিব। **অ** অসমীয়া স্বৰ বৰ্ণমালাৰ প্ৰথম ধ্বনি। **অ**-টো একে সময়তে বৰ্ণ আৰু

আখৰো। এই স্বৰটোৰ উচ্চাৰণ হয় জিভাৰ গুৰি অংশ অৰ্থাৎ পিছ জিভাৰ দ্বাৰা। জিভাৰ উচ্চতা অনুযায়ী **অ**-টো নিম্ন স্বৰ। এই নিম্ন **অ** স্বৰৰ ঠিক সামান্য ওপৰত আৰু এটা অ স্বৰৰ উচ্চাৰণ হয়। ইয়াৰ উচ্চাৰণত জিভাখনৰ গুৰিটো ঈষৎ অৰ্থাৎ সামান্য ওপৰলৈ দাং খায়। কিন্তু এই স্বৰ বুজাবলৈ অসমীয়াত পৃথক কোনো আখৰ নাই। সেয়েহে **অ** স্বৰটোৰ সোঁ ফালে ওপৰত ঊৰ্ধ্বকমা (') দি এই স্বৰ **অ'** হিচাপে লিখা হয়। জিভাৰ উচ্চতা অনুযায়ী অ' স্বৰ মধ্যাভাস। এই স্বৰ নিম্ন স্বৰৰ সামান্য ওপৰত উচ্চাৰিত হয়। অসমীয়া ভাষাত অ' এটা বিশিষ্ট স্বৰধ্বনি। এই স্বৰে শব্দৰ অৰ্থৰ পাৰ্থক্য ঘটাব পাৰে। যেনে—

সভালৈ কত (ক + অ + ত + অ) মানুহ আহিছে!

তুমি 'ক'ত (ক + অ' + ত) আছা?

ওপৰৰ বাক্য দুটাৰ প্ৰথমটোত নিম্ন অ স্বৰ থকাত শব্দটোৰ অৰ্থ হৈছে 'বহুত'। কিন্তু দ্বিতীয় বাক্যত মধ্যাভাস **অ'** স্বৰ ব্যৱহাৰ হোৱাত **ক'**ত শব্দৰ অৰ্থ হৈছে বিশেষ স্থান।

এইদৰে একেটা **অ** আখৰৰ আমি উচ্চাৰণত দুটা বেলেগ স্বৰ পাওঁ— **অ** আৰু **অ'**। বিভিন্ন শব্দত **অ'** স্বৰৰ প্ৰয়োগ এনে ধৰণৰ ঃ

গ'ল (গ + অ' + ল); হ'ব (হ + অ' + ব + অ)

ক'ত (ক + অ' + ত); য'ত (য + অ' + ত)

ব'লা (ব + অ' + ল + আ); ৰ'বা (ৰ + অ' + ব + আ) আদি

মন কৰিবলগীয়া যে অ' স্বৰ সাধাৰণতে শব্দৰ আদ্যাক্ষৰত ব্যৱহাৰ হয়।

### (ঙ) 'ৱ' আৰু 'য়'ৰ ব্যৱহাৰ

**ৱ** আৰু **য়** অসমীয়া ব্যঞ্জন বৰ্ণমালাৰ দুটা বিশেষত্বপূৰ্ণ ধ্বনি। এই ধ্বনি দুটাৰ উচ্চাৰণত বায়ুপ্ৰৱাহ স্বৰধ্বনিৰ দৰে সম্পূৰ্ণ বাধাহীনো নহয় নাইবা আন ব্যঞ্জনৰ দৰে সম্পূৰ্ণ বাধাযুক্তও নহয়। স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ



মাজতে উচ্চাৰণ হয় কাৰণে এই ধ্বনি দুটাক অৰ্ধ ব্যঞ্জন বা অন্তঃস্থ ব্যঞ্জন বোলা হয়। তদুপৰি এটা স্বৰধ্বনিৰ পৰা আন এটা স্বৰধ্বনি উচ্চাৰণ কৰিবলৈ উচ্চাৰণকৰণ অৰ্থাৎ জিভাৰ স্থান পৰিৱৰ্তন কৰোঁতে এই ধ্বনি দুটাৰ সৃষ্টি হয়। সেয়েহে **ৱ** আৰু **য়**ক শ্ৰুতিধ্বনিও বোলা হয়।

**ৱ** আৰু **য়**-ৰ ব্যৱহাৰ শব্দৰ আদি অৱস্থানত নহয়। শব্দৰ আদিত **ৱ** ধ্বনি থাকিলে '**ব**' হিচাপে লিখা হয়। যেনে— 'ৱেদ' সংস্কৃত শব্দটো অসমীয়াত 'বেদ' হিচাপে লিখা হয়। সেইদৰে সংস্কৃত 'য়দি' (**যদি**) শব্দ অসমীয়াত 'যদি' হয়। অসমীয়া ভাষাৰ বিভিন্ন শব্দত **ৱ** আৰু **য়** ধ্বনিৰ ব্যৱহাৰ এনে ধৰণৰ ঃ

ৱ ঃ দেৱতা, শেৱালি, পোৱাল, ব্যৱস্থা, সেৱা, ঘৰুৱা।

য় ঃ গিয়ান, শিয়াল, বিয়লি, সদায়, বিয়া, হয়।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। ভাব-সম্প্ৰসাৰণ বুলিলে কি বুজা?

২। চন্দ্ৰবিন্দুৱে শব্দৰ অৰ্থগত পাৰ্থক্য নিৰ্দেশ কৰেনে?

৩। 'পাঁচ' শব্দটোৰ মূল উৎস কি?

৪। 'ৱ' ধ্বনি শব্দৰ কোন স্থানত ব্যৱহাৰ হয়?

৫। অ' ধ্বনি শব্দৰ অন্ত্যস্থানত প্ৰয়োগ হয়নে?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক — ২ অথবা ৩)

১। ৱ আৰু য় স্বৰক কিয় অৰ্ধব্যঞ্জন বোলা হয়? এই স্বৰ দুটা শব্দৰ আদিত ব্যৱহাৰ হয়নে?

২। অ' স্বৰ শব্দৰ কোন স্থানত পোৱা যায়? অ' স্বৰে শব্দৰ অৰ্থ পৰিৱৰ্তন কৰেনে? এটা উদাহৰণ দিয়া।

৩। সংস্কৃতৰ কি কি ধ্বনিৰ ঠাইত অসমীয়াত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়? দুটা উদাহৰণ দিয়া।

৪। য় ধ্বনিৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

৫। অ' ধ্বনিৰ উচ্চাৰণ সম্পৰ্কে আলোচনা কৰা।

(গ) **দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। ভাব সম্প্ৰসাৰণ কৰা— 'শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ'।

২। সম উচ্চাৰণৰ ভিন্ন অৰ্থবোধক ৫টা শব্দ অৰ্থসহ লিখা।

৩। চন্দ্ৰবিন্দুৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ লিখা।

৪। ৱ আৰু য়-ৰ উচ্চাৰণৰ বিষয়ে লিখা।

৫। অ' ধ্বনিৰ উচ্চাৰণ ক'ত হয়। এই ধ্বনিৰ ব্যৱহাৰ দেখুৱাই চাৰিটা শব্দ লিখা।


## Guarantee Certificate from the Publisher

Certified that this book is produced as per specifications of the Memorandum of Agreement (For publication of Text Books), Clause No. 6
Which states, interalia, that

| | | |
|---|---|---|
| Text Paper | = | 70 GSM |
| Cover paper | = | 150 GSM |
| Size | = | 1/8 Demy |
| Binding | = | Perfect |
| Cover Print | = | Multi Colour |
| Text Print | = | Single Colour |

If any of the specifications mentioned above, is violated than 'otherwise' the work order will be cancelled and the security money will be forfeited.

Name of the publisher
Jyoti Prakashan